

বণ্ডুকাবেহাৰ

মেদিনী চৌধুৰী

গুৱাহাটী বুক ষ্টল
শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩ : দিছপুৰ, গুৱাহাটী-৭৮১০০৬

BANDUKA-BEHAR

A Novel based on the life and ideals of Madhabdev, written by Medini Choudhury and Published by Bangshidhar Sarmah, M/s. Gauheti Book Stall, Gauhati-781003. Price Rupees Ten only.

। প্ৰকাশক : শ্ৰীবংশীধৰ শৰ্মা ● গুৱাহাটী বুক ষ্টল ● শিলপুখুৰী ● গুৱাহাটী-৩ ।

। প্ৰথম প্ৰকাশ : অক্টোবৰ, ১৯৭৬ চন ।

। বেটুপাতৰ ছবি : বেণু মিশ্ৰ ।

। ছপা : শ্ৰীঅজিত কুমাৰ ৰায় ● শ্ৰীসাৰদা প্ৰিণ্টিং ● ঘোষ লেন ● কলিকতা-৬ ।

। বন্ধা : শ্ৰীশিবসাধন ঘোষ ● জবা বাইণ্ডিং ওৱাৰ্কচ্ ● কলিকতা-৬ ।

। মূল্য : দহ টকা মাথোন ।

শংকৰ-মাধৱে সমাজৰ আটাইতকৈ পিচ পৰি থকাজনক আগবঢ়াই নিয়াৰ উদ্দেশ্যে জীৱন পাত কৰিছিল।

বহুযুগৰ পাচত আজি আকৌ দেশৰ গুৰিধৰোঁতা জনদিয়েকে নিষ্ঠাৰে সেই কাৰ্য্যত ব্ৰতী হৈছে। সেইসকলৰ হাতত এই পুথিখনি উছৰ্গা কৰিলোঁ।

পঢ়োঁতাসকললৈ শ্ৰদ্ধাৰে—

বৰগুৰুকাবেহাৰ ঐতিহাসিক দলিল নহয়, নীতি-নিয়মত বান্ধ খোৱা এখন উপন্যাসো নহয়। মাধৱদেৱৰ দৰে ইমান বিচক্ষণ আৰু প্ৰতিভাশালী পুৰুষ এজনৰ জীৱন-কথা লৈ উপন্যাস লিখাৰ, তাকো আকৌ উপন্যাসৰ কঠোৰ শৃংখলা মানি—সাহস মোৰ নাই। আনহাতে শঙ্কৰ-মাধৱৰ বিষয়ে প্ৰামাণ্য গ্ৰন্থও আজিলৈকে আমাৰ হাতত পৰা নাই: চৰিতপুথি যি কেইখন পোৱা গৈছে, সেইবোৰ পুৰুষ দুজনাৰ দেহৰক্ষাৰ বহুত পাচত লেখা। কথাগুৰুচৰিতখনতো ওঠৰ শতিকাৰ শেষ আৰু উনৈশ শতিকাৰ প্ৰাৰম্ভত সংকলিত কৰা বুলি ভবাৰ যথেষ্ট থল আছে। ইতিহাস আশ্ৰয় কৰি কিবা এটা সৃষ্টি কৰাৰ আগতে বৰ ধৈৰ্য্য আৰু সতৰ্কতাৰ প্ৰয়োজন, কিয়নো যিসকলে এই সমন্ধে চিন্তা-চৰ্চা কৰিছে, সেইসকলৰ মুষ্টিমেয় জনদিয়েকত বাদে প্ৰায়বোৰেই সামন্তযুগৰ দিগবলয় সম্পূৰ্ণ ভেদ কৰি ওলাই আহিব পৰা নাই। গতিকে তেওঁলোকৰ আলোচনাত বিজ্ঞানভিত্তিক অনুধাবনৰ সলনি ঐচ্ছিকতা আৰু অনুভূতিপ্ৰৱণতাৰ মাত্ৰাধিক্যহে পৰিলক্ষিত হয়।

এনেবোৰ কাৰণতেই ঐতিহাসিক মূল্যৰ দাবী স্বাভাৱিকতে মই কৰিব খোজা নাই। মই ইয়াত চৰিতপুথি, কিম্বদন্তী আদিৰ আশ্ৰয় লৈছোঁ আৰু থূলমূল ধাৰণা এটা লৈ লিখি গৈছোঁ। মাধৱদেৱৰ সামাজিক জীৱনৰ কেইটামান আলেখ্য থুপ খুৱাই এটা বিশেষ গতি অৰোপ কৰি সজাবৰ চেষ্টা কৰিছোঁ মাত্ৰ।

শঙ্কৰ-মাধৱে অৱহেলিত সৰু সৰু মানুহৰ সাংস্কৃতিক উত্থানৰ অৰ্থে অহোপুৰুষাৰ্থ কৰিছিল। সাংস্কৃতিক ধ্যান-ধাৰণাৰ সামন্তযুগীয় দুৰধিগম্য বাধাৰ প্ৰাচীৰ ভাঙি চেষ্টা কৰিছিল এক নতুন চিন্তাধাৰাৰ প্ৰৱৰ্তন কৰিবলৈ।

সেই চিন্তাধাৰাৰ অভিনৱত্ব আজিও অক্ষুণ্ণ থকা বুলি মই বিশ্বাস কৰোঁ। কিতাপখনত তেনে এক চেতনাৰ অস্তিত্বকে অনুভৱ কৰাবলৈ চেষ্টা কৰা হৈছে। জানো কিমানদূৰ কৃতকাৰ্য্য হৈছোঁ— আপোনাসকলেহে তাৰ বিচাৰ কৰিব।

কিতাপখনৰ পৰিকল্পনা কৰিছিলোঁ শ্ৰীবীৰেন্দ্ৰ নাথ দত্তৰ পুৰণি উদগনি এবাৰলৈ মনত পেলাই; শ্ৰীমহেন্দ্ৰ নাথ বৰঠাকুৰে পৰিকল্পনাটো শুনি উল্লসিত হৈ সোনকালে লিখি পেলাবলৈ মূৰত বাৰি পাৰি আছিল। সেয়ে মোক কম প্ৰেৰণা দিয়া নাছিল।

আমাৰ প্ৰথিতযশা শিল্পী শ্ৰীবেণু মিশ্ৰই বেটুপাত আঁকিছে। মই উকা কিতাপখন লিখিলোঁহে, প্ৰকৃততে পঢ়ুৱৈ সমাজত মুখ উলিয়াব পৰা কৰিলে শ্ৰীমিশ্ৰইহে।

আপোনালোক আটাইৰে সুপৰিচিত গুৱাহাটী বুক ষ্টলৰ স্বত্বাধিকাৰী শ্ৰীবংশীধৰ শৰ্মাই বিয়নি সাৰটাৰ গুটিৰ দৰে লাগি ধৰিলে অৱশেষত। তেখেতে নিতউ লাগি নথকা হলে কিতাপখন হয়তো শেষ কৰি লেখাই নহ'লহেঁতেন। ছপাৰ আকাৰত আপোনালোকৰ হাতত যে তুলি দিব পৰা গ'ল সেইটোও কেৱল তেখেতৰ সৌজন্যৰ গুণেহে।

এই কেউজনলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

কিতাপখন যুগুত কৰোঁতে শ্ৰীমান মহেন্দ্ৰ বৰা, শ্ৰীমতী অনুৰাধা শইকীয়া আৰু মোৰ মাজু জীয়ৰী পাৰমিতাই বিভিন্নভাৱে মোক সহায় নকৰা হলে কিতাপখন ছপাশাললৈ যোৱাৰ বাবে হয়তো প্ৰস্তুত নহলেইহেঁতেন। তেওঁলোক আটাইলৈকে মোৰ স্নেহাশীৰ্বাদ ৰ'ল।

শেষত পুনৰ আপোনাসকললৈ শ্ৰদ্ধাৰে—

মেদিনী চৌধুৰী

॥ এক ॥

ক'ত বণ্ডুকা আৰু ক'ত বেহাৰ! ভৌগোলিক ব্যৱধান অৱশ্যে নিচেই সামান্য। কেইখনমান নদী-জান-জুৰি আৰু সৰু সৰু অৰণ্য মাত্র। অথচ সেয়া যেন যোজন যোজন পথ। অন্তহীন পৰিক্রমাৰ সহস্র যুগ সৰকি পাৰ হৈ যোৱা গ্রহান্তৰৰ যেন এক সুদীৰ্ঘ কক্ষপথ।

অৱশ্যে বণ্ডুকাৰ সতে তেওঁৰ পৰিচয় ইমান নিবিড় নাছিল। বণ্ডুকা আছিল তেওঁৰ পিতৃভূমি। কিন্তু জন্মভূমি আছিল সুদূৰ হৰিশিঙা বৰাৰ ঘৰ। তেওঁ অৱশ্যে এদিন বণ্ডুকালৈ ঘূৰি আহিছিল। ঠিক ঘূৰি অহা নহয়। আহিছিল কোনো এক পুণ্যভূমি দৰ্শনৰ একান্ত বাসনা বুকুত বান্ধি লৈ। আজিও তেওঁৰ মনত আছে সেই নিমাই মুদৈৰ নাওঁখন। লুইতৰ বুকুত হেৰাই যাবলৈ মন যোৱা বিস্তীৰ্ণ বালিৰ চাপৰিবোৰ।

ৰাজেন্দ্ৰ অধ্যাপকৰ পাঠশালাত কেইটামান বছৰ; শৈশৱৰ পাহৰিব নোৱৰা স্মৃতি-বিজড়িত ব্যস্ত দিনপঞ্জী। আৰু নিকিতা নদীৰ পাৰ। য'ত ককায়েক দামোদৰৰ মুখলৈ চাই তেওঁ কোনোদিন নকৰা কাম এটা কৰিছিল। তেওঁ হুকহুকাই কান্দি দিছিল। পিতাকৰ মৃত্যুৰ শোকত নহয়। নদীৰ পাৰত প্ৰজ্জ্বলিত চিতাৰ পিনে চাই নিৰুপায়, নিঃসহায় দামোদৰৰ মুখখন দেখি তেওঁ নিজকে সংযত কৰি ৰাখিব পৰা নাছিল।

তেওঁৰ সেই অতীত ৰোমন্থন কৰাৰ আজি আৰু আগ্ৰহ নাই। প্ৰয়োজনো কিবা আছে বুলি তেওঁ নাভাবে। সমগ্ৰ নিশাটো তেওঁৰ আজি শোৱাই নহ'ল। নিৰৰ্থক কথাবোৰে মিছাতে তেওঁৰ মন ভাৰাক্ৰান্ত কৰি তুলিছে। তেওঁ বিছনাতে বহি বাহিৰৰ পৰিবেশটো অনুভৱ কৰাৰ চেষ্টা কৰিলে। সিটো কোঠাত গোবিন্দৰ অস্তিত্ব সম্বন্ধে নিজকে সজাগ কৰিবলৈ যত্ন কৰিলে।

পূবৰ বিলখনত ৰাজহাঁহৰ কোৰাল কেইটামান মুহূৰ্তৰ আগেয়ে নিজম পৰি গ'ল। কাৰোবাৰ স্নানমন্ত্ৰৰ ধ্বনি স্তব্ধ কৰি দুটা কুকুৰা চৰায়ে চিঞৰি চিঞৰি উষাৰম্ভৰ বিষয়ে ধৰিত্ৰীৰ আত্মাক যেন সচেতন কৰি তুলিলে।

অলপ পাচতে হীৰামণিয়ে কৈৱৰ্ত চুবুৰীৰপৰা নাৰেদি বৰশী চাবলৈ আহিব আৰু অনবদ্য সুৰত তেজৰে কমলাপতি গাব। তাৰ অলপ পাচত পোহৰি পোহৰি হলেই সৰিয়হতলীৰ দাঁতিত ঘাঁহ খাই থকা হৰিণাজাক উভতি হাবিত সোমাব আৰু কাঠনিত সুগৰী দুই-এটাই ভয় লগা মাতেৰে চিঞৰিব। চূণপোৰা ভিটাত বেতনিৰ মাজে মাজে কোৰাল লগাই ম'ৰা চৰাইৰ জাক নামিব আৰু তাৰ পাচতে চাউলখোৰাৰ সিপাৰৰ ক'ৰবাৰপৰা জাক জাক টিয়া চৰায়ে চিঞৰত গগন ফালি এইপিনেদি পাৰ হৈ যাব আৰু দূৰৰ কাঠনিত নিজম হৈ হেৰাই পৰিব।

জীৱনৰ কোৰালবোৰো এইদৰে হঠাৎ নিজম হৈ যায়। বহুত মানুহৰ সমাগম, সহস্ৰজনৰ কোলাহলমুখৰ সমাৰোহ এনেদৰেই হঠাতে হেৰাই পৰে। নিজৰ জীৱনতে মাধৱে বহুবাৰ এনে ৰূঢ় বাস্তৱৰ সন্মুখীন হৈছে। আজি এই মুহূৰ্ততো তেওঁ তেনে এটা নিষ্ঠুৰ সত্যৰে মুখামুখি হৈছে য'ত তেওঁৰ ইমান বছৰৰ কীৰ্তিৰ সমাৰোহ, ইমান দিনৰ সঞ্চিত অভিজ্ঞতাৰ শোভাযাত্ৰা একেবাৰে নীৰৱ-নিস্পন্দ হৈ পৰিছে। তেওঁ ধহমহকৈ বিছনাৰপৰা উঠিল। চেঁচা মাটিৰ স্পৰ্শত তেওঁ বহুতো নতুন স্বপ্নৰ ৰোমাঞ্চ অনুভৱ কৰিবৰ বাবে চেষ্টা

কৰিলে। হঠাৎ হীৰামণিৰ অপূৰ্ব কণ্ঠস্বৰ তেওঁৰ কাণত পৰিল আৰু তেওঁ নিথৰ নিশ্চল হৈ মজিয়াতে থিয় দি ৰ'ল।

সন্মুখৰ ৰঙিয়াল ফুলজোপাৰ ওপৰত আকাশী ভোমোৰাৰ গুঞ্জন তেতিয়া স্পষ্ট হৈ উঠিছিল। হীৰামণিৰ বৰগীতৰ উদাত্তস্বৰ ভোমোৰাৰ গুঞ্জনধ্বনিয়ে আৰু বেছি উদাস কৰি তুলিছিল।

মাধৱে কিমানপৰ তেনেদৰে থিয় হৈ আছিল, কব নোৱাৰাকৈয়ে কিমান যে মুহূৰ্ত পাৰ হৈ গ'ল তেওঁৰ খেয়ালেই নাছিল। বৰগীত শেষ হৈ গ'ল। ভোমোৰাৰ গুঞ্জনো স্তব্ধ হ'ল ইতিমধ্যে! হঠাৎ টিয়া চৰাইজাকৰ কোঢ়ালতহে তেওঁ চক্ খাই উঠিল আৰু মনৰ আবেশখিনি জোকাৰি পেলাই বাহিৰলৈ ওলাই আহিল। ওলায়েই তেওঁ স্তব্ধ হৈ গ'ল। সৰিয়হডৰাযে ইতিমধ্যে ফুলেৰে ইমান হালধীয়া হৈ উঠিছে তেওঁ ইমানদিনে মনেই কৰা নাছিল। ৰঙিয়াল ফুলজোপাৰ তলত কজলা ডুবৰিডৰাৰ ওপৰত সৰি পৰা ৰঙিয়াল ফুলে ৰঙা দলিচাহে যেন পাৰি থৈ দিছে! তেওঁ অবাক মুগ্ধদৃষ্টিৰে সন্মুখৰ পিনে চাই থাকিল।

গোবিন্দই পাচফালে বিমূঢ় হৈ চাই আছিল। খন্তেক পাচতে মাধৱ সচেতন হৈ পৰিল আৰু গোবিন্দৰ উপস্থিতি অনুভৱ কৰিলে।

ঃ হৰিভকত, ৰঙিয়াল ফুলজোপা বেছ ভৰুণ হৈ উঠিছে দেখিছোঁ।

গোবিন্দই মাধৱৰ কথা শুনি চক্ খাই উঠিল আৰু ততাতৈয়াকৈ কথাৰ সূত্ৰ ধৰি কলে—

ঃ প্ৰভুৰ কৰস্পৰ্শৰ গুণ।

ঃ আমি নিমিত্ত মাত্ৰ। সকলো তেৰাৰ কৃপা।

ঃ তেৰাই কাকো কৃপাৰ পৰা বঞ্চিত নকৰে প্ৰভু! কিন্তু যিজনে গ্ৰহণ কৰিব পাৰে সেইজন নিমিত্ত হলেও সামান্য নহয় প্ৰভু।

মাধৱদেৱে গোবিন্দৰ পিনে ঘূৰি চাই প্ৰশান্ত হাঁহি এটা মাৰিলে। তেওঁৰ মনত পৰিল পাটবাউসীৰ গুৰুগৃহৰ কথা। তাতো আছিল এজোপা ৰঙিয়াল ফুলৰ গছ। গুৰুৱে ভাল পাইছিল ৰঙিয়াল ফুল।

কজলা ভকণ গছজোপাত কোনোবা সীমন্তিনীৰ চুলিৰ মেষত উকি মৰা সেন্দুৰৰ দৰে ৰঙা ৰঙা ফুলবোৰ—গুৰুৱে কৈছিল নিষ্কাম সাধনাৰ প্ৰতীক। ফলৰ আশা নকৰি ফুলাতে জীৱনপাত কৰা ৰঙিয়াল ফুল সেয়ে গুৰুৰ কাৰণে আছিল ভগবানৰ অমূল্য সৃষ্টি। তেওঁ আকৌ ৰঙিয়াল ফুলৰ দলিচাখনলৈ চালে আৰু লাহে লাহে আগবাঢ়ি গৈ থাকিল।

তেওঁৰ মনৰ চকুত ভাঁহি উঠিল বহুদিন আগৰ সৰু এটা ঘটনা। গুৰুগৃহত ৰঙিয়াল ফুলজোপাৰ নিচেই কাষতে আছিল লাওৰ হেন্দালিখন। তাৰে খুটা এটাত আওজি ৰঙিয়াল ফুলৰ মালা এধাৰ গাঁথি গুৰু-দুহিতৃ ৰুক্মিণী নিতউ বৈ থাকে তেওঁ অহালৈ বাট চাই। শান্ত লাৱণ্যভৰা মুখত তেওঁ নিতউ উমান কৰিব পাৰিছিল অজস্ৰ প্ৰশ্নৰ চাঞ্চল্য। আৰু শেষত গুৰুৱে এদিন মাধৱক উপদেশ দিছিল বিয়া কৰিবলৈ। গড় বান্ধি জীৱন-যুদ্ধত নামিবলৈ। মাধৱে অৱশ্যে তেনে এটা প্ৰস্তাৱ প্ৰত্যাশাই কৰিছিল আৰু বীৰদৰ্পে উত্তৰ দিছিল যে, তেওঁৰ গড় নবন্ধাকৈ যুঁজি মহাৰথী হোৱাৰ মন। উত্তৰ হয়তো বীৰদৰ্পেই দিছিল কিন্তু আৰু কেইটামান বছৰৰ আগৰ সৰু কাহিনী এটালৈ মনত পৰি তেওঁৰ মন বিষণ্ণ হৈ পৰিছিল প্ৰস্তাৱষাৰ শুনাৰ লগে লগে। সেই কাহিনীটোৰ সতে জড়িত নিৰীহ নিষ্পাপ ছোৱালী-জনীৰ কথা ভাবিলে এতিয়াও তেওঁৰ এক অসহ্য অপৰাধ বোধ হয়। ছোৱালীজনীক তেওঁ আঙঠি পিন্ধাইছিল আৰু কিবা এটা কথাৰ কাৰণে পিন্ধোৱা আঙঠিও ঘূৰাই দিবলগীয়াত পৰিছিল কন্যাপক্ষই।

ৰুক্মিণীৰ কথাও তেওঁ বহুদিনলৈ পাহৰিব পৰা নাছিল।

পূব আকাশত ঘোলাৰঙী বেলিটো ক্ৰমে স্পষ্ট ৰঙা হৈ অহালৈ তেওঁ বাট চাই থাকিল। তেতিয়া ৰঙিয়াল ফুলবোৰ আৰু বেছি ৰঙা হৈ পৰিব। তেওঁ নিৰ্বাক নিস্পন্দৰ দৰে থমকি বৈ থাকিল।

: প্ৰভু, প্ৰসংগৰ বিলম্ব নাই। প্ৰাতঃকৃত্য সমাপন কৰিলে ভাল হয়।

মাধৱে মূৰ্চা গৈ পৰি থকা মানুহে হঠাৎ সচেতন হোৱাৰ দৰে চাৰিওপিনে চালে আৰু লাহে লাহে গোবিন্দৰ পিচে পিচে গৈ থাকিল। আগে আগে আসন আৰু বস্ত্ৰৰ টোপোলাটো লৈ গৈ থকা গোবিন্দক মাধৱৰ হঠাতে একেবাৰে অচিনাকি কোনোবা যেন লাগিল।

গুৰুৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি সেইদিনা মনত যি এক অদম্য সাহস অনুভৱ কৰিছিল আজি অথচ এই মুহূৰ্তত সেই সাহসৰ লেশ-মানো তেওঁ অনুভৱ নকৰে। সাহস দূৰৰ কথা, আজি নিজকে তেওঁৰ যে ইমান অকলশৰীয়া অকলশৰীয়া লাগিছে!

ঃ হৰিভকত,

ঃ কিবা কৈছে প্ৰভু!

ঃ নাই এনেয়ে। কেতিয়াবা তোমাৰ বাৰু একেবাৰে অকলশৰীয়া অকলশৰীয়া যেন নালাগেনে? চাৰিওফালে নাম-প্ৰসংগ, ভোৰতালৰ শব্দৰ মাজত বহি বহি কেতিয়াবা মোৰ হঠাতে বৰ ভয় লাগে। যেন জোনাক নিশা ভৰা লুইতৰ পাৰত ডকা চাকনৈয়াৰ শব্দ শুনি শুনি তুমি অকলশৰে থিয় হৈ আছা!

ঃ তেনে ভাব সকলোৰে একো একোটা সময়ত আহে প্ৰভু।

ঃ আহে? তেন্তে তুমি বদলি হৈ যোৱা নাই কিয়?

ঃ সেই ভাব খন্তেকীয়া, মনৰ প্ৰাবল্যৰপৰা আহে প্ৰভু। তুমি অন্তৰ্য্যামী, তোমাক আৰু আমি মূৰুখে কেনেকৈ বুজাব পাৰোঁ?

তেওঁ একোকে নকলে। খন্তেকীয়া হোৱা হলেতো কথাই নাছিল। কিন্তু আজি কিছুদিনৰপৰা এই নিঃসহায় ভাবটোৱে তেওঁক নেৰাই হৈছে অহৰ্নিশে। গুৰুৰ দেহৰক্ষাৰ পাচতে যি এক নিঃসহায় অনুভূতিয়ে তেওঁক আচ্ছন্ন কৰি ৰাখিছিল সেই অনুভূতি সময়ে একেবাৰে পাতল কৰি দিছিল। তাৰ পাচত ৰমানন্দ ঠাকুৰৰ মৃত্যুত তেওঁ খন্তেক বিচলিত হৈছিল যদিও মনৰ সাহসে তেওঁক এৰি দিয়া নাছিল। কিন্তু আজি এয়া তেওঁৰ কি যে হৈছে তেওঁ নিজেই কব

নোৱাৰে। গুৰু আৰু ঠাকুৰৰ মৃত্যুৰ পাচত সমগ্ৰ দেশৰ যেন ধৰণী কঁপি উঠিল। আইমাতৃৰ কাতৰ অনুৰোধষাৰৰ কথা মাধৱে আজিও পাহৰিব পৰা নাই।

: বড়াৰপো এয়া কি হ'ল! মই কি মহাপাপ কৰিছিলোঁ যে ভগবানে মোক ইমান শাস্তি দিলে?

: সকলো তেওঁৰে ইচ্ছা মাতৃ। আমি নৰমনুষ্যই ভাবি তাৰ অন্ত কি পাম?

: তেওঁ কিয় এনে ইচ্ছা কৰিব? আৰু ময়েবা এতিয়া কি কৰিম?

মাধৱে প্ৰশ্নষাৰৰ অৰ্থ বুজিব পাৰি নিৰুত্তৰ হৈ আছিল। গুৰু-পত্নীৰ দৰেই তেৰোঁ নিৰুপায়। কিন্তু তেখেতেই সমস্যাৰ শেষ সমাধান এটা কৰাৰ উদ্দেশ্যে যেন কলে: তুমি আমাৰ ইয়াতে থাকিবা। তেওঁ তো গলেই; ল'ৰাটোকো লৈ গ'ল। মই অকলশৰীয়া মানুহজনীয়ে কোনফালে চম্ভালিম। ঘৰত যুৱতী বিধবা এজনী আৰু উতনুৱা কেচুৱা এটা লৈ মই কোনফালে চাম, কোনফালে কি কৰিম!

তেওঁ ভবাই নাছিল, তেওঁ লাহে লাহে কি এক বেৰাজালত সোমাই পৰিছিল। ৰমানন্দৰ বিধবা পত্নীয়ে কাম-কাজ কৰি অঁতাই তেওঁৰ পঁজাৰ দুৱাৰমুখত যেতিয়া ভাগৱতৰ পদ শুনিবলৈ বৈ থাকে, গুৰুপত্নীয়ে যেতিয়া মাৰল ঘৰৰ পিৰালিত বহিবলৈ দি সংসাৰৰ ভাল-বেয়া, দিহা-পৰামৰ্শ সোধে—তেওঁ তাত ভাবিবলগীয়া কিবা এটা আছিল বুলি ভবাই নাছিল। ৰমানন্দ পুত্ৰ পুৰুষোত্তম ঠাকুৰক এডাল সামান্য ফলিগুটিৰ কাৰণে মনপুৰ ভৰালীয়ে যিদিনা কটু কথা শুনাই চকুপানী টোকাই খেদি দিছিল, মাধৱৰ সেইদিনা সঁচাকৈ খং উঠিছিল। গুৰুৰ দেহৰক্ষাৰ পাচত সেইদিনাই প্ৰথমে মাধৱৰ ইমান খং উঠিছিল। এই ঘটনাপৰম্পৰা যেন কোনোবা অদৃশ্য হাতে এটা বিশেষ উদ্দেশ্যেহে নিয়ন্ত্ৰণ কৰিছিল, সেই কথা তেতিয়া তেওঁৰ অনুভৱ হোৱা নাছিল। আৰু যেতিয়া হৈছিল তেতিয়া তেওঁৰ কৰিবলগীয়া

একো নাছিল। এক নিঃসহায় দৰ্শকৰ দৰে, এক নিৰুপায় শ্ৰোতাৰ দৰে তেওঁ নিষ্ক্ৰিয় হৈ ঘটনাৰ সোঁতত নিজকে এৰি দিছিল।

বনগঞাগিৰিক দোষ দিয়াৰ কোনো হেতু তেওঁ বিচাৰি নাপায়। গুৰুৰ অবিহনে তেৰাৰ ভ্ৰাতৃয়ে ধৰ্মাচাৰ্য্যৰ বাব আশা কৰাত কোনো দোষ নাছিল। দেশৰ ঐতিহ্যপৰম্পৰাই তেওঁক সমৰ্থন কৰিবলৈ বাধ্য। আৰু সেইদৰে মাধৱৰ বিৰুদ্ধে যদি জঘন্য অপবাদ প্ৰচাৰ কৰি তেওঁক স্থানচ্যুত কৰিব পাৰে বনগঞাগিৰিয়ে, নকৰিবই বা কিয়? বনগঞাগিৰিয়ে যেতিয়া উলিয়াই ফুৰিছিল, মাধৱ ভণ্ড উদাসীন বুলি, গৰাকী নোহোৱা বিধবা কেইজনীৰ নিঃসহায় অৱস্থাৰ সুযোগ লোৱা বুলি, প্ৰথমে তেওঁ তাত কিবা এটা কৰিবলগীয়া আছে বুলি ভবাই নাছিল। কিন্তু তেওঁ আঁতৰি আহিল একমাত্ৰ আইমাতৃৰ কাৰণে চিন্তা কৰিহে। এবাৰ ভাবিছিল তেওঁ বহুদূৰলৈ আঁতৰি যাব বুলি, কিন্তু সেই ক্ষেত্ৰতো আইমাতৃৰ কথা ভাবিয়ে সেই ইচ্ছা পৰিত্যাগ কৰি সুন্দৰী পালেহি।

গুৰুগৃহৰপৰা আঁতৰি অহাৰ লগে লগে কোনোবা জল্লাদৰ আক্ৰমণৰপৰা পলাই গৈ মুকলি পথাৰ এখনত ওলাই পৰাৰ দৰে নিঃসহায় নিঃসহায় ভাব হ'ল। আৰু আজিলৈকে অহৰ্নিশে সেই ভাবে তেওঁক ত্যাগ কৰা নাই। গুৰুৰ উপদেশ অমান্য কৰাৰ বাবেই এনে দুৰ্ভোগ ভুগিবলগীয়া হ'ল নিশ্চয়। নহলে আজি তেওঁ এনেদৰে পোহৰৰ ভয়ত, মানুহৰ ভয়ত সুন্দৰীদিয়াত এই বুঢ়ী লুইতৰ পাৰত দিন কটাবলগীয়া নহলহেঁতেন।

প্ৰসংগৰ পাচত মনটো কিছু মুকলি মুকলি লাগিল। সন্মুখৰ চোতালত তুলসী জোপাৰ গুৰিত গোবিন্দই আসন পাৰি দিলেহি। তেওঁ বহি নামঘোষাৰ আধৰুৱা কামখিনি উলিয়াই ললে। পুৱাৰ লাহে লাহে পুৰঠ হৈ অহা ৰ'দজাক বেছ ভাল লাগিল। ৰ'দ পৰি সন্মুখৰ ৰঙিয়ালজোপা উজ্জ্বল কজলা হৈ পৰিল।

: হৰিভকত, নামঘোষাৰ প্ৰথম পদটো তোমাৰ মনত আছেনে?

: আছে প্ৰভু। মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো—

: তোমাৰ দেখিছোঁ ভালদৰেই মনত আছে ; কিন্তু অৰ্থ হৃদয়ংগম হৈছে জানো ?

: প্ৰভুৱে অলপ বুজাই দিলে কৃতাৰ্থ মানিম। গভীৰ তত্ত্বৰ কথা বুজাত অধমৰ নিতৌ আউল লাগে প্ৰভু।

: এই ৰঙিয়াল ফুলজোপাৰ কথা মনত কৰিয়েই মই সেই ফাকি পদ ভাঙিছিলোঁ। ফলৰ আশা নকৰি যিজনে কৰ্ম কৰি যায়, পৰিণতিৰ স্পৃহা নকৰি যিজনে ভগবানৰ সেৱা কৰে সেইজন পৰম ভকত। যেনে ধৰা এই ৰঙিয়াল ফুলজোপা।

: দাসৰ মনত এতিয়াহে পৰিষ্কাৰ হৈছে প্ৰভু।

মাধৱে ম'ৰাৰ পাখিৰ কলমডাল হাতত লৈ অন্যমনস্ক হৈ পৰিল। গোবিন্দৰ শেষষাৰি কথা শুনা যেন দেখা নগ'ল। হঠাৎ চকু দুটা মুদি গভীৰ ধ্যানত নিমগ্ন হ'ল।

বিলৰ পাৰত ৰমাকান্ত সুতাৰে দক্ষিণ কুলৰ বৰবিষ্ণু আতৈৰ নাওঁ সাজি আছিল। হাতুৰীৰ শব্দবোৰ যেন ঘৰৰ পাচফালৰপৰাহে আহিছে, এনে বোধ হৈছিল মাধৱৰ। একেৰাহে তিনিটা অধ্যায় শেষ কৰি যেতিয়া উঠিল, দেখিলে হাতৰ ঘামত লেখাবোৰ বিয়লি গৈছে। কপালত, উদং পিঠিত, নোমাল বুকুত বিন্দু বিন্দু ঘামৰ টোপাল বিৰিঙি উঠিছে। মাধৱ লাহেকৈ বহাৰপৰা উঠিল আৰু আলধৰা ভকতৰামক মাতিলে।

: হৰিভকত কেনি গ'ল ?

: বিলৰ পিনে ওলাই গ'ল হবলা প্ৰভু ইচৰ।

: চাওঁ এইবোৰ উঠাই লৈ যোৱাচোন। ৰ'দটো বৰ প্ৰখৰ হৈ উঠিছে। বিলত কোনোবাই নাওঁ সাজিছে হবলা ?

: হৈছে প্ৰভু ইচৰ ; ৰমাকান্ত সুতাৰে বৰবিষ্ণু আতৈৰ নাওঁ কাটিছে।

: ৰমাকান্ত ?

: হৈছে ইচৰ ; বাৰাদিৰ চৌকীয়া মাঝিৰ ঘৰত আছিল তাহনি।

চৌকীয়া মাঝিৰ কথা শুনি মাধৱৰ মন হঠাৎ স্মৃতিকাতৰতাই আচ্ছন্ন কৰি পেলালে। বহু বছৰৰ আগতে যেতিয়া প্ৰথম এই দেশলৈ তেওঁ গুৰুজনাৰ সতে আহিছিল, চৌকীয়া মাঝিয়েই তেওঁলোকক বাট দেখুৱাই লৈ আহিছিল। বাৰাদি, চূণপোৰাভিটা, তাঁতীকুছি, পাটবাউসী, গণককুছি এইবোৰ ঠাইৰ সতে চিনাকি কৰি দিছিল চৌকীয়া মাঝিয়েই পোনপ্ৰথম। তাৰ পাচতো তেওঁৰ মাতৃৰ শ্ৰাদ্ধৰ বাবে কপৰ্দকহীন হৈ যেতিয়া সামান্য অৰ্থৰ কাৰণে ঘূৰি ফুৰিছিল তেতিয়াও চৌকীয়া মাঝিৰ সৌজন্য আশা কৰি তেওঁৰ ওচৰ চাপিছিল মাধৱে। মাঝিয়ে হয়তো সহায় কৰিব পৰা নাছিল কিন্তু সৌজন্য প্ৰদৰ্শনত কাৰ্পণ্য কৰা নাছিল কিঞ্চিৎমানো। মাধৱৰ কাৰণে আজি সেইবোৰ দুঃস্বপ্ন নহয়, ৰূঢ় বাস্তৱ। সেই বাস্তৱৰ সতে সংগ্ৰাম তেওঁৰ আজিও শেষ হোৱা নাই। আজি পদে পদে তেওঁ বাধাগ্ৰস্ত, বাস্তৱৰ সতে সংঘাতত দীৰ্ণ-বিদীৰ্ণ হৈ পৰিছে তেওঁৰ সমগ্ৰ সত্তা।

গুৰুজনাৰ সতে প্ৰথম যেতিয়া তেওঁ এই মাটিত ভৰি দিছিলহি, তেওঁৰ সমগ্ৰ সত্তা আলোড়িত হৈ উঠিছিল এক বিপুল সম্ভাৱনাৰ প্ৰতিশ্ৰুতিত। আৰু গুৰুজনাৰ আশ্ৰয়ত যিমানে প্ৰতিশ্ৰুতি দৃঢ়তৰ হৈ আহিছিল সিমানে তেওঁ হৈ পৰিছিল বেপৰোৱা। কথাষাৰ চিন্তা কৰি তেওঁৰ নিজকে একেবাৰে অসহায় যেন লাগিল। গড় নবঙ্কাকৈ যুঁজি মহাৰথী নাম লোৱাৰ বিষয়ে গুৰুজনাক দিয়া আশ্বাসৰ কথা ভাবি নিজৰে লাজ লাগি গ'ল।

: হৰিভকত !

চকোৱাখনৰ সিপাৰে কাৰোবাৰ পদশব্দ তেওঁৰ কাণত পৰিছিল।

: গৈছো প্ৰভু, কিবা আদেশ আছে ?

: তুমি বাৰু হীৰামণিৰ ঘৰ চিনি পোৱা নহয়নে ?

: পোৱা হব প্ৰভু ; কিন্তু···

: কিন্তু মানে? তেওঁক মই লগ পাব খোজা বুলি খবৰ পঠাব লাগিছিল।

গোবিন্দক ইতস্তত: কৰা দেখি মাধৱে সপ্ৰশ্ন দৃষ্টিৰে তেওঁৰ মুখৰ পিনে চাই থাকিল। গোবিন্দ নিৰুত্তৰ হৈ পৰা দেখি ক'লে—

: ভকতৰামক পঠাই দিবা।

: তেওঁ বোধকৰোঁ নাহে প্ৰভু?

: কিয়?

: ৰাঘৱ পণ্ডিতৰ মানুহ তেওঁ। সেই যে এষাৰ কথা আছে প্ৰভু সিয়ান চৰাই ভাও, লাফ দি দি আহাৰ খায়, ফান্দত নিদিএ পাও। তেওঁ সেইবিধৰ মানুহ প্ৰভু। মাতি লাভ নহব আমাৰ বোধে।

মাধৱৰ কিন্তু গোবিন্দৰ কথাষাৰ বিশ্বাস কৰিবৰ মন নগ'ল। চৌকীয়া মাঝিৰ বংশৰ হীৰামণি যিয়ে ইমান প্ৰাণ ঢালি মাধৱৰ বৰগীত গায় তেওঁ আমন্ত্ৰণ অগ্ৰাহ্য কৰিব মাধৱৰ। কথাষাৰত পতিয়ন যাব নোৱাৰিলে মাধৱে। আনহাতে গোবিন্দকো চুনাই কবৰ প্ৰবৃত্তি নহ'ল। বৰ শ্ৰান্ত-ক্লান্ত যেন লাগিল নিজকে। ঘৰৰ ভিতৰত সোমাই দুৱাৰখন জপাই দিলে। অৱশ অনুভৱ হোৱাত চালপীৰাখনত দীঘল দি পৰিল আৰু চকু দুটা জোৰকৈ মুদি দিলে। গোবিন্দই মাধৱৰ অস্থিৰ অৱস্থা দেখি মজিয়াতে বহি ললে আৰু কিবা এষাৰ কৈ তেওঁৰ মনৰ ভাব পাতলাবৰ কাৰণে কথা বিচাৰি চঞ্চল হৈ পৰিল। অলপ পাচত নীৰৱতা ভংগ কৰি বিশেষকৈ তেওঁৰ অৱস্থিতি সম্বন্ধে মাধৱক সজাগ কৰাৰ উদ্দেশ্যে অলপতে ভাওনি কৰা নামঘোষাৰ তেওঁৰ আটাইতকৈ ভাল লগা পদফাঁকি আওৰালে—

: হৃদিস্থিত হুয়া তুমি যেন কৰাবাহা স্বামী হৃষীকেশ কৰিবো তেনয়।

: হৰিভকত, বৰ পোহৰ আহিছে, দুৱাৰখনত কাপোৰ এখন দি দিয়াচোন।

: পোহৰ যেতিয়া আহে বাধা দি ৰখাব নোৱাৰি প্ৰভু। কাপোৰখন

দুৱাৰত ওলোমাই দি ওচৰতে বৈ থকা গোবিন্দৰ কাথাবাৰ শুনি মাধৱে মূৰ তুলি চালে আৰু সহজ হবৰ চেষ্টা কৰি কলে—

: বাৰু হৰিভকত, পোহৰৰ গতি কি ৰুদ্ধ হৈ গ'ল ?

: নাই হোৱা প্ৰভু, পোহৰৰ অলেখ পথ মুকলি হৈহে আহিছে।

: তেন্তে হীৰামণিয়ে কিয় ৰাঘব পণ্ডিতৰ কাষ চাপিছে ?

: সকলো তেৰাৰ কৃপা প্ৰভু; হীৰামণিয়ে অন্ধকাৰত নপৰিলে পোহৰৰ শান্তি অনুভৱ কৰিব নোৱাৰিব প্ৰভু।

: আৰু আমি আজি কিয় এন্ধাৰ বিচাৰিছোঁ ?

: বেলিয়ে গোটেই ৰাতিটো এন্ধাৰত লুকাই থাকে যি কাৰণে প্ৰভু।

মাধৱৰ অন্তৰাত্মা কঁপি উঠিল গোবিন্দৰ কথাবাৰ শুনি। এওঁলোকৰ ইমান নিৰ্ভৰ, ইমান প্ৰত্যয়ৰ পাত্ৰ হোৱাৰ কথা মনত পৰিলেই ভয়ত তেওঁৰ বুকু কোঁচ খাই যায়। তেওঁ কিযে নতুন পোহৰৰ সন্ধান দিব পাৰিব, সেইটো চিন্তা কৰা দূৰৰ কথা; যিমান পোহৰ আছিল, তাক অম্লান কৰি ৰখ। . যত্নতে হয়তো প্ৰাণান্ত হব লাগিব। প্ৰাণান্ত হৈও যদি তেওঁ সফল হব পাৰিলেহেঁতেন তেও জীৱন সাৰ্থক হোৱা বুলি ভাবি লব পাৰিলেহেঁতেন; কিন্তু পাৰিব জানো তেওঁ সফল হব ? চিন্তাৰ তীব্ৰতা শাম কটাবৰ বাবে তেওঁ কিবা এষাৰ কব খুজিও নিৰস্ত হ'ল। বাহিৰত কাৰোবাৰ পদশব্দ শুনিলে।

: কোন ?

: মই, মামা।

: ঠাকুৰ আহিছে প্ৰভু।

গোবিন্দই মাধৱৰ সন্মতিলৈ অপেক্ষা নকৰি দুৱাৰখন খুলি দিলে। লৰালৰিকৈ ভৰি-হাত ধুবলৈ পানীৰ লোটা আৰু মুখমচা যতনাই দি আসন এখন পাৰি দিলে। ৰামচৰণ কিন্তু আসনত নবহিল। মাধৱৰ ভৰি পথানৰ পিনে থিয় হ'ল। মাধৱে লাহেকৈ বিছনাতে বহি ললে আৰু ৰামচৰণক তিৰস্কাৰৰ সুৰত কলে—

: তুমি মোৰ ভাগিন। ভবি পথানৰ পিনে থিয় হৈছা কিয় ?

: তুমি যে আমাৰ গুৰু। আমাৰ পিতৃসদৃশ।

ৰামচৰণে মাধৱৰ সন্মুখত মাটিতে বহি ললে আৰু মুখলৈ একেথৰে চাই থাকিল।

ভাগ্নেয় ৰামচৰণৰ দৃষ্টিৰ অৰ্থ বুজি মাধৱ মনে মনে সন্ত্ৰস্ত হৈ পৰিল। ৰামচৰণে কিবা এটা সোধাৰ আগতেই মাধৱে কলে—

: কোৱা ৰামচৰণ, কি সকামত আহিলা ?

ৰামচৰণে তেওঁৰ কথালৈ আওকাণ কৰি সুধিলে—

: তুমি কি ভাবিছা ?

: একো নাই ভবা।

: নাভাবিলে কেনেকৈ হব। বনগঞাগিৰিয়ে মিছা জঘন্য অপবাদ ৰটি ফুৰিব আৰু তুমি একো নভবাকৈ হাত সাবটি বহি থাকিবা !

: মইও গৈ কাৰোবাৰ অপবাদ ৰটিলেহে হব !

: অপবাদ কিয় ৰটিবা, কিন্তু প্ৰতিকাৰ তো কৰিব লাগিব।

: বুজিছোঁ, কিন্তু কিদৰে !

ওলোটা প্ৰশ্নষাৰ শুনি ৰামচৰণ নিজেই বিমোৰত পৰিল। ক্ষোভৰ জ্বালাত মুখ ৰঙা-চিঙা পৰি গৈছিল। মাধৱে নিৰ্বিকাৰভাৱে মজিয়ালৈ চাই থাকিল। গোবিন্দই অসুবিধাজনক পৰিবেশটো ঘূৰাই অনাৰ উদ্দেশ্যে প্ৰসংগান্তৰলৈ যোৱাৰ চেষ্টা কৰিলে—

: ঠাকুৰৰ চাউল কঠিও ইয়াতে সিজোৱা হ'ক।

: অ' যোৱা, তুমি সাজু কৰা, মই গৈ আছোঁ।

: কথা ভাবি লাভ নাই ঠাকুৰ, আমাৰ বোধেৰে প্ৰভুৱে যি কৰিছে তাত ভাবিবলগীয়া আৰু একো নাই।

গোবিন্দৰ কথা শুনি ৰামচৰণ ঠাকুৰে পোন্দোৱাকৈ তেওঁৰ পিনে চালে আৰু শংকাজড়িত কণ্ঠত শক্তি ঘূৰাই অনাৰ অভিনয় কৰি সুধিলে—

: মানে ?

: কিছুমান ভুল আছে ঠাকুৰ, যাৰ শুধৰণিৰ কাৰণে হুলস্থুল কৰি চেষ্টা নকৰাটোৱেই মংগল। কুঁৱাৰ নিচেই কাষত খেলি থকা ল'ৰাটোক বচাবলৈ গৈ চিঞৰ-বাখৰ কৰি দিলে যি ঘটনা ঘটাটো নিশ্চিত ইয়াতো হয়তো সেইটোৱে ঘটিবগৈ পাৰে।

কথাষাৰ কৈয়ে গোবিন্দ ওলাই আহিল আৰু সৰিয়হডৰাৰ মাজেদি বৰবিষ্ণু আতৈ, শ্ৰীৰাম আতৈ আৰু কেবাজনো ভকত অহা দেখি তেওঁ পুনৰ ঘৰলৈ সোমাই আহিল।

হাত-ভৰি ধুই আচমন কৰি আগন্তুক আটায়ে মাধৱক প্ৰণাম কৰি চোতালতে বহি ললে। আটাইকে অধোবদনে থকা দেখি মাধৱে সহজ হবৰ চেষ্টা কৰি প্ৰশান্ত হাঁহি এটা মাৰি সুধিলে—

: কি বতৰা, আটায়ে অধোমুখে ৰ'লা যে? কিবা বিষাদৰ বতৰা আছে হ'বলা?

বৰবিষ্ণু আতৈয়ে কষ্টেৰে মূৰ তুলি কলে—

: বনগঞাগিৰিৰ বিষয়ে আদেশ বিচাৰি অহা হৈছে।

: কি আদেশ?

: আতাই যি আদেশ দিয়ে।

: মোৰ কোনো আদেশ নাই। কি কোৱা হৰিভকত?

: হৈছে প্ৰভু। পিচে আতৈ, আপুনি জানো বনগঞাগিৰিয়ে ৰটি ফুৰা কথাখিনি বিশ্বাস কৰিছে?

গোবিন্দৰ প্ৰশ্নবাৰত আটায়ে জিকাৰ খাই উঠিল। একেমুখে ঘৃণাব্যঞ্জক ছিঃ! ছিঃ! শব্দ কৰিলে। আৰু তেনে কথা বিশ্বাস কৰাৰ আগতে তেওঁলোকৰ মৃত্যু হব বুলি শপত দিলে। গোবিন্দই ৰহস্যপূৰ্ণ হাঁহি মাৰি কলে—

: তেন্তে প্ৰভুৰ তাত কৰিবলগীয়া একো নাই।

কথাষাৰ শুনি ৰামচৰণ ঠাকুৰ হুটহুটাই উঠিল।

: ইমান এখন ৰাইজে কোৱা সত্বেও একো কৰিবলগীয়া নাই বুলি তুমি কবলৈ সাহস কৰিছা?

: নিশ্চয়। এই বাইজেই মোক সেই সাহস দিছে। যিষাৰ কথা ৰবিবিষ্ণু আতৈয়ে বিশ্বাস নকৰে, ঠাকুৰে বিশ্বাস নকৰে, শ্ৰীৰাম আতৈ, আৰু এই ভকতসকলে বিশ্বাস নকৰে, তেনে এষাৰ কথাত কোনোবা অল্পমতিয়ে মাত মাতিলেও প্ৰভুৱে তালৈ কৰ্ণপাত নকৰে।

গোবিন্দৰ পানী নসৰকা যুক্তি শুনি আটায়ে হতবাক হৈ এবাৰ গোবিন্দৰ এবাৰ মাধৱৰ মুখলৈ চোৱাত লাগিল। মাধৱে হাঁহি হাঁহি কলে—

: হৰিভকতে ঠিকেই কৈছে। মোৰ তাত কৰিবলগীয়া বা ভাবিবলগীয়া একো নাই। যদি কিবা আছে তোমালোকৰ আছে। আৰু তোমালোকৰ কোনেও যেতিয়া বিশ্বাসেই নকৰা, তেন্তে আৰু কাৰোবাৰ কিবা কৰিবলগীয়া আছে বুলি মই নাভাবোঁ।

গোবিন্দৰ কথাষাৰ যুক্তিপূৰ্ণ যদিও মাধৱৰ মন কিন্তু মুকলি নহ'ল। ভকতসকল যোৱাৰ পাচত তেওঁৰ মন আকৌ ভাবাক্ৰান্ত হৈ পৰিল। তেওঁ পুনৰ আৰম্ভৰে পৰা গোটেই কথাখিনি বনগঞাগিৰিৰ দৃষ্টিৰে চোৱাৰ চেষ্টা কৰিলে।

গুৰুজনাৰ প্ৰাপ্তবয়স্ক ভ্ৰাতৃ হিচাপে তেৰাৰ অবিহনে সমাজৰ কৰ্তৃত্ব বাঞ্ছা কৰাত বনগঞাগিৰিৰ লেশমানো দোষ নাই। যি সন্মানৰপৰা তেওঁ বঞ্চিত হ'ল, সেই সন্মানৰ পুনৰুদ্ধাৰৰ কাৰণে তেওঁ যদি অলপ অন্যায়ো কৰে তাক নিন্দনীয় বুলি কব নোৱাৰি। এইবোৰ দৰাচলতে কিছুমান কৃতকৰ্মৰ ফল মাত্ৰ। বনগঞাগিৰিয়ে এইবোৰ সন্মান লাভৰ বাবে উপযুক্ত কৰ্ম কৰা হলে তেওঁক কোনেও এই সন্মানৰ পৰা বঞ্চিত কৰিব নোৱাৰিলেহেঁতেন। আৰু মাধৱেও গুৰুৰ উপদেশ মানি লৈ গড় বান্ধি যুঁজা হলে আজিৰ এই দুৰ্ভোগ ভোগ কৰিবলগীয়া নহ'লহেঁতেন।

: ভগবান, তুমি অন্তৰ্য্যামী প্ৰভু দয়াময়!

মাধৱে দীঘলকৈ এটা হুমুনিয়াহ কাঢ়িলে। আৰু আবেলিকৈ তাঁতীকুছিত কীৰ্তনঘৰ সজাৰ বাবে মাটিৰ কি এটা জেওঁা মাৰিবৰ

বাবে বৰবিষ্ণু আতৈয়ে মাতি থৈ যোৱা কথা মনত পৰাত লৰালৰিকৈ অৰ্দ্ধসমাপ্ত নামঘোষাৰ পাণ্ডুলিপিখন উলিয়াই ললে।

কথাষাৰ ভাঙি কোৱা নাই যদিও মাধৱে ঠিকেই বুজিছিল সেই জেঙা কিহৰ। সেই জেঙা হ'ল ৰাম লাড়ুৱা বুঢ়াক লৈ। ৰজাক নাটে বজাক নাটে বুলি কথা এষাৰ আছে নহয়; ৰাম লাড়ুৱা বুঢ়াও হ'ল বজা। সক অকমান এডৰা মাটি কীৰ্তনঘৰৰ বাবে ৰাইজে খুজিছে। কিন্তু বুঢ়াই একোপধ্যে নিদিয়ে। কিন্তু মাধৱেই বা কি কৰিব? বুঢ়াই ৰাইজৰ কথাকে শুনা নাই। আৰু জানো মাধৱৰ কথা শুনিব? মাধৱ মনে মনে সন্দিহান হ'ল আৰু অস্থিৰ মনেৰে কলমডাল দোৱাতত ভৰাই দিলে।

॥ দুই ॥

শেষত এটা সময়ত ৰামচৰণ ঠাকুৰো গুলাই গ'ল। ঘৰখন খন্তেকৰ পাচতে আকৌ নিমাওমাও হৈ পৰিল। বন্ধ দুৱাৰখনৰ সুৰুঙাবোৰেদি সোমাইপৰা ৰ'দৰ ৰেখাবোৰে কেঁচা মাটিৰ মজিয়াত তোলা ফুলবোৰলৈ চাই মাধৱে এটা হুমুনিয়াহ কাঢ়িলে।

মানুহৰ মন বোলা বস্তুটোও এই ৰ'দৰ ৰেখাবোৰৰ দৰেই ; ইচ্ছা কৰিলেই তাক নোহোৱা কৰিব নোৱাৰি, যেনেদৰে নোৱাৰি মানুহৰ মনৰ ভাববোৰক। গোবিন্দই পুৱা ভকতসকলক সোধা প্ৰশ্নষাৰৰ কথা মাধৱৰ মনত পৰিল। যাৰ উত্তৰত প্ৰকাশ পাইছিল মাধৱৰ প্ৰতি ভকতসকলৰ অকুণ্ঠ আনুগত্য ; যি উত্তৰ শুনি তেওঁ মনে মনে হৈ পৰিছিল সন্ত্ৰস্ত। গোবিন্দই কথাৰ লাচতে এষাৰ অতি সঁচা কথা কৈছিল—সঁচাকে এনে কেতবোৰ ভুল আছে, যাক শুধৰাবৰ বাবে আনে হুলস্থুল নকৰি ভুল কৰোঁতাজনৰ ওপৰত এৰি দিয়াই মংগল-জনক। গুৰুজনা বাউসীত থাকোঁতে ঠিক এনে এটা ভুল শুধৰাবলৈ গৈ মাধৱে হুলস্থুল কৰোঁতে তদনুৰূপ উপদেশকেই দিছিল।

সেইদিনা বাউসীৰ কীৰ্তনত যোগদান কৰিবলৈ সুদূৰ খটৰাৰপৰা আহিছিল সত্ৰীয়া আতৈ। মাধৱে জানিলে যে খটৰাত মূৰ্তি পূজাৰ প্ৰচলন স্থানীয় ভক্তসকলক উপেক্ষা কৰাৰ ভয়ত বন্ধ কৰিব পৰা হোৱা নাছিল। তাত ভাগৱত ধৰ্ম প্ৰচাৰিত হোৱা সত্বেও খটৰাৰ

নামঘৰত আছিল ৰাম লক্ষ্মণ সীতাৰ মূৰ্তি; খটবাৰ নামঘৰৰ মাহাত্ম্য বখানি স্থানীয় মানুহৰ মুখে মুখে প্ৰচলিত হৈছিল এফাঁকি পদ :

খটবাৰ গোসাঁইঘৰ দেখোতে ভয়ংকৰ
চাৰিওফালে নাহৰৰ খুটা হে ৰাম ;
এফালে লেখিছে ৰামে লক্ষ্মণে
এফালে লেখিছে সীতা হে ৰাম।

কোনোবা টুটকীয়া ভকতে আগতেই জনাই থৈছিল মাধৱক এইবোৰ কাহিনী সমন্ধে। আতৈয়ে বুঢ়ী লুইতৰ ঘাটত নাও চপাইছিলহে। মাধৱে নিজে গৈ চাউল-পাত দ্ৰব্যসম্ভাৰ যি আনিছিল আতৈয়ে, গোটেইবোৰ পানীত পেলাই দিলে।

গুৰুজনাই বাতৰিটো পাই হাঁহি হাঁহি মাধৱক আশ্বাস দিছিল।

: ঘটনা কি বঢ়াৰপো ?

: গোবিন্দ আতৈ প্ৰভু, ভাগৱৎ ধৰ্মত কলংক আনিছে। মূৰ্তি-পূজা প্ৰচলন বৰ্তাই ৰাখিছে আজি পৰ্য্যন্ত।

: বৰ্তাই ৰাখিছে নহয় বৰ্তি আছে বঢ়াৰপো। আৰু এই ভুল আমি বাহিৰৰ পৰা যত্ন কৰি আঁতৰাব নোৱাৰোঁ। মূৰ্তি হয়তো ভাঙি চূৰমাৰ কৰি দলিয়াই পেলাব পাৰিম ; কিন্তু মনবোৰ ?

কাঠৰ মালা ফাটে ফুটে
মনৰ মালা কাহে টুটে ?

আচল কথা হ'ল মন। একেবাৰে শেষত নিগূঢ়তম তত্ত্ব এষাৰ কোৱাৰ দৰে গুৰুদেৱে তেওঁৰ কাণৰ কাষত ফুচফুচাই কৈছিল যে, মন মানুহৰ একান্ত নিজস্ব। তুমি তোমাৰ কৰ্মেৰে তাক প্ৰলোভিত কৰিব লাগিব। কৰ্মৰ পৰিণতি যদি সুন্দৰ হয় তেন্তে আন সকলোৰে মন-ধাৰণা-বিশ্বাস-সমস্ত সত্তা তোমাৰ অনুগামী হব। তাৰ বাবে এটা দিন, এটা মাহ, হয়তো এটা বছৰ একোৱেই নহব পাৰে। হয়তো এটা সমগ্ৰ জীৱনো লাগিব পাৰে তাৰ কাৰণে। খটবাৰ নামঘৰত মূৰ্তি থকাটো অতি সামান্য এটা কথা মাত্ৰ। তাক

আঁতৰাবলৈ যাওঁতে বান্দৰে ৰজাৰ গালত পৰা মাখিটোক খেদিবলৈ তৰোৱালেৰে পূৰ্ণহতীয়া ঘাপ মৰাৰ দৰে ইমান সাংঘাটিক ব্যৱস্থা লবলৈ গলে তাৰ ফল জানো ভাল হব ?

গুৰুজনাৰ সেই উপদেশষাৰলৈ বাৰে বাৰে তেওঁৰ মনত পৰিল। জীৱনৰ পথত এনে সহস্ৰ বাধা প্ৰতিবন্ধক আহি পৰিব। হৰি ভকতে প্ৰায়ে তেওঁক সোধঁৰাই দিয়ে—

: প্ৰভু, আলিবাটেৰে গলেও ধূলি, আবৰ্জনাৰ গোন্ধ নাকত সোমায়। সেইবুলি আমি বাৰু আলিবাটেৰে যোৱাটো বাদ দিম নে ?

তেওঁৰ পথ পিচে আলিবাটৰ দৰে সহজ ঋজু হোৱা হলেতো কথাই নাছিল। তেওঁৰ পথ যে কি বন্ধুৰ! কি দুৰ্গম! তেওঁত বাদে আৰু আন কোনে উপলব্ধি কৰিব তেওঁৰ পথৰ দুস্তৰতা আৰু তাৰ অনিশ্চয় দূৰত্ব। তথাপি যে অতিক্ৰম কৰিবই লাগিব। মুহূৰ্ত্তৰ বাবেও নিষ্ক্ৰিয় হৈ পৰিলে ৰথৰ চকাযে চিৰতৰে স্তব্ধ হৈ যোৱাৰ আশংকা আছে।

কথাষাৰ চিন্তা কৰাৰ লগে লগে হাতৰ কামখিনি সামৰি সুতৰি তেওঁ দুৱাৰখনৰ ওচৰত থিয় হ'ল। আৰু লাহে লাহে দুৱাৰখন বহলকৈ মেলি দিলে। তেওঁৰ ঘৰৰ ভিতৰখনত যেন হঠাতে বহুত পোহৰৰ প্ৰয়োজন হ'ল এনেদৰে দুৱাৰখন পাৰেমানে বহলকৈ মেলি দিলে বাহিৰত ৰৈ থকা ৰ'দজাক অবাধে সোমাই আহিল আৰু দুৱাৰখনৰ জোখাৰে মাটিৰ কলা মজিয়াখন উজলাই পৰি থাকিল।

তেওঁৰ সত্তাটোও ভাবিবলৈ গলে এই মাটিৰ মজিয়াখনৰ দৰেই হৈ পৰিছে। হেজাৰ উত্তাপেও শুকান কৰি তুলিব নোৱৰা নিৰুত্তাপ জীৱহীন এটা জ'কাৰ দৰে। মজিয়াৰ ৰ'দত তেওঁ খন্তেক থিয় দিলে। আবেলিৰ প্ৰখৰতা কমি যোৱা ৰ'দৰ স্পৰ্শত তেওঁৰ সৰ্বশৰীৰ অভূতপূৰ্ব আমেজত ৰোমাঞ্চিত হৈ উঠিল। মনতে বাহিৰৰ পৰিবেশটো অনুভৱ কৰাৰ কাৰণে তেওঁ যত্ন কৰিলে। উন্মুক্ত দুৱাৰেদি তেওঁ দেখিলে

নদীৰ পাৰত কঁহুৱাৰ পথাৰত যেন নামি আহিছে পাতল মেঘেৰে ঢকা এখন সীমাহীন আকাশ। ৰমাকান্ত সুতাৰে নাও সজাৰ শব্দ তেতিয়াও মাৰযোৱা নাছিল। হাতুৰীৰ প্ৰতিটো কোবত বিলৰ কণ কণ মাছবোৰ জাকি মাৰি উঠিছিল। তেওঁ মনতে কল্পনা কৰিলে সেই দৃশ্যটোৰ কথা। আৰু ভাবিলে, দৰাচলতে তেওঁ ৰমাকান্তৰ দৰে এজন সুতাৰেই। মাত্ৰ পাৰ্থক্য হ'ল ৰমাকান্তই সাজে নাও আৰু তেওঁ সাজে মানুহৰ মন। ৰমাকান্তৰ হাতুৰীৰ শব্দত বনৰ চৰাই, পানীৰ মাছে চক্‌খাই জাকি মাৰে আৰু তেওঁৰ হাতুৰীৰ শব্দত সমাজৰ সত্তাই জাকি মাৰিব লাগিব।

তেওঁ বাহিৰলৈ ওলাই আহিল। বাহিৰৰ উন্মুক্ততাত তেওঁ নিঃসহায় অনুভৱ কৰিলে হঠাৎ আৰু গোবিন্দক বিচাৰি চাৰিওপিনে চকু ফুৰালে—

ঃ হৰিভকত, অ' হৰিভকত।

ঃ গৈছোঁ প্ৰভু, বিলম্ব নাই হোৱা এথোন। বান্ধ ভকতৰাম পায়হিয়ে লাগে।

ঃ আজি নৌকাৰেই যোৱা হ'ক।

ঃ হৈছে প্ৰভু। প্ৰস্তুত কৰিবলৈ কোৱা হৈছে। বেলিটো আৰু অকণ লহিয়াওক; চকা পাতত বহাৰ আগে আগেই তাঁতীকুছি পাব পৰা হব। ভটিয়নি পানী, চিন্তা নাই প্ৰভু।

তাঁতীকুছিৰ কথা মনত পৰাৰ লগে লগে মনটো তেওঁৰ হঠাৎ মুকলি মুকলি লাগি গ'ল। দূৰৰ বিলৰ ওপৰত ক্ৰমে নিৰুত্তাপ হৈ পৰা ৰ'দত ভাহি ভাহি কুৰুৱা এজনীয়ে চিঞৰি চিঞৰি আকাশখন মুখৰ কৰি তুলিছিল। মাধৱৰ হঠাতে বহুত মানুহক লগ পোৱাৰ ইচ্ছা হ'ল। ঘৰৰ সন্মুখলৈ আহি ইফালে সিফালে চালে। তেওঁৰ দৃষ্টি চকু ঘূৰাই আনিব নোৱৰা ৰঙিয়াল ফুলজোপাত নিবদ্ধ হ'ল। মনটোত বহুদিন অনুভৱ নকৰা এটা উল্লাস অনুভৱ কৰিলে।

গোবিন্দৰ মাত শুনি তেওঁ ঘূৰি চালে। গোবিন্দই দেখুৱালে

সৰিয়হ ডৰাৰ চাৰিওকাষে ঘেৰি থকা বৰতা ইকৰাণিৰ অৰণ্য প্ৰান্তৰলৈ।

ঃ তাৰ খটিয়া পহুবোৰে সৰিয়হ তলীত ঘাঁহ খাই খাই ছালৰ তলত অজস্ৰ পোকৰ জন্ম দিব প্ৰভু।

ঃ ছালৰ তলত পোক ?

ঃ হৈছে প্ৰভু; এতিয়া খটিয়া পহুবোৰৰ ছালৰ তলত সৰিয়হ ফুলৰ দৰেই অজস্ৰ পোক হব। আৰু সিহঁত হৈ পৰিব অশান্ত। ফুল সৰি যেতিয়া ছেই ধৰিব, ছেইবোৰ যেতিয়া পুৰঠ হব, তেতিয়া সিহঁতৰ পোকবোৰো নোহোৱা হব।

মাধৱে হতবাক হৈ গোবিন্দৰ পিনে চাই থাকিল। গোবিন্দৰ তধামধা লাগি গ'ল সেই দৃষ্টিৰ প্ৰখৰতাত। গোবিন্দই আঁতৰি যোৱাৰ পাচতো মাধৱৰ দৃষ্টি একেথৰেই থাকিল। মাধৱে ভাবিছিল তেওঁৰ নিজৰ কথা। তেওঁৰ মনকো পহুৰ ছালৰ তলত হোৱা অজস্ৰ পোকৰ দৰে লেখজোখ নোহোৱা চিন্তাই ভাৰাক্ৰান্ত কৰি ৰাখে। পৰিবেশৰ ৰূপান্তৰ ঘটাব নোৱৰালৈকে চিন্তাই তেওঁক এনেদৰেই ব্যতিব্যস্ত কৰি ৰাখিব। পৰিবেশ অনুকূল কৰি নোলোৱালৈকে তাৰ পৰা তেওঁ নিস্তাৰ পাব যে নোৱাৰে ই ধুৰুপ।

তেওঁ লৰালৰিকৈ যাবৰ বাবে অতিষ্ঠ হৈ পৰিল।

ঃ বলা হৰিভকত। সময় জানো হোৱা নাই? আৰু যে ছুঠাইলৈ যাবলগীয়া আছে ?

গোবিন্দৰ সপ্ৰশ্ন দৃষ্টিৰ উত্তৰত মাধৱে পাতল হবৰ চেষ্টা কৰি কলে ঃ আজি যদি সময় নহয় নাযাওঁ। কিন্তু কালিলৈ যাবই লাগিব হৰিভকত।

ঃ বেকত কৰি কোৱাত আপত্তি নাথাকিলে প্ৰভু দাসৰ শুনিবৰ আগ্ৰহ হৈছে।

ঃ বাউসী আৰু হীৰামণিহঁতৰ বিললৈ।

ঃ বাউসীটো বাৰু বুজা হৈছে; কিন্তু বিললৈ ?

ঃ এৰা, নিমন্ত্ৰণ আছে, মাছমৰা চাবৰ কাৰণে?

ঃ ভিতৰত কিবা উদ্দেশ্য আছে যেন পাইছোঁ, এনেয়ে চাবলৈ নিশ্চয় মতা নাই।

ঃ তেন্তেতো আৰু সৌভাগ্যৰ কথা! অন্ততঃ এনেয়ে যোৱাৰ দুৰ্নামৰ পৰা হাত সাৰিব পাৰিম। এটা উদ্দেশ্য লৈয়ে যাব পৰা হব।

নাওঁত বহি বহি গোবিন্দই হয়তো ভাবি উলিয়াবৰ যত্ন কৰিছিল হীৰামণিহঁতৰ তালৈ নিমন্ত্ৰণ কৰাৰ কি উদ্দেশ্য থাকিব পাৰে সেই বিষয়ে। মাধৱে ভাবিছিল বাউসীৰ কথা। ঠিক এনে সময়তে এদিন ৰমানন্দপুত্ৰ পুৰুষোত্তম ঠাকুৰে চকুপানী টুকি টুকি ঘৰ সোমাইছিলহি। আৰু আইতাক শংকৰ পত্নীৰ কোলাত মুখ গুজি পাৰে মানে কান্দিছিল। মনপুৰ ভঁৰালীৰ ওচৰলৈ মাধৱেই পঠাই দিছিল এডোখৰ ফলিগুটি বিচাৰি। তাহানিৰ মজুমদাৰী শিক্ষাৰ অপৰিহাৰ্য্য আছিল ফলিগুটি। ভঁৰালীয়ে দিয়াতো দূৰৰ কথা, পিতৃহীন শিশু পুৰুষোত্তমক তিৰস্কাৰ কৰি খেদি দিছিল। মাধৱ প্ৰথমে স্তম্ভিত হৈ পৰিছিল কথাষাৰ শুনি কিন্তু যেতিয়া বুজিছিল যে এই অবজ্ঞা প্ৰদৰ্শনে তেওঁৰ কৰ্তৃত্বকে বিদ্ৰুপ কৰা নাই, স্বৰ্গগত গুৰুজনৰ স্মৃতিক, সমগ্ৰ জীৱনাদৰ্শৰ প্ৰতি কটাক্ষপাত কৰিছে তেওঁ তীব্ৰ ক্ৰোধত অস্থিৰ হৈ পৰিল। তেওঁৰ ক্ৰোধৰ জ্বালাত প্ৰকাশ কৰা অসংযত কথাবোৰ শুনি আই মাতৃয়ে প্ৰশান্ত দৃষ্টিৰে তেওঁৰ মুখলৈ চাই কৈছিল—

ঃ ইমানতে ভাগি পৰিলে আৰু পিচলৈ কি কৰিবা বঢ়াৰপো। তেৰাই ৰখালে আৰু কত দেখিম। এয়া মুখৰ গঞ্জনাহে, কেতিয়াবা কাৰোবাৰ হাতৰ লাথি-চৰো যে খাব নালাগিব তাৰ কি ঠিকনা আছে।

মাধৱৰ কিন্তু কথাটো মনত পৰিলেই আজিও গাটো শিহৰি উঠে। গুৰুজনাৰ তিৰোভাৱৰ প্ৰায় অব্যৱহিত পিছতেই ঘৰৰ একমাত্ৰ পুৰুষ

ৰমানন্দ ঠাকুৰৰ মৃত্যু। আইমাতৃৰ ধুনীয়া গাভৰু বিধবাজনী আৰু অজান শিশু নাতিটোক লৈ কিযে নাজল-নাথল অৱস্থা! আই-মাতৃয়ে অনন্যোপায় হৈ স্বৰ্গগত স্বামীৰ অতি সোদৰোপম অনুচৰ মাধৱৰ আশ্ৰয় বিচাৰি গুৰুগৃহতে থাকিবলৈ আদেশ দিছিল। আৰু সেইদিন ধৰি তেওঁ অনুভৱ কৰিছিল মৰ্মে মৰ্মে এখন বিশাল ঘৰৰ অবক্ষয়। দিনে দিনে, মুহূৰ্তে মুহূৰ্তে, প্ৰতিটো পলকে তাৰ মৃত্যুমুখী গতি।

তেওঁ আজিও ভাবে, অনুশোচনা কৰে, তেওঁ যদি গুৰুৰ ইচ্ছানুসৰি বিয়া কৰালেহেঁতেন হয়তো সেইখন ঘৰৰ অৱস্থা এনে নহ'লহেঁতেন। আজি তেৰোঁ বনগঞাগিৰিৰ জঘন্য অপবাদৰ হাত সাৰিবলৈ এনেদৰে সুন্দৰীলৈ আহিবলগীয়া নহ'লহেঁতেন। তেওঁ অন্ততঃ উলিয়াব নোৱাৰিলেহেঁতেন যে ভণ্ড উদাসীন মাধৱে অকলশৰীয়া নিৰাশ্ৰয়া বিধৱা দুগৰাকীৰ দুৰ্বলতাৰ সুযোগ লৈ ব্যভিচাৰ কৰি আছে। আৰু মাধৱেও পোহৰৰ ভয়ত, মানুহৰ ভয়ত এনেদৰে বুঢ়ী লুইতৰ পাৰৰ নিৰ্জন প্ৰান্তৰত আশ্ৰয় লবলগীয়াত নপৰিলহেঁতেন।

ঃ ভগবান কৰুণাময় প্ৰভু!

ঃ কৃষ্ণ কৃষ্ণ দয়াময় স্বামী।

মাধৱৰ হুমুনিয়াহে যেন গোবিন্দহঁ ইমানপৰে চেপিৰখা হুমুনিয়াহটো ঠেলি উলিয়াই লৈ আহি তেওঁক সকাহ দিলে এনেদৰে গোবিন্দই মাধৱৰ পিনে চালে আৰু ভয়ে ভয়ে কথাষাৰ কলে—

ঃ প্ৰভু, গুৰুজনাই অনাদিপাতনত ঠিকেই লেখিছিল। মনুষ্যৰ মনে মোক্ষ বন্ধৰ কাৰণ। সঁচাকে মনটোৱেই আদিমূল। মনৰ প্ৰাবল্য হলেই অনৰ্থ ঘটে প্ৰভু।

সেইটো মাধৱৰ কাৰণে নতুন একো উপলব্ধি নহয়। গুৰুজনাই কৈছিল মন একান্ত নিজস্ব বস্তু। মনে সেইহেতু বিৰোধ ঘটায়। বুদ্ধি অহংকাৰ পাৰ হৈ মন যেতিয়া চিত্তত উন্নীত হয় তেতিয়া ব্যক্তি সত্তা বিলুপ্ত হৈ সামূহিক সত্তাত একাকাৰ হৈ পৰে। সউ আকাশৰ

বহুত ওপৰত উৰি-ফুৰা কুকুৰাজনীয়ে যিদৰে, কছুৱা, সৰিয়হ, শিমলু, বিল, নই, জংঘল একাকাৰ দেখিছে—সেইদৰে চিন্তবান পুৰুষৰ দৃষ্টিতো দুখ-আনন্দ, মানুহ-পশু, আপোন-পৰ সকলো একাকাৰ হৈ পৰে।

নাওখন কেঁকুৰী এটা পাৰ হব ধৰোঁতেই পানী জিয়েলিত চোপ লৈ থকা কণামচুৰি চৰাই এজনী চক্‌খাই উৰি গৈ ওচৰৰ কোটকৰা গছ এজোপাত পৰিল।

মাধৱে গোবিন্দক কলে—

ঃ সেই কুকুৰাজনীৰ দৰে এই কণামচুৰিজনীক উৰিবলৈ দিলে কি হব বাৰু হৰিভকত।

ঃ প্ৰভু হৰমোহনত যে আছে—যতেক চটক দেখা

যাৰ যেন মতে পাখা

সেহি অনুৰূপেসে উৰায়।

ঃ তেন্তে ফল কি হব ?

ঃ হস্তীৰ দেখিয়া লাদ—শহা যেনে ফাড়ে মাৰ্গ অৱস্থা হব প্ৰভু।

ঃ তেন্তে মোৰ পৰা তোমালোক আটায়ে কিয় বাৰু গুৰুজনাৰ পৰা পোৱাৰ দৰে পাবলৈ আশা কৰা ?

ঃ গুৰুজনা হ'ল অগ্নি আৰু তুমি হলা প্ৰজ্বলিত বন্তী। পোহৰ পাবলৈ আমি দুয়োটাৰ পৰা সমানেই আশা কৰাত জানো কিবা ভুল হব প্ৰভু।

ঃ কিন্তু অগ্নি যে মোৰ প্ৰাণৰ উৎস !

ঃ কিন্তু উৎসতকৈও প্ৰবাহৰ পৰাই বেছি আশা কৰে মানুহে !

এৰা, গোবিন্দই সাধাৰণ লোকৰ মনৰ কথাকে কৈছে। মাহাবাহু ব্ৰহ্মপুত্ৰৰ উৎস ক'ত, প্ৰাণৰ ৰহস্য ক'ৰ, কিমান দূৰত কোনে চিন্তা কৰে ? তাৰ প্ৰবাহ চিৰতৰে বৈ আহিছে, তেওঁলোকক সমৃদ্ধিৰ আশা আকাংক্ষাৰে উদ্বুদ্ধ কৰি ৰাখিছে, সেই প্ৰবাহৰ অস্তিত্বক তেওঁলোকে যুগ যুগ ধৰি অনুভৱ কৰি আহিছে আৰু তেওঁলোকৰ বিশ্বাস, চিৰদিন

একেদৰেই অনুভৱ কৰি থাকিব। তাতকৈ বেছি তেওঁলোকে ভাবিব নোখোজে, আৰু প্ৰয়োজনীয় বুলিও ধাৰণা নকৰে।

ভকতৰাম আলধৰাই গুৰিয়ালৰ কাষত কুচি-মুচি বহি আছিল। নীৰৱে। গোবিন্দও মাধৱৰ চিন্তাত ব্যাঘাত দিয়াৰ ভয়তে একো মাত মতা নাছিল যদিও মাধৱক চিন্তিত হৈ পৰিবলৈ দিবৰ তেওঁৰ ইচ্ছা নাছিল, গুৰিয়ালজনে কিন্তু পাৰৰ শাৰী শিমলুগছবোৰলৈ চাই কলে—

ঃ এইবাৰ শিমলু বৰকৈ ফুলিছে ৰাম।

ঃ এৰা।

ভকতৰামে চমুকৈ হয়ভৰ দি আকৌ নীৰৱ হৈ পৰিল মাধৱৰ ভয়ত। শিমলুৰ ফুলবোৰ দেখি মাধৱৰ মন কিন্তু তলে তলে উদাস হৈ পৰিল আৰু গুৰিয়ালৰ পিনে চাই কলে—

ঃ বাপ ; কৈছে নৰহৰি তৰণ উপায়

নাশা সকল কৈলো বিষয় লোভাই—বৰগীতটো তোমাৰ মনত আছেনে ?

ঃ আছে প্ৰভু।

ঃ তেন্তে গোৱা হওক।

গুৰিয়ালৰ সুৰে সুৰে ভকতৰাম আৰু গোবিন্দইও গাই গ'ল। সেই সুৰ শুনাৰ লগে লগে মাধৱৰ মন পিছুৱাই গ'ল বহু পুৰণি দিনৰ কথালৈ। "অথিৰ জীৱন ধন যৌৱন দেৱ, সুহৃদ সোদৰ সুত কিছো নোহে কেৱ।" গুৰুদেৱ তেতিয়া বোধকৰোঁ কমাৰকুছিত। পানী তাৰ বেয়া ; চাৰিওফালে গ্ৰহণীৰোগত মানুহ মৰিছে। আই কালিন্দীৰ নিৰ্দেশত নাৰায়ণ আতাই বিশুদ্ধ পানী পোৱাৰ উদ্দেশ্যে নতুন এটা উপায় উদ্ভাৱন কৰিলে। তেওঁ পাটকুৱা বহুৱালে কমাৰকুছিত।

গুৰুজনাৰ খবৰ নাই ক'ত কি খাইছে বইছে। দিনৰ দিনটো মুমূৰ্ষু ৰোগীৰ ঘৰে ঘৰে শুনাই ফুৰিছে ঈশ্বৰতত্ত্ব, নামৰ মহিমা।

আশ্বাস দি ফুৰিছে "অথিৰ জীৱন ধন যৌৱন দেৱ, সুহৃদ সোদৰ সুত কিছো নোহে কেৱ" বুলি পুত্ৰ শোকাতুৰ পিতৃ-মাতৃক, পতি বিয়োগ-বিধুৰা নাৰীক। আৰু সমগ্ৰ নিশা খপি ৰচিছে বৰগীত আৰু কীৰ্তনৰ পদবোৰ এটা এটাকৈ।

গুৰুজনাৰ মুখত এই বৰগীতটো শুনি মাধৱে এদিন প্ৰশ্ন কৰিছিল—

ঃ প্ৰভু সুহৃদ-সোদৰ-সুত কেও কিছু নহলে জানো প্ৰেমৰ মৃত্যু নহব ?

প্ৰেমৰ মৃত্যু মানে ? মই মোৰ পুত্ৰতকৈও তোমাক বেছি ভাল পালে সেয়া জানো প্ৰেমৰ মৃত্যু হোৱা বুজায়। ঘাঘৰ নদীৰ পাৰৰ সেই মাজিঘৰৰ কথা তোমাৰ জানো মনত নাই ? সেইযে তোমালোকক সুদীৰ্ঘ কুৰি বছৰৰ বাবে আশ্ৰয় দিছিল ?

ঃ তেওঁৰ কথা আমি কেনেকৈ পাহৰিব পাৰোঁ ? তেওঁক পাহৰিলে যে আমাৰ সমগ্ৰ অতীতকে পাহৰি যোৱা হব।

মাধৱে ঠিকেই কৈছিল। অলপো অতিৰঞ্জন নাছিল কথাষাৰত। উপৰ্যুপৰি দুটা ব্যাপক দুৰ্ভিক্ষত জুৰুলা হৈ আশ্ৰয় বিচাৰি আপোন বংশ জ্ঞাতিৰ ঘৰে ঘৰে ঘূৰি বিফল মনোৰথ হৈ ব্ৰহ্মপুত্ৰৰ সিপাৰে ঢাপলি মেলিলে। কিন্তু কোনেও এখন সহায় হাত আগ নবঢ়ালে। এবাৰ আনকি সাদৰী মাতকে নাপালে কোনো এখন ঘৰত। আপোন মানুহ এঘৰত খৰি ফালি ফালি শ্ৰান্ত ক্লান্ত হৈ বাপেক গোবিন্দগিৰিয়ে যেতিয়া শিশু মাধৱ আৰু পত্নীৰ কাৰণে ৰাতিৰ সাজটোৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিছিল তেতিয়া গৃহস্থই যি ককৰ্থনা কৰি ঢেঁকীশালত ৰাতিটোৰ কাৰণে থাকি পুৱাতে গুলাই যাবলৈ হুকুম দিছিল মনত পৰিলে আজিও মাধৱৰ অন্তৰে বেদনাত হাহাকাৰ কৰি উঠিব খোজে।

কতো আশ্ৰয় নাপাই প্ৰাণৰ তাড়নাত অনন্যোপায় হৈ বিদেশীবন্ধু ঘাঘৰ মাজিৰ তালৈ বুলি গুলাই গৈছিল। অলপ কেইদিনমানৰ

নিতান্ত অনিবিড় পৰিচয় এটাক নির্ভৰ কৰি। মাজিতো তেওঁলোকৰ আপোন নহয়, আনকি ঘনিষ্ঠ চিনাকিও নহয়।

কিন্তু বৰকণা আতাক দেখি মাজিয়ে ঘৰত যিখন উঠুলি মুঠুলি লগাই দিলে মনত পৰিলে আজিও মাধৱৰ নিজকে সৰু সৰু যেন লাগে। সুদীৰ্ঘ কুৰিটা বছৰ মাজিয়ে মাধৱহঁতৰ গোটেই ঘৰখনক আশ্রয় দিছিল কেৱল অকুণ্ঠ চিত্তেই নহয়, আগ্ৰহেৰে। গুৰুজনাই ঠিকেই কৈছিল সেই কুৰিটা বছৰ আছিল সুদীৰ্ঘ। ঘৰখনৰ কাৰণে সঁচাকে সেয়া আছিল সুদীৰ্ঘ পৰিক্ৰমা। তাতে ভগ্নী উৰ্বশীৰ জন্ম হৈছিল, তেওঁ যুৱতী বিবাহযোগ্যা হৈ পৰিছিল। মাধৱৰ তাতে ঘটিছিল যৌৱনপ্ৰাপ্তি। আৰু নিৰাশ্ৰয় নিঃসহায় ঘৰখনে যেন সুদূৰ কক্ষপথ অতিক্ৰমি আৰু এক কক্ষান্তৰত প্ৰৱেশ কৰিছিল। ঘাঘৰ মাজিয়ে তেওঁলোকৰ ঘৰখনক আশ্ৰয় দিয়ে ক্ষান্ত থকা নাছিল; ভৱিষ্যত চিন্তা কৰি তাৰ বাবে সংস্থানো কৰি দিছিল প্ৰতুল সম্ভাৰেৰে।

গুৰুজনাই অনাদিপাতনত এনেয়ে কোৱা নাছিল—

মনে পাপ পুণ্য স্বৰ্গ মনেসে নৰক
মনেসে কৰিছে ভেদ আপোন পৰক।

মাধৱক নীৰৱ হৈ পৰা দেখি গোবিন্দই কলে—

: এই বৰগীতটো প্ৰভু, চিন্তানাশক মহৌষধি স্বৰূপ।

: এটা কথা হৰিভকত, অন্তৰৰ নিষ্ঠাই মানুহক আপোন-পৰ কৰে, তেজে বা সম্বন্ধই নকৰে।

: অৰ্থ বোধগম্য ন'হল প্ৰভু।

: মই কবলৈ গৈছোঁ, তেজ আৰু ব্যক্তিগত সম্বন্ধক গুৰুত্ব দিলে, পৃথিৱীক ভাল পাব নোৱাৰি। মাত্ৰ তেজ আৰু সম্বন্ধকহে ভাল পাব পাৰি।

: যেনে বনগঞাগিৰি প্ৰভু।

গোবিন্দই উমানতে কথাৰ সূত্ৰ ধৰিবৰ চেষ্টা কৰিলে; কিয়নো

মাধৱৰ মনৰ কথা গোবিন্দই অনুমান কৰিব পৰা নাছিল। বনগঞাগিৰিৰ প্ৰসংগ তোলাত মাধৱে প্ৰসংগান্তৰলৈ যোৱাৰ উদ্দেশ্যে কলে—

ঃ আমাৰ আৰু কিমান বিলম্ব আছে হৰিভকত ?

ঃ পালোঁহি প্ৰভু, ৰাম লাড়ুৱা বুঢ়াৰ চোমনি দেখা গৈছে। এক ক্ৰোশৰ অৰ্দ্ধেকতকৈও কমহে। মাজতে অৰ্জুন গছৰ গুৰিৰ কেঁকুৰী-টোহে আছে।

প্ৰকাশ্যভাৱে প্ৰসংগান্তৰলৈ গলেও মাধৱৰ মন কিন্তু ব্যস্ত হৈ পৰিছিল বনগঞাগিৰিকে কেন্দ্ৰ কৰি। শংকৰৰ যোগ্যতম ভ্ৰাতৃ হিচাপে ধৰ্মাচাৰ্য্য পদৰ পৰা বনগঞাক বঞ্চিত কৰাটো দেখাত আদৰ্শনীয় হলেও শুনাত হলে সমীচীন যেন নালাগে মাধৱৰ। এইষাৰ কথা তেৱেঁই প্ৰথমে গুৰুদেৱক জানিবলৈ দিছিল। কিন্তু মাধৱৰ তো উপায় নাছিল গুৰুৰ ইচ্ছাৰ বিৰুদ্ধে যাবলৈ। পদ মাধৱৰ কাৰণে একেবাৰেই লোভনীয় নহয়; ধৰ্মাচাৰ্য্য পদতো ভালুকৰ সাঙী যেন হৈ পৰিছে তেওঁৰ বাবে। উপাধি মহাব্যাধি যদি বিদ্যা ন বিদ্যতে। মাধৱৰ ধৰ্মাচাৰ্য্য উপাধিও মহাব্যাধি স্বৰূপ পীড়াদায়ক হৈ পৰিছে।

এই পদত এদিন যে তেৱেঁই অভিষিক্ত হব তেওঁ কল্পনাও কৰা নাছিল। প্ৰথম বাউসী পৰগণালৈ আহোঁতে চৌকীয়া মাজিৰ ঘাটত উঠি গুৰুজনাই মাধৱক কৈছিল—

ঃ বঢ়াৰপো, ক'ত বণ্ডুকা আৰু ক'ত এই চৌকীয়া মাজিৰ ঘাট! ক'ত হৰিশিঙা বৰাৰ টোল আৰু ক'ত নদী পৰিনদ্ধ বাউসী পৰগণাৰ মাটি। কিন্তু তলে তলে দেখিবা, সকলো একেই। গতিকে আমি ভাবিছোঁ ইয়াকে মাজ কৰি আমাৰ কাম আৰম্ভ কৰা য'ক। উজনিত কমলা মুদৈৰ যিডোখৰ বাৰী লৈ থৈ আহিছোঁ, ভৱিষ্যতে সেয়া হব তোমাৰ কৰ্মকেন্দ্ৰ। অৱশ্যে এইদিশেও তুমিয়ে চন্তালিব লাগিব।

মাধৱে তেতিয়া ঘুণাক্ষৰেও জনা নাছিল যে, গুৰুৱে ইমান গুৰুভাৰ এখন তেওঁৰ কাৰণেই মনে মনে যতনাই থৈছিল। তাৰ পাচত

গুৰুজনা যেতিয়া চুণপোৰা ভিঠিত, আৰু মাধৱ আছিল বাৰাদিত তেতিয়াওঁতো মাধৱে সুধিছিল—

: প্ৰভু, এই পন্থৰ আয়ুস কিমান বুলি আমি জানিম ?

গুৰুজনাই চিন্তা নকৰাকৈয়ে টপৰাই উত্তৰ দিছিল—

: ছকুৰি বছৰতো হেলাৰঙে—

মাধৱে বিস্মিত হৈ সুধিছিল—

: ছকুৰি বছৰতো এক পুৰুষৰ পৰমায়ু মাত্ৰ ?

মাধৱৰ আশংকা ভঞ্জন কৰি হাঁহি হাঁহি গুৰুৱে আশ্বাস দিছিল—

: তাৰ পাচত পৌত্ৰ আহিব তেওঁলোকে ভাৰ লব। পিতৃৰ আদৰ্শ পুত্ৰই ৰক্ষা কৰিব পাৰে কিন্তু পৰিবৰ্দ্ধনৰ কাৰণে এটা পুৰুষেই যথেষ্ট নহয় সেইবাবে অৱশ্যে শংকাৰ কোনো হেতু নাই। মোৰ অবৰ্তমানত তুমি আছা আৰু সহস্ৰজন আগবাঢ়ি আহিব।

ইমান কোৱাৰ পাচতো গুৰুজনাই লেশমাত্ৰও ইংগিত দিয়া নাছিল যে সেই গুৰুভাৰে তেওঁৰ বাবেই অপেক্ষা কৰি আছে। বন-গঞাগিৰিক কেনেবাকে বুজাই দিব পৰাহেঁতেন যে এই ধৰ্মাচাৰ্য্য পদবীত মাধৱৰ অকণো মোহ নাই, মাধৱে তাৰ বাবে কেতিয়াও আগ্ৰহ কৰা নাছিল আৰু তেনে এক ভবিতব্যতাৰ বিষয়ে গুৰুজনাই কেতিয়াও তেওঁক সৰ্তক কৰি দিয়া নাছিল।

ঘাটত উঠিয়েই জংঘলৰ সলনি মুকলি ঠাইখিনি দেখি মাধৱৰ ভাল লাগিল। চাৰিওফালে মানুহে কাম কৰাৰ খুটখাট শব্দ শুনি মনটোত উল্লাস অনুভৱ কৰিলে। গোপাল আতা আৰু বৰবিষ্ণু আতৈয়ে কৃষ্ণ খনিকৰৰ কাম চাই আছিল। চতিত মৰা চৰাই কাটি আছিল কৃষ্ণ খনিকৰে। মাধৱক দেখি আথেবেথে প্ৰণাম কৰিলেহি। ৰঙিয়াল ঘৰৰ অলপতে নতুনকৈ তোলা পিৰালিতে মাধৱৰ আসন কৰি দিলেহি ভকতৰামে। মাধৱ বহিল আৰু হঠাতে অন্যমনস্ক হৈ পৰিল মাণিক-পুৰীয়া কৃষ্ণ আতৈৰ সতে বনগঞাগিৰিয়ে কিবা গভীৰ আলোচনাত ব্যস্ত হৈ পৰা দেখি। ৰামকাৰিকৰ আতৈয়ে কাপ ঢেকিয়াৰ দৈৱে

ৰঙিয়াল ঘৰৰ ফুলচতিত দমৰা এটা বন্ধাৰ কায়দা বিচাৰি তাৰিতুৰি চাই আছিল। মাধৱক দেখি হাতৰ কাম এৰি থৈ তেওঁ আগবাঢ়ি আহিল।

গোপালেই কলে—

ঃ লেঠা বৰ শকতেই প্ৰভু।

ঃ তুমি এই অটব্য-অৰণ্যত মথুৰানগৰ পাতিব খুজিছা। তোমাৰ কাৰণে কোনো লেঠাই শকত নহয় মথুৰাদাস।

ঃ নহয় প্ৰভু, ৰাম লাড়ুৱা বুঢ়াই কংসৰ ভাও লৈছে। কৃষ্ণ বিনে গতি নাই জানি তোমাৰ করুণা ভিক্ষা কৰা হৈছে।

মাধৱে ৰাম লাড়ুৱা বুঢ়াৰ আদ্যোপান্ত আগৰ পৰাই জানিছিল। তেওঁৰ নাম আছিল আচলতে ৰামচন্দ্ৰ তাঁতী। অসম দেশৰ খনাখোকোৰাৰ পৰা ভাগি অহা মানুহ। গোপাল আতাইঁতৰ একে খেলৰে। কিন্তু গোপাল আতাৰ আৰু তেওঁৰ মাজত আছিল স্বৰ্গ-মৰ্ত্যৰ প্ৰভেদ। গোপাল আতাৰ সতে মাত্ৰ কেইদিনমানৰ আগতে একেবাৰে এখন কুৰুক্ষেত্ৰ হোৱাৰ অৱস্থা। ৰাইজ আগবাঢ়ি নহা হলে হয়তো কোৰেৰে চবিয়াই গোপাল আতাৰ আধ্যাই পেলালেহেঁতেন।

এইবাৰ মাধৱক দেখি বুঢ়াই দীঘল হুমুনিয়াহ পেলাই কলে—

ঃ অপুত্ৰ দুটি প্ৰাণী। ইয়াৰে খৰি কাঠ বিকি কোনোৰকম তেৰাৰ কৃপাত প্ৰবৰ্তি আছোঁ। দিলে যাম কলৈ ?

মাধৱে হাঁহি হাঁহি কলে—

ঃ বুঢ়া ভাই হৰি গুণ গাই নাচা ;
কোনদিন ঢলি শৰীৰ পৰয়,
এভো বাট চাই আছা।

বুঢ়াৰ মনৰ সংশয় দূৰ হ'ল ; তথাপি ক্ষীণ আপত্তি জনাই কলে—

ঃ প্ৰভু, মাটি দিছিল ৰজাই, এতিয়াও ৰাইজেই নিব। কিন্তু হৰি গুণ গাই নানাচি যদি আন কিবাহে কৰে তেতিক্ষণে মাটি মোৰ হব—এনে নিৰ্বন্ধ হওক।

বুঢ়াই আৰু আপত্তি নকৰিলে। নিজে আগবাঢ়ি আহি গোপাল আতাক সীমা দেখুৱাই সৰজমীনত চমজি দিলেহি মাটিডৰা।

কিন্তু তাৰ পাচত ? তাৰ পাচত ৰাইজৰ আমোদ আহ্লাদৰ সীমা নোহোৱা হ'ল। কীৰ্তনঘৰৰ মুধচৰ পিনে সেই মাটিতে মণিকূটটো বহিব; তাতে অক্ষয়বন্তী জ্বলিব আৰু তাৰ ধূপৰ ধোঁৱাৰ গোন্ধত চাৰিওদিশে উথুলি-মুথুলি লাগি পৰিব। আৰু তাৰ পাচত ?

ঘূৰি অহাৰ পথত ওৰে বাটে মাধৱক সেই একেটা চিন্তাই বিষণ্ণ কৰি তুলিছিল। বৰকণা গোবিন্দগিৰিৰ দৰেই নহবতো ৰামচন্দ্ৰ বুঢ়াৰো অৱস্থা! বৰকণা গোবিন্দ ভূঞাও সৰ্বস্বান্ত হৈ ওলাই আহিছিল ঘৰৰ পৰা পত্নী আৰু শিশু মাধৱক লগত লৈ। বৰাৰ টোলৰ সমস্ত ৰাইজে জানে সেই কাহিনী। তাৰ পাচত—অনাহাৰে অনিদ্ৰায় লোকৰ ঘৰে ঘৰে আশ্ৰয় বিচাৰি ঘূৰি-ফুৰা সুদীৰ্ঘ এক যাযাবৰী জীৱন। কৰবাত আশ্ৰয় বিচাৰি তাৰ বিনিময়ত পোৱা অবজ্ঞা, কৰবাত আকৌ অযাচিতে পোৱা অন্তৰ ওপচা আদৰ যত্ন—এইবোৰকে সম্বল কৰি লৈ হৰিশিঙা বৰাৰ ঘৰৰ পৰা ঘাঘৰ মাজিৰ ঘৰলৈ, বণ্ডুকাৰ পৰা বাৰাদিলৈ এক অন্তহীন পৰিক্ৰমা। তাৰ পাচত এদিন সকলো শেষ; নিৰ্বিঘ্নে, নিৰ্বিবাদে হঠাৎ সমস্ত যাত্ৰাৰ, সমগ্ৰ যন্ত্ৰণাৰ বিলুপ্তি। ৰামচন্দ্ৰ বুঢ়াৰ প্ৰতি সমবেদনাত মাধৱৰ মন কুমলি গ'ল। পিচপিনে ঘূৰি চাই গোবিন্দক কলে—

ঃ হৰিভকত, কথাটো বাৰু কেনে দেখিলা ?

ঃ কোন কথা প্ৰভু ;

ঃ এই ৰামচন্দ্ৰ বুঢ়াৰ মাটিডৰাযে লোৱা হ'ল ?

ঃ সজ হৈছে আমাৰ মনে প্ৰভু। তোমাৰ বিবেচনাৰ ওপৰত আমি মুৰুখে আকৌ কি কব পাৰোঁ ? নিতে শত-সহস্ৰ নাম হব ; জীৱৰ কুশল হব ; ধৰ্ম ৰক্ষা পৰিব প্ৰভু।

আশ্ৰয়হীনতা যে কি এক ভয়াবহ অভিশাপ, সেই কথা মাধৱতকৈ কোনে বেছি অনুভৱ কৰিব পাৰে ? এই অভিশাপৰ বাবেই তেওঁৰ

স্নেহৰ ভগিনী উৰ্বশীক বিয়া দিবলগীয়া হৈছিল লুইতৰ বালিচৰত। য'ত বিয়াৰ কইনা অস্যূৰ্যম্পশ্যা হৈ থকাৰ কথা আছিল, তাত ৰভাচ্যালি দিছিল সূৰ্য্যৰ প্ৰচণ্ড উত্তাপে। পিতাক বৰকণা গোবিন্দ-গিৰিও দেহৰক্ষা কৰিছিল ঘৰ, পৰিয়াল-পৰিজনৰ স্নেহসিক্ত পৰিচৰ্য্যাৰ উষ্মাৰে নহয়, কৰিছিল নিৰ্জন, নিৰুদ্বেগ শীতলতাৰ মাজত। আশ্ৰয়হীন হৈ অনাই-বনাই ঘূৰোঁতে অন্তিমকালত মাতৃৰ মুখদৰ্শনৰ পৰাও বঞ্চিত হ'ল যিজন, তেওঁক আকৌ আশ্ৰয়হীনতাৰ বিষয়ে নতুন অনুভৱ কোনোবাই দিব জানো পাৰে?

ঘৰ পোৱাৰ পাচতো চিন্তাবোৰে তেওঁৰ লগ এৰা নাছিল। চিন্তাৰ হাত সাৰিবলৈকে—সামৰি সুতৰি থৈ যোৱা নামঘোষাৰ আধৰুৱা পাণ্ডুলিপিখন উলিয়াই ললে। গোবিন্দক কলে তেওঁ ৰাতিৰ আহাৰ নকৰে। সম্ভাব্য সকলো অন্তৰায় আঁতৰাই লৈ তেওঁ এদনীয়া হৈ বিছনাতে বহি ললে। কৰচ গুটিৰ তেলৰ চাকিটো ৰত্‌ ৰত্‌ কৰে জ্বলি থাকিল; মাধৱৰ মনটোও স্বৰ্গীয় এক উষ্মাৰে দীপ্ত হৈ উঠিল।

কিন্তু মানুহে পাঙে, ঈশ্বৰে ভাঙে। মাধৱৰো সেইটোৱে ঘটিল। ভাবিছিল নিৰিবিলিভাৱে সমগ্ৰ ৰাতি লিখি লিখি নামঘোষাৰ পাণ্ডুলিপিটো শেষ কৰিব। কিন্তু হঠাৎ দুৱাৰৰ বাহিৰত কাৰোবাৰ ৰুদ্ধ কণ্ঠস্বৰ শুনিলে। সেই স্বৰত আছিল উৎকণ্ঠাৰ আভাস। মাধৱৰ সকলো চিন্তা বিক্ষিপ্ত হৈ পৰিল। চাকিটোত চতি এডাল জ্বলাই লৈ লাহে লাহে দুৱাৰখন খুলি দিলে।

॥ তিনি ॥

গোটেই ৰাতি তেওঁৰ শোৱাই নহ'ল। কথাষাৰ শুনাৰ পিচৰে-পৰা গভীৰ উৎকণ্ঠাত তেওঁ বাকীখিনি সময় কটালে। বহুত যত্ন কৰিও কথাষাৰ পাতলাব নোৱাৰিলে ; এটা শব্দও লিখিব নোৱাৰিলে বহু সাধ্য সাধনাৰ পাচতো। কেতিয়া ৰাতি পুৱায় কেতিয়া পোহৰ হয়—তাৰ অপেক্ষাতে মাধৱৰ মন ব্যগ হৈ থাকিল। এন্ধাৰ কোঠাটোৰ ভিতৰত অকলশৰে বিছনাখনত বাগৰি তেওঁ ছটফটাই আছিল।

পোহৰৰ কাৰণে অধীৰ অপেক্ষাত থকাৰ পাচতো যেতিয়া ৰাতি পুৱাল, মাধৱৰ মন স্থিৰ হৈ পৰিল। বাউসীলৈ যোৱাৰ কাৰণে উৎকণ্ঠা তেওঁ অনুভৱ নকৰিলে। নদীৰ ঘাটত বহি ভৰি হাতৰ তলুৱাত নিকামাটিৰ মাৰ্জন কৰি কৰি যোৱা নিশা পোৱা বাতৰি-টোৰ বিষয়েই চিন্তা কৰিলে। যিমানে চিন্তা কৰিলে সিমানে নিজকে নিঃসহায় অনুভৱ কৰিলে। লাহে লাহে তেওঁৰ মন এক নিঃসঙ্গ ভাবে আচ্ছন্ন কৰি পেলালে। প্ৰসংগ শেষ কৰিও মনটো মুকলি মুকলি নালাগিল। কিবা এক অবিশ্লেষণীয় ক্লান্তিয়ে তেওঁৰ দেহ-মন অৱশ কৰি থৈ যোৱা যেন অনুভৱ কৰিলে।

গোবিন্দই কথাটো জনা নাছিল। গতিকে আগদিনাখনৰ কথাষাৰি স্মৰণ কৰি দিয়াৰ উদ্দেশ্যে কলে—

ঃ প্ৰভু, বিলৰ তাৰি নে বাউসীলৈ যোৱা হব ?

মাধৱেও সেই প্ৰশ্নৰ উত্তৰকে ইমান পৰে ভাবি আছে। বাউসীলৈ যোৱাটো এক নিতান্ত কৰ্তব্যৰ কথা। যোৱা নিশা বতৰাটো পোৱাৰে

পৰা ঘটনাটো ভালদৰে জানিবৰ বাবে মনটো উদগ্ৰীৱ হৈ আছে। গুৰুজনা আৰু ঠাকুৰৰ অবৰ্তমানত তেওঁ নানান আলৈ-আহুকালৰ আশংকা কৰিছিল ; কিন্তু ইমান সাংঘাতিক বিপদ এটা যে কাহানিবা হব পাৰে তেওঁৰ ধাৰণাই নাছিল। সৰু ঠাকুৰৰ আলধৰা হবায়ে ৰাতি খবৰটো দিওঁতে ৰমানন্দ পত্নী সিন্ধুমতীৰ বিষয়ে আৰু বহুতো কথা জানিবৰ মন গৈছিল। কিন্তু স্বাভাৱিক কাৰণত নিৰস্ত হবলগীয়াত পৰিছিল।

কিন্তু এতিয়া যাব কলৈ? বিধবা সিন্ধুমতীক ৰজাৰ লোকে ৰাজ অন্তেষপুৰ গুৰনি কৰিবলৈ ধৰি নিয়া কথাটো শুনাতে মৰ্মন্তুদ হলেও তাৰ প্ৰভাৱ নিতান্ত সীমিত। কিন্তু বিলৰ তাৰিত কৈৱৰ্ত-গাঁৱলৈ যোৱা বাতৰিটোৱে দিছে এক বিপুল সম্ভাৱনাৰ সংকেত। আৰু এই সম্ভাৱনা কাৰো অকলশৰৰ নহয় ; ইয়াত আছে বিশাল সামাজিক অভ্যুত্থানৰ এক শুভ ইংগিত।

: বাউসীলৈ পাচতো যাম ; আগতে বিলৰ তাৰিৰপৰা আহি লোৱাটোৱেই ভাল হব।

: কিন্তু আইমাতৃক খবৰ কৰাটো বেছি জৰুৰী আছিল নেকি ?

: জৰুৰী কিয় ?

: ৰমানন্দ পত্নীক অপহৰণ কৰি নিয়াৰ পাচত তোমাৰ ঘৰখনত অন্ততঃ এবাৰ দেখা দিয়াটো বৰ প্ৰয়োজন আছে বুলি আমাৰ জ্ঞান বিশ্বাসে কব খোজে।

: তাৰ মানে খবৰটো তুমিও পাইছা ;

: পোৱা হৈছে। কালি ৰাতি মইও শুনিছোঁ।

: কিন্তু সেইটোতো মোৰ বোধেৰে নিতান্ত ব্যক্তিগত এটা ঘটনা।

: শংকৰৰ পুত্ৰবধূৰ অপহৰণ এটা ব্যক্তিগত ঘটনা মাত্ৰ ?

: নহয়নো কি আকৌ ?

: প্ৰভু, মই মূৰ্খ মানুহ। কিন্তু মোৰ বোধেৰে এয়া শংকৰৰ কৰ্তৃত্বৰ আৰু এক স্খলন। তেৰাৰ আদৰ্শ, তেৰাৰ নেতৃত্বৰ প্ৰতি এয়া

এক চৰম অৱজ্ঞাৰ দৃষ্টান্ত। তাক যদি কোনোবাই ব্যক্তিগত ঘটনা বুলি এৰাই যাব খোজে মই নিৰুপায়।

মাধৱে একো নকলে। মাত্র বিমূঢ়ৰ দৰে নীৰৱ নিশ্চল হৈ তুলসীজোপালৈ একেথৰে চাই থাকিল। গোবিন্দ ওচৰতে থিয় হৈ আছিল। ওচৰত আৰু কোনো নাছিল। মাধৱৰ চিন্তাৰ জটিলতা পাতলাই দিয়াৰ উদ্দেশ্যে কলে—

প্রভু, দাৰুকে শ্রীকৃষ্ণক বিচাৰিছিল তুলসীৰ গোন্ধে গোন্ধে।

মাধৱ হঠাৎ সচেতন হৈ সপ্রশ্ন দৃষ্টিৰে গোবিন্দৰ পিনে চালে—

ঃ প্রভু চিন্তাৰ কোনো কাৰণ নাই। এয়া হয়তো বগৰীবাৰীৰ বিৰাই চৌধুৰী বা বনগঞাগিৰিৰ ষড়যন্ত্র। চৌধুৰীয়ে বিচাৰিছিল কমলঠাকুৰৰ বিধবা বোৱাৰীৰ পাণিপার্থী হবলৈ। হৈছিল ভগ্ন মনোৰথ।

গোবিন্দই আৰু কি কৈছিল মাধৱে নুশুনিলে। মাধৱ নিবিষ্ট হৈ পৰিছিল পুৰণি অলেখ স্মৃতিৰ মাজত। মাধৱৰ মনত পৰিছিল নিতউ স্নানৰ পাচত খোলা চুলিটাৰি পিচপিনে পেলাই লৈ বিধবা সিন্ধুমতীয়ে তেওঁৰ দুৱাৰডলিত আগ্রহেৰে বহিছিল ভাগবৎ শুনাৰ কাৰণে। মাধৱে সেই উপস্থিতি তেতিয়া সিমান অনুভৱ কৰা নাছিল আজি যিদৰে কৰিছে। আজি মাধৱে চাক্ষুষ উপলব্ধি কৰিছে অবগুণ্ঠনৰ আঁৰত অপেক্ষমান চকুযুৰিৰ আপাত শান্ত চাৱনিৰ অন্তৰালত থকা তীব্র বেদনাৰ পুঞ্জীভূত নিৰাশাৰ ছবিখনৰ গভীৰতা।

সিন্ধুমতীক মাধৱে কোনোদিন ভালদৰে দেখা নাই। কিন্তু শিশু পুৰুষোত্তমৰ মুখ-চকু আৰু হাত-ভৰিৰ গঢ়নৰপৰাই ভালদৰে উমান কৰিব পাৰে সিন্ধুমতী যে অনিন্দ্য সুন্দৰী। অৱশ্যে শ্রীমন্ত গুৰুৰ অবর্তমানত তেওঁ নিজৰ কর্তৃত্ব সম্বন্ধে ইমান নিঃসন্দেহ আছিল যে, তেওঁ কল্পনাই কৰা নাছিল যে ইমান ডাঙৰ এটা দুর্ঘটনা ঘটিব পাৰে গুৰুজনাৰ পৰিয়ালক লৈ। আৰু সেইটোও কেৱল সিন্ধুমতীৰ অনিন্দ্যৰূপৰ কাৰণে।

অবোধ শিশু পুৰুষোত্তমৰ কাৰণেও তেওঁৰ অন্তৰ হাঁহাকাৰ কৰি উঠিল। মনপুৰ ভঁৰালীৰ ওপৰত খং কৰি তেওঁ ভাবিছিল যে, তাৰ প্ৰতি ছুনাই দুৰ্ব্যৱহাৰ কৰাৰ আগতে মানুহে অন্ততঃ চিন্তা কৰি চাব; এবাৰ থমকি নিজকে সতৰ্ক কৰি দিব যে, তাৰ ককাক শ্ৰীমন্ত শংকৰ আছিল।

কথাবোৰ চিন্তা কৰি এসময়ত মাধৱৰ চিঞৰি চিঞৰি প্ৰতিবাদ কৰিবৰ মন গ'ল। এই ঘটনাৰ কাৰণে আই মাতৃয়ে নিৰুপায় ক্ষোভত যদি চকুপানী টোকে সেয়া হব তেওঁৰ নিদাৰুণ ব্যৰ্থতাৰ জ্বলন্ত স্বাক্ষৰ। কিয়, কেনেকৈ ঘটিব পাৰিলে ইমান জঘন্য এটা ঘটনা—সেইখন ঘৰত—যিখন ঘৰলৈ শান্তি বিচাৰি, আশ্ৰয় বিচাৰি, মুক্তিৰ পৰম আস্বাদ বিচাৰি সহস্ৰজনে ঢাপলি মেলিছিল; সেইখন ঘৰত—যিখন ঘৰত অহোৰাত্ৰ চলিছিল লক্ষ লক্ষ শোক-কাতৰ-বিপন্নজনৰ ভাৰসাৰ প্ৰাৰ্থনা—তাৰ উত্তৰ আজি কোনে দিব! কোনে কব মাধৱক তাৰ কাৰণে কোন দায়ী।

: প্ৰভু, আজি আবেলিকৈ পাটবাউসীলৈকে যোৱা হওক। অলপ সোনকালে গলে ভাল হব।

মাধৱে চিন্তাত ইমান নিমগ্ন হৈ পৰিছিল যে গোবিন্দৰ কথা শুনি প্ৰথমতে থতমত খাই গ'ল। তাৰ পাচত মন স্থিৰ কৰি প্ৰশান্ত হাঁহি এটা মাৰি সুধিলে—

: কিবা কৈছা হৰিভকত!

: বোলো, আজি অলপ সোনকালে পাটবাউসীলৈকেই যোৱা হওক; বিলৰ টাৰিলৈ কালিলৈ গলেই হব বোধকৰোঁ।

: পাটবাউসীলৈ আকৌ কেলেই? গৈ কিবা লাভ হব জানো?

: অন্ততঃ এনে দুৰ্দিনত আইমাতৃৰ ওচৰত থিয় হৈ আমি ভাৰসা দিবৰ চেষ্টা কৰাটো বেয়া নহব যেন মনে ধৰে।

: ঠিক আছে, তুমি কৈছা যেতিয়া যোৱাত মোৰ আপত্তি একো

নাই। কিন্তু মোৰ বোধেৰে যোৱা নোযোৱা একেই কথা। যি হৈ গ'ল তাক নোহোৱাতো কৰিব নোৱাৰোঁ।

: নোৱাৰোঁ। কিন্তু আৰু যাতে এনে ঘটনা নঘটে তেনে এটা আশ্বাস দিবলৈকেই অন্ততঃ আমি যাব লাগিব প্ৰভু।

যাবতো লাগিবই; কিন্তু আশ্বাস কোনে কাক দিব।

: হৰি দয়াময় অন্তৰ্যামী প্ৰভু। ঠিক আছে হৰিভকত; নাও যোগাৰ কৰিবলৈ কোৱা।

কথাষাৰ কৈয়ে মাধৱ ঘৰত সোমাল আৰু দুৱাৰখন বন্ধ কৰি নামঘৰৰ বেদীৰ ওচৰত পদ্মাসনত বহি ললে আৰু চকু দুটা মুদি ভগবৎ চিন্তাত বিভোৰ হবলৈ যত্ন কৰিলে। প্ৰথমে তেওঁ গুৰুৰ চৰণযুগল চিন্তা কৰিলে; বুঢ়া আঙুলিৰ নখৰপৰা ক্ৰমে ওপৰলৈ তেওঁৰ মানস পটত অংগাংগবোৰ ভাঁহি উঠিল আৰু আঁঠুৰ মূৰলৈ নামি অহা চুৰিয়াৰ পাৰিটো চকুত ভাঁহি উঠাৰ লগে লগে অৱগুণ্ঠিত আই মাতৃৰ বিষণ্ণ মুখখনলৈ মনত পৰিল আৰু শান্ত পুখুৰীৰ পানীত ক'ৰবাৰপৰা বহুতো শিলগুটি পৰাৰ দৰে মনৰ চিন্তা নিমিষতে বিক্ষিপ্ত হৈ গ'ল।

চিন্তাৰ এনে ভঙা-গঢ়াৰ মাজেদি কিমান পৰ পাৰ হৈ গ'ল মাধৱৰ খেয়ালেই নাছিল। নামঘৰৰ মুধচত পৰি উত্ৰাৱল হৈ চিঞৰা কাউৰী এজনীৰ মাতত মাধৱ সচেতন হৈ পৰিল। আৰু নিদ্ৰোত্থিত মানুহৰ দৰে চকু দুটা মোহাৰি বেদীৰ আগত সাষ্টাঙ্গে প্ৰণিপাত কৰি বাহিৰলৈ ওলাই আহিল।

ওলায়ে যি দেখিলে মাধৱৰ বিস্ময়ৰ সীমা নোহোৱা হ'ল। হীৰামণি প্ৰমুখ্যে বিলৰ পাৰৰ কৈৱৰ্ত গাঁৱৰ ভালেমান ৰাইজ বাহিৰত নীৰৱে বৈ আছিল। মাধৱৰ বিস্মিত দৃষ্টিৰ উত্তৰত ৰাইজৰ আটায়ে মাটিতে আঁঠু ললে। মাধৱে আশীৰ্বাদ দি সপ্ৰশ্ন দৃষ্টিৰে চাই ৰ'ল—

: প্ৰভু। আদেশ হওক। ভকতৰামে আমাক খবৰ দিছিল। আজি পুৱাহে পালোঁ।

মাধৱৰ তেতিয়াহে মনত পৰিল হীৰামণিক এবাৰ মাতিব পঠাব লাগিব বুলি গোবিন্দৰ আগত অল্পতে প্ৰকাশ কৰাৰ কথা। ভকতৰাম আৰু গোবিন্দই যে তেওঁৰ ইচ্ছা পূৰ্ণ কৰিবৰ কাৰণে তলে তলে এইবোৰ কৰি আছে তেওঁৰ ধাৰণাই নাছিল।

ঃ ভকতসকল, তোমালোকক যাচিবৰ কাৰণে আমাৰ গৃহত আসনৰ অভাৱঃ নিজ গুণে মৰিষণ নকৰিলে আমাৰ উপায় নাই।

ঃ হৈছে প্ৰভু। আমাৰনো মাছমৰীয়া মানুহৰ মাটিয়ে বা কি পাটীয়েবা কি!

ঃ তুমি তেনেকে নকবা হীৰামণি; দশমত আছে—গুৰুজনাই কৈছে—

কুকুৰকো খায় হেন—ম্লেচ্ছসবো হৰি নাম লয়ে মাত্ৰ।
এতেকে তেখনে সিও সব হোৱে যজ্ঞ কৰিবাৰ পাত্ৰ॥

আৰো কীৰ্তনতো কৈছে প্ৰভু—

যিটো চণ্ডালৰ কায় বাক্য মনে সদায় স্মৰৈ হৰি।
আছে বাহ্যব্ৰত যিটো ব্ৰাহ্মণৰ সি সে শ্ৰেষ্ঠ আত কৰি।

ঃ হীৰামণি। তুমি সঁচাকে পৰম ভকত।

ঃ মোক জগৰীয়া নকৰিবা ঈশ্বৰ; মই মহা মূৰ্খ, অধম অজ্ঞান পাতকী।

মাধৱে হীৰামণিৰ কথা শুনি প্ৰশান্ত হাঁহিৰে তেওঁৰ মুখলৈ চালে আৰু কলে—

ঃ তোমাক মই অসত্য একো কোৱা নাই। শ্ৰীমন্ত গুৰুৱে কৈয়ে থৈছে,

ভক্তি বিশ্বাসৰ বস্তু, জ্ঞান বুদ্ধিৰ নহয়।
নলাগে ভক্তিত দেৱ দ্বিজ ঋষি হইবে।
নলাগে সংস্কৃত শাস্ত্ৰ বিস্তৰ জানিবে॥

ঃ প্ৰভু। তথাপি আমাৰ দৰে অন্ধবোৰে—

ঃ অন্ধ মানে প্ৰকৃততে দৃষ্টিশক্তি ৰহিত। আৰু তোমালোক হলা সেই শক্তি বঞ্চিত। এতিয়া সময় সলনি হৈছে। সেই বঞ্চনা আৰু বেছিদিন টিকি নাথাকে তুমি চাই থাকা।

ভৰসা দিছিল যদিও মাধৱৰ নিজৰে মনৰ খোকোজা আঁতৰ নহ'ল। নাৱৈদি গৈ থাকোঁতে বাৰে বাৰে সেই চিন্তাই তেওঁক ব্যতিব্যস্ত কৰি তুলিছিল। তেওঁ বাৰে বাৰে হীৰামণিহঁতক আশ্বাস দি কৈছিল যে সেই বঞ্চনা-মুক্তিৰ আৰু বেছি দিন নাই। মাধৱৰ আশ্বাস শুনি যিমানে হীৰামণিহঁতে বিস্ময়-বিমুগ্ধ দৃষ্টিৰে তেওঁৰ মুখলৈ চাইছিল, যিমানে আৰু বহু নতুন আশ্বাস শুনাৰ কাৰণে অপেক্ষমান দৃষ্টিৰে তেওঁৰ পিনে চাই আছিল সিমানে তেওঁৰ মনৰ সাহস নোহোৱা হৈ আহিছিল।

গুৰুজনাই প্ৰায়ে মাধৱৰ আগত কৈছিল ৰাধিকাৰমণীৰ কথা।

ঃ বুজিছা বঢ়াৰপো, ৰাধিকাৰমণী আমাৰ সমাজৰ এক মূৰ্তিমান বিপ্লৱ। সমাজত খাটিখোৱা মানুহৰ স্থান ইমান নিম্নস্তৰত নিৰূপণ কৰা হৈছিল যে, সমাজৰ কল্যাণ প্ৰচেষ্টাত তেওঁলোক অংশীদাৰ হোৱাটো দূৰৰ কথা, তেওঁলোকৰ কল্যাণ অকল্যাণৰ প্ৰতি সমাজ নিয়ন্তাসকল আছিল একেবাৰে উদাসীন। ফলত সমাজৰ কল্যাণৰ অৰ্থ হৈ পৰিছিল সমাজৰ মুষ্টিমেয় লোকৰ কল্যাণ। সেইবাবেই গুৰুজনাই টেম্বুৱানীজান বন্ধাৰ দৰে কল্যাণমূলক প্ৰচেষ্টা এটাত কৈৱৰ্ত ৰমণী ৰাধিকাক কেৱল অংশ গ্ৰহণৰ সুযোগ দিয়ে ক্ষান্ত থকা নাছিল, ৰাধিকাক নিৰ্বাচন কৰিছিল প্ৰধান হোত্ৰীস্বৰূপে তাৰ অনুৰূপ মৰ্যাদা প্ৰদান কৰি।

ঃ প্ৰভু, হীৰামণিহঁতৰ কথা কি ভবা হৈছে ?

মাধৱে গোবিন্দৰ মনোভাৱ বুজাৰ উদ্দেশ্যে প্ৰশ্নযাৰৰ উত্তৰ পোনপটীয়াকৈ নিদি কলে—

ঃ সেইটো নিৰ্ভৰ কৰে মোতকৈও বেছি তোমালোকৰ ওপৰত।

ঃ প্ৰভু গুৰুজনাৰ মুখত যে শুনিছিলোঁ—

কাক বুলি হৰি কথা　　　　　হৰিৰ কীৰ্তন কিবা
যিটো সৱে একোকে নজানে।
স্ত্ৰী শূদ্ৰ অন্ত্য জাতি　　　　তাকো শিক্ষা দিবা মাতি
ধৰিবে সি সবো অহো প্ৰাণে॥
সত্যযুগে শুদ্ধ ধৰ্ম　　　　　আছিলেক মাত্ৰ হৰিনাম
দেবসৱে গুপ্ত কৰিলে কৰি কপট।
হেন হৰি নাম ব্যক্ত কৰি　　　সমস্ত লোকক উদ্ধাৰি
শ্ৰীমন্ত শংকৰে ভাঙিলা সবাৰো পট॥

আজি অজ্ঞান পাতকীসৱে ভগৱানৰ বাক্য উলংঘা কৰিব পাৰোঁনে প্ৰভু?

ঃ তুমি উচিত কথাকে কৈছা হৰিভকত। আৰু গুৰুজনাই দ্বাদশ স্কন্ধত ভৱিষ্যৎ বাণী কৰি থৈ গৈছে—

শূদ্ৰ সব অনেক কৈৱৰ্ত আদি কৰি।
অন্ত্যজ পৰ্য্যন্তে ভজিবেক মহা হৰি॥
অপ্ৰয়াসে লভিবে ঈশ্বৰ মহাজ্ঞান।
এতেকে কলিত শূদ্ৰ কৈৱৰ্ত প্ৰধান॥

মই সেই কথা চিন্তা কৰা নাই। মই ভাবিছোঁ সম্পূৰ্ণ বেলেগ এটা দিশ।

মাধৱে প্ৰকাশ্যভাৱে ব্যক্ত নকৰিলে কি সেই অন্য দিশ। মাত্ৰ হঠাৎ নীৰৱ হৈ পৰিল। গোবিন্দই কিছুপৰ উৎকণ্ঠাৰে বৈ আছিল কিন্তু সঁহাৰিৰ লক্ষণ নেদেখি তেৱোঁ নিশ্চেষ্ট হৈ বহি থাকিল। ভটিয়নি সোঁতত বঠাৰ শব্দও সেই নীৰৱতা ভংগ কৰাৰ বাবে যথেষ্ট নহ'ল।

মাধৱে সঁচাকৈ চিন্তা কৰিছিল সম্পূৰ্ণ অন্য এটা দিশ। গভীৰ জীৱনবোধেৰে সমৃদ্ধ মাধৱৰ মনে হীৰামণিহঁতৰ সমাজক কেন্দ্ৰ কৰি যি এটা আঁচনিৰ কথা ভাবিছিল তাক সহজভাৱে লব পৰা নাছিল। বুঢ়ী লুইতৰ বুকুত বহি গৈ থাকোঁতে মাধৱৰ মন ঘূৰি গৈছিল বহুবছৰৰ আগৰ লেতেকুপুখুৰীলৈ।

লেতেকুপুখুৰীত বৰাৰ আশ্ৰয়ত থাকোঁতে মাধৱৰ ঘনিষ্ঠ পৰিচয় ঘটিছিল হালগিৰি শাওনা কছাৰীৰ সতে। শাওনাৰ সতে মাধৱেও মাজে মাজে হৰিশিঙা বৰাৰ পথাৰত কাম কৰিছিল। মাধৱহঁতৰ দৰেই শাওনাও প্ৰায়ে অভুক্ত আছিল। বৰাৰ ঘৰত বংশ বংশ ধৰি বন্ধোৱা খাটি খাটি দেশৰ প্ৰাচুৰ্য্য বা দুৰ্ভিক্ষ একোকে অনুভৱ কৰিব পৰা নাছিল শাওনাহঁতে। ফলত একেলেথাৰিয়ে দুই-তিনি দিনলৈকে অভুক্ত থকাটো সিহঁতৰ জীৱন প্ৰবাহৰ এটা স্বাভাৱিক লক্ষণ হৈ পৰিছিল। মাধৱৰ ভাবি এতিয়াও আচৰিত লাগে শাওনাই অলপ কথাতে হাঁহি হাঁহি বাগৰি পৰাৰ শক্তি ক'ৰকৰা পাইছিল। নিৰঙ্কুশ প্ৰাণখোলা হাঁহিত মাজে মাজে তাৰ চকুত চকুপানী ওলোৱা আজিও মাধৱৰ মনত আছে।

শান্তা ও হালগিৰি আছিল। আৰু ৰাজকৰৰ ভয়ত সি পলাই ফুৰিছিল। জংঘলত, বাৰীৰ চুকত, নদীৰ পাৰৰ গছত সি বহুদিন আত্মগোপন কৰিবলৈ বাধ্য হৈছিল। সৈন্য সংগ্ৰহৰ কঠোৰতাৰ হাত সাৰিবলৈ শান্তাৰ পুতেকে ডাঙৰলৈ চুৰীয়া পিন্ধা নাছিল। ৰজাবো যে নিয়ম—! যিজনে কৰ দিব লাগে আৰু দিব পাৰে, তেওঁৰ কৰ দিবলগীয়া নাছিল। কৰ দিব লাগিছিল সিহঁতে যিবোৰ আছিল শোষিত, নিঃস্ব।

চোতালৰ ধূলিত হীৰামণিহঁতে বহা সাঁচবোৰ তেওঁৰ মনত পৰিছিল। কোনোদিন তেওঁৰ চোতালৰ মাটিত ইমানবোৰ মানুহে বহি সাঁচ পেলাই থৈ যোৱা নাছিল। সাঁচকেইটাৰ কথা ভাবোঁতে বহুদিনৰ আগৰ ঘটনা এটা মনত পৰাত চকু দুটা সিক্ত হৈ উঠিল। মাধৱৰ বয়স তেতিয়া আঠ নে ন বছৰ, অসম দেশত ঘোৰ দুৰ্ভিক্ষ সেইবাৰ। গাঁৱে গাঁৱে মানুহবোৰ বানপানীত কেঁচু মৰাদি মৰিছে। ক্ষুধাৰ জ্বালা সহ্য কৰিব নোৱাৰি মাধৱ আৰু বৰকণা গোবিন্দগিৰি বাধ্য হৈছিল ভিক্ষাবৃত্তি অৱলম্বন কৰিবলৈ। এবাৰ চাৰিদিন ভিক্ষা কৰিও খুদকণ এটাও পোৱা নাছিল। নিতৌ গধূলি শ্ৰান্ত ক্লান্ত হৈ বিষণ্ণ মনেৰে

ভিক্ষাৰ শূন্য পাত্ৰ হাতত লৈ পিতাপুত্ৰ ঘূৰি আহিছিল। আশাৰে দিনৰ দিনটো বাট চাই থকা মাকৰ মুখলৈ চোৱাৰ সাহসকণ দুয়োৰে হেৰুৱাই পেলাইছিল। শেহত নিৰুপায় হৈ মাধৱে জংঘলৰ ফলমূল বিচাৰি এটা এৰা-পৰলীয়া বাৰীত সোমাল। দুৰ্ভিক্ষপীড়িত মানুহে বহুত আগেয়ে ফলৰ কলিতো কলিকে খাই উপান্ত কৰিছিল। মাধৱ অনন্যোপায় হৈ বাঁহ এচলাৰে খান্দি খান্দি বনৰীয়া কচু এটাকে লৈ আহিছিল। তাকে সিজাই খাবলৈ লওঁতে পিতাক গোবিন্দগিৰিয়ে খেদ কৰি কৈছিল—কচু নহৈ যদি আলু হ'লহেঁতেন! তাকে শুনি নিৰুত্তাপ কণ্ঠেৰে মাকে কৈছিল ঃ খাবলৈ নোপোৱা ভিকহুৰ আকৌ আলুৱে বা কি কচুৱে বা কি? হীৰামণিয়ে ঠিকেই কৈছিল মানুহৰ উপায়হীনভাৰ আগত মাটি বা পাটি, কচু বা আলু একাকাৰ হৈ পৰে। যিদৰে শাওনাৰ মানত দেশৰ ঐশ্বৰ্য্য বা অভাৱগ্ৰস্ততা একেই কথা। মাকৰ চকুৱে-মুখে সিজোৱা কচু খোৱাৰ পাচত কিযে এক তৃপ্তিৰ আভাস ফুটি উঠিছিল মনত পৰি তেওঁৰ চকুহাল সিক্ত হৈ উঠিল।

ঃ হৰিভকত।

ঃ প্ৰভু, কিবা কৈছা?

ঃ অভাৱগ্ৰস্ত মানুহক নতুন তত্ত্বৰ সন্ধান দিয়াত বিপদো কম নহয়।

ঃ কিন্তু আন্তৰিকতাও কম নহয় প্ৰভু।

ঃ বলোৰামৰ প্ৰত্যাবৰ্তনৰ বিষয়ে কি ভাবা বাৰু?

তপাৰ চৌধুৰীঘৰত ৰূপ পাঁচটকীৰ কাৰণে বন্ধোৱা খটা বলোৰামক মাধৱেই ছল-কৌশল কৰি মোকোলাই আনিছিল। সুন্দৰীতে মাটি এডোখৰ দিয়াই মুকলিমূৰীয়াকৈ খোৱাৰ বন্দোবস্ত কৰি দিছিল। বাউসীৰ কাম চৌধাৰীৰ জীয়াৰী সিন্ধুমতীক যেতিয়া গুৰুপুত্ৰ ৰমানন্দলৈ বিয়া কৰাই আনিছিল তেতিয়া বলোৰামেই ঢোল বজাই বিয়াখনত ৰাজপয়োভৰ আনি দিছিল। তাৰ পাচত এদিন শুনা গ'ল বলোৰাম আকৌ লোকৰ ঘৰত বন্ধোৱা। মোহান্ধ লোকৰ প্ৰত্যাৱৰ্তন এচুক এন্ধাৰৰপৰা আন এচুক এন্ধাৰলৈকেই হয়।

ঃ বাৰু হৰিভকত, হীৰামণিহঁতে ধৰ্ম লৈ যদি পুনৰ ঘোৰ সংস্কাৰী হৈ পৰে। আনৰ সংস্কাৰৰ দ্বাৰা এওঁলোক ইমান নিষ্পেষিত যে, ধৰ্ম গ্ৰহণ কৰাৰ পাচত নিজৰ চাৰিওপিনে সংস্কাৰৰ প্ৰাচীৰ গঢ়ি তোলাৰ ঘোৰ আশংকা থাকে। তুমিতো জানা একলব্যক কিয় দ্ৰোণাচাৰ্য্যই অস্ত্ৰশিক্ষা দিবলৈ অমান্তি হৈছিল ?

ঃ প্ৰভু, মই মূৰ্খ মানুহ, মোৰ বুজাত ভুলো হব পাৰে। মই চৰ্ম-চক্ষুৰে এটা কথা দেখিছোঁ—অৰ্জুন আৰু একলব্যই একে সময়তে শিক্ষা লৈছিল। আৰু অৰ্জুনে শিক্ষালব্ধ জ্ঞানেৰে যেতিয়া বহুত মানুহ হত্যা কৰিছিল তেতিয়ালৈ একলব্যই সমান জ্ঞানৰ অধিকাৰী হৈও ক'ৰবাত প্ৰাণীহত্যা কৰা বুলি আমি শাস্ত্ৰত পোৱা নাই। আৰু সেইফালেদি চাবলৈ গলে একলব্যহে শ্ৰেষ্ঠ ভকত আমাৰ বোধেৰে প্ৰভু।

গোবিন্দৰ কথা শুনি মাধৱ স্তব্ধ হৈ গ'ল। আৰু হঠাৎ মনৰ সকলো সংশয় আঁতৰি গ'ল। গোবিন্দক সাবট মাৰি ধৰি কলে—

ঃ হৰিভকত, তুমি মোৰ পৰম বান্ধৱ।

গোবিন্দৰ অন্তৰ কৃতজ্ঞতাৰে উপচি পৰিল। ভৰি ছুই প্ৰণাম কৰি আনন্দৰ চকুলো টুকি কলে—

ঃ তুমি মোৰ পৰম আশ্ৰয় প্ৰভু।

॥ চাৰি ॥

নাওখন ঘাটৰ ওচৰ চপাৰ লগে লগে মাধৱৰ মনত বিভিন্ন শংকাৰ উদয় হ'ল। যিমানে ঘৰখনৰ ওচৰ চাপি গৈছিল সিমানে মাধৱৰ অন্তৰাত্মা এক অবিশ্লেষণীয় ভয়ত কঁপি উঠিছিল। দূৰৰপৰা ঘৰখনৰ নঙলাটো যেতিয়া চকুত পৰিল মাধৱ স্তব্ধ হৈ গ'ল।

ইমান ডাঙৰ কাণ্ড এটা কেইটামান প্ৰহৰ মাত্ৰ আগতে ঘটি গ'ল অথচ ঘৰখনত তাৰ কোনো প্ৰতিক্ৰিয়াই যেন নহল এনেদৰে শান্ত হৈ আছে। নিমাওমাও হৈ আছিল ঘৰৰ পৰিবেশ। ওচৰৰ আটায়ে নিশ্চয় দেখিছিল বৰকাণ্ডাজ অহা; সুৰানন্দ চৰ্দাৰৰ আদেশত গৰমৌলি আৰু বৰকাণ্ডাজ লগ লাগি ৰমানন্দ ঠাকুৰৰ অসূৰ্য্যম্পশ্যা বিধবা গোসাঁনীক পুত্ৰ পুৰুষোত্তমৰ সতে ধৰি লৈ যোৱা। তাত বাৰু কোনেও অকণো কৌতূহল, এষাৰ প্ৰতিবাদ জনাব নোৱাৰিলেনে ?

গোসাঁনীয়ে হয়তো কান্দিছিল; হয়তো প্ৰতিবেশীৰপৰা অকণো সহানুভূতি পোৱাৰ আশা নেদেখি কন্দাই নাছিল। নিৰ্বিবাদে নিয়তিৰ ওচৰত নিজকে সমৰ্পণ কৰি চৰ্দাৰৰ লগত ওলাই গৈছিল।

কথাবোৰ ভাবে ভাবি মাধৱৰ এক প্ৰচণ্ড অপৰাধবোধ হ'ল। গুৰুৰ দেহৰক্ষাৰ পাচত উপৰ্য্যুপৰি ঘৰখনলৈ নামি অহা দুৰ্যোগবোৰ এটা এটাকৈ মাধৱৰ মনত পৰিল। গুৰুৰ তিৰোভাৱৰ দিনা মাধৱ ওচৰত নাছিল। বাতৰিটো পোৱাৰ লগে লগে তেওঁৰ জীৱনস্পন্দন হঠাৎ স্তব্ধ হৈ পৰা যেন লাগিছিল। চাৰিওপিনে হতাশাৰ এন্ধাৰে

ছানি ধৰিছিল। অশেষ ধৈৰ্য্য আৰু সহিষ্ণুতাৰে ইমান অসহ্য মনোকষ্টকো এসময়ত সহনীয় কৰি তুলিছিল; হঠাৎ আকৌ গুৰুপুত্ৰ ৰমানন্দ ঠাকুৰৰ তিৰোভাৱ ঘটিল। ঘৰখন একেবাৰে নিঠৰুৱা হৈ পৰিছিল। যিখন ঘৰলৈ এদিন দেশৰ চৌদিশৰপৰা লক্ষ লক্ষ বিপন্ন লোকে পৰিত্ৰাণৰ উপায় বিচাৰি আহিছিল, যিখন ঘৰৰ হাঁহি-কান্দোনৰ সতে দেশৰ প্ৰতিজনৰ অনুভৱ নিবিড়ভাৱে জড়িত হৈ পৰিছিল; সেইখন ঘৰ কেইটামান মাহৰ ভিতৰতে সৰ্বস্বান্ত, নিঃস্ব হৈ পৰিল। তাৰ বিপত্তিৰ প্ৰতি কোনেও আজি কণামাত্ৰও ভ্ৰূক্ষেপ নকৰে। সেইখন ঘৰৰ চৰম দুৰ্য্যোগৰ দিনতো প্ৰতিবেশী আজি নিৰ্লিপ্ত, নিৰ্বিকাৰ। অথচ দেশৰ মানুহৰ শান্তিৰ কাৰণে, তেওঁলোকৰ সৰ্বাংগীন কল্যাণৰ স্বাৰ্থত এইখন ঘৰৰ দৰে আৰু আন এখন ঘৰে ইমান চৰম ত্যাগস্বীকাৰ কৰা নাছিল।

মাধৱৰ চকুহাল সেমেকি উঠিল। পুৰণি দিনৰ বহুতো দৃশ্য তেওঁৰ মনৰ চকুত ভাঁহি উঠিল। শ্ৰীমন্ত শংকৰে শিৰোমণি ভূঞাৰ বিষয়-প্ৰতিপত্তি হেলাৰঙে ত্যাগ কৰি দৰিদ্ৰ যাযাবৰী জীৱন এটা আকোৱালি লৈছিল। ভোট কছাৰী—আহোম ৰাজৰ ৰোষত পৰি নিজৰ পুৰুষানুক্ৰমিক সংস্থান ত্যাগ কৰি এটা অঘৰীৰ দৰে ঘূৰি ফুৰিছিল আজি অ'ত, কালি ত'ত কৰি। আৰু এই সকলোবোৰ কষ্ট স্বীকাৰ কৰিছিল সিহঁতৰ কাৰণে, যিবোৰে ঘৰখনৰ চৰম দুৰ্ভাগ্য দেখিও আজি স্থিৰ, নিৰ্বিকাৰ চিত্তে থাকিব পাৰিছে।

গুৰুপত্নীৰ শান্ত নিৰ্লিপ্ত ভাব দেখি মাধৱৰ তলে তলে ভীষণ ভয় হৈছিল। প্ৰথমে বহুত পৰলৈ দুয়ো একো নোকোৱাকৈ নীৰৱে থাকিল। আইমাতৃ বহি আছিল পিৰালিত। অবিন্যস্ত কেশদাম আৰু বেশবাস ঠিক কৰি লোৱাৰ বাবেও যত্ন নকৰিলে। মাধৱৰ অৱস্থিতি যেন এটা শূন্যহে এনেদৰে তেওঁ বহি থাকিল আগৰ দৰেই।

মাধৱ বজ্ৰপৰা মানুহৰ দৰে চোতালতে অলৰ-অচৰ হৈ থিয়দি আছিল। পাচপিনৰপৰা গোবিন্দ আহি গুৰুপত্নীক সাষ্টাংগে

প্ৰণিপাত কৰিলে আৰু নীৰৱতা ভংগ কৰাৰ উদ্দেশ্যে ভগবানৰ নাম ললে—

ঃ বিপদভঞ্জন দীন দয়াশীল স্বামী—কৃষ্ণ কৃষ্ণ প্ৰভু !

হঠাৎ সম্বিত ঘূৰাই পোৱাৰ দৰে মাধৱো আগবাঢ়ি গৈ গুৰুপত্নীৰ পদধূলি শিৰত ললে—

ঃ বঢ়াৰপো আহিছা ? সউ পীৰাখন লৈ তাতে বহা। গোবিন্দও কিবা এডুখৰি বিচাৰি লোৱা।

কথাষাৰত প্ৰকাশ পোৱা অপৰিসীম ক্লান্তি আৰু উদাসীনতাই মাধৱ আৰু গোবিন্দ দুয়োকে বিষণ্ণ কৰি তুলিলে। মাধৱে পিৰালিত বহি ভৰিকিটা পানীপোতাত ওলোমাই দিছিল; খুব সহজ হবৰ চেষ্টা কৰিও দেহৰ জঠৰতা আঁতৰাই পঠাব পৰা নাছিল। কি সুধিব, কেনেদৰে কথাষাৰ আৰম্ভ কৰিব একো ঠিক কৰিব নোৱাৰি বিমূঢ়ৰ দৰে চোতাললৈ চাই থাকিল।

ঃ কিয় আহিলা তোমালোক ?

প্ৰশ্নষাৰ শুনি মাধৱ বিমোৰত পৰিল। উদ্দেশ্যটোৰ কথা কিদৰে আৰম্ভ কৰিব মাধৱে ভাবি পোৱাৰ আগতেই গোবিন্দই কলে—

ঃ আইমাতৃৰ খবৰ লবলৈকেই অহা হৈছে।

ঃ মোৰ খবৰ ? মোৰ তো একো খবৰ নাই !

ঃ বৰ গোসাঁনীৰ খবৰটো পাই আমাৰ বুদ্ধিয়ে হত হৈছে মাতৃ।

ঃ তাৰে খবৰ লবলৈ আহিলা ? তাত আকৌ খবৰ লবলগীয়া আছে কিটো ? এয়াতো একো নতুন কথা নহয়। উত্তম ক্ষেত্ৰ চিৰদিন ৰজা বা ৰাজপুৰুষৰেই হয়। মোৰ বোৱাৰীজনীতো তোমালোকে দেখিছাই; তাইৰ দৰে সুন্দৰী কমাৰকুছি, সুন্দৰীতো বিৰল। মই আগতেই জানিছিলোঁ। এদিন নহয় এদিন তাই ৰজাৰ হাতত পৰিবই।

ঃ কিন্তু এইখন ঘৰতো আন দহখন ঘৰৰ দৰে নহয় ! এইখন ঘৰৰ বিশেষ মৰ্যাদা আছে !

ঃ মৰ্যাদা ? এইখন ঘৰৰ ?

গুৰুপত্নীৰ প্ৰশ্নষাৰে মাধৱৰ বুকুত শেলে বিন্ধাদি বিন্ধিলে।

যিখন ঘৰৰ বিধবা গৰাকী আৰু বোৱাৰীক লৈ ঘৰে-পৰে মানুহে নানান মুখৰোচক কাহিনীৰ সৃষ্টি কৰে, যিখন ঘৰৰ বোৱাৰীক লোকৰ কামনা চৰিতাৰ্থ কৰাৰ উদ্দেশ্যে অপহৰণ কৰি লৈ যায়, সেইখন ঘৰৰ আকৌ মৰ্যাদা ! বাটৰ ফপৰীয়া কুকুৰৰ আকৌ আত্মসন্মান ! যেন দুৱাৰগৰিয়াই থিয়দি কব হে কেতিয়াবা মোক আহোঁতে এগোৰ যাওঁতে এগোৰ নেমাৰিলে নহয়নে তহঁতৰ ?

গুৰুপত্নীৰ পিনে মূৰ তুলি চাবৰ সাহস নহ'ল মাধৱৰ। গোবিন্দৰ পিনে চাওঁতে চকুত পৰিল ভকতৰামক পঠাই দি সজাই দিওৱা লাওৰ হেন্দালিখন। লাওজোপা লহপহকৰে বগাই তাৰ প্ৰায় আধাকে সামৰি লৈছে। ঘৰখনৰ মৃত্যুনিবিড় পৰিবেশৰ লগত লাওজোপাৰ প্ৰাণপ্ৰাচুৰ্য্যক মাধৱে মনে মনে কোনোমতেই খাপখুৱাই লব নোৱাৰিলে। লাওজোপালৈ চাই থাকোঁতে মাধৱৰ মনত পৰিছিল বহু বছৰৰ আগৰ এটা সৰু ঘটনালৈ ; নিতান্ত সাধাৰণ এটা ঘটনা হলেও মাধৱৰ জীৱনত তাৰ প্ৰভাৱ আছিল অসামান্য, অসাধাৰণ। সেই ঘটনা নঘটাহেঁতেন আজি হয়তো মাধৱ মাধৱদেৱ নহলেইহেঁতেন। মাধৱে সেইদিনা বৈনায়েক ৰামদাসক পঠাইছিল পঠা এটা আনিবলৈ ; ঠিক লাওজোপাৰ দৰেই লহপহ চেহেৰাৰ এটা পঠা। তাত যিদৰে এক জিঘাংসাৰ স্পৰ্শ আছিল, সেইদৰে এই লাওজোপাতো মাধৱে অনুভৱ কৰিলে তেনে এক জিঘাংসাৰ স্পৰ্শ। এসময়ৰ এই প্ৰাণচঞ্চল ঘৰখনত এজনী ধুনীয়া বোৱাৰী, লহপহ কৰে বাঢ়িব ধৰা এজোপা লাও এই আটাইবোৰ, যেন একো একোটাইঁত দুৰ্ঘটনাৰ আগজাননীহে।

ঃ চোৱা বঢ়াৰপো, 'সুন্দৰী নাৰী পৰম অনৰ্থকাৰী' ; সিন্ধুমতীৰ এই ঘটনাটোত মই অকণো বিচলিত হোৱা নাই। যিটো হবই, আজি, নহলে কালিলৈ ; কালিলৈ, নহলে পৰহি ; নহলে তাৰ

পাচদিনাখন ; তাৰ বাবে বিহ্বল হোৱাৰ কোনো কাৰণ মই নেদেখোঁ। মই কিন্তু বেলেগ কথা এটাহে আশংকা কৰি আছোঁ।

: কি কথা মাতৃ ?

প্ৰশ্নযাৰৰ লগে লগে গুৰুপত্নী লৰালৰিকৈ ঘৰৰ ভিতৰলৈ গ'ল। অলপ পাচতে অতি সযতনে ৰখা চিৰকূট এডোখৰ লৈ ওলাই আহিল আৰু মাধৱক কলে—

: তুমি চোৱাচোন ইয়াত কি কথা লেখা আছে।

মাধৱে বিমূঢ়ৰ দৰে হাত দুখন পাতি চিৰকূটখন লৈ ভয়ে ভয়ে সযতনে খুলিলে। গুৰুজনাৰ হাতৰ আখৰ দেখি একে উশাহতে চমু বাক্যষাৰি শেষ কৰিলে : 'মোৰ প্ৰাণবান্ধবে গড় নবন্ধাকৈ যুঁজি উচিত কামকেই কৰিছে। বাধা পাব, কষ্ট পাব, দুখ পাব কিন্তু জয় সুনিশ্চিত।' কথাখিনি একেবাৰে দুৰ্বোধ্য নাছিল। কিন্তু আজি তাৰ তাৎপৰ্য্য ? মাধৱ চিন্তিত হ'ল। গুৰুপত্নীয়ে যেন তেওঁৰ মনৰ কথা বুজি পালে—

: বৰাৰপো, তুমি ভাবিছা আজি কিয় তোমাক এইখন দেখুৱালোঁ। উদ্দেশ্যে কি জানা ?

গুৰুপত্নীৰ কথাখিনি তেওঁ নীৰৱে নিৰুত্তৰে শুনি গৈছিল। হয়তো সঁচাই ; তেওঁ নিজকে যিমান সবল বুলি ভাবিছিল, সিমান সবল হয়তো তেওঁ কোনোদিনেই নাছিল। নহলেনো বনগঞাগিৰিৰ দৰে এজন লোকৰ কথাতে তেওঁ এনেদৰে বিচলিত হয়নে ? গুৰুৱে ঠিকেই কৈছিল, অবিবাহিত জীৱন এটা নিৰ্জঞ্জাল, নিৰুপদ্ৰৱ জীৱন ; তেৰাৰ আদৰ্শ প্ৰচাৰৰ কাৰণে তাতকৈ উপযুক্ত জীৱন এটা হবই নোৱাৰে। গুৰুপত্নীৰ কথাত মাধৱে উমান পালে এক তিৰ্য্যক উষ্মা। তিৰস্কাৰৰ এক অসহনীয় বিৰক্তি।

মাধৱে মূৰ তুলি লাওৰ হেন্দালিখনৰ পিনে চাই পঠিয়ালে। ওচৰৰ এটা বিশেষ বিন্দুত তেওঁৰ দৃষ্টি নিবদ্ধ হ'ল। এসময়ত তাতে ভৰুণ ৰঙিয়াল ফুল এজোপা আছিল। তেওঁৰ মনটোৱে হঠাৎ

হাঁহাকাৰ কৰি উঠিল। তেওঁ ঘপ্‌কৰে উঠিল আৰু চোতালতে আইমাতৃৰ উদ্দেশ্যে প্ৰণাম জনাই নীৰৱে ওলাই আহিল।

গোবিন্দই পিচে পিচে আঁতৰে আঁতৰে আহি আছিল। মাধৱে এবাৰো ঘূৰি চোৱা নাছিল। মাত্ৰ অসহ্য কিবা এক তাড়নাত নদীৰ ঘাটলৈ কোবাকুবিকৈ গৈ আছিল। নাৱঁত উঠাৰ পাচত হে গোবিন্দই কলে: প্ৰভু, সঁচাকে ভাগ্যবান।

: এৰা, মোৰ ভাগ্যই উপচি পৰিছে। যিপিনেই চকু পেলাইছোঁ, কেৱল শান্তি আৰু সমৃদ্ধিকে দেখিছোঁ!

মাধৱৰ শ্লেষখিনি গোবিন্দই গ্ৰাহ্য নকৰিলে। মাথোন কলে—

: প্ৰভু, তুমি যিটো জীৱনৰ চৰম ভুল বুলি ইমানদিনে ভাবি আহিছিলা, আজি দেখিলা যে, গুৰুজনাই তাক তোমাৰ আটাইতকৈ শুদ্ধ কাম বুলি অভিহিত কৰিছে; গুৰুৰ প্ৰকাশ্য ইচ্ছাৰ বিৰুদ্ধে কাম কৰি ইমান আশীৰ্বাদ লাভ কৰা ঘটনা কেৱল বোধকৰোঁ তোমাৰ জীৱনতহে ঘটিছে।

মাধৱে বিস্ময়ত হতবাক হৈ গোবিন্দৰ মুখলৈ চাই ৰ'ল। তেওঁ কথাষাৰাৰ তাৎপৰ্য্য এনে হব পাৰে বুলি ভৱাই নাছিল। গোবিন্দৰ কথাখিনি আকৌ এবাৰ হৃদয়ংগম কৰিবৰ বাবে যত্ন কৰিলে। লাহে লাহে তেওঁৰ মনৰ বিষণ্ণতা আঁতৰিল আৰু কিবা এটা অনিৰ্বচনীয় ৰোমাঞ্চ অনুভৱ কৰিলে।

এইবোৰ প্ৰকৃততে সৰু সৰু ঘটনা। যিজন পুৰুষক সিহঁতে ভগৱন্ত পুৰুষ বুলি পূজা কৰিছিল, যাৰ ওচৰলৈ সিহঁত আহিছিল ব্ৰহ্মাণ্ডৰ পৰম ঐশ্বৰ্য্যৰ সন্ধানত, তেৰাবে পৌত্ৰিক সামান্য এডোখৰ ফলিগুটিৰ কাৰণে, তাকো আকৌ তেৰাৰ দেহাৱসানৰ মাত্ৰ এটা বছৰৰ পাচতে ধূলিৰো তলৰ ধূলি মনপুৰ ভৰালীয়ে যি ব্যৱহাৰ কৰিলে সেইটো এটা নগণ্য ঘটনা মাত্ৰ! তেৰাৰ বিধবা সহধৰ্ম্মিণী, বিধবা নিষ্পাপ বোৱাৰীক লৈ জঘন্য মিছা অপবাদ ৰটনা—সেইটোও এটা বিচ্ছিন্ন ঘটনা মাত্ৰ! গুৰুৰ বিধবা বোৱাৰীক বিয়া কৰাবলৈ

নাপাই হতাশ হোৱা বগৰীবৰীয়া বিৰাই চৌধুৰীৰ সতে ষড়যন্ত্ৰ কৰি বনগঞাগিৰিয়ে ৰজাৰ মানুহৰ হতুৱাই অসূৰ্য্যম্পশ্যা বিধবা ৰমানন্দ পত্নীক ধৰাই নিওৱা কথাটোও নিতান্ত সাধাৰণ ঘটনা এটা মাত্ৰ!

মাধৱে জোৰ কৰি গুৰুপত্নীৰ উপদেশমতে ভাবিবৰ চেষ্টা কৰিলে। তেওঁৰ জীৱনাদৰ্শৰ সতে এনেবোৰ ঘটনাৰ কোনো সম্পৰ্ক নাই। তেওঁৰ সাধনাৰ ওপৰত এই ঘটনাবোৰৰ কোনো প্ৰভাৱ পৰিবই নোৱাৰে।

: আজি আৰু বিলৰ পাৰলৈ যাব পৰা নহব প্ৰভু; উজনি পানীৰ নাও, সময় লাগিব।

: আমাৰ জীৱনত ভটিয়নি সোঁত ক'ত পাম হৰিভকত! আমি এনেদৰেই আগবাঢ়ি যাব লাগিব। কালিলৈকে যোৱা হ'ক। তুমি ৰামদাস আতৈ, শ্ৰীৰাম আটাইকে খবৰ দিয়াবা ভকতৰামৰ মুখে।

: হৈছে প্ৰভু। বিলৰ পাৰতে গাৱঁৰ ঘাটৰ দাঁতিতে এডোখৰ মুকলি আছে; তাতে বহিব পৰা হব।

: তাতেই উত্তম হব।

মাধৱে মনতে কথাবোৰ জুকিয়াই ললে। হীৰামণিহঁতৰ দৰে লোকক পতিয়ন নিওৱাটো একো কঠিন কাম নহয়। কিন্তু পতিয়ন যোৱা মানেই ভক্তিৰ জন্ম নহয়; তাৰ বাবে লাগিব অবিচলিত শ্ৰদ্ধা। শ্ৰদ্ধা হ'ল হৃদয়ৰ উপলব্ধিৰ বস্তু। তাত যুক্তিৰ কোনো স্থান নাই। ভাবি ভাবি মাধৱ চিন্তিত হৈ পৰিছিল, এনেতে নদীৰ পূবপাৰে সৰিয়হতলীত কাম কৰি থকা ভকত দুজনৰ উত্তপ্ত কথোপকথন শুনি তেওঁৰ চিন্তাৰ সূত্ৰ ছিন্ন হ'ল। সৰু গুৰুৰ উল্লেখ শুনি তেওঁ উৎকৰ্ণ হৈ পৰিল। গোবিন্দও শুনিবৰ বাবে চেষ্টা কৰিলে। তেওঁলোক পাৰ হৈ যোৱাৰ পাচতো বহুত পৰলৈ কথপোকথন চলি আছিল কিন্তু লাহে লাহে শব্দবোৰ অস্পষ্ট হৈ পৰিছিল আৰু উত্তপ্ততা কমি অহা যেন বোধ হৈছিল। শব্দবোৰ একেবাৰে নুশুনা দূৰত্বলৈ নাওখন গৈ পৰাৰ লগে লগে গোবিন্দই মাধৱৰ পিনে চালে। মাধৱক খন্তেক

চিন্তিত যেন দেখা গৈছিল। গোবিন্দই মাধৱৰ মনযোগ আকৰ্ষণ কৰাৰ উদ্দেশ্যে কলে—

ঃ প্ৰভু, এইবোৰেই হ'ল আলিবাটৰ ধূলি-মাকতি। এই ভকত-দুজনে ভাবে যে, সক গুৰুৰ দৰে তুমিও ৰং-ৰহইচ কৰি বৰসবাহ পাতা, চাৰিওপিনৰপৰা ৰাইজ আহিব আৰু তেতিয়া বৈষ্ণৱ ভক্তিৰ ৰস বিয়পি পৰিব।

ঃ কিন্তু এওঁলোকে যে কলে, দামোদৰদেৱে ৰাতি ৰাতি বৰসবাহ পাতি আমাৰ ভকতসকলক ভণ্ডাই নিয়াৰ কথা? সেইটো সঁচা জানো হৰিভকত?

ঃ মিছা বুলিতো আমি কব নোৱাৰোঁ প্ৰভু; সৰু গুৰুৱে ৰাতি ৰাতি বৰসবাহ পতা আমি জানো। আৰু আমাৰ ভকত যে তালৈ গৈছে এই ভকত দুজনৰ কথা-বতৰাৰপৰাই জানিলোঁ। পিছে প্ৰভু, ভণ্ডাই যাক যলৈকে ইচ্ছা তালৈকে অইনে নিব পাৰে সেইজন জানো ভকত?

কথাষাৰ শুনাৰ লগে লগে মাধৱ অন্যমনস্ক হৈ পৰিল। ভকত দুজনৰ কথা-বতৰাত স্পষ্টভাৱে তেওঁৰ প্ৰতি বিশেষকৈ তেওঁৰ নিষ্ক্ৰিয়তাৰ প্ৰতি ভ্ৰুকুটিৰ তেওঁ উমান পালে। যিমানে নিজক আশ্বাস দিবৰ চেষ্টা কৰিলে সিমানে ভকত দুজনৰ কথাখিনিয়ে তেওঁৰ কৰ্তৃত্বৰ বিৰুদ্ধে এক মূৰ্তিমান প্ৰত্যাহ্বানৰ দৰে চিন্তিত কৰি তুলিলে। তেওঁ মনে মনে সিদ্ধান্ত কৰিলে এই সম্বন্ধে ভকতসকলৰ মতামত তেওঁ বিচাৰিব। যদি তেওঁলোকে সঁচাকে ভক্তি আদৰ্শৰ প্ৰচাৰৰ মাধ্যম হিচাপে উৎসৱ সমাৰোহকে বিচাৰে তেওঁলোকৰ একান্ত আস্থাৰ পাত্ৰ হিচাপে তেওঁ তাক মানি লবলৈ বাধ্য। গোবিন্দৰ পিনে চাই কথাষাৰ প্ৰকাশ কৰি মনটোক সকাহ দিয়াৰ কথা ভাবিছিল যদিও নিৰস্ত হ'ল। দেখিলে নাও এখনত অকলশৰে কোনোবা এজন ভটিয়াই আহি আছিল আৰু দূৰৰপৰাই মাধৱলৈ প্ৰণাম জনাইছিল।

খীৰামাধৱক নাওখন একেবাৰে কাষ চপাতহে মাধৱে চিনি পালে। সুন্দৰীলৈকে গৈছিল, মাধৱৰ তাত চাউল আৰু কিবাকিবি দি আহিছে। মাধৱেই প্ৰথমে সুধিলে—

: মিতা, খবৰ কি ?

: তোমাৰ কৃপাত আছোঁ। ৰাখিছে তেৰাই। এইবাৰ আই-লক্ষ্মীয়ে চকু মেলিও চাইছে।

: বৰ সন্তোষৰ কথা। পিছে অহা হৈছিল কোনফালে বা ?

: সুন্দৰীলৈকে। বোলো, মিত্ৰৰ বহুদিন বতৰা পোৱা নাই। ইপিনে চাউল-পাতৰ বা কি ? তাকে বোলো দুবস্তামান চাউল আৰু আধা বস্তা মাটি মাহ আৰু অকণ মগু। বাৰীৰ লাও কোমোৰাও এই বেলি দিছে ভগবানে ; বোলে দহ ভকতৰ সেৱাতে লাগক। মিত্ৰৰ বহাতে থৈ আহোঁ।

: পিছে আমিতো কোনো নাছিলোঁ !

: তুমি হলা সাক্ষাত কৃষ্ণ ভগবান ; ভকতক বঞ্চনা নকৰা, মই জানো। তাতে চোতালত দেখিলোঁ মাছমৰীয়া গাওঁৰ কোনোবা এটা বহি আছে। মোক বৈ থকা দেখি, সিয়ে উপযাচি কলে, ৰাম, তোমাৰ এন্ধাৰ হবগৈ, তুমি যোৱা, মইয়ে প্ৰভুক চমজি দিম।

খীৰামাধৱৰ নাও আঁতৰি যোৱাৰ পাচতো মাধৱৰ মন খীৰাইৰ আন্তৰিকতাপূৰ্ণ কথাখিনিৰপৰা আঁতৰি অহা নাছিল। তেওঁৰ এসময়ত মাটি সম্পত্তি আছিল ভালেখিনি। চাকৰ-নাকৰো আছিল কেবাজনো। নিজেই দিনৰ দিনটো খেতি-পথাৰত গোনামহৰ দৰে কাম কৰে। কিন্তু প্ৰতি বছৰে জেঠ-আহাৰত বীৰাই চৌধুৰীৰ ওচৰত হাত পাতিবলগীয়া হৈছিল সামান্য ধাৰৰ কাৰণে। প্ৰতি বছৰে খোৱাৰ টানত পৰি অ'ৰ ত'ৰপৰা নিলাজৰ দৰে ধান ধাৰে আনিবলগীয়াত পৰিছিল।

নিৰুপায় নিৰালম্ব হৈ সমানে আধা মাটি লোকৰ হাতলৈ যোৱাৰ

পাচত খীৰামাধৱ আহিছিল মাধৱৰ ওচৰলৈ ভাৰসা বিচাৰি। তাঁতীকুছিৰ গোবিন্দ তাঁতীৰো আছিল তদ্রূপ অৱস্থা। পত্নীৰ সতে দুয়োজনে কঠোৰ শ্রম কৰে। কাপোৰ বই প্রতিদিনে উপার্জন • কৰে দহপোনকৈ কড়ি। ল'ৰা-ছোৱালীৰ লেঠা নাই। মাত্র বছৰত দুটকাকৈ ৰাজকৰ। কিন্তু বছৰে সংসাৰ চলাবলৈ ধাৰ নকৰিলে নচলে। বছৰি দুকুৰিকৈ ধাৰ।

তেওঁৰো আহিছিল মাধৱৰ ওচৰলৈ উপায় বিচাৰি। মাধৱৰ প্রথমতে খং উঠিছিল। ব্যক্তিগত সমস্যা কিছুমানৰ বাবেই ব্যস্ত হৈ পৰিব-লগীয়া এটা অৱস্থা হলে মাধৱৰ চোন পৰমাৰ্থ চিন্তাৰ কাৰণে, সামূহিক কল্যাণৰ কাৰণে একো এটা কৰাৰ আহৰিয়ে নহ'ব! মাধৱক নিৰুত্তৰ দেখি খীৰামাধৱ আৰু গোবিন্দ তাঁতী হতাশ হৈ পৰিছিল। উভতি যোৱাৰ কাৰণে সাজু হোৱা দেখি গোবিন্দই মাত্র এটা কাহিনী মাধৱক মনত পেলাই দিছিল। মাধৱে অৱশ্যে সেই কাহিনী জীৱনত কেতিয়াও পাহৰিব নোৱাৰে।

মাধৱ তেতিয়া গণককুছিত। পাটবাউসীত অহৰহ গুৰুৰ সান্নিধ্যত আত্মহাৰা। হঠাৎ মাতৃবিয়োগৰ বাতৰি পাই মৰ্মাহত হ'ল। আৰু হ'ল বিয়াকুল। হাত কপৰ্দকশূন্য। অথচ শ্রাদ্ধৰ বাবে প্রয়োজন বহুত টকাৰ। উপায়ান্তৰ নেদেখি এটা দুৰ্বল সম্পৰ্কৰ আলম লৈ পালেগৈ বাৰাদি, চৌকীয়া মাজিৰ ঘৰ। মাজিৰ অৱস্থাও তেতিয়া পৰি আহিছে। চাৰিদিন চেষ্টা কৰি এটা ফুটা কড়িও যোগাৰ কৰিব নোৱাৰি নিৰাশ মনেৰে গণককুছিলৈ উভতিল মাধৱ। গুৰু আছিল অন্তৰ্যামী। জানে ক'ত কি ঘটিছে ভক্তৰ। উদগ্রীৱ ম'ন লৈ অপেক্ষা কৰিছে মাধৱৰ কাৰণে।

এসময়ত একো নহলেও মনৰ শান্তি বিচাৰি, অন্তৰত অকণ আশ্বাস বিচাৰি ভগ্নমনোৰথ মাধৱ আহিছিল গুৰুগৃহলৈ। গুৰুৱেই শেষত উপায় দিছিল মাধৱক আৰু গুৰুৰ উপদেশমতে কাম কৰি মাধৱে মুক্তিলাভ কৰিছিল পুত্ৰৰ দায়িত্বৰপৰা।

মাধৱে কাহিনীটো শুনি তাৰ তাৎপৰ্য্য বুজিবৰ চেষ্টা কৰি গোবিন্দৰ মুখলৈ সপ্ৰশ্ন দৃষ্টিৰে চাইছিল। গোবিন্দই হাঁহি হাঁহি কৈছিল—

ঃ প্ৰভু, ভক্তৰ মন মুক্ত কৰি ৰখাটো গুৰুৰ দায়িত্বৰ ভিতৰত। ভক্তই যদি সৰ্বক্ষণ নিজৰ চিন্তাতে ব্যস্ত থাকিবলগীয়া হয়, তেন্তে ভগবানৰ চিন্তা কৰে কেতিয়া ?

গোবিন্দৰ যুক্তিপূৰ্ণ কথা শুনি মাধৱৰ মন কুমলিছিল আৰু সৰ্বান্তঃকৰণে মাধৱে উপলব্ধি কৰিবৰ চেষ্টা কৰিছিল খীৰামাধৱ আৰু গোবিন্দ তাঁতীৰ মনোবেদনা। প্ৰাণান্ত শ্ৰম কৰিও পেটৰ ভাত মুঠি জোৰা মাৰিব নোৱৰা সংসাৰ এখনৰ কষ্ট।

মাধৱে জানিছিল গ্ৰাম্য জীৱনৰ আটাইতকৈ শোকলগা দিশটো হ'ল নতুন মূল্য উপলব্ধি কৰাৰ শক্তিৰ অভাৱ। যুগৰ বতাহে সেই জীৱনবোৰত দোলা দিলেও অনুভৱৰ স্থূলতাৰ দোষতে গম নেপায় আৰু পালেও বহুত পলমকৈ পায়। খীৰামাধৱ আৰু গোবিন্দৰো সেয়ে ঘটিছিল। মাধৱে দুয়োকে পৰামৰ্শ দিছিল কৰ্ম কৌশল আৰু সঞ্চয়ৰ অভিনৱ পদ্ধতিৰ বিষয়ে। আৰু সঁচাকে মাধৱৰ পৰামৰ্শমতে কাম কৰি এবছৰতে লাভ কৰিছিল অভাৱনীয় সাফল্য। খীৰামাধৱ বা গোবিন্দ তাঁতীৰ মাধৱৰ প্ৰতি কৃতজ্ঞ নহৈ উপায় নাছিল।

মাধৱে গধূলি জোনৰ ম্লান পোহৰত খীৰামাধৱৰ নাওখনৰ পিনে চাই পঠিয়ালে। তেতিয়া অৱশ্যে নাও দৃষ্টিৰ বহু বাহিৰত গৈ পৰিছিল।

ঘৰৰ পিনে চাই দূৰৰপৰাই দেখিলে ৰঙিয়াল ফুলজোপাৰ তলত কোনোবা এজন বহি থকা। মাধৱৰ বুজিবলৈ বাকী নাথাকিল সেইজনেই হীৰামণি বুলি। মাধৱে মনত এটা অদ্ভুত আশ্বাস অনুভৱ কৰিলে। চোতাল পোৱাৰ লগে লগে হীৰামণিয়ে মাধৱক সাষ্টাংগে প্ৰণিপাত কৰিলে।

মাধৱে মূৰত হাত দি আশীৰ্বাদ দিয়াৰ লগে লগে হীৰামণিয়ে

মাধৱৰ পদধূলা শিৰত ললে। মাধৱৰ হঠাৎ অপৰাধবোধ হ'ল, কিবা এটা অবিশ্লেষণীয় অপৰাধবোধ।

: তুমি কিয় ইমান গধূলিলৈকে বৈ আছা হীৰামণি?

: এজন ভকতে সিধা দি গ'লহি, ভাবিলোঁ, গৰু পহু আহি আধানাৰ্জি কৰিব পাৰে। বোলো অকণ বৈয়ে যাওঁ; আমাৰো প্ৰভুৰ দৰ্শন লাভ হব।

: এতিয়া পিছে যাবা কিদৰে?

গোবিন্দৰ কথাবাৰত হীৰামণিয়ে বৰ আমোদ পালে। হাঁহি হাঁহি কলে—

: কিয় ৰাম, এন্ধাৰত মোৰ পাও দুটা নচলে বুলি ভাবিছা নেকি?

: নহয় বোলো, একেবাৰে অকলশৰে—

: বাপ, আহিলোঁ অকলশৰে, যামো অকলশৰেই। তুমি হবলা কাৰোবাৰ সংগ পাম বুলি ভাবিছা?

: সেইটো বাৰু পৰমাৰ্থ কথা বুজিলোঁ; পিচে বিলৰ পাৰৰ সেই জংঘলখনৰ নাহৰফুটুকী কেহটাই তেনে পৰমাৰ্থ কথা নুবুজে নহয়?

হীৰামণিয়ে এইবাৰ শব্দ কৰি হাঁহি দিলে যেন গোবিন্দই কিবা এটা ৰগৰহে কৰিলে—

: তাৰো অৱস্থা মোৰ দৰেই ৰাম; পুৰণি চা-চিনাকি। কোনো চিন্তাৰ কাৰণ নেদেখোঁ।

হীৰামণি যোৱাৰ পাচত গোবিন্দই মাধৱৰ পিনে চাই কলে—

: প্ৰভু, সুজান পাত্ৰ। ৰসৰ বাবে আত্ৰাহি আছে; সন্ধান দিলেই হ'ল।

: মইও ভাবিছোঁ। বিলৰ তাৰি লৈ যোৱাটো বিলম্ব কৰা যুগুত নহব।

ৰাতি বিছনাত পৰাৰ লগে লগে পুনৰ ভকত দুজনৰ কথোপকথনখিনি মনত পৰিল। আইমাতৃৰ তিৰ্যক উষ্মাৰে কোৱা কথাকেইষাৰেও তেওঁক ব্যতিব্যস্ত কৰি তুলিলে। এই আটাইবোৰ যেন কোনোবাই

মনে মনে মাধৱক ধৰা পেলাবলৈ কৰা ষড়যন্ত্ৰৰ একো-একোটাহঁত চালহে। মাধৱে বিছনাতে ছটফটাই পৰি থাকিল। তেওঁৰ ভয় লাগিল, কিবা এটা নতুন কৰাৰ আগতে গুৰুজনাই যিখিনি প্ৰতিষ্ঠা কৰি থৈ গ'ল সেইখিনি ৰক্ষা কৰিব পাৰিবতো! নে ঘৰৰ উৰুলা ভেটিত নতুন চাল লগাবলৈ যাওঁতে জহি খহি পৰি সকলো নাইকিয়া হব! তেওঁ চেষ্টা কৰিও চকুহুটা মুদিব নোৱাৰিলে। বেৰ আৰু দুৱাৰৰ অজস্ৰ জোলোঙাৰে সোমাই অহা জোনাকৰ বিন্দুবোৰলৈ একেথৰে চাই অন্যমনস্ক হৈ পৰিল।

॥ পাঁচ ॥

ৰাতি টঙিঘৰবোৰৰপৰা হাতী খেদোৱা শব্দ শুনিছিল। দূৰৰ কাঠনিৰ ওচৰত নতুনকৈ বহা গাওঁখনৰ খেতি-পথাৰ বনৰীয়া হাতীৰ জাকে মাজে সময়ে নষ্ট কৰেহি। মাধৱে শব্দবোৰ শুনাৰ লগে লগে গুৰুজনালৈ স্মৰণ কৰিলে।

গুৰু কেৱল যে গুৰুৱেই এনে নহয়, মহাশয় হোৱাটোও শিষ্যই বাঞ্ছা কৰে। শ্ৰীমন্ত শংকৰ সেয়ে কেৱল গুৰু নাছিল, আছিল মহাশয়ো। শিষ্যৰ জীৱনত ঘটিব পৰা সম্ভাব্য সকলো বিপদ-আপদত ৰক্ষা কৰিব পৰাকৈ পৰিত্ৰাণৰ কৌশল নিজৰ আয়ত্তত ৰাখি থৈছিল। খেতিৰ বনৰীয়া হাতী খেদাই খেতি বিপন্মুক্ত কৰাৰে পৰা পৰম ঐশ্বৰ্য্যৰ সন্ধানলৈকে শিষ্যৰ কৌতূহল নিৰসণ কৰাৰ কাৰণে প্ৰতিটো উপায়কে তেওঁ সম্পূৰ্ণভাৱে জানিছিল। নিজে বৈকুণ্ঠৰ পট আঁকি নটুৱা নচাই অসীম ৰহস্যময় ভগবানক মাটিৰ মানুহৰ মাজলৈ নমাই অনাৰেপৰা গেলা বৰালিৰ ব্যঞ্জনেৰে ভকতৰ ৰসনা পৰিতৃপ্ত কৰালৈকে একো কথাই তেৰাৰ সতৰ্কতাৰ বাহিৰত নাছিল। খীৰামাধৱ, গোবিন্দ তাঁতী, আইমাতৃ আৰু সেই নামহীন বুঢ়ী লুইতৰ পাৰৰ খেতিয়ক ভকত দুজন আটায়ে মাধৱৰপৰা আশা কৰিছে গুৰুজনাৰপৰা পোৱা সৰ্বসতৰ্কতা, সচেতন সহানুভূতি।

মাধৱৰ গোটেই ৰাতি শোৱাই নহ'ল। বিলৰ তাৰিৰ পিনে যোৱাৰ সময়লৈকে অনুক্ষণ সেই চিন্তাই তেওঁক জৰ্জৰিত কৰিলে। কাযে কাযে গৈ থকা গোবিন্দৰ কথাও তেওঁ পাহৰি গৈছিল।

: কি সিদ্ধান্ত লোৱা হ'ল প্ৰভু ?

: কিহৰ সিদ্ধান্ত ?

: সেই বুঢ়ী লুইত পাৰৰ ভকত ত্ৰুজনৰ কথা।

: তুমিয়েতো কলা সেইবোৰ বাটৰ ধূলি-মাকতি বুলি !

: হৈছে প্ৰভু। বৰ বেছি উৰিলে মুখমচাৰে নাক-মুখ বন্ধ কৰিব লাগিব প্ৰভু। নহলে যে শ্বাস-প্ৰশ্বাসত কষ্ট হব, কায়মনে ত্ৰুখ পাব।

: আজি তেন্তে ভকতসকলৰ আগত কথাষাৰ উলিয়াই চোৱা হওক।

: কিন্তু শেষ সিদ্ধান্ততো তোমাৰ !

: ভকতৰ মন বুজাৰ পাচত।

: চকুক স্থুধি চাউল বহোৱা যুগুত হব নে প্ৰভু।

: ভকত নিৰ্জীৱ চকু নহয় হৰিভকত। ভকত আমাৰ সমতুল্য।

গোবিন্দ অভিভূত হৈ মাধৱৰ মুখৰ পিনে চাবলৈ চেষ্টা কৰিলে। মাধৱ আৰু গোবিন্দ ত্ৰুয়ো হালধীয়া সৰিয়হ ডৰাৰ মাজৰ একপদী-টোৱে গৈ আছিল। মাধৱৰ দৃষ্টি আছিল দিগন্তত মিলি পৰা দূৰৰ সেউজ বলয়ৰেখাত। পূবে ডাঙৰ কাঠনি য'ত আৰম্ভ হৈছে অথবা য'ত শেষ হৈছে বিলৰ পাৰে পাৰে বিস্তৃত উলু বৰতাৰ জাৰণিখন তালৈকে বাৰে বাৰে মাধৱৰ দৃষ্টি গ'ল। য'ত ৰাতিপুৱা নিতউ টিয়াঁ-চৰাইৰ জাকবোৰ নীৰৱ নিশ্চিহ্ন হৈ জাহ যায় তালৈ মাধৱৰ চকুযোৰ যেন কাৰোবাৰ অদৃশ্য শক্তিয়ে অনুক্ষণ টানিব লাগিছে এনেদৰে মাধৱে নিস্পলক দৃষ্টিৰে চাই চাই আগবাঢ়ি গৈ থাকিল।

মাধৱৰ দৃষ্টিত অৱশ্যে পৰা নাছিল অৰণ্যৰ মোহময় শোভা, পৰা নাছিল লাহে লাহে পুৰঠ হৈ অহা বেলিৰ সতে অৰণ্য বৃক্ষৰ ছাঁ-পোহৰৰ খেলা। তেওঁ সন্মুখত দেখিছিল নিৰৱচ্ছিন্ন সহস্ৰ সহস্ৰ লোকৰ এক আদি-অন্তহীন মিছিল। য'ত সময়, স্থানৰ বিশেষ পৰিচয় হেৰাই গৈছে। সেই মিছিলৰ মাজত চিনাকি অচিনাকি কতনা মুখ, নীৰৱ-সৰৱ বিভিন্ন ভংগীৰে কত অজস্ৰ মুখৰ আভাস।

বেপৰোৱা শান্তা আৰু শাওনাৰ হাঁহিভৰা মুখ; জামাল কছাৰী, শূদ্ৰা পাটগিৰিৰ সন্তুষ্টিভৰা মুখৰপৰা আৰম্ভ কৰি বলোৰামৰ সদাসন্ত্ৰস্ত মুখভাবলৈকে, আইমাতৃৰ ব্যথাভৰা কৰুণ চাৱনিৰপৰা ৰুক্মিণীৰ লাৱণ্যভৰা চঞ্চল দৃষ্টিলৈকে মাধৱে এফালৰপৰা চাই চাই এসময়ত নিশ্চেষ্ট হৈ বৈ গ'ল।

ঃ কিবা অসুবিধা হৈছে প্ৰভু?

ঃ নাই। ব'লা, তুমি আগ হোৱা।

ঃ প্ৰভু থাকোঁতে দাসে আগ বাঢ়িব!

ঃ সেয়াতো মোৰ গৌৰৱ।

গোবিন্দই দ্বিৰুক্তি নকৰাকৈ আগবাঢ়িল। মাধৱে চিন্তাৰ সূত্ৰ এৰি দিয়াৰ যত্ন কৰি কলে—

ঃ হৰিভকত, অন্ধ হোৱাৰ এটা লাভ আছে।

ঃ হঠাৎ অন্ধ হোৱাৰ চিন্তা প্ৰভু?

ঃ হঠাৎ নহয়; আৰু অন্ধ হোৱাৰ চিন্তাও মই কৰা নাই। এদিনৰ সৰু ঘটনা এটা মনত পৰিছে আজি বৰকৈ। আতা আৰু মই ওলাই গৈছিলোঁ ভিক্ষাৰ অৰ্থে। বৰ ৰ'দ আছিল সেইদিনা। ঘূৰি ঘূৰি ভোকে-পিয়াহে ক্লান্ত হৈ ওচৰতে এটা জুপুৰী ঘৰ দেখি তাৰ সন্মুখত দুয়ো বহি পৰিলোঁ। ঘৰৰ ভিতৰৰপৰা অন্ধ বুঢ়ী এগৰাকী ওলাই আহিল আৰু আতা আৰু মোক দুয়োকে অভিবাদন জনালে। আতাই কলে যে মই তেওঁৰ পুত্ৰ একেবাৰে শিশু, অভিবাদনৰ প্ৰশ্নই নুঠে। বুঢ়ীয়ে কি কলে জানা হৰিভকত? কলে, মই অন্ধ। চকুৰে নেদেখোঁ, হৃদয়েৰে দেখোঁ আৰু সেইবাবে সকলোকে সমানে দেখোঁ।

ঃ হৃদয়েৰে দেখাৰ কাৰণে চকু থকাত বাধা হোৱাৰ কোনো কাৰণ নেদেখোঁ প্ৰভু।

ঃ কিন্তু চকু নাথাকিলে বাধাৰ আশংকা এটা আঁতৰি থাকে হৰিভকত।

বননিৰ মাজেদি লুংলুঙীয়া বাটটোৰে গৈ থাকোঁতে মাধৱে সেইষাৰ কথাৰ তাৎপৰ্য্যকে ভাবি আছিল। তেওঁৰো চকু দুটা নথকাহেঁতেন, ইমান বিভিন্ন মুখ, প্ৰকাশিত ইমান বিচিত্ৰ অনুভৱৰ কথা তেওঁ হয়তো গমেই নাপালেহেঁতেন। প্ৰকাণ্ড জৰিগছ জোপাৰ ছাঁত পাৰি দিয়া আসনখনত বহি তেওঁ যেতিয়া তেওঁৰ চাৰিওপিনে অপেক্ষমান মুখবোৰলৈ চাইছিল, বুঢ়ী গৰাকীয়ে ওচৰতে ক'ৰবাত বৈ কথাষাৰ সঁকিয়াই দি থকাৰ দৰে অনুভৱ হ'ল। মাধৱে মুখবোৰ এপিনৰপৰা চাই গ'ল। অপেক্ষমান হীৰামণিৰ মুখ, ৰামচৰণ, শ্ৰীৰাম, ৰামদাস, বলোৰামৰ কৌতুকদীপ্ত চাৱনি, হৰিচৰণ ঠাকুৰৰ গম্ভীৰ মুখভাব— এসময়ত মাধৱৰ দৃষ্টি হঠাৎ চমকিত হ'ল। ৰাঘবেন্দ্ৰ আচাৰ্য্যক এই সমাৰোহত মাধৱে আশা কৰা নাছিল। তেওঁৰ দৃষ্টিত অৱজ্ঞা আৰু সবজান্তাৰ আভাস দেখি মাধৱ মনে মনে পুলকিত হ'ল। গোবিন্দ যেন অন্তৰ্য্যামী। তেৱেঁই প্ৰথমে নীৰৱতা ভংগ কৰিলে—

ঃ আচাৰ্য্যদেৱৰ অযাচিতে দৰ্শনলাভ আমাৰ পৰম সৌভাগ্যৰ কথা প্ৰভু।

ঃ মোৰো একে মত। বৰ সন্তোষৰ কথা।

আচাৰ্য্যই এইবাৰ হীৰামণিহঁতৰ গাঁৱৰপৰা অহা ৰাইজৰ পিনে প্ৰভুৰ দৃষ্টিৰে চালে আৰু মাধৱক লক্ষ্য কৰি কলে—

ঃ মই আজিৰ সমাৰোহৰ উদ্দেশ্যটো বুজা নাই।

ঃ স্বাভাৱিক, কাৰণ এই সমাৰোহলৈ আচাৰ্য্য আমন্ত্ৰিত নহয়।

গোবিন্দৰ কথাষাৰত সভাৰ সমবেত আটায়ে স্তম্ভিত হ'ল আৰু ইজনে সিজনৰ মুখলৈ চোৱাচুই কৰিলে। মাধৱে পৰিস্থিতিটো বেয়াৰ ফালে ঢাল খোৱালৈ লক্ষ্য কৰি কলে—

ঃ অৱশ্যে বাঞ্ছিত।

ঃ তথাপি অনাহূত প্ৰভু।

ঃ অতিথি অভ্যাগত বুলি ধৰি ললেই হ'ল। ন তিথি যস্য সঃ।

এইবাৰ হৰিচৰণ ঠাকুৰে উম্মাৰে কলে—

: আমি আকৌ আমন্ত্রিত যদিও উদ্দেশ্যৰ কথা হলে জনা নাই। কথাষাৰ কৈয়ে ৰামচৰণ ঠাকুৰৰ পিনে কেৰাহিকৈ চালে। গোবিন্দই সেই দৃষ্টিৰ অৰ্থ বুজি পালে। প্ৰকাশ্যে হৃদ্যতা দেখুৱালেও অন্তৰে অন্তৰে যে, ৰামচৰণ আৰু হৰিচৰণ ঠাকুৰৰ মাজত প্ৰচণ্ড বিদ্বেষৰ ভাব আছিল আন বহুতে নাজানিলেও গোবিন্দই জানিছিল। আৰু ঠিক তেওঁ আশা কৰাৰ দৰেই ৰামচৰণেও কলে।

: এৰা, উদ্দেশ্যটো নজনাকৈ সভাত যোগ দিয়াটো নিৰাপদ নহয়। বৈষ্ণৱৰ বিৰুদ্ধে ঘৰে-পৰে শত্ৰু।

: কোন কাৰ শত্ৰু, কোন কাৰ মিত্ৰ? মনে সে কৰিছে ভেদ আপোন পৰক। গোবিন্দৰ কথা শুনি ৰামচৰণ আৰু হৰিচৰণ দুয়ো অগ্নিবৰ্ষী দৃষ্টিৰে তেওঁৰ পিনে চালে। মাধৱে হাঁহি হাঁহি কলে—

: এপিনে চাবলৈ গলে ডাঙৰ কথাই আকৌ এপিনেদি চালে কথাটো তেনেই সামান্য। কি কোৱা হৰিভকত?

: হৈছে প্ৰভু। আটায়ে আহিল যেতিয়া আমাৰ উদ্দেশ্য ব্যাখ্যা কৰা যুগুত হব।

: ব্যাখ্যাৰ একো কথা নাই। হীৰামণিহঁতৰ গাৱঁৰ ৰাইজক ভাগৱতী ধৰ্মত শৰণ দিয়া হওক।

: তেওঁবিলাকে শৰণ লৈছেই।

ৰাঘব পণ্ডিতৰ কথাত কোনেও বিশেষ কৰ্ণপাত নকৰিলে। মাত্ৰ গোবিন্দই কলে—

: আমি জানো। কিন্তু ভাগৱতী মতত দীক্ষা লোৱা নাই বুলিও জানো।

: তাত দীক্ষা লোৱাৰ বিশেষ প্ৰয়োজন আছে বুলি মই নাভাবোঁ।

: পণ্ডিত মহাশয়, আপোনাৰ ভবা-নভবালৈ আমাৰ কথা নাই। যিসকলে দীক্ষা লব তেওঁলোকে ভাবক। কি কোৱা হীৰামণি?

: আমি আকৌ কি কম? আমাক কিয় সোধা হৈছে? অধম মূৰুখে কমেই বা কি?

মাধৱ অন্যমনস্ক হৈ বিলৰ পানীলৈ চাই থাকিল। এজাক ঘিলা হাঁহ সাতুৰি সাতুৰি ইপাৰৰপৰা সিপাৰলৈ গৈ আছিল। লাহে লাহে হাঁহজাক সৰু হৈ গৈছিল আৰু এটা সময়ত মণিব নোৱৰা হৈ পৰিল। মাধৱে শেষত দৃষ্টি ঘূৰাই আনিলে আৰু গোবিন্দৰ পিনে চাই কলে—

: হৰিভকত, তুমিয়ে কৈ যোৱা।

: প্ৰভু, বিলৰ পানীত হাঁহেই কত জাতৰ। শৰালি, ঘিলা, পাতিহাঁহ, ৰাজহাঁহ কিমান যে ভিন্ন নাম। মূলত কিন্তু সিহঁত একেই প্ৰভু। সিহঁত হাঁহ। ডিম্বজ হাঁহ।

ৰাঘৱ পণ্ডিতে বিদ্ৰূপৰ কৃত্ৰিম হাঁহি এটা মাৰি কলে—

: ৰাজহাঁহ আৰু ঘিলাহাঁহ একে হাঁহ নহয় গোবিন্দ। অৱশ্যে সৰু গুৰুৰ শ্ৰীবৃদ্ধি দেখি ছোট আতাৰ যদি মতিচ্ছন্ন হৈছে তেন্তে বেলেগ কথা। ভাৰস্তত হৰিভকত নাইকীয়া হ'ল নে যে, যাৰে তাৰে ওচৰ চাপিবলগীয়া হৈছে?

গোবিন্দ তলে তলে ভীষণ উত্তেজিত হৈ পৰিল আচাৰ্য্যৰ কথা শুনি। বৰ কষ্টেৰে আচাৰ্য্যৰ কথাষাৰৰ প্ৰচ্ছন্ন ইংগিতটো আওকাণ কৰি সভাসদক উদ্দেশ্য কৰি কলে—

: ইয়াত সৰু ঠাকুৰৰ দৰে বিজ্ঞজন, পোৱাৰ ভিঠাৰ ঠাকুৰৰ দৰে বিদগ্ধ পণ্ডিত আৰু ৰামদাস আতৈ, শ্ৰীৰাম আতৈ, বলোৰাম আতৈ, হীৰামণি কৈৱৰ্ত্ত প্ৰমুখ্যে পৰম বৈষ্ণৱসকল আছে।

: ৰাঘবেন্দ্ৰ আচাৰ্য্যৰ দৰে শাস্ত্ৰবিদ্ পণ্ডিতো ইয়াত উপস্থিত আছে।

: হৈছে প্ৰভু, মই হঠাৎ তেওঁৰ কথা পাহৰি গৈছিলোঁ। ভুল ক্ষমা কৰা হওক। মই মাত্ৰ এটা কথা নিবেদন কৰিবলৈ গৈছোঁ যে, আমাৰ গুৰুজনাই সাৰ্বজনীন বিষ্ণুধৰ্মৰ যি আদৰ্শ প্ৰতিষ্ঠা কৰি

গ'ল তাত কোনো ভেদাভেদৰ প্ৰশ্ন নাই। উচ্চ-নীচৰ প্ৰশ্ন নাই।

সত্য যুগে শুদ্ধ ধৰ্ম আছিলেক মাত্ৰ হৰিনাম
দেৱসবে গুপ্ত কৰিলে কৰি কপট।
হেন হৰিনাম ব্যক্ত কৰি সমস্ত লোকক উদ্ধাৰিল
শ্ৰীমন্ত শংকৰে ভাঙিলা সবাৰো পট॥

হৰিনামৰ এই শুদ্ধ ধৰ্মক গুপ্ত কৰা হৈছিল। সৰ্বসাধাৰণৰ সামৰ্থ্যৰ বাহিৰত তাক ৰখা আছিল। কিন্তু শ্ৰীমন্ত গুৰুৱে সকলো বাধাৰ প্ৰাচীৰ ভাঙি হৰিনাম অমৃতৰ নদী সকলোৱে পাব পৰাকৈ বোৱাই দিলে।

ঃ শংকৰৰ আগতো এই দেশত বিষ্ণু-পূজা, বিষ্ণু ধৰ্ম আছিল।

ঃ আছিল, কিন্তু ইমান সঞ্চালনিকৈ নাছিল।

গোবিন্দৰ কথাষাৰ শুনি ৰাঘব পণ্ডিতে ব্যঙ্গ কৰি কলে—

ঃ বিষ্ণু বালয় সমীপ স্থান্ বিষ্ণু সেৱাৰ্থ আগতান্
চাণ্ডালাম্ পতিভান্ ৱাপি স্পৃষ্ট্বা নস্নান মাচৰেৎ

শ্ৰীধৰ ভট্টৰ বৰ্ষ প্ৰদীপৰ এইষাৰ শ্লোক এনেয়ে লেখা হৈছিল বুলি ভৱা হয় নেকি ?

ঃ এনেয়ে কোৱা হোৱা নাই তাৰ অৰ্থ আছে, তাৰ নিগূঢ় তাৎপৰ্য্যও আছে।

ঃ মানে ?

গোবিন্দই এটা ৰহস্যৰ হাঁহি মাৰি সমবেত সকলৰ মুখলৈ চালে। আটাইয়ে এবাৰ মাধৱৰ মুখলৈ আৰু এবাৰ গোবিন্দৰ মুখলৈ অপেক্ষমান দৃষ্টিৰে চাই আছিল। মাধৱে অৱশ্যে কাৰো মুখলৈ চোৱা নাছিল। তেওঁৰ দৃষ্টি নিবদ্ধ আছিল বিলৰ সিপাৰে বহু দূৰৰ নিৰ্দিষ্ট এটা বিন্দুলৈ। গোবিন্দই কেইদিনমান আগতে কোৱা কথাষাৰ তেওঁৰ মনত পৰিল। দূৰত ৰ'দ লৈ চিঞৰি থকা কুকুৰাজনীলৈ চাই চাই মাধৱৰ মনত পৰিল "যতেক চটক দেখা"

বোলা হৰমোহনৰ পদফাকিলৈ। হঠাৎ গোবিন্দৰ কথাবোৰ কাণত পৰাত তেওঁৰ চিন্তাৰ সূত্ৰ ছিগি গ'ল—

:.চোৱা আচাৰ্য্য, মাধৱ কন্দলি, ৰুদ্ৰ কন্দলি, হেম সৰস্বতী, শ্ৰীধৰ ভট্ট প্ৰমুখ্যে পণ্ডিতসকলে এই দেশত বিষ্ণুপূজাৰ কথা উল্লেখ কৰিছে। কিন্তু শ্ৰীমন্ত গুৰুৰ দৰে ইমান সণ্টালনিকৈ বিষ্ণুৰ আদৰ্শ সেইসকলে প্ৰচাৰ কৰা নাছিল। বিষ্ণু মন্দিৰলৈ বিষ্ণুপূজাৰ কাৰণে অহা চণ্ডাল বা পণ্ডিতক ছুলে গা ধুব নালাগে বুলিহে সেইসকলে কব পাৰিছিল। শ্ৰীমন্ত গুৰুৱে কি কৈছে ?

যিটো চণ্ডালৰ কায়বাক্যমনে সদায় সুমৰৈ হৰি।
আছে বাহু ব্ৰত যিটো ব্ৰাহ্মণৰ সি সে শ্ৰেষ্ঠ আত কৰি॥
সিটো চণ্ডালক গৰিষ্ঠ মানি।
যাৰ জিহ্বাগ্ৰে থাকে হৰি বাণী॥

: কিন্তু ব্ৰাহ্মণ ব্ৰাহ্মণেই। ঘিলাহাঁহ যিদৰে ৰাজহাঁহ হব নোৱাৰে, চণ্ডালো ব্ৰাহ্মণ হব নোৱাৰে।

: সেইটো মান্ধাতা আমোলৰ মতবাদ। মহাভাৰতৰ ব্ৰাহ্মণ পুত্ৰ মতংগৰ কথা গাধজনীয়ে কি কৈছিল আচাৰ্য্যৰ নিশ্চয় মনত আছে।

মাধৱে গোবিন্দৰ পিনে বিমুগ্ধ দৃষ্টিৰে চালে। গোবিন্দই কাহিনীটো কৈ গ'ল। মতংগ ব্ৰাহ্মণপুত্ৰ গৈছিল যজ্ঞ কৰিবলৈ গাধ পোৱালিয়ে টনা এখন গাড়ীত উঠি। মাক গাধজনীয়ে পুতেকৰ ওচৰে ওচৰে গৈ আছিল। ওৰে বাট ব্ৰাহ্মণ পুত্ৰই পোৱালি গাধটোক ইমান অবৰ্ণনীয় যন্ত্ৰণা দিলে যে, যন্ত্ৰণাত কাতৰ হৈ সি মাকক কবলৈ বাধ্য হ'ল। মাকে তাক আশ্বাস দি কলে যে যাক সি বৈ আনিছে, সি আচলতে ব্ৰাহ্মণ নহয় চণ্ডাল হে। প্ৰকৃততে কৰ্মইহে ব্ৰাহ্মণ কোন চণ্ডাল কোনে নিৰ্ণয় কৰে। কৰ্মৰ গুণত ব্ৰাহ্মণো চণ্ডাল হয় আৰু চণ্ডালো ব্ৰাহ্মণ হয়।

আকৌ চোৱা মুনি পৰাশৰৰ মাক আছিল এগৰাকী কিৰাত

ৰমণী। মহামুনি ব্যাসৰ মাতৃ আছিল এগৰাকী কৈৱৰ্ত নাৰী আৰু ঋষি বশিষ্ঠৰ মাক এজনী সামান্যা নৰ্তকী। মনুসংহিতাত আৰু মহাভাৰতত পংক্তিদুষ্ট ব্ৰাহ্মণ আৰু কুকুৰক একেস্থানতে থোৱা হৈছে। এই সকলোবোৰৰ তাৎপৰ্য্য মাত্ৰ এটাই—

: মানুহৰ সংস্কাৰ আৰু আচৰণে তাৰ উচ্চতা নিৰ্ণয় কৰে, জন্মই নহয়।

গোবিন্দৰ কথা শুনি মাধৱে প্ৰশান্ত হাঁহিৰে আটাইৰে মুখলৈ চালে। সমবেত আটায়ে গোবিন্দৰ পাণ্ডিত্য দেখি তবধ মানিলে। গোবিন্দই আচাৰ্য্যৰ পিনে চাই পুনৰ কলে যে ক্ষুধা নিবৃত্তিৰ বাবে কোনে কি বৃত্তি ললে, যেতিয়ালৈকে সেয়ে সমাজৰ অপকাৰ সাধন নকৰে, তেতিয়ালৈকে সেয়া আনৰ বিবেচ্য হব নোৱাৰে ; হোৱাটো অনাৱশ্যকেই নহয়, বহু সময়ত ক্ষতিকৰো।

: ক্ষুধা প্ৰচণ্ড নিয়ামক, আচাৰ্য্য। ক্ষুধাৰ তাড়নাই নীতিৰ খন্তেকীয়া স্খলনকো মাৰ্জনা কৰে। একাদশী ব্ৰত কৰি মৃতপ্ৰায় হোৱা কাৰোলাবাটৈক গুৰুজনাই খোৱাৰ অনুমতি দিছিল।

গোবিন্দৰ এই উক্তিষাৰত আচাৰ্য্যই একৰকম গৰজি উঠিল—

: তেনে উলংঘন অমাৰ্জনীয়। ধৰ্মৰক্ষাৰ কাৰণে মানুহে প্ৰাণ বিসৰ্জন দিবলৈকো দ্বিধাবোধ নকৰাটোহে প্ৰশংসনীয়।

: মই পিচে অনুমতি দিয়াৰ কথাহে কৈছোঁ : প্ৰাণ বিসৰ্জন দিয়াৰ কথা কোৱা নাই। প্ৰাণ বিসৰ্জন দিয়া-নিদিয়াৰ বিবেচনা হ'ল দুৰ্গতজনৰহে, বিধিদাতাজনৰ নহয়। আৰু ব্ৰত পালন বিধিকৈংকৰ্য্যৰ অংগ মাত্ৰ, ধৰ্মৰক্ষাৰ সতে ইয়াৰ ঘনিষ্ঠ সম্বন্ধ নাই।

: হৰিভকত, তুমি আচাৰ্য্যক ছান্দোগ্য উপনিষদৰ উষস্তি চাক্ৰায়ণৰ কাহিনীটো শুনোৱা, তেওঁৰ উপলব্ধিত সহায় হব।

: হৈছে প্ৰভু।

গোবিন্দই তেওঁৰ নিজস্ব অনমুকৰণীয় ৰীতিৰে কৈ গ'ল কুৰু-দেশবাসী উষস্তি চাক্ৰায়ণৰ দুখৰ সেই অবৰ্ণনীয় কাহিনীটো। এবাৰ

কুৰুদেশত ব্যাপক শিলাবৃষ্টি হৈছিল। ফলত বিস্তীৰ্ণ এলেকা জুৰি শস্যক্ষেত্ৰ বিনষ্ট হৈছিল। আৰু অৱধাৰিত ফলস্বৰূপে দেশ দুৰ্ভিক্ষৰ কৰাল ছায়াই ছানি ধৰিছিল। গৰীব ব্ৰাহ্মণ উষস্তি চাক্ৰায়ণে পৰিয়াল সহ অন্নৰ সন্ধানত অনাই-বনাই ঘূৰি ঘূৰি শেষত এক হাতী মাউতৰ গাঁৱত আশ্ৰয় ললে। এঘৰত সোমায়েই দেখিলে গৃহস্থ মাউতে এটা বাটিত মাহকড়াই লৈ চোবাই আছে। ক্ষুধাৰ জ্বালা সহিব নোৱাৰি চাক্ৰায়ণে মাউতজনৰ বাটিৰ এৰেহা মাহকড়াইখিনিকে খুজি খালে। পাচদিনা পুৱাতে আগদিনাৰ অৱশিষ্ট মাহকড়াই খায়েই ৰজাৰ যজ্ঞত ঋত্বিক কৰ্ম কৰিবলৈ যাত্ৰা কৰিলে।

গল্পটো আটায়ে একান্ত মনযোগেৰে শুনি আছিল। শেষ হোৱাৰ পাচতো আটায়ে মন্ত্ৰমুগ্ধৰ দৰে নীৰৱ নিথৰ হৈ বহি থাকিল। খন্তেক মৌনতাৰ পাচত গোবিন্দই কিবা এষাৰ কব খুজি ৰাঘৱাচাৰ্য্য পণ্ডিত বহি থকাৰ পিনে চালে। পণ্ডিত অৱশ্যে তাত নাছিল। তেওঁ ইতিমধ্যেই সমাৰোহৰ মাজৰপৰা ওলাই গৈছিল। গোবিন্দই ৰামচৰণ ঠাকুৰৰ মুখলৈ চালে। যুক্তিৰ স্বাৰ্থত নহলেও মোমায়েক মাধৱে গোবিন্দক ইমান আসৈ দিয়া সহ্য কৰিব নোৱাৰি ৰামচৰণে সন্দেহৰ দোমোজাত পৰাৰ দৰে আপত্তি তুলিলে—

ঃ যিমান নকলেও হীৰামণিহঁত মাছমৰীয়া। ব্যাধৰ চামিল। জীৱহিংসা মহাপাপ আৰু সেই মহাপাপেই সিহঁতৰ জীৱিকা।

বৰবিষ্ণু আতৈয়ে এইবাৰ আলোচনাত যোগ দিলে। মাধৱেও ইচ্ছা কৰিলে সমবেত আটায়ে আলোচনাত অংশগ্ৰহণ কৰাত। মাধৱৰ ইংগিত পাই তেওঁ কলে—

ঃ ঠাকুৰ, সেই মহাপাপ তেওঁলোকে কৰে কাৰ কাৰণে? সেই মহাপাপৰ ভাগী আমি মাছ খোৱাবোৰো নহয় জানো?

আতৈয়ে কথাখিনি হাঁহি হাঁহি বিনয়েৰে কোৱাৰ যত্ন কৰিলে। কিয়নো ৰামচৰণ ঠাকুৰে এনেবোৰ কথাত অনমনীয় কঠোৰতাৰ

পক্ষপাতী। আৰু বাধা পালে চৰম দুৰ্ব্যৱহাৰ কৰিবলৈকো কুণ্ঠা-বোধ নকৰে। আতৈৰ কথাষাৰ শুনি ৰামচৰণ ঠাকুৰে আতৈৰ পিনে গম্ভীৰ চাৱনিৰে চালে আৰু এটা এটাকৈ কথাবোৰ কলে—

ঃ অংশ কিমানে লয় লৈ থাকিলেও পাপ পাপেই। বেছিয়ে অংশ ললেই পাপস্খলন হৈ নাযায়।

ঃ তেন্তে স্খলনৰ উপায় কৰা হওক। কি কোৱা ঠাকুৰ?

গোবিন্দৰ কথাত ৰামচৰণ উত্তেজিত হ'ল। আৰু ৰূঢ়ভাৱেৰে ধমক দি উঠিল—

ঃ তুমি কি একলব্যক অস্ত্ৰ শিক্ষা দিব খোজা?

ঃ অ, খোজোঁ, কিয়নো অস্ত্ৰ শিক্ষা লৈ একলব্যই এজনো মানুহ হত্যা কৰা নাছিল অথচ অৰ্জুন, যুধিষ্ঠিৰ, দুৰ্য্যোধন আটায়ে অসংখ্য মানুহ হত্যা কৰিছিল।

ঃ সেইটো হ'ল ক্ষত্ৰিয় ধৰ্মৰ কথা।

গোবিন্দই সৰু ঠাকুৰৰ তিৰ্যক কথাষাৰৰ গোপন অৰ্থ বুজি পালে যদিও হাঁহি হাঁহি সভাসদসকলৰ পিনে চাই থাকিল। তেওঁৰ ব্যাখ্যাৰ অৰ্থ বোধগম্য হোৱাৰ কাৰণে যেন অৱকাশ দিলে। অলপ পাচত তেওঁ ঠাকুৰৰ পিনে লক্ষ্য কৰি কলে—

ঃ মাছ মৰাটো ধৰ্ম নহয় পাপ। মানুহ মৰাটোহে ধৰ্ম।

গোবিন্দৰ বিদ্ৰূপ কটাক্ষই হৰিচৰণ আৰু ৰামচৰণ দুয়োকে বাৰুকৈয়ে বিন্ধিলে। দুয়ো বজ্ৰাহত মানুহৰ দৰে নিৰৱ নিশ্চল হৈ পৰিল। মনৰ ক্ষোভ গোবিন্দৰ অকাট্য যুক্তিৰ আগত থান-বান হৈ উৰলি গ'ল। মাধৱে পিছে সেইবোৰ একোকে চিন্তা কৰা নাছিল। তেওঁৰ মনত পৰিছিল হীৰামণিহঁতে অলপতে এদিন মাছ দুজনী লৈ অহাৰ কথা। নতুন বিল মাৰিছিল; প্ৰথমদিনা পোৱাৰে চিতল দুজনী ভকতসকললৈ বুলি আগবঢ়োৱাৰ চিন্তা কৰি লৈ আহিছিল। মাধৱৰ আৰু তেওঁৰ কাৰণে মাত্ৰ দুডোখৰ ৰাখি বাকী গোটেইখিনি মাছ ভকতসকলৰ মাজত বিলাই দিছিল। দক্ষিণকুলৰ কোনোবা

এজন ভকতক পাহৰি যোৱাত গোবিন্দ প্ৰকাশ্য ৰাইজৰ মাজত তিৰস্কৃত হৈছিল অকথ্য ভাষাৰে।

মাছ খোৱাৰ হেঁপাহ সকলোৰে আছে। কিন্তু মুৰৰ ঘাম মাটিত পেলাই যিজনে মাছ সংগ্ৰহ কৰিব সেইজন হ'ল মহাপাপী। মাধৱৰ লৰালিকালৰ কথা কিছুমান মনত পৰিল। হালগিৰি শাওনা, শান্তাইঁতৰ কথা। আৰু টেম্বুৰানি নদীৰ পাৰৰ ৰাধিকাইঁতৰ কথা। তেওঁলোকেও কঠোৰ শ্ৰম কৰি পথাৰত শস্য ফলায়। জানৰ পানীত দিনৰ দিনটো অশেষ শ্ৰম কৰি মাছ মাৰে। কিন্তু আচৰিত কথা, শাওনা-শান্তাইঁতে পেট ভৰাই খাবলৈ নাপায় কোনোদিন ; ৰাধিকাইঁতে কেতিয়াবা একেৰাহে দুই তিনিদিন অভুক্ত থাকিবলগীয়াত পৰে। তেওঁলোকে আহৰণ কৰা সম্পদৰ পৰাই তেওঁলোক চিৰতৰে বঞ্চিত। হীৰামণিহঁতে মাছ মৰা দেখিছে ; কিন্তু ভাল মাছ তেওঁলোকে কোনোদিন খাবলৈ নেপায়। তেওঁলোক জানো মহাপাপী ?

গোবিন্দই মাধৱৰ মনৰ কথা বুজি পোৱাৰ দৰে কলে—

ঃ প্ৰভু, পাপ যিজনে কৰে তেওঁ পাপীহে, কিন্তু যিজনে অকুণ্ঠচিত্তে পাপৰ ফল ভোগ কৰিও নিজকে নিষ্পাপ বুলি ভাবে, সেইজনহে মহাপাপী।

কথাষাৰ শুনি সমবেত আটায়ে কাঁহ পৰি জীণ যোৱাৰ দৰে হ'ল। কিছুপৰৰ পাচত হীৰামণিয়ে অন্তৰত এক দুৰ্বাৰ সাহস অনুভৱ কৰিলে। এইবাৰ মাধৱৰ পিনে চাই ভাৰসাৰে কলে—

ঃ প্ৰভু, এষাৰ কথা আছে নহয়—বোলে 'নাৱ দিলোঁ, ব'ঠা দিলোঁ আৰু দিলোঁ চৰি, বাই বাটি খাব নোৱাৰে, কাৰ কোন বৈৰী।' ভগৱন্ত প্ৰভুৱে আমাক পৰম বস্তু দিয়ে গৈছে। আমিহে ভাগি বাটি খাব পৰা নাই।

ঃ কথাতে কয় বোলে—ঠেংতলে বৌ যায়, মিছালৈ টোপনিয়ায়। আমাৰ ঘৰতে বস্তুৱে বৈ-বৈ আছে, আমি আকৌ বংগদেশী মত খেদি ফুৰিছোঁ।

হীৰামণি আৰু শ্ৰীৰাম আতৈৰ কথাত মাধৱ আনন্দিত হ'ল আটাইকে শুনোৱাৰ উদ্দেশ্যে গোবিন্দক কলে—

: হৰিভকত, বিলম্বই বিঘিনি ঘটায়। ৰামদাস আতৈৰ সত্ৰতে গাওঁখনক শৰণ দিয়া হওক। কালিলৈ ভাল দিন আছে। কালিলৈকে হওক।

: সোনকালে সমাধা কৰাই মংগল; নহলে বামুণীয়া, বংগদেশী বৈষ্ণৱৰ কতনা বৈৰী। কোনে ক'ত ফান্দ পাতি আছে ঠিকনা নাই। ৰৰবিষ্ণু আতৈৰ কথা শুনি মাধৱ পুলকিত হ'ল। গোবিন্দৰ পিনে চাই কলে কপট গাম্ভীৰ্য্যেৰে—

: নিজেই বামুণ হৈ বামুণীয়া মতৰ বিৰোধ কৰা ঘৰ-বিভীষণ স্বৰূপ হৰিভকত।

: মই প্ৰথমে বৈষ্ণৱ; তাৰ পিচতহে ব্ৰাহ্মণ, প্ৰভু।

মাধৱে উল্লসিত হৈ হাঁহি দিলে। এইবাৰ গোবিন্দই ভাবিলে কথাষাৰ উলিওৱাৰ বাবে মোক্ষম সুযোগ।

: প্ৰভু, সৰু গুৰুৰ দৰে আমাকে কীৰ্তন ঘৰত বৰসবাহ এখন পতা হলে বেয়া নাছিল হবলা; আন ভকতসকলৰ বা মত কি?

এইবাৰ ভকতসকল মুখৰ হৈ উঠিল। উল্লাসৰ আতিশয্যত জনদিয়েক ভকত আগবাঢ়ি আহি গোবিন্দৰ নিচেই কাষ পালেহি আৰু ব্যগ্ৰ হৈ কলে—

: বাপ, প্ৰভুক তুমি ভালমতে ধৰা। সৰু গুৰুতকৈ ডাঙৰকৈ পতা হওক; নটুৱা নাচ, মুখা নাচৰ ব্যৱস্থা কৰা হওক। আৰু যদুমণিক এতিয়াই কৈ থোৱা হওক।

: সেইটো কৰা জানো যুগুত হব?

মাধৱৰ সংশয় দেখি হৰিচৰণ ঠাকুৰে এইবাৰ কিবা এষাৰ কোৱাটো সমিচীন বুলি ভাবিলে—

: অযুগুত কি আছে?

: মই ভাবিছিলোঁ, গুৰুৰ অন্তিম আদেশ আছিল যেতিয়া।

: মামা, ভকত ভগবানকৈও ডাঙৰ। ভকতৰ ইচ্ছা যেতিয়া, আৰু সময়ো যেহেতু সলনি হ'ল, আমি ভাবোঁ আমাৰ আগৰ বহু কথাৰ পুনৰ বিবেচনাৰ প্ৰয়োজন আছে।

ৰামচৰণ ঠাকুৰৰ কথা শুনি গোবিন্দ আৰু মাধৱ দুয়ো চিন্তিত হ'ল। হৰিচৰণ ঠাকুৰৰ কথাত তেওঁলোক বিচলিত হোৱা নাছিল। কিয়নো কিয়নো শ্ৰীমন্ত গুৰুক পুত্ৰ হিচাপে তেওঁৰ কথাত বিবেচনাতকৈ বেছি থাকিব আনুভূতিক প্ৰশ্ন। গোবিন্দই লাহেকৈ কথাষাৰ সকলোৰে বিবেচনাৰ বাবে দাঙি ধৰাৰ ছলতে কলে—

: আতৈসকলে কি কোৱা ?

: আমাৰ কবলগীয়া বিশেষ একো নাই। তথাপি ভাবিছিলোঁ বোলো ৰভিয়াল ঘৰটো সাজি হওঁ হওঁ হৈছেই। অলপতে ৰজা অহাৰ কথাও আছে। তাৰ পাচতে ঘৰটো লোৱাৰ অজুহাততে বৰসবাহে বোলক বা আন কিবাই বোলক কিবা এখন পতা হলে দুয়ো কুল ৰক্ষা হ'লহেঁতেন, আমাৰ বোধেৰে।

: দুয়ো কুল মানে ?

গোবিন্দৰ প্ৰশ্নষাৰ শুনি শ্ৰীৰাম আতৈয়ে মুখ মেলোতেই হৰিচৰণ ঠাকুৰে কলে—

: শুনা গোবিন্দ, তুমি প্ৰতিটো কথাৰ অৰ্থ বুজি পাব নোৱাৰা, আৰু ভকতসকলেও নিশ্চয় তোমাক বুজাব নোৱাৰে। কিয়নো সকলো কথা যাকে তাকে কব নোৱাৰি।

: যাকে তাকে মানে ?

: তাৰ মানেও কব পৰা নহয়।

এইবাৰ ৰাবচৰণ ঠাকুৰে আগৰ কথাৰ পোতক তুলিবৰ কাৰণে টপৰাই উত্তৰ দিলে গোবিন্দক জব্দ কৰিবলৈ। গোবিন্দই দুয়োৰে মুখলৈ চালে আৰু পাচত মাধৱৰ মুখলৈ চালে ; প্ৰশান্ত মুখচ্ছবিত তেওঁ দেখিলে পৰম ভাৰসাৰ আশ্বাস। গোবিন্দই হাঁহি হাঁহি অৱজ্ঞামিশ্ৰিত কণ্ঠেৰে কলে—

: সক ঠাকুৰৰ কথাত মই সিমান গুৰুত্ব দিয়া নাই। কিয়নো তেওঁ সক গুৰুত শৰণ লোৱা ঘৰৰ। কিন্তু ঠাকুৰ, তোমাৰপৰা এইখিনি আশা কৰা নাছিলোঁ।

: কোনখিনি ?

: এইখিনি ভকতৰ মাজত যে শ্ৰেণীভেদ সৃষ্টি কৰা হৈছে। ভকতৰ কিছুমান স্বৰ্গৰপৰা সোঁশৰীৰে নমা আৰু কিছুমান কি আটিয়াৰ খালৰপৰা বুটলি অনা ?

: কিন্তু এই প্ৰশ্ন উঠিল কিয় ?

বৰবিষ্ণু আতৈৰ প্ৰশ্নবাৰত মাধৱ বিৰক্ত হ'ল। গোবিন্দৰ কথাত বাধা দিবলৈ হাক দিলে। গোবিন্দই কৈ গ'ল—

: চোৱা ঠাকুৰ, চাকিৰ নিচেই তলতে এন্ধাৰ। তেওঁ কৈ গ'ল কিদৰে শাস্ত্ৰৰ ভুল ব্যাখ্যাই, নিজৰ অৱগতিৰ ভুলৰ কাৰণে কেৱল তেৱেঁই নহয়, মাধৱদেৱৰ হেন পুৰুষেও গুৰুজনাৰ তিৰস্কাৰ ভোগ কৰিবলগীয়াত পৰিছিল। গুৰুজনাই উপদেশ দিছিল—

তুমি আমি কৰোঁ যদি গৰিহিত কৰ্ম।
পাছৰ লোকে আৰু মানিবেক ধৰ্ম॥

কোনো এটা মতাদৰ্শৰ পুৰোধা হৈ অসতৰ্ক হলে ভৱিষ্যৎ উত্তৰ পুৰুষৰ কাৰণে এনে কিছুমান অভিশাপৰ বোজা এৰি থৈ যোৱাৰ আশংকা থাকে, যিবোৰে সমস্ত মতাদৰ্শৰে চৰম ক্ষতি সধাৰ ভয় থাকে। তেওঁ ৰামচৰণ ঠাকুৰৰ সাম্প্ৰদায়িক গোড়ামিৰ কথা আঙুলিয়াই দি পটন্তৰ দাঙি ধৰি দেখুৱালে কিদৰে গুৰুজনাই ব্ৰাহ্মণ আৰু বেদপন্থক সন্মান জনাইছিল। ব্ৰাহ্মণ, বেদপন্থ ভাৰতীয় মহান ঐতিহ্যৰ দুটা শ্ৰেষ্ঠ প্ৰতিভূ। তাক অস্বীকাৰ কৰা মানে ভাৰতীয় সনাতন ঐতিহ্যক অস্বীকাৰ কৰা হব। ৰামৰাম গুৰু ব্ৰাহ্মণ আছিল আৰু ব্ৰাহ্মণ দামোদৰক শৰণ দিওঁতে ৰামৰাম গুৰুৰ সহায় লৈছিল গুৰুজনাই। নাৱঁৰ বোকাত পৰি থকা ৰামৰাম গুৰুৰ খোজত খোজ নিদি বেলেগত খোজ দিওঁতে শংকৰক ৰামৰাম

গুৰুৱেই প্ৰশ্ন কৰিছিল—কিয় খোজত গছক নিদিলে বুলি। তেতিয়া শংকৰে কৈছিল—

ঃ তুমি যে ব্ৰাহ্মণ ; ভাৰতীয় ঐতিহ্য পৰম্পৰাৰ এক বিশাল অংশ তুমি আগুৰি আছা !

ঃ তুমি যে মোৰ গুৰু।

ঃ তুমি যে আকৌ ভকত। পৰম ভকত। ভগৱন্ত বস্তুৱেও যাৰ ওচৰত সেও মানে ?

বেদপন্থৰ কথাতো গুৰুজনাই কৈছে—

পৰম অজ্ঞানী হয় যিটো দুষ্ট চিত্ত।
ইসব নকৰে কৰ্ম বেদৰ বিহিত ॥

আকৌ :

বেদে যাক বিহিয়াছে তাকে বুলি কৰ্ম।
বেদে নিষেধিছে যাক সেহিসে অকৰ্ম ॥
কৰিবা সাত্তিক কৰ্ম বেদৰ বিহিত।

ৰামচৰণে এইবাৰ মাত দিলে গোবিন্দৰ পাণ্ডিত্যৰ প্ৰতি প্ৰত্যাহ্বান জনাই —

ঃ "বেদৰ বিহিত কৰ্ম কৰিবাক ভকতৰ যোগ্য নুই" মানে বেদৰ কৰ্ম কৰিবলৈ দিয়া হৈছে নেকি ?

ঃ তাৰ পিচৰ শাৰীতে ভেদটো ভাঙি দিয়া আছে দেখোন— যদি মোহ হুয়া কৰে কৰ্ম ভকতিত ভ্ৰষ্ট হুই। ১ম স্কন্ধ ভাগৱতত কোৱা আছে—

"ভকতিবিহীন জ্ঞান কৰ্ম সবে ব্যৰ্থ।
কহিলো স্বৰূপ বেদান্তৰো তত্ত্ব অৰ্থ ॥"

কেৱল শাস্ত্ৰক আশ্ৰয় কৰিও একো নিসিজে। শাস্ত্ৰ পঢ়িলেই সকলো কথা জনা নহবও পাৰে

কেবলম শাস্ত্ৰমাশ্ৰিত্য ন কৰ্তব্যো বিনিৰ্ণয়ঃ।
যুক্তিহীন বিচাৰেণ ধৰ্মহানি প্ৰজায়তে ॥

গোবিন্দৰ কথাবোৰ হীৰামণিহঁতে স্বপ্নাৱিষ্টৰ দৰে শুনি আছিল। গোবিন্দ বৈ যোৱাত মাধৱে সভাভংগৰ আদেশ দিলে। সিদ্ধান্ত হ'ল পিচদিনাখন ৰামদাস আতৈৰ সত্ৰত হীৰামণিহঁতৰ গঞা ৰাইজক শৰণ দিওৱা হব আৰু ৰভিয়াল ঘৰত বৰসবাহ পাতি নটুৱা নাচৰ ব্যৱস্থা কৰা হব। আটায়ে ঘৰাঘৰি হোৱাৰ পাচতহে মাধৱ আৰু গোবিন্দই গাত্ৰোত্থান কৰিলে। গোবিন্দই ৰামচৰণ আৰু হৰিচৰণ ঠাকুৰক ক্ষুণ্ণ কৰি মনত শান্তি নাপালে। মাধৱে গোবিন্দক নীৰৱ হৈ থকা দেখি আশ্বাসেৰে হাঁহি হাঁহি কলে—

ঃ এইবোৰ বাটৰ ধূলি মাকতি হৰিভকত, ভাগিন আৰু সৰু ঠাকুৰহঁতৰ দৰে মানুহবোৰ সতৰ্ক হোৱা দৰকাৰ।

দুয়ো নিজকে সহজ হৈ পৰা যেন দেখুৱাবৰ চেষ্টা কৰিও বিফল হৈছিল। বাটত আহোঁতে মোহাবিষ্টৰ দৰে নীৰৱ নিথৰ হৈ দুয়ো আহি আছিল। বেলি তেতিয়া মাজ আকাশ ছোওঁ ছোওঁ হৈছিল। গোবিন্দই হীৰামণিহঁতৰ দায়িত্ব মাধৱে নিজে নলৈ ৰামদাসক কিয় দিয়া হ'ল বুজা নাছিল। বাটতে সোধাৰ আগ্ৰহ হৈছিল যদিও কিবা এটা অপৰিসীম ক্লান্তি অনুভৱ কৰিছিল। ইচ্ছা পৰিত্যাগ কৰি মাধৱৰ পিছে পিছে আহি থাকোতে হঠাতে ইমান পৰে পাহৰি থকা কথা এটা মনত পৰিল। গোবিন্দই আগৰে পৰাই তলে তলে কাৰোবাৰ অদৃশ্য হাতৰ কূট চালনা আছে বুলি সন্দেহ কৰিছিল। আজি ভকতসকলে একেমুখে নটুৱা নাচ নচাব লাগে বুলি দাবী কৰাত সেই সন্দেহ আৰু ঘনীভূত হ'ল। অতি সোন-কালে বনগঞাগিৰিৰপৰা ছন্দে প্ৰবন্ধে কথাটো শুনিবৰ কাৰণে তেওঁ বদ্ধপৰিকৰ হ'ল।

ঘৰ পোৱাৰ লগে লগে আৰু এটা যে দুৰ্যোৰ চিন্তাৰ বিষয় তেওঁলোকৰ কাৰণে অপেক্ষা কৰি আছিল দুয়ো ভাবিবই পৰা নাছিল। চোতালত বৈ থকা মথুৰাদাসৰ গহীন গম্ভীৰ মূৰ্তি দেখি মাধৱৰ দৰে গোবিন্দও তলে তলে বিপদৰ ক্ষণ গণিলে।

॥ ছয় ॥

মথুৰাদাস ওলাই যোৱাৰ পাচত মাধৱে কথাটো ভালদৰে চিন্তা কৰিলে। আগপাচ নুগুনি হঠাৎ কিবা এটা কৰি পেলালে ফল ভাল হ'ক ছাৰি বেয়া হোৱাৰ হে আশংকা থাকে। এইবোৰ হল সন্ধিৰ বাহ ; তাক বুদ্ধিৰে কটাই মংগল। মাধৱ বেছ চিন্তিত হৈ পৰিছিল। পিচপিনে ঘোট ঘোটকৰে শব্দ এটা শুনি ঘূৰি চালে। গোবিইন্দ মথুৰাদাসে এৰি যোৱা আসন আৰু লোটাবোৰ ঠিক কৰি থৈ দিছিল। লোটাত থকা অৱশিষ্ট পানীখিনি পেলাই থাকোঁতেই মাধৱে ঘূৰি চালে আৰু কলে—

ঃ উপায়তো দিয়া যাব বুলি কলোঁহে গোপালক ; কিন্তু দিয়া যায় কি ? মইতো উপায়কে ভাবি পোৱা নাই।

ঃ উপায় প্ৰভুৱে অকণ চিন্তা কৰিলেই ওলাব। কিন্তু ঋকবেদৰ দশম মণ্ডলত যে আছে সেই কাহিনীটো ; শ্ৰেষ্ঠীপুত্ৰ জুৱাৰীজনে যে শেষত অনুতাপ দগ্ধ হৈ জুৱাখেল পৰিত্যাগ কৰি কৃষিকৰ্মত আত্মনিয়োগ কৰিবলৈ উপদেশ দিছিল ; আমাৰ জুৱাৰী ভকতকেইটিৰো তেনে দশাই হব প্ৰভু ! যেতিয়া বাটৰ কুকুৰে বাট এৰি নিদিয়া হব, তেতিয়া আপুনি বুজিব।

ঃ কিন্তু কীৰ্তনঘৰৰ চৌহদত নিতউ গোপনে জুৱাৰ আড্ডা চলাৰ দৰে ইমান সংঘাতিক ঘটনা এটা আপোনা-আপুনি শুদ্ধ হবলৈ বাট

চাই থাকিব নোৱাৰি। ৰামচন্দ্ৰ বুঢ়াই শুনিলে একেদিনে আটাইখনকে কোবেৰে চৰিয়াই ছাৰখাৰ কৰিব। আৰু সুৰানন্দ চৰ্দাৰে কেনেবাকে শুনিব লাগিলেতো মেচ গৰমৌলি পাচি ভকতসোপাকে ধৰি নি কাৰাগাৰত থবগৈ। এনেকুৱা কিবা এটা যে হবগৈ মই প্ৰথমতেই সন্দেহ কৰিছিলোঁ।

মাধৱ আৰু গোবিন্দ দুয়ো বহুত পৰ নীৰৱে থাকিল। ঘটনাটোৰ গুৰুত্ব উপলব্ধি কৰিবৰ কাৰণে দুয়ো দুয়োকে যেন অৱকাশ দিলে। কতজনে কত কষ্ট স্বীকাৰ কৰাৰ ফলত তিল তিল কৰি এই পবিত্ৰ অনুষ্ঠানটো গঢ়ি তোলা হৈছে। ইয়াক কেন্দ্ৰ কৰি কত সহস্ৰজনৰ কত কল্যাণ স্বপ্ন গঢ় লৈ উঠিছে। তাক সাধাৰণ ভকতকেইজনমানে জুৱাখেলাৰ দৰে অপবিত্ৰ কাৰ্যেৰে কলুষিত কৰিব! শুনিলে, ৰামচন্দ্ৰ সুৰানন্দ কিয়, জনসাধাৰণৰ কোনো এজনেও সহ্য নকৰে।

মথুৰাদাসৰ কথা ভাবি মাধৱৰ দুখ লাগিল। কিমান ত্যাগ স্বীকাৰ কৰি, পৰিয়াল পৰিজনৰ কথা পাহৰি, কতৰ কত গঞ্জনা সহ্য কৰি আৰু নিজেই প্ৰত্যুষৰেপৰা দোভাগ নিশালৈ অবিৰাম পৰিশ্ৰম কৰি গঢ়ি তোলাৰ মূৰত যদিহে ভকতৰ চৰিত্ৰহীনতাৰ কাৰণে কিবা এটা হবলগীয়া হয় তেন্তে মথুৰাদাস হয়তো বলিয়া হৈ যাব পাৰে। এই কীৰ্তনঘৰ, এই ৰভিয়াল ঘৰ মথুৰাদাসৰ সমগ্ৰ জীৱনজোৰা সাধনাৰ ফলশ্ৰুতি। ইয়াৰ প্ৰতিটো অণুত মিহলি হৈ আছে মথুৰাদাসৰ দেহৰ কেঁচা ঘামৰ একো একোটাইঁত টোপাল।

ঃ মোৰ বেছি দুখ লাগিছে গোপালৰ কথা ভাবি।

ঃ উপায় হব প্ৰভু। অচিৰে জুৱা বন্ধ কৰিব পৰা হব। দাসে আজ্ঞা পালেই কব পৰা হব।

গোবিন্দৰ উপায়বাৰ শুনি মাধৱ আশ্বস্ত হ'ল। সাধাৰণ ভকতৰ মাজত প্ৰেমপ্ৰীতিৰ অভাৱ চিৰাচৰিত কথা। প্ৰায়ে ইজনে সিজনক অসূয়া কৰে, প্ৰকাশ্যে নহলেও গোপনে। আনহাতে গোপালৰ ওপৰত আটাইৰে ইমান ভৰসা যে, তেওঁ যিদিনা গোপালক মথুৰাদাস

নাম দিছিল সেইদিনা ভকতবৃন্দৰ মাজত কি যে উল্লাস। গোপালৰ নিঃস্বাৰ্থ কৰ্মপ্ৰেৰণা আৰু অমায়িক ব্যৱহাৰে প্ৰতিজনৰে অকুণ্ঠ শ্ৰদ্ধা আদায় কৰিছিল। তাঁতীকুছিৰ তাঁতীসকলৰ মাজত গোপাল তাঁতী আছিল মধ্যমণি। অসমদেশৰ সুদূৰ খনা-খোকোৰাৰপৰা উঠি আহিছিল তেওঁলোক বাউসী পৰগণাৰ এই অঞ্চললৈ। চুণপোৰা ভিঠাৰ ওচৰতে এই বৰি ঠাইখিনিতে গাওঁ পাতি নাম দিলে তাঁতীকুছি। তাতে অপৰিসীম কষ্ট স্বীকাৰ কৰি বাধাক বাধা নুবুলি গোপাল তাঁতীয়ে আৰম্ভ কৰিছিল এই কীৰ্তনঘৰ। শ্বাপদসংকুল অৰণ্য, সৰ্প-কুম্ভীৰৰ চাৰণভূমি জলাশয়ৰ দৰে অজস্ৰ ভয়ংকৰ বিপদ নেওচি মুষ্টিমেয় জনদিয়েক ভকতৰ সহায় লৈ মাধৱৰ পৰামৰ্শক্ৰমে আৰম্ভ কৰিছিল এই তীৰ্থভূমি। আটায়ে জানে আৰু অনুভৱ কৰে যে গোপাল আতা এই পবিত্ৰ মন্দিৰৰ প্ৰাণস্বৰূপ। গোবিন্দই ঠিকেই কৈছে, ভকতে যদি নামঘৰৰ মূল আসনৰ কাষত, য'ত নিতউ প্ৰসংগৰ সময়ত গোপাল আতা বহে, তাত যদি বহি থকা দেখে শ্ৰীৰাম আতৈক, তেন্তে ঈৰ্ষাতে টিঙিৰি তুলা জ্বলাদি জ্বলিব আৰু তুমুল কাণ্ডৰ সৃষ্টি যে কৰিবই ই ধ্ৰুৱ। গোবিন্দৰ উপায়টোৰ কথা ভাবি মাধৱে মনে মনে তেওঁৰ বিবেচনাশক্তিৰ তাৰিফ কৰিলে।

গোপাল আতাই কৈ যোৱা সেই ভীষণ সমস্যাটোৰ গোবিন্দৰ উপায়টো শুনাৰ লগে লগে যেন আংশিক সমাধান হলেই, এনেদৰে মাধৱে মনত সকাহ অনুভৱ কৰিলে আৰু নামঘোষাৰ পাণ্ডুলিপিটো লৈ বহি ললে। পাণ্ডুলিপিত মনোনিবেশ কৰাৰ চেষ্টা কৰোঁতে মনত পৰিল গোবিন্দই পুৱা সমাজত কোৱা কথা কেইটামান। সেয়া সঁচাকৈ আছিল এক গভীৰ উপলব্ধিৰ পৰিণতি।

এই ৰাজ্যত বিষ্ণুপূজা আগতো যে আছিল তাৰ ভুৰি ভুৰি প্ৰমাণ আছে মাধৱ কন্দলিৰ, শ্ৰীধৰ ভট্ট আদিৰ ৰচনাত। কিন্তু সেই পূজাৰ পৰিসৰ আছিল নিতান্ত সীমিত। বৰ্ষপ্ৰদীপত শ্ৰীধৰ ভট্টই তাৰ প্ৰকৃত স্বৰূপ দাঙি ধৰিছে। সেই কালত চণ্ডাল আহিছিল বিষ্ণুপূজাৰ

কাৰণে মন্দিৰলৈ নহয়, মন্দিৰৰ সমীপলৈকেহে। বিষ্ণুপূজাৰ অৰ্থে আগত চণ্ডালৰ স্পৰ্শ কাৰোবাৰ গাত দৈবদুৰ্বিপাকত লাগে যদিও তেওঁ গা নুধুলেও চলে।

শ্ৰীমন্ত গুৰুজনাই আগৰ এই বাধাৰ প্ৰাচীৰবোৰ ভাঙি কলে, বিষ্ণুৰ নাম লোৱা চণ্ডালজনে বিষ্ণু সেৱাৰ কাৰণে মন্দিৰলৈ অহাটো সৰু কথা, তেওঁ বৰ্ণশ্ৰেষ্ঠ বাৰটা ব্ৰত কৰা ব্ৰাহ্মণতকৈও শ্ৰেষ্ঠ পৰিগণিত হব। হৰিৰ ভকত হলেই ব্ৰাহ্মণ চণ্ডাল সমানে শুদ্ধ হয়। আজি সমাজত দেখা ভীতিবিহ্বল অপেক্ষমান হীৰামণিহঁতৰ মুখবোৰ তেওঁৰ মনত পৰিল। তেওঁ লিখিবলৈ বহিল—

চাণ্ডাল পৰ্য্যন্ত কৰি জগতৰ উপকাৰী
নাহি নামগুণ বিনে আন।
সেহিসে কাৰণে হৰি নিজ যশ প্ৰিয় ভৈল
ভগবন্ত ভকতৰ প্ৰাণ॥

চণ্ডাল পৰ্য্যন্ত কৰি জগতৰ উপকাৰী। গুৰুজনাৰ হিন্দু ধৰ্মৰ আনুভূমিক সংস্কাৰৰ বিৰুদ্ধে প্ৰচণ্ড বিপ্লৱৰ এয়া এক অসম্পূৰ্ণ প্ৰকাশ মাত্ৰ মাধৱে কৰিছে। তেৰাৰ জীৱদ্দশাতে তাৰ সুদূৰপ্ৰসাৰী বিস্তাৰ ঘটিছিল, আৰু মাধৱে নিজেই জানে তেৰাৰ অখণ্ড প্ৰভাৱৰ অজুহাত লৈ নানা প্ৰতিক্ৰিয়াশীলৰ দলে তেৰাৰ কৰ্তৃত্ব ঘোষণাৰ অন্তৰালত কি জঘন্য ব্যভিচাৰ চলাব লাগিছে। আটাইতকৈ চিন্তনীয় বিষয় হ'ল নিজৰ ভকতৰ মাজতে থকা অৱগতিৰ ত্ৰুটিজনিত অপায় অমংগলবোৰ।

ভাগ্যেয় ৰামচৰণ ঠাকুৰ আৰু জনদিয়েক ভকতে বামুণক সদাসৰ্বদা সন্দেহৰ চকুৰে চায়। সৰু গুৰু দামোদৰক বৈষ্ণৱ বিৰোধী জ্ঞান কৰে খেনোৱে। এই গোবিন্দও এদিন অৱগতিৰ ভুলৰ বাবে গুৰুৰ তিৰস্কাৰ ভোগ কৰিবলগীয়াত পৰিছিল।

নাপাই একাদশী উপবাসে।
নপাত্ৰ মোক যোগ সন্ন্যাসে॥

এই পদটো পঢ়ি গোবিন্দই একাদশীৰ দিনা কুঢ়িমাছ লৈ আহিল ভালদৰে খাওঁ বুলি। একাদশী পালন কৰি যদি একো লাভেই নাই তেন্তে উপবাস খটাৰ সকাম কি? এনে অৱগতিৰ ত্ৰুটিৰ বাবেই দামোদৰদেৱ আজি বহুতো ভকতৰ মানত অবৈষ্ণৱ। কিন্তু কোনেও বুজিবৰ চেষ্টা নকৰে, যদি সৰু গুৰু দামোদৰ অবৈষ্ণৱেই হয় তেন্তে গুৰুজনাৰ পত্নীক কিয় তেওঁৰ ওচৰত শৰণ দিবলগীয়া হ'ল?

দামোদৰে বৰসবাহ পাতি তেওঁৰ মতবাদ বহুলভাৱে প্ৰচাৰ কৰিছে—সেয়া ভকতৰ অভিযোগ।

কিন্তু ভকতসকলক তেনে প্ৰচাৰ কৰাও দামোদৰেতো কোনোদিন বাধা দিয়া নাই; আনকি সমালোচনাও কৰা নাই। এনেবোৰ কথা ভাবিবৰ চেষ্টা নকৰি কু-সংস্কাৰাচ্ছন্ন হৈ কূপমণ্ডুকৰ দৰে কৰ্ম কৰিলে তাৰ ফল বিষময় হবলৈ বাধ্য। ব্ৰাহ্মণৰ মাজতো ৰামৰাম গুৰুৰ দৰে অজাতশত্ৰু পৰম বৈষ্ণৱ আছে, আৰু আছে বৰবিষ্ণু আতৈৰ দৰে গুৰুজনাৰ একনিষ্ঠ পন্থবাদী ভকত।

ভক্তিৰ পৰম অৱলম্বন হ'ল শুদ্ধ মন আৰু নিষ্ঠা; আৰু ফলশ্ৰুতি হ'ল অন্তৰ শোধন।

: হৰিভকত, ভক্তিপ্ৰদীপত কৈছে, পৰৰ ধৰ্মক নিহিংসিবা কদাচিত; আৰু নকৰিবা নিন্দা আন পন্থী সমস্তক। হৰমোহনত কৈছে, মহন্তৰ ক্ষমাসে ভূষণ। কিন্তু আমাৰ ভকতসকলে কিয় বাৰু দামোদৰদেৱক বা ৰাঘব আচাৰ্য্যক অসূয়া কৰে?

: কাৰণ আছে প্ৰভু। অনুচিত; কিন্তু কাৰণ আছে তাৰ।

গোবিন্দই বিনীতভাৱে আৰম্ভ কৰিলে কিদৰে নিপীড়িতসকলৰ উত্থান প্ৰচেষ্টাত নিপীড়কসকলে বাধাৰ সৃষ্টি কৰি আহিছে। হিন্দু সংস্কৃতিৰ ধ্বজাবাহকসকলৰ মাজত ইয়াৰ কিদৰে অলেখ দৃষ্টান্ত পোৱা যায়। যি বৌদ্ধ ধৰ্মৰ প্ৰভাৱে পুৰণি সংস্কাৰাচ্ছন্ন শিক্ষা পদ্ধতিৰ পৰিবৰ্তন সধাৰ অৰ্থে নালন্দা, বিক্ৰমশীলা, তদান্তপুৰী আদি বহু বিশ্ববিদ্যামন্দিৰৰ সৃষ্টি কৰিলে, সেই ধৰ্মৰ আদি প্ৰবৰ্তক বুদ্ধদেৱৰ

জীৱদ্দশাত সেইকালৰ শ্ৰেষ্ঠ একাধিক ব্যক্তিয়ে অসূয়া কৰিছিল। পূৰণ কাশ্যপ, কুকুধ কাত্যায়ন, মোখৰী গোশাল, অজিত কেশকম্বলী আদিয়ে বুদ্ধৰ বিৰুদ্ধে লাগিছিল। শ্ৰাৱস্তীত থকা কালত বুদ্ধৰ বিৰুদ্ধে কৰা হীন ষড়যন্ত্ৰৰ কথা ওলাই পৰাত পূৰণ কাশ্যপেতো আত্মহত্যা কৰি নিজৰ সন্মান বচাব লগীয়াত পৰিছিল।

গুৰুজনাৰ হিন্দুসম্প্ৰদায়ৰ আনুভূমিক সংস্কাৰ মষিমূৰ কৰি সম্প্ৰদায়ৰ গঠন পদ্ধতি উল্লম্বিক কৰাৰ যিটো বিপ্লৱ, সেই বিপ্লৱৰ চোত শ শ বছৰৰ ধ্যান-ধাৰণা, শ শ বছৰৰ বিশ্বাস চূৰ্ণ হৈ পৰিছে। আৰু সমাজৰ ধৰ্মচৰ্চাক ইমান সহজ কৰি, পৰমাৰ্থ প্ৰচেষ্টাত জনসাধাৰণে অংশগ্ৰহণ কৰাৰ সুচল কৰি, ইমান যুগ ধৰি ধৰ্ম আৰু সংস্কৃতিৰ, পৰমাৰ্থ চিন্তা আৰু সামাজিক ধ্যান-ধাৰণাৰ একচেটীয়া ব্যৱসায় কৰি থকা মুষ্টিমেয় লোকসকলৰ স্বাৰ্থত চৰম আঘাত হানিলে। আৰু স্বাভাৱিকতে সেইসকল কেতিয়াবা গোপনে, কেতিয়াবা প্ৰকাশ্যভাৱে ক্ষিপ্ত হৈ উঠিল। তেওঁলোকৰ ধন আৰু সামাজিক মৰ্যাদাৰ পথত যেতিয়া গুৰুজনাৰ বৈপ্লৱিক কাৰ্য্যাৱলীয়ে প্ৰতিবন্ধকৰ সৃষ্টি কৰিলে, সেইসকলৰ জনদিয়েকে প্ৰকাশ্য যুদ্ধ ঘোষণা কৰিলে। সেই যুদ্ধৰ নেতৃত্ব দিয়া কেউজনেই আছিল ব্ৰাহ্মণ। সৰু গুৰুও ব্ৰাহ্মণ; তেওঁ শঙ্কৰৰ নেতৃত্ব মানি নলয়। তদুপৰি নিজে নেতৃত্ব লৈ ধৰ্মপ্ৰচাৰ কৰিছে। কাজেই ত্ৰ্যহস্পৰ্শ দোষত তেৱোঁ দোষী সাধাৰণ ভকতৰ মানত।

ঃ কিন্তু ৰামচৰণ ঠাকুৰতো পণ্ডিত ব্যক্তি ?

ঃ আকৌ তোমাৰ সূত্ৰই আহে প্ৰভু। সকলোৰে মূল হ'ল মন— মনে পাপ পুণ্য স্বৰ্গ মনেসে নৰক, মনেসে কৰিছে ভেদ আপোন পৰক।' পণ্ডিত সেইজন প্ৰভু যিজন ভক্তিত অচল। পণ্ডিত বুলি যহাই ভক্তিত হিয়া ঢালি নিদিয়াজনক প্ৰশ্ৰয় দিবলৈ গুৰুজনাই এনেয়ে হাক দিয়া নাছিল। একাদশ স্কন্ধত ভগৱন্ত পুৰুষে কৈ গৈছে প্ৰভু—

ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যাৰ দৃষ্টি সমতুল॥
নীচত সাধুত যাৰ ভৈল সম জ্ঞান।
তাহাকেহে পণ্ডিত বুলিয় সৰ্বজ্ঞান॥

: ৰামচৰণ ঠাকুৰতো ভক্তিতো অচল হৰিভকত।

: কিন্তু প্ৰভু, নিমি নব সিদ্ধৰ যে, ভাগৱত ধৰ্ম কাক বোলে সেই সূত্ৰটো আছে—

হুয়া শৌচ, কৰা নিতে মনক সংযম।
দিয়া দান সমস্তকে বুদ্ধি কৰা সম॥
পৰৰ ধৰ্মক নিহিংসিবা কদাচিত।
কৰিবা ভূতক দায়া সকৰুণ চিত॥
হইবা শান্ত চিন্ত সৰ্বজনত বৎসল।
এই ভাগৱত ধৰ্ম জানা মহাবল।

তাৰ সতে ঠাকুৰৰ চৰিত্ৰ ৰজিতা ন৷খায় বুলি মোৰ সন্দেহ।

: হৰিভকত, তাৰো কাৰণ নোহোৱা নহয়। অতি স্নেহে মানুহক অন্ধ কৰে, অতি শ্ৰদ্ধাই মানুহক অবিবেচক কৰে। ভাগৱতী মতাদৰ্শৰ প্ৰতি অপৰিসীম শ্ৰদ্ধাৰ গুণেই ৰামচৰণ অবিবেচকৰ দৰে হৈ পৰিছে। ক'ৰবাত কোনোবাই সামান্য বাধাৰ সৃষ্টি কৰা দেখিলেই ক্ষিপ্ত হৈ উঠে।

: প্ৰভুৱে হয়তো ঠাকুৰৰ ক্ষেত্ৰত ঠিকেই কৈছে; কিন্তু আন ভকতসকলৰ ক্ষেত্ৰত ত্ৰুটিপূৰ্ণ অৱগতিয়ে ইয়াৰ কাৰণ বুলি আমাৰ ধাৰণা।

: তেন্তে ইয়াৰ উপায়?

: সঘন আলোচনা কৰিলে কেনে হয়?

: অবাঞ্ছিত ফল লাভ হব। আলোচনাই ভক্তিমাৰ্গৰ পৰম অন্তৰায়। আজি ৰামৰাম গুৰু নাই। নহলে ইমান দুশ্চিন্তাত পৰিব-লগীয়া নহলহেঁতেন।

ৰামৰাম গুৰু দৰাচলতে এনেবোৰ সমস্যা সমাধানত বিশেষ পাৰ্গত আছিল। শঙ্কৰৰ সহপাঠী বা ব্ৰাহ্মণ বুলি নহয়। তেওঁ তেওঁৰ আন্তৰিক নিষ্ঠা আৰু সহৃদয়তাৰ বলত সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হব পাৰিছিল।

তেওঁৰ এটা বিশেষ গুণ আছিল ; সেইটো হ'ল জটিল সমস্যাৰ মাজতো নিজক নিৰ্লিপ্ত কৰি ৰখাৰ ক্ষমতা, যি ক্ষমতাৰ গুণত তেওঁৰ পৰা জনসাধাৰণে নিৰপেক্ষ বিচাৰৰ আশা ৰাখিব পাৰিছিল। মাধৱ গভীৰ চিন্তাত নিমগ্ন হ'ল। নামঘোষাৰ পাণ্ডুলিপি মেলা অৱস্থাতে সন্মুখত পৰি থাকিল। কি উপায়েৰে সমস্যাৰ সমাধান কৰিব পৰা হব তেওঁ ভাবি উলিয়াবলৈ যত্ন কৰিলে।

প্ৰথমে ভৰিৰ বুঢ়া আঙুলিকেইটা আৰু তাৰ পাচত ভৰিৰ পতা, সৰু গাঁঠি, ক্ৰমান্বয়ে আৰু ওপৰলৈ, আৰু ওপৰলৈ তেওঁৰ মানস চক্ষুৰ দৃষ্টি উত্থিত হ'ল ; লাহে লাহে চৰ্মচক্ষু দৃষ্টি ৰহিত হৈ পৰিল। মাধৱ সমাধিস্থ হ'ল। গুৰুজনাৰ মৃদু হাঁহিৰে আশ্বাসভৰা মুখমণ্ডল তেওঁৰ মানসপটত ভাঁহি উঠিল। চাৰিওপিনে বহু ব্যস্ত এখন ঘৰৰ গুণগুণনি তেওঁৰ কাণত পৰিল। ৰামৰাম গুৰু, ৰমানন্দ ঠাকুৰ, আইমাতৃ, নাৰায়ণ আতা, ভবানীপুৰীয়া গোপাল আতা আৰু চিনাকি অচিনাকি অলেখ ভক্তৰ সমবেত কীৰ্তনধ্বনিত তেওঁৰ চৌদিশ মুখৰ হৈ উঠিল। এসময়ত সেই ধ্বনি মাৰ গ'ল আৰু তাৰ ঠাই ললে বহুত আৰ্ত মানুহৰ কোলাহলে। সেই কোলাহলৰ মাজত তেওঁ দেখিলে এখন বিশেষ মুখ। য'ত আছিল ত্ৰাসৰ গভীৰ চিহ্ন, য'ত হাহিৰ চমক ক্ৰমে নিমজ্জিত হ'ল ক্ৰন্দনৰ বিষণ্ণতাৰ ছায়াত। ছায়াত মুখখন হেৰাই পৰাৰ লগে লগে ওলাই পৰিল এজোপা ভকণ ৰঙিয়াল ফুলৰ গছ। পাতৰ আঁৰত ৰঙা ৰঙা ফুলৰ মাজেদি ওলাই আহিল কাৰোবাৰ হাঁহিৰ খিলখিলনি। দৃশ্যবোৰ চিহ্নযাত্ৰাৰ দৃশ্যৰ দৰে ঘনাই পাৰ হৈ হৈ যাবলৈ ধৰিলে আৰু হাঁহিৰ খিলখিলনিৰ শব্দত তেওঁৰ চেতনাৰ গতি স্তব্ধ হৈ পৰিল। তেওঁ হঠাৎ সাৰ পাই উঠিল। চাৰিওপিনৰ

পৰিবেশৰ প্ৰতি সজাগ হবৰ চেষ্টা কৰিলে। লাহে লাহে সকলোবোৰ স্পষ্ট হৈ আহিল। তেওঁ স্পষ্টভাৱে শুনিলে বাহিৰত কাৰোবাৰ হাঁহি মিশ্ৰিত কথোপকথন।

: হৰিভকত, কোন আহিছে সেয়া ?

: হীৰামণি আৰু তুলসী প্ৰভু।

: তুলসী ? কোন তুলসী ?

: হীৰামণিৰ পৰিবাৰ, প্ৰভু।

গোবিন্দৰ কথাবাৰ শুনি মাধৱ চক খাই উঠিল আৰু হঠাৎ মুখেদি ওলাই অহা কথাবাৰ বন্ধ কৰি নীৰৱ হৈ ৰ'ল।

মাধৱৰ নীৰৱতাত গোবিন্দও থমকি ৰৈ গ'ল। ভিতৰলৈ সোমাবৰ সাহস নকৰি দুৱাৰৰ বাহিৰত আদেশৰ অপেক্ষাত ৰৈ থাকিল। হীৰামণি আৰু তুলসীয়ে মুখ চোৱাচুই কৰিলে। এনেদৰে কিছুপৰ নীৰৱে থকাৰ পাচত মাধৱ নিজেই ওলাই আহিল। হীৰামণি আৰু তুলসীয়ে চোতালৰ মাটিতে সাষ্টাংগে পৰি প্ৰণাম জনালে। হীৰামণি-হঁত উঠি অহাৰ পাচতো মাটিত পৰি থকা ধূলিৰ সাঁচ দুটাৰ মাজত দৃষ্টি নিবদ্ধ কৰি মাধৱ গহীন হৈ ৰৈ থাকিল। হীৰামণিয়ে হাত দুটা যোৰ কৰি কলে—

: অধমৰ দায়-দোষ মৰিষণ কৰা হওক, প্ৰভু। মনে নসলে, সেইবাবেই ঢাপলি মেলিলোঁ।

মাধৱে সহজ হবৰ চেষ্টা কৰি হীৰামণিৰ পিনে চালে। অদূৰত বিস্ময়ত হতবাক হৈ থিয় দি থকা নাৰীমূৰ্তিটো দেখি মাধৱৰ কিঞ্চিত অপৰাধ বোধ হল।

: কিবা সকাম আছিল হীৰামণি ? আমাৰ আকৌ কিবাকিবি ঢেৰ কাম কৰিবলগীয়া আছে।

: আমি তেন্তে যাওঁ প্ৰভু; পুৱা সমাজৰ পৰা গৈয়ে মনটো মোৰ উগুল-থুগুল লাগি আছিল। এইজনীক কথাটো কলোঁ; এইতো প্ৰভুৰ দৰ্শনৰ কাৰণে উদ্বাউল হৈ পৰিল। গতিকে

হুয়ো আহি গলোঁ। এতিয়া দৰ্শন লাভ হ'ল যেতিয়া আমি যাওঁগৈ, প্ৰভু।

: এই বিয়াগোম মাছজনী আমি কি কৰিম? গোবিন্দৰ কথা শুনি মাধৱে পিৰালিত সযতনে থৈ দিয়া এখন ডুৱাৰ হেন চিতল মাছজনীলৈ চালে আৰু স্নেহেৰে হীৰামণিক সুধিলে—

: এই মাছ আকৌ কিয়?

: দাসে দৰ্শনলাভৰ বাবে শুদাহাতে আহিব নোৱাৰিলোঁ প্ৰভু।

মাধৱে কথাষাৰ শুনি সন্তোষেৰে হাঁহি হাঁহি এইবাৰ তুলসীৰ পিনে চালে। এতিয়াহে তুলসীক পৃথিবীৰ সাজে আহি আগুৰি ধৰিলেহি। চাঁত্ কৰে ৰঙিয়াল ফুলজোপাৰ আঁৰ হৈ কুচি-মুচি থিয় হ'ল। ওৰণিখন টানি একাষে দৃষ্টি দি উৎকৰ্ণ হৈ ৰ'ল।

: এওঁ তোমাৰ পত্নী?

: হয়ছে প্ৰভু, তোমাৰ ভৰিৰ ধূলি।

মাধৱ খন্তেক বিমূঢ়ৰ দৰে হৈ পৰিল। গোবিন্দৰ পিনে চাই তেওঁলোকক বহিবলৈ দিবলৈ ইংগিত দিলে। হীৰামণিক দিয়া আসনৰ কাষতে তেওঁ আঠু লৈ বৈ থাকিল আৰু তুলসী য'ত থিয় দি আছিল এটা শিলামূৰ্তিৰ দৰে, তাতেই থাকিল। গোবিন্দই অৱশ্যে পৰিস্থিতিটো নিতান্ত সহজ কৰি পেলালে মাধৱৰ কাৰণে। মাধৱৰ আসন, লেখাৰ সজুলি, নামঘোষাৰ পাণ্ডুলিপিটো সকলোবোৰ চোতালৰ তুলসী জোপাৰ তলত যতনাই দিলেহি। আবেলিৰ ৰ'দ পৰি আহিছিল; এফালে বহুৱা আৰু এফালে সৰিয়হ ডৰাৰ ওপৰেদি জুৰ বতাহ ঢউ খেলি খেলি বলি আছিল। মাধৱে পৰিবেশক আওকান কৰি কলমটো হাতত লৈ বহি পৰিল।

লাহে লাহে এন্ধাৰ হৈ গ'ল। শেষৰ টিয়াঁ চৰাইজাকে কোঢ়াল কৰি ঘূৰি যোৱাত মাধৱ পৰিবেশৰ প্ৰতি পুনৰ সচেতন হৈ পৰিল। তেওঁ চাৰিওপিনে চালে। হীৰামণি আগৰ ঠাইতে আঁঠুলৈ থকা দেখি তেওঁ উচপ খাই উঠিল আৰু কলে—

হীৰামণি তুমি এতিয়াও আছা? মই আকৌ গলা বুলিহে ভাবিছিলোঁ।

: গৈছিলোঁ প্ৰভু, মানুহজনীক আগবঢ়াই দি আকৌ ঘূৰি আহিলোঁ। আজি মোৰ সমস্ত পাপ কটা গ'ল প্ৰভু। তুমি সাক্ষাৎ নাৰায়ণ, নৰৰূপী নাৰায়ণ; কত জন্মৰ পূণ্যৰ ফলত আজি তোমাৰ এই ৰূপত সাক্ষাৎ পালোঁ এই অধম মহাপাপীয়ে।

হীৰামণিৰ আবেগত মাতবোৰ থোকাথুকি হৈ পৰিছিল। মাধৱে আসনৰপৰা উঠি হীৰামণিক হাতত ধৰি দাঙি তুলিলে আৰু আকোৱালি লৈ ক'লে—

: তুমি পৰম বৈষ্ণৱ; আমাৰ পৰম বান্ধৱ, হীৰামণি! আবেগৰ আতিশয্যত হীৰামণিৰ চকুৰ পানী বাধা নমনা হৈ পৰিল। চেতালতে বহি লৈ ভগবানৰ সহস্ৰ নাম আওৰোৱাত লাগিল। গোবিন্দ আৰু মাধৱে পুলকিত হৈ হীৰামণিৰ ফালে চাই তধা লাগি ৰ'ল। গোবিন্দই হীৰামণিক কিবা এষাৰ কব খুজিছিল কিন্তু মাধৱৰ ইংগিত পাই নিৰস্ত হ'ল। মাধৱে গোবিন্দক বুজালে যে এয়া হ'ল অনুভৱৰ সময়; ভক্তিভাবৰ জন্ম বেদনা। এই বেদনাৰ ভাৰ ভকতে অকলেই বহন কৰিব লাগিব। কোনোবাই লাঘৱ কৰিবলৈ গলেই ভক্তিৰো লাঘৱ হব।

কাপোৰৰ আঁৰ দি চোতালতে সৰিয়হ তেলৰ চাকিৰ পোহৰত মাধৱে পুনৰ নামঘোষাৰ পাণ্ডুলিপি উলিয়াই ললে। গুৰুৰ অন্তিম ইচ্ছা—নামঘোষাখন সুন্দৰীত থাকোঁতেই শেষ কৰিব লাগিব। মাধৱে মুখে মুখে ভাগৱতৰ শ্লোকটো মাতি গ'ল—

: জ্ঞাননিষ্ঠো ৱিৰক্তো ৱা মদ্ভক্তো ৱানপেক্ষক :

মাধৱে বাৰে বাৰে আওৰাই কামৰূপী ছন্দোৱদ্ধ পদত কিদৰে ভাঙনি হলে শুৱলা হব চিন্তা কৰিলে। নতুনকৈ কটা কোমোৰাৰ খোলত সৰিয়হৰ মাজত কপাহৰ শলিতাতাল ৰত্ ৰত্ কৰে জ্বলি আছিল। ম'ৰাপাখিৰ কাপৰ ছাঁটো বলি কটা দাখনৰ দৰে পীৰাৰ

কাষেদি চোতালত পৰিছিল। হীৰামণি কৈৱৰ্তৰ চকুহালো লোলুপ দৃষ্টিৰে চোৱা এটা শ্বাপদৰ চকুৰ দৰে মিট মিট কৰে জ্বলি উঠিছিল—

: প্ৰভু, দাসে সাহস কৰোঁনে?

: সাহস? উহোঁ, এইয়া সহায়। কোৱাচোন কিদৰে লিখোঁ। গুৰুৰ অন্তিম আদেশ। সুন্দৰীতে ঘোষাখন শেষ কৰিব খুজিছিলোঁ।

: প্ৰভু, আগৰ ভোখৰ মই জানিব পাৰোঁনে?

: এৰা, নিশ্চয় নিশ্চয়।

মাধৱে আগৰ শাৰীটো সুৰ কৰি গাই দিয়াত হীৰামণিয়ে চকু দুটা মুদি সমাধিস্থ হোৱাৰ দৰে হঠাৎ নীৰৱ হৈ পৰিল। গোবিন্দ ওচৰতে বৈ আছিল। মাধৱ আৰু গোবিন্দই ইজনে সিজনৰ চকুলৈ চালে। হঠাৎ পৰিবেশৰ নিস্তব্ধতা ভংগ কৰি সুললিত কণ্ঠে হীৰামণিয়ে গাই গ'ল—

জ্ঞান নিষ্ঠজনে বিছা অবিছা জনিত দুয়ো
সুখে বিৰকতি ভৈল যেৱে।
বাসুদেৱময় মাত্ৰ দেখয় জগত ইটো
বিবিধ কিংকৰ গুচে তেৱে ॥

বাৰে বাৰে বহুবাৰ এই একেটা পদকে হীৰামণিয়ে কণ্ঠৰ মধুৰ সুধা ঢালি গালে। মুগ্ধ বিস্ময়েৰে মাধৱ গোবিন্দ দুয়ো স্তব্ধ হৈ ৰ'ল। তেওঁৰ সুৱদি কণ্ঠৰ স্পৰ্শত যেন প্ৰতিটো শব্দৰ মৰ্মাৰ্থ; ছন্দৰ মাধুৰিমাৰ পূৰ্ণতা লৈ জীৱন্ত হৈ উঠিল। স্বপ্নাবিষ্টৰ দৰে মাধৱৰ নীৰৱ মুখমণ্ডলৰ পিনে হীৰামণিয়ে কিবা এটা প্ৰত্যাশাৰে চাই আছিল। মাধৱ হঠাৎ সচেতন হৈ পৰিল আৰু প্ৰশান্ত ভাৱেৰে ক'লে—

: ভগৱন্তৰ পৰম ভক্তি তুমি, হীৰামণি তুমি প্ৰকৃত হীৰামণি, সাৰ্থক তোমাৰ নাম।

: অধমৰ দোষ নবঢ়াব প্ৰভু; আমি হলোঁ হীৰামণি মাছমৰীয়া, অজীণ পাতকী প্ৰভু! ভগৱন্তৰ ভকত হবলৈ অধমৰ আৰু কত হাজাৰ জন্মৰ পুণ্য লাগিব প্ৰভু!

ভৰিকেইটাত হীৰামণিৰ চেঁচা হাতৰ স্পৰ্শ লগাত মাধৱৰ সৰ্বশৰীৰ জিকাৰ খাই উঠিছিল। প্ৰতিভা যে ক'ত কিদৰে লুকাই থাকিব পাৰে আজি এই মুহূৰ্তে তেওঁৰ যি এক চমকপদ অভিজ্ঞতা হ'ল সেই কথাই তেওঁক সন্ধান দিলে সম্পূৰ্ণ নতুন এক দিশৰ। তাৰ দুদিন পিচত যেতিয়া তাঁতীকুছিৰ পিনে গৈ আছিল, লগত আছিল চিৰসহচৰ গোবিন্দ, শ্ৰীৰাম আতৈ, বলোৰাম, ৰামদাস আৰু ভকতৰাম আল-ধৰা। নানাজনে নানা প্ৰশ্ন কৰি গৈছিল ওৰে বাটটো। মাধৱ কিন্তু হৈ পৰিছিল সম্পূৰ্ণ অন্যমনস্ক। তেওঁৰ মনত পৰিছিল হীৰামণিৰ সেই আবেগমুহিত দৃশ্যটো। গুৰুজনাই ঠিকেই কৈছিল—দ্বাদশ স্কন্ধত, কলিত শূদ্ৰ আৰু কৈৱৰ্ত্তই অপ্ৰয়াসে ঈশ্বৰ মহাজ্ঞান লাভ কৰিব পাৰিব বুলি। অথচ এই সৰু সৰু মানুহবোৰে যুগে যুগে নীতিৰ প্ৰবক্তাসকলৰ চৰম অন্যায় সহ্য কৰিবলগীয়াত পৰিছে। যুগে যুগে নানা গঞ্জনা, অসহ্য পীড়নৰ পাত্ৰ হৈ আহিছে। আনকি যি ভগৱত পুৰাণক শ্ৰীমন্ত গুৰুৱে শাস্ত্ৰত উত্তম, পুৰাণ সূৰ্য্য ভাগৱত বুলি উল্লেখ কৰিছে তাতো শূদ্ৰ হ'ল দুষ্ট। আৰু ভীতি সঞ্চাৰ কৰা এক আশংকা প্ৰকাশ কৰা হৈছে যে কলিত এই দুষ্ট মানুহবোৰৰে প্ৰতিপত্তি বাঢ়িব।

কিন্তু যুগৰ বতাহ ওলোটা ভাবে বলিল। এক প্ৰচণ্ড ভাস্কৰক কেন্দ্ৰ কৰি এক প্ৰবল বা-মাৰলিৰ সৃষ্টি হ'ল; যাৰ প্ৰকোপত পুৰণি বতাহজাক বিস্ৰস্ত বিভ্ৰান্ত হৈ শৰতৰ মেঘ উৰঁলি পৰাদি পৰিল। আজি এক নতুন প্ৰবাহৰ সঞ্চাৰ হৈছে; সেই প্ৰবাহৰ গতিত প্ৰতিক্ৰিয়াশীল কোনো শক্তিয়ে তিষ্ঠিব নোৱাৰিব। মাধৱে পৰম স্বস্তিৰে নদীৰ দুয়োপাৰে দৃষ্টি দিলে। গৈ গৈ এঠাইত তেওঁৰ দৃষ্টি নিবদ্ধ হ'ল। জীৰ্ণ বস্ত্ৰ পৰিহিত, ভগ্নস্বাস্থ্য এজন মাছমৰীয়াই বুকুৰ কামিহাড় কেইডাল লেখিব পৰাকৈ পৰঙি জাল এখন তুলি আছিল। মাধৱে পুলকিত হৈ ভকতসকলক উদ্দেশ্য কৰি কলে—

: গুৰুজনাৰ আদৰ্শ সৌ মানুহজনলৈকে পৰশিব লাগিব। আৰু তেতিয়াহে আমাৰ প্ৰচাৰে সাৰ্বজনীনতা লাভ কৰা বুলি সন্তুষ্টি লভাৰ থল থাকিব।

: তাতে তেতিয়াহে আমাৰ প্ৰচাৰৰ পৰিসমাপ্তি ঘটিব। গোবিন্দই মাধৱৰ কথাষাৰ দোহাৰিবলৈ গৈ কথাষাৰ কলে যদিও মাধৱৰ মনঃপুত নহ'ল।

: ভুল কৰিলা হৰিভকত, কৰ্মৰ পৰিসমাপ্তি স্বয়ং ভগবানৰ ভাগ্যতো ঘটা নাই।

ন মে পাৰ্থাস্তি কৰ্ত্তব্যং ত্ৰিষু লোকেষু কিঞ্চন।
নানৱাপ্তমৱাপ্তৱ্যংবৰ্ত্ত এবচ কৰ্মনি॥

গীতাত ভগবানে কৈছে, হে পাৰ্থ, তিনিও লোকত কৰনীয় মোৰ একো নাই; অপ্ৰাপ্ত বা প্ৰাপ্তব্যও একো নাই; তথাপি কৰ্মত মই ব্যাপৃত হৈ আছোঁ। নহলে—মম বৰ্ত্মানুবৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্বশঃ। নহলে মানুহে যে মোৰ পথকেই অনুসৰণ কৰিব।

উদাত্তকণ্ঠত গীতাৰ আবৃত্তি শুনি কেউজনে বিমুগ্ধ দৃষ্টিৰে মাধৱৰ মুখলৈ চালে। তেওঁৰ কিন্তু নিজকে হঠাতে বৰ অসহায় যেন অনুভৱ হ'ল। সমাজৰ আটাইতকৈ অবহেলিতসকলক পৰশিবলৈ আৰু যে কিমান দুস্তৰ পথ অতিক্ৰম কৰিবলগীয়া হব, কিমান দুৰ্লংঘ্য বাধা যে পাৰ হবলগীয়া হব ভাবিলে তেওঁ সঁচাকে হতাশ হৈ পৰে। বাধাবোৰ অতিক্ৰম কৰিবলৈ যি নিষ্ঠাৰ প্ৰয়োজন হব, যি এক বলিষ্ঠ নেতৃত্ব আৰু নিৰ্ভৰযোগ্য অনুসৃতিৰ প্ৰয়োজন হব তাৰ দুৰ্ঘোৰ অভাৱ হব তেওঁৰ অবৰ্ত্তমানত। এইয়া অমূলক আশংকা নহয়; এইয়া এক অৱশ্যম্ভাৱী পৰিণতি। সমাজৰ জন্ম-জন্মান্তৰৰ কিছুমান বদ্ধমূল ধাৰণা, পুৰুষ পুৰুষ ধৰি অনুসৰণ কৰি অহা কিছুমান সংস্কাৰ, যুগ যুগ ধৰি শিপাই থকা কেতবোৰ পূৰ্বাৱদ্ধ ধাৰণাক মনৰপৰা অন্তৰ্হিত কৰাবলৈ এটা পুৰুষৰ প্ৰচেষ্টাই যথেষ্ট নহয়। গুৰুজনাৰ প্ৰভাৱ আৰু তেওঁৰ নিবিড় অনুধাবনে হয়তো তেওঁৰ জীৱদ্দশালৈকে

কেতবোৰ সংস্কাৰ দমাই ৰাখিব পাৰে সঁচা, কিন্তু পাচত আকৌ মূৰ দাঙি উঠিব।

জন্মৰ অধিকাৰকে সাৰ সত্য বুলি মানি লোৱা, নিজৰ কৃতকৰ্মৰ যোগেদি ক্ষমতা লাভৰ আক্ৰোশ, ধৰ্মচৰ্চাত সাম্প্ৰদায়িকতা— এনেবোৰ কথা এতিয়া তল পৰি আছে মাত্ৰ। সুযোগ পালেই সমাজত শিপাই পৰিব। তাৰ পাচত দেখা যাব শংকৰৰ বংশধৰৰ এটা গোট, মথুৰাদাসৰ এটা গোট, ৰামচৰণৰ এটা গোট। গুৰুজনাৰ সাধনালব্ধ সমস্ত ফল, তেওঁৰ জীৱনজোৰা সংগ্ৰামেৰে প্ৰতিষ্ঠিত আদৰ্শ এক মুহূৰ্ততে ধূলিস্মাৎ হৈ পৰিব। কথাবোৰ ভাবি ভাবি মাধৱ বিষণ্ণ হৈ পৰিল। আৰু পথাৰৰ আলি এটাত বহি ললে।

ভকতসকলে মাধৱৰ পিনে চাই থমকি ৰ'ল। আৰু ইমুখ সিমুখ কৰি নীৰৱে কেউজনেই পথাৰৰ ঘাঁহনিতে বহি পৰিল।

: প্ৰভু, শৰীৰৰ মংগল নিশ্চয় ?

: শৰীৰ শবহে। তাৰ আকৌ মংগল অমংগল কি আছে হৰিভকত। মাধৱক বিৰক্ত হোৱা যেন দেখি আটায়ে বজ্ৰাহত মানুহৰ দৰে নীৰৱ নিথৰ হৈ পৰিল। মাধৱে মনতে অপৰিসীম ক্লান্তি অনুভৱ কৰিলে। ভকতকেইজনৰ অৱস্থাৰ কথা উপলব্ধি কৰি তেওঁৰ বেয়া লাগিল আৰু মনত ভাল লগাবৰ কাৰণেই মনৰ ভাব মনতে চেপি থৈ কলে—

: তোমাসবৰ ভাগৰ লগা নাই নে বাৰু ? মোৰ হলে সঁচাকে বৰ ভাগৰ লাগিছে।

: ভাগৰ আমাৰো লাগিছে প্ৰভু। কিন্তু তোমাৰ ক্লান্তি দেখিয়ে বিস্ময় মানিছোঁ।

: কিয় হৰিভকত, মোৰো তেজ-মঙহৰ দেহাহে।

গোবিন্দ কিন্তু আশ্বস্ত নহ'ল। মনে মনে চিন্তিত হৈ পৰিল। শংকৰ মাধৱৰ দেহাত ক্লান্তি, শুনিলেই তবধ মানিবলগীয়া কথা। এবাৰ বোধকৰোঁ নাৰায়ণ আতাই গুৰুজনাৰ কৰ্ম দেখি বিচূৰ্তি

খাইছিল আৰু মাধৱক সুধিছিল। মাধৱে তেতিয়া গোপনে গুৰুজনাৰ গৃহলৈ নাৰায়ণ আতাক লৈ গৈছিল। গভীৰ ৰাত্ৰি। নাৰায়ণ আতাই নিজৰ চকুকে বিশ্বাস কৰা নাছিল। শীতৰ ঠেঁটুৱা লগা এইহেন মাজনিশা কোনোবাই যে ইমান কষ্টেৰে উঠি লিখিব পাৰে আৰু পুৱা ব্ৰাহ্মমুহূৰ্ততে উঠি প্ৰাতঃকৃত্য সমাপন কৰি নতুন উলাহেৰেই প্ৰতিটো মুহূৰ্ততে সমগ্ৰ দিন ব্যস্ত হৈ থাকিব পাৰে। নাৰায়ণ আতাই বিস্ময়ত হতবাক হৈ মাধৱক সুধিছিল—

ঃ সখি, ই মনুষ্যৰ কৰ্ম নহয়। ওপজি পুৱাৰপৰা এই মাজনিশালৈ কায়মনে অবিৰাম শ্ৰম কৰা দেৱ-অংশী পুৰুষৰহে কথা।

মাধৱেও অৱশ্যে গুৰুজনাৰ এনে ব্যস্ততা দেখি আচৰিত নহৈ নোৱাৰিছিল। আৰু কেতিয়াবা কোনোবাই ক্লান্তিৰ কাৰণে কৰ্তব্য কাম নকৰিলে প্ৰায়েই এই কাহিনীটো উল্লেখ কৰিছিল। কিন্তু গোবিন্দই ভালদৰেই জানে মাধৱো এইক্ষেত্ৰত গুৰুজনাৰ সমকক্ষ। সেইবাবেই গোবিন্দ আজি চিন্তিত হৈ পৰিল। সন্তৰ্পণে তেওঁ মাধৱৰ মুখলৈ চালে। সঁচাকেই মাধৱৰ কপালত, চকুত ক্লান্তিৰ ছাঁয়া নামি আহিছে। গোবিন্দই বিমূঢ়ৰ দৰে কাৰোফালে নোচোৱাকৈ বহি থাকিল। এনেতে সকলোকে চমকিত কৰি অজানিত কিবা এটা উল্লাসত মাধৱে কৈ উঠিল—

ঃ হৰিভকত, নদীৰ সৌ পাৰে বিলৰ ওচৰত চোৱাচোন। কোন গাৱঁৰ যে ইমান ধুনীয়া ধুনীয়া গৰু। গৰুৰ পাল দেখিলে মোৰ বৃন্দাবনলৈ মনত পৰে। তোমাৰ নিশ্চয় মনত আছে, শিশুলীলাৰ সেই পদ ফাঁকি।

গোপ শিশু সঙ্গে গৈলা বঝাই।
আগত গোধন বংশী বজাই ॥
চাৰন্তে ফুৰন্তে গৰু গোৰক্ষ।
পাইলা যমুনাৰ তীৰৰ লক্ষ ॥

মাধৱৰ মনৰ চকুত ভাঁহি উঠিল এখন কল্পলোক। ৰহস্যময় এখন জগত। যিখন জগতৰ সমস্ত সত্তা উজ্জীৱিত হৈ উঠিছিল বনমালী শ্ৰীকৃষ্ণক কেন্দ্ৰ কৰি। তেওঁ আৰু দেখিলে অলেখ ৰঙৰ সুৰভিয়ে চিঞৰি চিঞৰি সেই জগত মুখৰিত কৰি তুলিছে আৰু তাৰ মাজত আনন্দমনে হাতত বেণু লৈ মোহন মুৰলীধাৰী শ্ৰীকৃষ্ণই মনুষ্যৰূপ লৈ ক্ৰীড়া কৰিছে। বহুপৰ মাধৱ নীৰৱ হৈ থকা দেখি ভক্তবৃন্দই ইজনে সিজনৰ মুখৰ ফালে চুৱাচুই কৰিবলৈ ধৰিলে। তেতিয়া চকা পাতত বহোঁ বহোঁ হৈছিল। গৰখীয়াই গৰুবোৰ খেদি লৈ গাঁৱৰ ফালে ঘূৰাৰ আয়োজন কৰিছিল। দূৰত গাই আৰু দামুৰীৰ চিঞৰে এটা মোহময় পৰিবেশৰ সৃষ্টি কৰিছিল। হঠাৎ মাধৱে সাৰ পোৱাৰ দৰে ভালদৰে বহি ললে আৰু চকু দুটা মুছি আপোনমনে গাই গ'ল—

আলো ভাই, চলো আইস, যাই বৃন্দাবনে।
দেখোঁ গৈয়া আনন্দ নয়নে॥

সকল বিৰিন্দাবন ছানি। জয় জয় ৰামকৃষ্ণ ধ্বনি॥
সুৰভি তেজয় হাম্বাবাৱে। বিনোদ মিলিছে ঠাৱে ঠাৱে॥
ৰঙ্গে বায় শিঙা শঙ্খ বেণু। নাচে হাসে গাৱে চাৰে ধেনু॥
যি ৰস মিলিছে বৃন্দাবনে। এ সুখ নাহিকে ত্ৰিভুবনে॥
ৰামকৃষ্ণ নোহন্ত মানুষ। তাৰা দুই পৰম পুৰুষ॥
ব্ৰজেৰ প্ৰজাৰ ভাগ্য বৰে। কহয় মাধৱ ওহি দৰে॥

গীত শেষ হৈ যোৱাৰ পাচতো ভকত কেইজনে বিমুগ্ধ নয়নে চাই থাকিল। মাধৱে খুব জটিল সমস্যা এটাৰ সমাধান বিচাৰি পোৱাৰ দৰে মনটোত সকাহ অনুভৱ কৰিলে। তেওঁ বহাৰপৰা উঠিল আৰু হাঁহো হাঁহো মুখেৰে ভকতসকলক যাবলৈ কলে। ভকতসকলৰ বিস্ময়-বিমূঢ়তা তেতিয়াও কাটি যোৱা নাছিল আৰু সেইবাবেই তাঁতীকুছিলৈ বাকীখিনি পথ কোনেও একো নোকোৱাকৈ গৈ থাকিল। তাঁতীকুছি পায়েই কেউজনৰে মন মুকলি লগা হৈ পৰিল।

ৰামলাকৰা বুঢ়াৰপৰা নতুনকৈ লোৱা মাটিখিনিত থকা বিয়াগোম গছবোৰ ইতিমধ্যে কাটি শেষ কৰা হৈছে আৰু তাৰ দক্ষিণ সীমাক আশ্ৰয় কৰি ৰঙিয়াল ঘৰৰ মূধচৰ ভেটিটো তোলা হৈছে। মাধৱ গৈ পোৱাৰ লগে লগে মথুৰাদাস, ৰামচৰণক প্ৰমুখ্য কৰি জনদিয়েক ভকত আগবাঢ়ি আহিল। মথুৰাদাসক মন মাৰি থকা দেখি উপস্থিত সকলে বুজিব নোৱৰাকৈ কলে—

ঃ মথুৰাদাসৰ মথুৰা শান্তিময় হব, ভকতসকল। মথুৰাদাস, তোমাৰ চিন্তাৰ কোনো কাৰণ নাই ; আমি ব্যৱস্থা কৰি দিম।

গোপাল আতা আশ্বস্ত হ'ল যদিও মনে মনে মাধৱক নিৰলে পোৱাৰ সুযোগ বিচাৰি অস্থিৰ হ'ল। মাধৱে অৱশেষত নিজেই ভকতসকলক নিজ নিজ কামত লাগিবলৈ কলে। আৰু মাধৱে নিজেও গোবিন্দ আৰু গোপালৰ লগত কামবোৰ চাই যাবলৈ ধৰিলে। তাতে এঠাইত নিৰিবিলি খন্তেক পাই মাধৱে উপায়টো বুজাই দিলে গোপালক। গোপালে উপায়টোৰ কাৰ্য্যকাৰিতা সম্বন্ধে সন্দেহমুক্ত হ'ব পৰা নাছিল আৰু বাঞ্ছা কৰামতে উপায়টো নোপোৱাত গোপালৰ চকু-মুখত কোনো প্ৰতিক্ৰিয়া দেখা নগ'ল। গোবিন্দই কথাটো বুজিলে। মাধৱেও নিশ্চয় বুজিছিল: কিন্তু একেবাৰে নিৰ্বিকাৰ ভাব এটা দেখুৱাই আগবাঢ়ি গৈ থাকিল।

ঃ ৰাম, তুমি দেখোন গছৰ মুঢ়াটোৰ দৰে ৰ'লা। কিবা এষাৰ কোৱা। গোপালে কবলৈ খুজিও কথা বিচাৰি নোপোৱা যেন কৰিলে। গোবিন্দই হাঁহি হাঁহি কলে—

ঃ ৰাম, প্ৰভু অন্তৰ্য্যামী ; ভকতৰ মন বুজিহে উপায় দিছে। সেইমতে কাম কৰা। ফল আশা কৰিবতো নাপায়, তুমি নকৰিবা।

মাধৱে কথাষাৰত থকা বিদ্ৰুপখিনি উপলব্ধি কৰি সন্মতি-অসন্মতি দুয়োটাকে বুজাব পৰাকৈ পাতলকৈ এটা হাঁহি মাৰি দুয়োলৈকে ঘূৰি চালে। গোবিন্দই কিন্তু কথাটোৰ সিমানতে অন্ত পেলাবলৈ ৰাজি নহ'ল। তেওঁ গোপালক বুজালে—

ঃ ৰাম, তুমিতো তাঁতী মানুহ; তুমি ভালদৰে জানা সূতাত আউল লাগিলে আউল ভাঙিবলৈ য'ত লাগে তাতে জনালোকে নাচায়। তেওঁ চাব একেবাৰে গুৰিৰপৰা। আউল য'ত দেখা গ'ল, তাতে ভাঙিবলৈ জোৰ দিলে সূতা ছিঙি যাব অথচ আউলো নাভাঙিব। এইটোও তেনে কথা।

লাহে লাহে গোপালৰ মনৰ খোকোজা আঁতৰ হ'ল। উপায়টোৰ গুৰুত্ব তেওঁৰ মনত পৰিষ্কাৰ হৈ পৰিল। তেওঁ মাধৱৰ ভৰিত ধৰি প্ৰণাম জনালে আৰু নিজৰ নিৰ্বুদ্ধিতাৰ বাবে ক্ষমা কৰিবলৈ কলে। মাধৱে একো নকৈ মাথোন পৰামৰ্শমতে কাম কৰিবলৈ কলে। এইবাৰ তিনিও নীৰৱে ভকতসকলৰ কামবোৰ চাই গৈ থাকিল। এঠাইত দেখিলে ৰবিবিষ্ণু আতৈৰ মধ্যম পুত্ৰ যদুমণিয়ে প্ৰকাণ্ড চতি এটা অকলে দাঙি লৈ খুটাৰ মূৰত খুৱাব ধৰিছে। মাধৱে যদুমণিৰ প্ৰকট পেশীবোৰলৈ চাই হাঁহি হাঁহি ৰৈ থাকিল। আৰু চতিটো খুৱাই উঠাৰ পাচত যদুমণিক কাষলৈ মতি আনি কলে—

ঃ তোমাৰ না মিটো কি আছিল বাপু?

ঃ যদুমণি প্ৰভু।

ঃ দক্ষিণকুলৰ ৰবিবিষ্ণু আতৈৰ ল'ৰা নহয় জানো?

ঃ হৈছে।

ঃ তোমাৰ নাম কেৱল যদুমণি নহয়, আজিৰ পৰা ভীম যদুমণি হ'ল।

যদুমণিয়ে লাজ লাজ কৰি অধোমুখে থিয় দি ৰ'ল। গোবিন্দ আৰু গোপালে মাধৱৰ কথাত হয়ভৰ দিলে। মাধৱে যদুমণিৰ পাহুৱাল অবয়বটোলৈ স্নেহেৰে চালে আৰু কিছুদিনৰ কথা এটা মনত পৰাত মনে মনে আমোদ অনুভৱ কৰিলে। সিদিনা আছিল আগবেলা। পূবৰ পিনে থকা জাৰণিখনৰ ছাঁই মুকলি ঠাইখিনিত কাম কৰাৰ কাৰণে সুচল কৰি দিছিল। ভকতসকলে আনন্দ মনেৰে কাম কৰি আছিল। সন্মুখৰ পিনে ৰঙিয়াল ঘৰটো নিৰ্মাণৰ যোজা চালছিল। মাধৱেই

উপদেশ দিছিল যে নাম-কীৰ্তনৰ লগত নাট-ভাওনাৰ সম্বন্ধ নথকাই মংগল। ভক্তি সাধনাত যি নিবিড়তাৰ প্ৰয়োজন সেই নিবিড়তাক নাট-ভাওনাই পাতল কৰি পেলোৱাৰ আশংকা থাকে। বঙিয়াল ঘৰৰ ভেটিটোৰ সীমাটো কাটি আছিল ঠিক সেই সময়তে পাহুৱাল ডেকা যদুমণিয়ে। কীৰ্তনঘৰৰপৰা পৃথকে বঙিয়াল ঘৰটো সাজিবলৈ লোৱা দেখি যদুমণিয়ে সুধিছিল—

: কীৰ্তনঘৰত তেন্তে পদ-ঘোষা গায় কিয়? মাতি গলেইতো হয়।

তাৰ উত্তৰ দিবলৈ গৈ মাধৱে সভাৰ সমবেতসকলৰ আগত ব্ৰাহ্মণৰ সরু কাহিনী এটা কৈছিল। কাহিনীটো আছিল 'বাক'ৰ। 'বাক'ৰ প্ৰথম অধিকাৰী আছিল মানুহ। আৰু সেয়ে মানুহে যি কৈছিল, ব্ৰহ্মবাক্যৰ দৰে সেয়ে ফলিয়াইছিল। এদিন সেই 'বাক'ৰ অধিকাৰ লৈয়ে দেৱতা আৰু গন্ধৰ্বৰ মাজত বিবাদৰ সূত্ৰপাত হ'ল। শেহত মীমাংসা হ'ল যে, দেৱতা গন্ধৰ্বৰ ক্ৰিয়া দেখি যাকে বাকে ভাল পায় তাকে বাকে বৰণ কৰিব। দেৱতাই গালে গীত। বাক গীত শুনি মুগ্ধ হ'ল আৰু দেৱতাকে বৰণ কৰিলে। সেইদিনধৰি বাকশক্তিৰ আটাইতকৈ মনোমুগ্ধকাৰী ৰূপ হ'ল গীত। কীৰ্তনৰ বাহক বাক-শক্তি। আৰু সেইবাবে কীৰ্তনত সংযোজিত হ'ল সুৰ। বাকৰ মনোমুগ্ধকাৰী ৰূপ।

যদুমণিৰ নতুন নামটো গোপালে প্ৰচাৰ কৰি দিয়াৰ লগে লগে সমাজ উৰুলিকৃত হৈ পৰিল। আৰু আটায়ে যদুমণিৰ অবয়বৰ সতে তেওঁলোকৰ কল্পনাৰ দ্বিতীয় পাণ্ডৱ ভীমৰ অঙ্গ-প্ৰত্যঙ্গৰ গোট গোট সাদৃশ্য আছে, মনে মনে পৰখ কৰি চালে।

গোপাল মাধৱৰ ওচৰতে বঙিয়াল ঘৰৰ পিৰালিত বহি বাকী থকা ভকতসকলো আহি পোৱালৈ অপেক্ষা কৰি আছিল। গোপালে এনেই পাচফালে বঙিয়াল ঘৰটোলৈ চালে। মনে মনে অনুভৱ কৰাৰ চেষ্টা কৰিলে এই বঙিয়াল ঘৰটোৰপৰা ভৱিষ্যতে কি উপকাৰ বা

অন্যায় হোৱাৰ সম্ভাৱনা আছে। প্ৰথম অৱস্থাত তেওঁ এদিন মাধৱকেই প্ৰশ্ন কৰিছিল। মাধৱে নিমিনৱসিদ্ধৰ সিদ্ধান্তলৈ আঙুলিয়াই কৈছিল যে সাধাৰণ লোকৰ বাবে এই ব্যৱস্থাৰ প্ৰয়োজন আছে। মথুৰাদাসৰ মনে হলে এতিয়াও তাক মানি লব নোখোজে। তেওঁ সন্মুখৰ ফুল চতিবোৰত ম'ৰাচৰাই সাজি হেঙুল-হাইতাল লগাবলৈ যোজা কৰা দেখি কৃষ্ণ খনিকৰক নিৰস্ত কৰোতে বৰবিষ্ণু আতৈৰ লগতো অকণ কথা কটাকটি হৈছিল। সমূহ ভকতৰ আগ্ৰহক নেওচা দিয়াৰ ভয়তে তেওঁ নীৰৱে ৰঙিয়াল ঘৰটোৰ প্ৰয়োজন মানি লৈছিল। নতুনকৈ হেঙুল-হাইতাল লগোৱাৰ পিচত অপৰূপ হৈ পৰা সন্মুখৰ ফুল চতিকেইটা চাই তেওঁ মনক প্ৰবোধ দিয়াৰ চেষ্টা কৰিছিল। হঠাৎ মাধৱৰ মাত শুনি তেওঁ সন্মুখৰ পিনে ঘূৰি চালে। কৰচৰ তেল আৰু সৰিয়হ তেলৰ চাকিৰ পোহৰত আৰু ওচৰতে ধৰা বলোৰাম আতৈৰ জুইৰ পোহৰত তেওঁ দেখিলে ভকতসকলে মাধৱৰ পিনে অপেক্ষমান দৃষ্টিৰে চাই আছে। এইবাৰ দক্ষিণকুলৰ বিষ্ণু আতৈয়ে নীৰৱতা ভঙ্গ কৰি কলে—

ঃ প্ৰভুৱে অনুমতি দিলে দাসে সাহস কৰিব পাৰোঁ।

মাধৱৰ অনুমতি লাভ কৰি বৰবিষ্ণু আতৈয়ে সমবেত সকলৰ জ্ঞাতাৰ্থে কৈ গ'ল যে যুৱৰাজ ধীৰনাৰায়ণ অহাৰ কথা আছে। তেওঁ বাউসীৰ মাজেদিয়ে হাজো পৰগণালৈ যাব। তাঁতীকুছিৰ কীৰ্তনঘৰ চোৱাৰ ইচ্ছা তেওঁৰ। কিন্তু কীৰ্তনঘৰৰ ৰাইজৰ ফালৰপৰা তেওঁক আমন্ত্ৰণ জনালে ভাল হয়। সমাবোহত কথাষাৰ শুনাৰ লগে লগে ক্ষন্তেকপৰ এক অবিচ্ছিন্ন মৌনতাই বিৰাজ কৰিলে। বহুতৰে মনত সন্দেহৰ উদ্ৰেক হৈছিল। কিছুমানৰ মনত আকৌ অবিশ্লেষণীয় ভয়। আৰু পুৰণিচামৰ জনদিয়েকৰ মনত তীব্ৰ অৱজ্ঞা। মাধৱে চাকিৰ ধিমিক-ধামাক পোহৰৰ আলোছাঁয়াত ভকতসকলৰ মুখৰ ভাববোৰ নিৰীক্ষণ কৰাৰ নিষ্ফল প্ৰয়াস কৰিলে। আৰু ওচৰতে বহি থকা গোপাল আৰু গোবিন্দক ফুচফুচাই কলে যে জুৰাৰী ভকতকেইজনক

বাছি উলিওৱাৰ এইয়ে মাহেন্দ্ৰ ক্ষণ। গোবিন্দই ৰগৰ কৰাৰ উদ্দেশ্যে নীৰৱতা ভঙ্গ কৰি হাঁহি হাঁহি কলে—

: বাপুসকল, যুৱৰাজ এতিয়াই নাহে। আমি গৈ আমন্ত্ৰণ জনাম। তাৰপিচত আমন্ত্ৰণ গ্ৰহণ কৰক, বাৰ-ক্ষণ ঠিক কৰক আৰু ইমানদূৰ বাট আহক। তেতিয়াহে যুৱৰাজৰ দৰ্শনলাভ হ'ব। নাই বুলিও আৰু দহোটা দিন। ইতিমধ্যে কাৰোবাৰ কিবা দায়-দোষ থাকিলে স্খলন কৰি লওক।

গোবিন্দৰ কথাষাৰ শেষ হোৱাৰ লগে লগে সমাৰোহৰ অধিকাংশৰ মাজত দীৰ্ঘশ্বাস শুনা গ'ল। যেন তেওঁলোকে এইমাত্ৰ এটা বিৰাট দুশ্চিন্তাৰপৰা হাত সাৰিলে। স্বস্তি লাভ কৰিলে। মাধৱৰ অনুমতি লৈ এইবাৰ গোপালে কলে কীৰ্তনঘৰৰ কি কি অসম্পূৰ্ণতা সম্পূৰ্ণ কৰিব-লগীয়া আছে আৰু সমবেত আটাইকে অনুৰোধ কৰিলে যাতে যুৱৰাজ অহাৰ আঁগতেই সেই কামবোৰ সমাধা হয়। গোপালৰ কথাষাৰ শুনি ৰভিয়াল ঘৰৰ পিৰালীৰ এচুকত আচুতীয়া আসনত বহি ইমানপৰে নীৰৱে আলেখ-লেখ চাই থকা হৰিচৰণ ঠাকুৰে মাত লগালে—

: কিন্তু তাৰ বাবে আমাৰ দুশ্চিন্তাৰ কাৰণ ?

: দুশ্চিন্তাতো কৰা নাই ঠাকুৰ। আমি চিন্তাহে কৰিছোঁ।

গোপালে গোবিন্দৰ এনেবোৰ উপলুঙা কথা সহ্য কৰিবলৈ টান পালে। অলপ বিৰক্তিৰে কলে—

: চিন্তাত আউল লাগিলেই দুশ্চিন্তা হয়, হৰিভকত।

গোপালে জানিছিল, কেৱল গোপালেই নহয় আগৰচাম ভকতৰ প্ৰায় সকলোৱেই জানে ৰজা বা ৰাজপুৰুষৰ নাম শুনিলেই হৰিচৰণ ঠাকুৰ কিয় বিৰক্ত হয়। গুৰুজনা চলাৰ দিন ধৰি দামোদৰ আৰু মাধৱে গুৰুপুত্ৰ হৰিচৰণক চাউল, গুড় আদিৰে সহায় কৰি আহিছে। কিন্তু যিদিনা দামোদৰে প্ৰকাশ্যভাৱে কলে যে শংকৰে তেওঁক প্ৰতিষ্ঠিত কৰা নাছিল, তেওঁ নিজ শক্তিৰে প্ৰতিষ্ঠিত, সেইদিন ধৰি হৰিচৰণে দামোদৰদেৱৰ সাহায্য লোৱা বন্ধ কৰিলে। সেইদিনাই

দামোদৰদেৱৰ সত্ৰলৈ অনেক ৰাজবিষয়া আহিছিল আৰু সত্ৰত ভগবানৰ নাম-কীৰ্তনতকৈ ৰজাৰ গুণানুকীৰ্তনত ভকতসকল মুখৰ হৈ পৰিছিল। আৰু তাৰ পিচত যেতিয়া সিন্ধুমতী গোঁসানীক ৰজাই সুবানন্দ চৰ্দাৰৰ হতুৱাই ধৰাই নিছিল তেতিয়াৰেপৰা শংকৰৰ বংশধৰ কোনেও ৰজা বা ৰাজপুৰুষৰ কথা শুনিলেই বিতৃষ্ণাত অস্থিৰ হৈ উঠে। গোপালে বিনয়েৰে কলে—

: ঠাকুৰক আমি আশ্বাস দিব পাৰোঁ সৰু গুৰুৰ সত্ৰত যিটো ঘটিছিল সেইয়া আমাৰ ইয়াত ঘটিবলৈ দিয়া নহ'ব। আমি চাম যাতে কীৰ্তনঘৰৰ পবিত্ৰতা নষ্ট নহয়।

: সৰু গুৰুৰ তাতো পবিত্ৰতা নষ্ট হোৱা নাছিল।

: তাত হোৱা বুলি আমিও কোৱা নাই। কিন্তু সৰু গুৰুৱে নিজেই ৰাজবিষয়া আহি সত্ৰত হুলস্থুল লগোৱাটো ভালপোৱা নাছিল।

: কিন্তু কোনোবাই ক'ৰবাত কিবা এটা ভালপোৱা নাছিল বাবেই যে আমি ইয়াতো তাকে ভাবি চিন্তিত হৈ পৰিব লাগিব তাৰ কিবা অৰ্থ আছে জানো? গোবিন্দৰ মুখেদি এনাৰ ভীষণ কথা ওলাই আহিছিল। কিন্তু বৰ কষ্টেৰে তেওঁ নিজকে সম্বৰণ কৰিলে। সৰু গুৰুক ক'ৰবাৰ কোনোবা বুলি হৰিচৰণ ঠাকুৰে অৱজ্ঞা প্ৰদৰ্শন কৰাটো গোবিন্দই অকণো ভাল নেপালে। যি দামোদৰদেৱৰ ওচৰত গুৰুজনাই নিজে নিজৰ পত্নী, আই মাতৃ আৰু ভ্ৰাতৃক সমৰ্পণ কৰি গৈছে তেওঁক আনে কলেও হৰিচৰণ ঠাকুৰে অন্ততঃ তেনেকৈ ক'ব নালাগিছিল। সম্প্ৰতি হয়তো দামোদৰদেৱৰ পন্থতো কিছু ব্যতিক্ৰম সোমাই পৰিছে। কিন্তু এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে, দামোদৰদেৱ এসময়ত গুৰুজনাৰ বিশ্বস্ত অনুচৰ আছিল। আৰু সেই গুণেই সাধাৰণ লোকে তেওঁক সৰু গুৰু বুলি উল্লেখ কৰিছিল। দামোদৰদেৱৰ পন্থ আৰু গুৰুজনাৰ পন্থৰ মাজত মূলতঃ একো ভেদ নাই। মাধৱেও হৰিচৰণৰ কথাবোৰ শুনি ভাল পোৱা নাছিল।

দামোদৰৰ লগত মাধৱৰ মতান্তৰ ঘটিছিল সঁচা, কিন্তু সেইবুলি দামোদৰদেৱ অৱজ্ঞাৰ পাত্ৰ নহয়। গুৰুৰ সামবৎসৰিক শ্ৰাদ্ধৰ দিনা দামোদৰক অনাৰ কাৰণে বহুবাৰ বহুতো কাকুতি-মিনতি কৰিবলগীয়া হৈছিল। আৰু সেইদিনা মাধৱৰ লগত হোৱা তৰ্কবাদৰ অন্তত দামোদৰে কৈছিল যে তেওঁ শংকৰৰ কোনো সৃষ্টিকেই মানি নলয়। মাধৱ সেইদিনাও আজিৰ দৰেই বিমূঢ় হৈ পৰিছিল। হতবাক হৈ চাইছিল দামোদৰৰ মুখলৈ। লাহে লাহে মুখখনত ফুটি উঠিছিল এক প্ৰচণ্ড ভাবনাৰ ছাঁ। যোৱাৰ সময়ত দামোদৰে কালৈকো চোৱা নাছিল। কিবা এক অবিশ্লেষণীয় বিষণ্ণতাত আৰু এক অপৰিসীম সংকোচৰ কাৰণে কাৰো পিনে চাব পৰা নাছিল। মাধৱৰ কাৰণে এই ঘটনা আজিও এক দুৰ্বোধ্য ৰহস্যেৰে আবৃত হৈ আছে।

মাধৱে হৰিচৰণ ঠাকুৰৰ কথাবাৰ আওকাণ কৰি এটা সিদ্ধান্ত দিয়াৰ দৰে কলে—

: দেশৰ ৰজা আহিব যেতিয়া, আৰু তেওঁৰ দৰ্শনৰ আগ্ৰহ আছে যেতিয়া যথোচিত ব্যৱস্থাই কৰা হওক।

কথাবাৰ শুনাৰ লগে লগে উদ্বিগ্ন হৈ ইমানপৰে বৈ থকা আটায়ে স্বস্তিৰ নিশ্বাস পেলালে। মাধৱে পৰিবেশটো পাতল কৰি দিয়াৰ উদ্দেশ্যে হাঁহি হাঁহি যদুমণিক উদ্দেশ্য কৰি কলে—

: তেন্তে ভীম যদুমণি, এইবাৰ তোমাৰ পাল।

সমগ্ৰ সভাত হাঁহি আৰু দীৰ্ঘশ্বাসৰ মিহলি শব্দ হ'ল। যদুমণিৰ পিতৃ বিষ্ণু আতৈয়ে ক'লে—

: নহৈছে প্ৰভু। মধ্যম পুত্ৰ অৱশ্যে হয়। কিন্তু ভীম আছিল ক্ষত্ৰিয় আৰু ই বামুণ। প্ৰভুৱে দিয়া নামটোৱেই সাৰ হ'ব। ক'ত ইমান শক্তি পাবগৈ।

: পাব বাপ। আৰু বামুণেই যেতিয়া পাব একেবাৰে তুঙ্গীত ৰ'বগৈ।

গোবিন্দৰ কথাটো শুনি মাধৱে আলোচনাৰ গতি বাঞ্ছনীয় দিশত লৈ অহাৰ উদ্দেশ্যে এটা কাহিনী আৰম্ভ কৰিলে।

:•মধ্যম পুত্ৰ পিছে সদায় এলাগি হয়। ভীমকো কুন্তী দেৱীয়ে সিমান পছন্দ কৰা নাছিল। আনকি ৰাক্ষসৰ মুখলৈ আগবঢ়াই দিবলৈ হলে তাকেই আগবঢ়াই দিছিল। মধ্যম পুত্ৰক পিতৃ-মাতৃয়ে অনাদৰ কৰা সম্বন্ধে ঐতৰেয় ব্ৰাহ্মণত এটা ধুনীয়া সাধু আছে।

আটায়ে উৎকৰ্ণ হৈ মাধৱৰ মুখৰ পিনে তধা লাগি চাই ৰ'ল। মাধৱে কলে বৈদিক যুগৰ অযীগৰ্ত্ত ব্ৰাহ্মণৰ কাহিনী। অযীগৰ্ত্ত আছিল সুয়বসৰ পুত্ৰ। তিনিটি পুত্ৰ সন্তানৰ পিতৃ। অত্যন্ত দৰিদ্ৰ। দিন ভিক্ষা প্ৰাণ ৰক্ষাৰ সংসাৰ। পুত্ৰ তিনিটিৰ নাম আছিল সদৃশাৰ্থক, কুকুৰৰ নেজ। শুনঃপুচ্ছ, শুনঃশেপ আৰু শুনঃলাংগুল। ভাৰতত তেতিয়া ৰজা আছিল হৰিশ্চন্দ্ৰ। দীৰ্ঘদিন ধৰি অপুত্ৰক। শেহত বৰুণ দেৱতাৰ লগত চুক্তি হ'ল যে, তেওঁক পুত্ৰদান দিয়া হব আৰু সেই পুত্ৰক তেওঁ বৰুণলৈ উছৰ্গা কৰি যজ্ঞ পাতিব লাগিব। বৰুণৰ বৰত ৰজাৰ পুত্ৰ হ'ল। তাৰ নাম থলে ৰোহিত। বৰুণে যেতিয়া চুক্তিৰ কথা মনত পেলাই দিলেহি ৰজাই মিছা অজুহাত দেখুৱাই দিন লবলৈ ধৰিলে। ৰোহিত ডাঙৰ হ'ল। আৰু বনলৈ গ'ল। প্ৰতিশ্ৰুতি নৰখাৰ কাৰণে ৰজাই বৰুণৰ শাপত উদৰি ৰোগত ভুগিলে। ৰোহিত নিৰুপায় হৈ দৰিদ্ৰ অযীগৰ্ত্তৰ কাষ চাপিল। যজ্ঞ কৰি পিতৃক শাপমুক্ত কৰাৰ উদ্দেশ্যে। ৰোহিতৰ সলনি তেওঁৰ পুত্ৰ এটাকে যজ্ঞত বলি দিয়াৰ কাৰণে খুজিলে।

এফালে দৰিদ্ৰ ব্ৰাহ্মণ আৰু আনফালে দেশৰ ৰজা। এফালে দৰিদ্ৰ ব্ৰাহ্মণপুত্ৰ আৰু আনফালে ৰাজপুত্ৰৰ জীৱন। সেই সাৰ্বজনীন সনাতন সত্যৰেই জয় হ'ল। ব্ৰাহ্মণে এশজনী গাইৰ বিনিময়ত যজ্ঞৰ কাৰণে পুত্ৰক বলিদান দিবলৈ মান্তি হ'ল। ব্ৰাহ্মণৰ সেই পুত্ৰও আছিল মধ্যমপুত্ৰ শুনঃশেপ।

সাধুটো শেষ হোৱাৰ লগে লগে আটায়ে বিষ্ণু আতৈৰ ফালে চাই হাঁহিলে। আতৈয়ে যদুমণিৰ পিনে চাই কলে—

: মোৰ অন্নগ্নে মধ্যম আৰু উত্তম পুত্ৰ বুলি কোনো এটা কথা নাই। মোৰ মানত আটায়ে সমান।

গোবিন্দই আতৈক আশ্বাস দি কলে—

: বাপ, সেইয়া বৈদিক যুগৰ কাহিনীহে। আজিৰ যুগত তাৰ সতে মিল নাই। মাধৱে দেখিলে, পৰিবেশ বাঞ্ছনীয় দিশলৈ ঘূৰি আহিছে। গোপাল আতালৈ চাই কলে—

: মথুৰাদাস, এইবাৰ আচল কথালৈ আহোঁ।

মথুৰাদাসে কলে যে মোৰ সমস্যা হ'ল বাঁহৰ। বাউসী পৰগণা দ ঠাই। বছৰৰ সাতমাহ পানীৰ তলতে থাকে। গাওঁবোৰত বাঁহগছ নায়েই। অথচ দুই এদিনতে বাঁহৰ ব্যৱস্থা নকৰিলে ৰভিয়াল ঘৰৰ কাম বহুদিন পিচুৱাই যাব। মাধৱে সমবেত আটাইৰে মুখলৈ চালে। তাৰ পিছত মুখবোৰ নিৰিখি নিৰিখি সেইকালৰ প্ৰসিদ্ধ বাঢ়ৈ বিভীষণ আতৈৰ মুখত মাধৱৰ দৃষ্টি থমকি ৰ'ল। আতৈয়ে কলে—

: বজালী পৰগণা বহুত দূৰ। তাৰপৰা অনাখিনি কীৰ্তনঘৰত লগোৱা হব। এইবাৰ ওচৰৰে কলবৰীয়াকুছিৰ পৰাই অনা হওক।

ৰামলাকৰা বুঢ়াই নাওঁ যোগাৰ কৰিবলৈ গাত ললে। বাঁহৰ সমস্যা সমাধান হোৱাৰ পাছত মাধৱে কৃষ্ণ খনিকৰৰ পিনে সপ্ৰশ্ন দৃষ্টিৰে চালে। তেওঁৰ হেঙুল হাইতালৰ কাম প্ৰায় শেষেই হৈছিল। আৰু সাধাৰণ যি দুই এটা কৰিবলগীয়া আছে তাৰ কাৰণে হেঙুল-হাইতাল যথেষ্ট মজুত আছে বুলি জানিবলৈ দিলে। মাধৱ আৰু গোবিন্দই যিটো কথা উলিয়াবৰ কাৰণে আজি তিনিদিন ধৰি পাঙি আছিল তাৰবাবে এইয়ে মোক্ষম সুযোগ বুলি মাধৱে ভাবিলে। আলোচনাৰ অন্ত হোৱা বুলি ভাবি বৰবিষ্ণু আতৈ আৰু যদুমণিয়ে প্ৰসাদ বিলাবৰ কাৰণে সাজু হ'ল। থিক সেই সময়তে গোবিন্দই কথাষাৰ উলিয়ালে।

: বঙিয়াল ঘৰটো লোৱাৰ দিনা কিবা নাম-কীৰ্তনৰ ব্যৱস্থা কৰা হৈছে নেকি ?

গোবিন্দৰ কথাষাৰৰ উত্তৰ গোপাল আতাই দিব খুজিছিল। কিন্তু তেওঁৰ কথাৰ ওপৰতে যদুমণি, কৃষ্ণধনিকৰ প্ৰমুখ্যে বহুতেই একমুখে কৈ উঠিল যে নাম-কীৰ্তনৰ বাবে কীৰ্তনঘৰটো আছেই। বঙিয়াল ঘৰত বৰসবাহ পতা হওক। নটুৱানাচৰ ব্যৱস্থা কৰা হওক। মাধৱে কথাষাৰ শুনি নিশ্চিন্তভাবে জানি লোৱাৰ উদ্দেশ্যে গোবিন্দক পুনৰ সুধিবলৈ কলে যে বৰসবাহ আৰু নটুৱানাচ নহলেই নহব জানো ? বাইজে আকৌ এবাৰ দোহাৰি কোৱাত মাধৱে অন্যান্য প্ৰসঙ্গ উলিয়ালে। আলোচনা শেষ কৰি যেতিয়া আহিবলৈ ওলাল তেতিয়া ৰাতি যথেষ্ট পলম হৈছিল। তাতে কৃষ্ণপক্ষ। বাহিৰত খিটমিটকৰে আন্ধাৰ। ভকতৰামে ইকৰাৰ জোৰ এটা হাতত ললে। মাধৱে হকাবধা নকৰিলে যদিও জানে যে জোৰটোৰ পোহৰে চকুত চলিহাহে লগাব। তেওঁ বাটেৰে গৈ থাকোঁতে ভকত-সকলক আগে আগে যাবলৈ কলে। তেওঁ শেষত লাহে লাহে জাকি মাৰি জ্বলি উঠা জোনাকী পৰুৱাৰ মাজে মাজে গৈ থাকিল।

বাটত মাধৱ চিন্তিত হৈ পৰিল ভকতসকলৰ নটুৱানাচ চোৱাৰ আগ্ৰহ দেখি। একমাত্ৰ গোপাল আৰু গোৱৰ্ধন আতৈত বাদে আটায়ে উৎফুল্ল হৈ উঠিছিল প্ৰস্তাৱষাৰ শুনাৰ লগে লগে। নাৰায়ণ দাস আতাতো একেবাৰে উল্লসিত হৈ পৰিছিল। গুৰুজনাৰ তিৰোভাৱৰ কেইটামান বছৰৰ ভিতৰতে গুৰুজনাৰ অন্তিম আদেশ উলংঘা কৰি বৰঘৰ সাজিলে। এতিয়া বৰমেলো পাতিব আৰু নটুৱা নাচো নচাব। গুৰুজনাই সদায় কৈছিল ধৰ্ম-চৰ্চা আড়ম্বৰপূৰ্ণ কৰিবলৈ গলেই ধৰ্ম শেষ ; মাত্ৰ আড়ম্বৰটোতহে মানুহে গুৰুত্ব দিয়া হয়গৈ আৰু তেতিয়া গৰীব দৰিদ্ৰ জনসাধাৰণ স্বাভাৱিকতে ধৰ্ম চৰ্চাৰ পৰা বঞ্চিত হয়।

কিন্তু ভক্তৰ বাঞ্ছা ভগবানেও পূৰণ কৰিবলৈ বাধ্য। মাধৱ কোন

কূটা! মাধৱৰ সাধ্য কি ভকতৰ বাঞ্ছা অপূৰ্ণ কৰি ৰাখিবৰ বাবে। তেওঁ কীৰ্তনঘৰৰ বিষয়ে কেইটামান কৰিবলগীয়া কথা মনত ৰাখিবলৈ বুলি গোবিন্দক মাতিলে। বিশেষকৈ কীৰ্তনঘৰৰ চৌহদত চিন নথকলে ভৱিষ্যতলৈ বিপদ আছে। তদুপৰি কীৰ্তনঘৰত ফুলৰ প্ৰয়োজন হব চিৰদিন; কিন্তু চিৰদিন তাঁতীকুছি বা বৰপেটা বিলৰ পাৰ এনেদৰে নাথাকিবও পাৰে। সেইবাবে এঠাইত ফুলবোৱাৰ ব্যৱস্থাও কৰিব লাগিব। কথাখিনি আলোচনা কৰি মাধৱ আৰু গোবিন্দ দুয়ো আকৌ নীৰৱে গৈ থাকিল। দুয়োৰে মনে পুৰে খটখটিজানৰ পৰা আৰম্ভ কাৰ পালেংদি বৰিয়েদি চূণপোৰাভিটা হৈ পুনৰ তাঁতী-কুছিলৈ ঘূৰি আহিছিল, প্ৰতি পদ-ভূমিৰ উপযুক্ততা পৰখ কৰি। ঘটিত নাৱত উঠাৰ লগে লগে মাধৱদেৱৰ চিন্তাৰ সূত্ৰ চিগি গ'ল। ভকতসকলৈ চাই তেওঁ সুধিলে তেওঁলোকে কীৰ্তনঘৰৰ বেদীত দিবৰ কাৰণে কি ফুল বেছি ভাল পায়। বহুতেই বহুত ফুলৰ নাম উলিয়ালে। কোনোবাই কেতেকী, কোনোবাই তগৰ, কোনোৱে আকৌ চম্পা। মাধৱ আচৰিত হ'ল কোনেও ৰঙিয়ালফুলৰ নাম তুলিওৱা দেখি। গোবিন্দ আৰু তেওঁ দুয়ো দুয়োৰে মুখলৈ চালে আৰু দুয়ো চিন্তামগ্ন হৈ পৰিল। মাধৱৰ আকৌ আগৰ দুঃশ্চিন্তাই লগ ললেহি। যিজন পুৰুষৰ ছত্ৰছাঁয়াত এই আটাইৰে জীৱন, ধ্যান-ধাৰণা গঢ়ি উঠিছে, যিজনৰ সংকাশলৈ আহি তেওঁলোকে ধন্য মানিছিল, আৰু যিজনৰ ওচৰলৈ তেওঁলোকে চৰম দুৰ্যোগৰ সময়ত আশ্ৰয় বিচাৰি, সহানুভূতি বিচাৰি কোনোদিন বিমুখ হোৱা নাছিল—তেওঁৰ অন্তিম ইচ্ছাৰ প্ৰতি, তেওঁৰ ভাল লগা বেয়া লগাৰ প্ৰতি এওঁলোক যে ইমান উদাসীন হব পাৰে, ইমান নিৰ্লিপ্ত ভাব দেখুৱাব পাৰে মাধৱ আৰু গোবিন্দ দুয়ো কথাষাৰ ভাবি বিস্ময়ত হতবাক হৈছিল। এইবোৰ মানুহক লৈ তেওঁলোকে সেই মহান আত্মাৰ জীৱনাদৰ্শ প্ৰচাৰ কৰিবলৈ যোৱাটো চিন্তা কৰি তেওঁলোকে মনে মনে শংকিত হৈ পৰিছিল। বুঢ়ীলুইত পাৰ হোৱাৰ পাচতো

সেই চিন্তাই তেওঁলোকৰ লগ এৰা নাছিল। সেইবাবেই তেওঁলোকে ভকতৰাম আলধৰাই কিবা এটা দেখি চক খাই উভতি অহা ঘটনাটোৰ একো গম ধৰিব পৰা নাছিল। ৰামদাসেই কলে যে মাধৱদেৱৰ ঘৰৰ ওচৰতে এন্ধাৰত কিবা দুটা বহি আছিল আৰু তেওঁলোকক ওচৰ চপা দেখি তাৰে এটা হঠাৎ নাইকীয়া হৈ গ'ল। মাধৱে তেতিয়াহে বুজিলে যে তেওঁলোক ঘৰৰ একেবাৰে কাষ পাইছেহি। ৰামদাস আতৈ আৰু ভকতৰামক ভয়তে কঁপি থকা দেখি মাধৱে নিজেই জোৰটো হাতত লৈ ঘৰৰ সন্মুখলৈ আগবাঢ়িল। কৃষ্ণপক্ষ দশমীৰ ৰাতি। দোভাগ হোৱাতো পূবৰ আকাশত কাহিলি কাহিলি পোহৰ মাত্ৰ দেখা গৈছিল।

॥ সাত ॥

জোৰৰ পোহৰে ভালদৰে ঢুকি নোপোৱা দূৰত্বত বৈ থকা কিবা এটাৰ অবয়ৱ মাধৱৰো দৃষ্টিগোচৰ হ'ল। মাধৱ নিঃশংকচিত্তে আগবাঢ়ি গৈ থাকিল। চোতালৰ ওচৰ পোৱাত জোৰৰ পোহৰে চোতাল পিৰালি বুৰাই পেলালে। চোতালৰ এচুকত প্ৰণামৰত অৱস্থাত আঁঠু লৈ থকা হীৰামণিৰ ক'লা মুখমণ্ডলত বিনয় বিগলিত হাঁহিয়ে বগা দাঁত কেইপাৰি উজলাই তুলিছিল। ইমান ৰাতি তেওঁক তেনে অৱস্থাত দেখি মাধৱ বিবুদ্ধিত পৰিল। আন ভকতসকল হতভম্ব হ'ল।

: তোমাৰ লগত আৰু আন কোনোবা আছে নে অকলশৰেই আহিছা ?

: অধমৰ অকলশৰে প্ৰভুৰ দৰ্শনৰ ভাগ লোৱাৰ কপাল হব জানো ? সেইজনীও আহিছে প্ৰভু। ঘৰৰপৰা শেনটো হৈ ওলাই আহি এতিয়া প্ৰভু আহি পোৱা জানি ভয়তে ফেঁচাজনী হৈ কৰবাৰ পাতৰ আঁৰত লুকাই আছেগৈ প্ৰভু!

মাধৱে ইমান ভয়াবহ কথা এবাৰ শুনিব বুলি ভবাই নাছিল। কথাবাৰ শুনাৰ লগে লগে স্তব্ধ হৈ গ'ল। মাধৱে জোৰটো কোনোমতে গোবিন্দৰ হাতত দি ঘৰৰ ভিতৰলৈ যোৱাৰ বাবে ব্যস্ত হৈ পৰিল। ভকতবামে ততাতৈয়াকৈ পানীৰ লোটা আদি যতনাই দিলে। ভকতসকলে বিদায় লৈ ঘৰাঘৰি যোৱাৰ পাচত পৰিবেশটো একেবাৰে

নিস্তব্ধ গহীন হৈ পৰিল। মাধৱে হীৰামণিৰ আগমন উপেক্ষা কৰি নামঘোষাৰ পাণ্ডুলিপিটো লৈ মজিয়াতে বহি ললে। কলমটো হাতত লৈ এটা শ্লোকৰ ভাঙনি কিদৰে হলে শুৱলা হব মনতে ভাবি আওৰাই থাকোঁতেই হীৰামণিৰ আবেশমুদ্রিত মুখখন মনত পৰিল। এইবাৰ মাধৱৰ মন অস্থিৰ হৈ পৰিল বিশেষকৈ হীৰামণিৰ উপস্থিতিৰ কথা চিন্তা কৰি।

চাকিৰ পোহৰ আঁৰ কৰি বেৰৰ জোলোঙাৰে তেওঁ বাহিৰলৈ চাই পঠিয়ালে। জোনাকৰ শেঁতা পোহৰ চোতালত বেল, বগিয়াল ফুল আদিৰ মাজেদি চুচুক চামাককৈ পৰিছিল। ওচৰৰ কলৰ জোপাত আৰু লাকবন্ধা গছৰ পাতত নিয়ঁৰৰ টুপ্ টুপ্ শব্দই ৰাতিটো আৰু নিবিড় কৰি তুলিছিল। বাহিৰত হীৰামণি আৰু তুলসীক উপেক্ষা কৰি এৰি অহা কথাটো ভাবি মাধৱ অশান্ত হৈ পৰিল—

ঃ হৰিভকত ?

ঃ কিবা কৈছে প্রভু।

ঃ তুমি শোৱা নাই ?

ঃ নাই শোৱা ; হীৰামণি আৰু তুলসী বাহিৰতে আছে। মইও তেওঁলোকৰ লগতে আছোঁ।

ঃ তেওঁলোক কি সকামত আহিছে বা ? ৰাতি দোভাগ হলেইচোন! এতিয়া ঘৰলৈ উভতি যোৱাটোও—

মাধৱৰ কথাষাৰ শেষ হবলৈ নৌ-পাওঁতেই গোবিন্দই আশ্বাসেৰে কলে—

ঃ এই দোভাগ নিশাখন কলৈ যাব প্রভু ? তেওঁলোকে মোৰ তাতেই বিশ্রাম কৰিব।

মাধৱে উত্তৰত একো নকলে। মাথোন তলে তলে শংকিত হৈ পৰিল। আকৌ নাৰী। হয়তো আকৌ কোনোবা অদৃশ্য হাতৰ আৰু এক মোক্ষম চাল। কিন্তু মাধৱৰ তেতিয়া কোনো উপায়ো নাছিল। মনত পৰিছিল গুৰুজনাৰ ফুলবাৰীৰ সেই স্মৰণীয় ঘটনাটো।

অৱশেষত ঘূৰি ঘূৰি গুৰুজনাই যেতিয়া ফুলবাৰীত আশ্ৰয় লৈছিল, তেৰাই এক স্বস্তিৰ নিশ্বাস কাঢ়িছিল। যুৱৰাজ চিলাৰায়ৰ নিৰ্দেশত সঁচৰা কাঠীৰ বাৰীৰ কাঠেৰে সজা হৈছিল নামঘৰৰ মণিকূট। ৰাজপৃষ্ঠপোষকতা লাভ কৰি সেই পাণ্ডৱবৰ্জিত দেশত গুৰুজনাই ভাবিছিল নিৰুপদ্ৰৱে একান্ত চিত্তে শ্ৰীকৃষ্ণৰ চৰণচিন্তা কৰিবৰ সুযোগ পোৱা হব। কিন্তু তাতো আহি পৰিল হঠাৎ নাৰী। এগৰাকী নহয়, দুগৰাকী নহয়, মহাবীৰ চিলাৰায় দেৱানৰ শতেক নাৰী। দীক্ষা গ্ৰহণৰ উদ্দেশ্যে।

সমাজক পৰিচালনা কৰাৰ দৰে গধুৰ দায়িত্ব যাৰ ওপৰত পৰে সেইসকলে প্ৰায়ে এনে অবাঞ্ছনীয় পৰিস্থিতিৰ সন্মুখীন হবলগীয়াত পৰে। কিন্তু তাত যদি কোনোবা অন্যায়কাৰীৰ ষড়যন্ত্ৰৰ স্পৰ্শ থাকে তেন্তে বিষয়টো চিন্তনীয় হৈ পৰে।

বুদ্ধদেৱ এবাৰ বৈশালীত থাকোঁতে ধাইমাক মহাপ্ৰজাপতিয়েও এটা অবাঞ্ছনীয় প্ৰস্তাৱ লৈ আহিছিল তেওঁৰ ওচৰলৈ। কেইগৰাকীমান শাক্য মহিলাক লৈ ভিক্ষুণীসংঘ কৰাৰ কাৰণে অনুমতি বিচাৰি। বুদ্ধই আন কোনোবা হোৱাহেঁতেন কঢ়ভাৱেই প্ৰত্যাখান কৰিলে-হেঁতেন। কিন্তু মহাপ্ৰজাপতিক তেওঁ কটু কথা শুনাব নোৱাৰে। বিনয়েৰে কলে সংঘ কৰিব পাৰে কিন্তু ধৰ্ম নাথাকিব বুলি। ধাই-মাকৰ আদেশ উলংঘা কৰিব নোৱাৰি ভিক্ষুণীসংঘ কৰিলে আৰু বুদ্ধৰ তিৰোভাবৰ দুশ বছৰৰ পাচৰ পৰাই ব্যভিচাৰ আৰম্ভ হ'ল। হৰিচন্দ্ৰ উপাখ্যানতো গুৰুজনাই লিখি গৈছে—'দৰ্শনে কৰে তপ, জপ, যোগ ভঙ্গ; জানি জ্ঞানীজনে কামিনীৰ এৰে সঙ্গ'। মাধৱদেৱ সঁচাকৈয়ে সন্ত্ৰস্ত হৈ পৰিল। য'তে বাঘৰ ভয়, ত'তে ৰাতিও হয় বুলি যে এষাৰ কথা আছে, মাধৱদেৱৰো যেন সেয়ে ঘটিল। তেওঁ নিজকে বিপন্ন অনুভৱ কৰি গোবিন্দক ভিতৰলৈ মতাই আনিলে।

: হৰিভকত, কথাটো জানো ভাল হ'ল?

গোবিন্দই কথাষাৰ বুবুজাৰ দৰে হতভম্ব হৈ মাধৱৰ পিনে চাই

থাকিল গোবিন্দৰ মূৰ্তি দেখি মাধৱ অকণ অপ্ৰস্তুতো হৈ গ'ল। তেওঁ আকৌ কলে—

: এই যে তুলসী ইয়াত থকা দোভাগ বাতিলৈকে ?

গোবিন্দই বুজা-নুবুজাৰ মাজেদি উত্তৰ দিলে—

: দাসে একো বুজা নাই প্ৰভু। তেওঁলোক দুয়ো আহিছিল ঘোষাৰ পদ গাবলৈ। প্ৰভুৰ দৰ্শনলাভ আশা কৰি বাট চাই আছিল। প্ৰভুৰ আহোঁতে ৰাতি হ'ল ; তেওঁলোক বৈ থাকিল। আৰু ইমান ৰাতি যেহেতু উলটি যোৱাটো নিৰাপদ নহয় যি এক ডেৰ পৰ বাকী আছে ইয়াতে কটাই পুৱা যাবগৈ। গোবিন্দৰ কথা শুনি মাধৱ হতাশ হ'ল। এইবাৰ আৰু বেছি স্পষ্ট হোৱাৰ উদ্দেশ্যে মাধৱে কলে—

: হৰিভকত, মই সকলোবোৰ বুজিছোঁ। কিন্তু তুমিহে মোৰ কথাখিনি বুজিবৰ চেষ্টা কৰা নাই।

গোবিন্দই ইচ্ছা কৰিয়েই ডাঙৰকৈ হাঁহি দিলে।

: অধমৰ দায়-দোষ নধৰিব, দায়-দোষ নধৰিবা প্ৰভু। ইয়াত পিচে বনগঞাগিৰি, বিৰাই চৌধুৰী এইবোৰ কোনো নাই। সিহঁত দুয়ো সৰল অন্তঃকৰণেৰে প্ৰভুৰ সংকাশত খন্তেক নাম লোৱাৰ উদ্দেশ্যে আহিছে। তেওঁলোকক নিৰাশ নকৰিব প্ৰভু।

: হৰিভকত, হৰিশ্চন্দ্ৰ উপাখ্যানৰ সেই পদটো তোমাৰ মনত নাই নে ?

: আছে প্ৰভু। বুদ্ধৰ সেই কাহিনীটোও মনত আছে। শ্ৰাৱস্তীত থাকোঁতে চিঞ্চা নামেৰে এগৰাকী বেশ্যাক পঠিয়াই পুৰাণকাশ্যপ ব্ৰাহ্মণে বুদ্ধদেৱৰ বিৰুদ্ধে যি অভিসন্ধি কৰিছিল, সেই কথাও মনত আছে। আৰু প্ৰভু, আইমাতৃ কালিন্দী, আই ধাই, বুঢ়ী আই খেৰসুতী, ৰাধিকা-শান্তি, গুৰুদৌহিত্ৰি ৰুক্মিণী, এইসকল নাৰীৰ কথাও মই পাহৰি যোৱা নাই। গোবিন্দই লাহে লাহে কৈ গ'ল কিদৰে চৰম ত্যাগ স্বীকাৰ কৰি এইসকল মহিয়সী নাৰীয়ে

গুৰুজনাৰ প্ৰতিষ্ঠিত ধৰ্মাদৰ্শ, নীতি, নিতে নৱ নৱ শক্তিৰে প্ৰসাৰিত কৰাত সহায় কৰিছিল। শ্ৰীমন্ত গুৰুৱে সেইবাবেই কৈছিল একাদশ স্কন্ধত—

স্ত্ৰী শূদ্ৰে কৰৈ যেৱে আমাত ভকতি।
তাহাতো কহিবা ইটো জ্ঞান মহামতি॥

গুৰুজনাই নাৰীক ভক্তিৰ পৰা বঞ্চিত কৰিবলৈ কোনোদিনে কোৱা নাছিল। তেৰাই ভালদৰেই জানিছিল বৌদ্ধধৰ্মৰ ব্যভিচাৰৰ হেতু যে নাৰী নহয়। তেৰাই ভালদৰেই জানিছিল যে জ্ঞানীজনে কামিনীৰ সঙ্গ পৰিত্যাগ কৰে কামিনীৰ কাৰণে নহয়; নিজৰ আত্মবিশ্বাস হেৰুৱাৰ ভয়তহে। আত্মবিশ্বাস থকাজনৰ কাৰণে কামিনীয়েই হওক, বা কাঞ্চনেই হওক, নাৰীয়েই হওক বা সম্পত্তিয়েই হওক—শংকাৰ কোনো কাৰণ নেথাকে। তেৰাই সেইবাবেই অনাদিপাতনত মনৰ সংযমৰ ওপৰত গুৰুত্ব দিছে।

মাধৱে গোবিন্দৰ গোটেই কথাখিনি নীৰৱে শুনি আছিল। তথাপি সম্পূৰ্ণ সন্দেহমুক্ত হোৱাৰ উদ্দেশ্যে গোবিন্দক কলে—

: জীৱনত বহুত ঘাট-প্ৰতিঘাট অতিক্ৰমি আহিলোঁ। আৰু সেইবাবেই বোধকৰো অস্বাভাৱিক কিবা এটা হলেই আৰু কিবা নতুন ঘাট-প্ৰতিঘাট আহে নেকি বুলি সন্দেহ হয়।

: সোণ যিমানেই পোৰে উজ্বলহে হয় প্ৰভু। কোনোবাই আকৌ এবাৰ পুৰিব খুজিছে পোৰক। 'তাত তোমাৰতো উজ্বলতা নকমে, বাঢ়িবহে।

: কিন্তু হৰিভকত; যদি পুৰি পুৰি কেতিয়াবা একেবাৰে শেষ হৈ যাওঁ? মাধৱে এটা হুমুনিয়াহ এৰিলে আৰু লগে লগে ভগবানৰ নাম ললে। আৰু দুৱাৰখন বহলকৈ মেলি দি গোবিন্দক হীৰামণিহঁতক ভিতৰলৈ আনিবলৈ নিৰ্দেশ দিলে। হীৰামণি আৰু তুলসীৰ কাৰণে হঠাৎ তেওঁৰ মনত এক অভূতপূৰ্ব সহানুভূতিৰ উদ্ৰেক হ'ল।

গোবিন্দৰ সতে আগে আগে হীৰামণি আৰু পিচে পিচে তুলসী ভয়ে ভয়ে ইতঃস্ততঃ কৰি ঘৰৰ ভিতৰ সোমাই মাধৱৰ অনুমতিৰ অপেক্ষাত ৰ'ল। মাধৱে হীৰামণিলৈ চালে আৰু স্নেহজড়িত কণ্ঠেৰে কলে—

: বঁহা। তোমালোক ইমান ৰাতিলৈ বলা কিয় বাৰু ?

: মোৰ দুৰ্কপাল প্ৰভু। মই যাব খুজিছিলোঁ। কিন্তু এইজনীৰ ইমান আগ্ৰহ প্ৰভুৰ দৰ্শনলাভৰ কাৰণে যে একোপধ্যে নগ'ল। মাধৱে সহজ হবৰ চেষ্টা কৰি তুলসীলৈ চালে। আৰু চায়েই চমকিত হৈ উঠিল। সেই কৈৱৰ্ত গাঁওখনত মাছমৰীয়া মানুহবোৰৰ মাজত আৰু হীৰামণিৰ দৰে টোকোনা এজনৰ ঘৰত যে এনে অপৰূপ লাৱণ্যৰ আকৰ লুকাই থাকিব পাৰে, মাধৱে কল্পনাই কৰিব পৰা নাছিল। মাধৱৰ মুখলৈ চোৱাৰ পাছত তুলসীৰ কিন্তু সমস্ত আড়ষ্টতা শেষ হৈ গ'ল। তাই সম্ভ্ৰমৰ দূৰত্বখিনি ৰাখি মজিয়াৰ মাটিতেই সহজ হৈ বহি পৰিল আৰু আঁঠু লৈ দূৰৰ পৰাই মাধৱলৈ প্ৰণাম জনালে। মাধৱ পুলকিত হৈ পৰিল আৰু অন্তৰ উজাৰি তুলসীক মনে মনে আশীৰ্বাদ দিলে। হীৰামণি আৰু গোবিন্দও মাটিতে বহি পৰিল। মাধৱে তেওঁলোকক একো নোকোৱাকৈ নামঘোষাৰ ৰচনাত মনোনিবেশ কৰাৰ চেষ্টা কৰিলে। মাধৱে সংস্কৃতত আবৃত্তি কৰি ললে—'আত্মৈৱ হ্যাত্মনো বন্ধুৰাত্মৈৱ ৰিপুৰাত্মনঃ' আৰু মুখেৰে কৈ গ'ল লেখি গ'ল—

আপুনি আপুন বন্ধু আপুনি আপুন শত্ৰু
আপুনি আপুন ৰাখে মাৰে।
হৰিক নভজি নৰে আপুনি হোৱয় নষ্ট
হৰি ভজি আপুনাক তাৰে॥

মাধৱৰ আবৃত্তি শেষ হোৱাৰ লগে লগে হীৰামণিয়ে গোটেই পদটো গাই গ'ল। হীৰামণিয়ে এবাৰ গাই যোৱাৰ পাছত এইবাৰ তুলসী আৰু হীৰামণি দুয়ো আৰম্ভ কৰিলে। মাধৱ আৰু গোবিন্দই

মুগ্ধ দৃষ্টিৰে তেওঁলোকৰ দুয়োৰে মুখলৈ চাই থাকিল। পদটো শেষ হোৱাৰ পাছত মাধৱৰ তন্ময়তা ভাগিবলৈ বেছ কিছুপৰ লাগিল। হঠাৎ তেওঁ সচেতন হৈ পৰিল। আৰু উদাত্ত কণ্ঠেৰে আকৌ আবৃত্তি কৰিলে,—'শ্ৰমস্তস্য শ্ৰমফলং হ্যধেনুমিৱ ৰক্ষত:' এইবাৰ মাধৱ কিন্তু আড়ষ্ট হৈ পৰিল। তেওঁ কথোপকথনৰ পৰাই বুজিছিল যে তুলসী নিঃসন্তান। অথচ এই পদফাঁকি তেওঁ যি সহজ সৰল অৰ্থেৰে ভাঙনি কৰিব খুজিছে তাক শুনিলে হয়তো তুলসীয়ে মনত আঘাত পাব পাৰে। তেওঁ ইতঃস্তত কৰা দেখি গোবিন্দই কলে—

: প্ৰভু! দাসে সাহস কৰোঁনে?

প্ৰশ্নযাৰ কবি মাধৱৰ অনুমতি লৈ অপেক্ষা নকৰাকৈয়ে গোবিন্দই পদফাঁকি ভাঙি ভাঙি কৈ গ'ল—

'শব্দ ব্ৰহ্মৰ পাৰ ভৈল যিটো
কৃষ্ণত ভকতি নাই।
তাৰ শাস্ত্ৰ শ্ৰম শ্ৰমে মাত্ৰ ফল
যেন ৰাখে বাজী গাই।

হীৰামণি আৰু তুলসীয়ে কিবা এটা অদ্ভুত আবেশ লৈ চকুহাল মুদি সুৰ লগাই গোটেই পদটো গাই গ'ল। মাধৱৰ মনত আছে গুৰুৰ অতুলনীয় কণ্ঠস্বৰৰ কথা। উদাত্ত কণ্ঠেৰে যেতিয়া স্তোত্ৰ পাঠ কৰিব, যেতিয়া গীত গাব, বনৰ হৰিণা, গছৰ চৰাই-চিৰিকতিও যেন থমকি ৰৈ যায়। মাধৱে সেই সুৰ বহুত বছৰ ধৰি শুনিছিল। অথচ তাত অনুভৱ কৰিছিল নিতউ নতুন এক মাদকতা। গাভৰুখা আতাৰ পুত্ৰ কেতাই খা, ৰামৰাম গুৰু—এইসকলৰ সুৰসঞ্চাৰো আছিল মনোমুগ্ধকৰ। কিন্তু এই হীৰামণি আৰু তুলসীজনীৰ সুৰ! মানুহৰ কণ্ঠত যে এনে সুৰদি সুৰৰ সৃষ্টি হব পাৰে মাধৱৰ ধাৰণাই নাছিল। সমগ্ৰ ৰাতিটো কোনপিনেদি যে পাৰ হৈ গ'ল, কোন তলকত যে শেষ হ'ল, মাধৱে অনুভৱেই নকৰিলে। গোটেই ঘৰখন, সমগ্ৰ পৰিবেশ এক মায়াময় সুৰৰ ৰাজ্যত ইমানপৰে আপ্লুত

হৈ আছিল। প্ৰথম টিয়ঁাচৰাইৰ জাকটো যোৱাৰ লগে লগে হীৰামণি উচপ খাই উঠিছিল আৰু যাবৰ কাৰণে ব্যস্ত হৈ পৰিছিল। হীৰাঁমণিক যাবলৈ ওলোৱা দেখি মাধৱে হঠাৎ বহুপৰ পাহৰি থকা কথা এটা মনত পৰাৰ দৰে কলে,—

: তোমালোক দেখোন দিনত আহিব পাৰা ৰাতি অহাতকৈ? হীৰামণিয়ে হাঁহি হাঁহি শ্ৰদ্ধাৰে কৈছিল—

: খাটি খোৱা মানুহৰ বাবে দিনটো মহাৰ্ঘ প্ৰভু। এতিয়া কামৰ সময় হ'ল। আমি যাবই লাগিব।

কোনো বাক্যব্যয় নকৰি দুয়ো পুনৰ প্ৰণাম জনাই লৰালৰিকে ওলাই গ'ল। তেওঁলোক দুয়ো গৈ সৰিয়হডবাৰ মাজমান পোৱাৰ লগে লগে গোবিন্দই হাঁহিলে। মাধৱে আচৰিত হৈ গোবিন্দৰ মুখৰ পিনে চালে।

: কি হ'ল হৰিভকত?

: মই যে কৈছিলোঁ প্ৰভু মানুহৰ প্ৰতিটো চালচলনত ব্যক্তিগত উদ্দেশ্য একোটা থাকে।

: কৈছিলা; কিন্তু এতিয়া তাৰ পুনৰুক্তি কিয়?

: হীৰামণি তুলসীৰো এটা উদ্দেশ্য আছে। তেওঁলোক নিঃসন্তান। আৰু কোনোবাই তেওঁলোকক হেনো উপদেশ দিছে নিতৌ প্ৰভুৰ আশীৰ্বাদ নবলৈ। আৰু সেই আশীৰ্বাদৰ ফলত হেনো তেওঁলোকৰ মনোবাঞ্ছা পূৰ্ণ হব।

কথাষাৰ কৈয়েই গোবিন্দই হাঁহি ৰখাব নোৱাৰিলে। আকৌ ডাঙৰকৈ হাঁহি দিলে। মাধৱেও কৌতুক অনুভৱ কৰিলে কথাষাৰ শুনি। নিঃসন্তান তুলসী আৰু হীৰামণিয়ে সংসাৰলৈ আশীৰ্বাদ বিচাৰি আহিছে তেওঁৰ ওচৰত। যিজন পুৰুষে দুবাৰকৈ সংসাৰৰ আহ্বান উপেক্ষা কৰিছে, জীৱনত সংসাৰৰ প্ৰত্যাহ্বানৰ যাতে সন্মুখীন হবলগীয়া নহয় তাৰবাবে অহোপুৰুষাৰ্থ কৰিছে। সেই মাধৱৰ তালৈ আহিছে সংসাৰ ওপচাই দিয়াৰ আশীৰ্বাদ বিচাৰি।

তেওঁৰ হাঁহি উঠি গ'ল। যেন কোনোবা অন্ধক সুধিছে আন এজন অন্ধই বাটৰ কথা।

: ক্লেশ মত্রে পাৱে সিটো নিষ্ফল প্রয়াসে
বাহানে পতান যেন তণ্ডুলৰ আশে॥

শিশুলীলাৰ গুৰুৰ সেই পদফাঁকি বাৰে বাৰে তেওঁৰ মনত পৰিল। তেওঁৰ ওচৰত তেনে আশীর্বাদ বিচাৰি অহাটো সঁচাকৈয়ে নিষ্ফল প্রয়াস মাত্র। চাউলৰ আশাৰে পতান বনাৰ দৰে। পাষণ্ড-মর্দনত গুৰুৱে এনেয়ে লিখা নাছিল সেই আর্ত বাণীষাৰ।

"ত্রাহি ৰাম হৰি মোৰে
মগ্নিঁ মজিলো সংসাৰ ঘোৰে॥

সংসাৰ কেৱল যে ঘোৰেই এনে নহয়। সংসাৰ বিচিত্রও। এই যেনে হীৰামণিহঁতৰ সংসাৰখন। দুয়োৰে কি সুন্দৰ স্বাস্থ্য। সুন্দৰ মন আৰু মোহনীয় ৰূপ। যিখন সংসাৰ হব লাগিছিল অপাৰ সুখৰ আলয় তাত দুয়োটিয়ে কি যে এক অসহ্য মনোবেদনাৰ মাজেদি দিন কটাবলগীয়াত পৰিছে! ভাবিলে সঁচাকৈয়ে আচৰিত লাগে। সুন্দৰ সুঠাম হীৰামণি, অপৰূপ সৌন্দর্য্যৰ অধিকাৰী তুলসী। দুয়োৰে মাজত কি অপূর্ব স্নেহৰ সম্বন্ধ। সংসাৰত দুটি মাত্র প্রাণী। দিনৰ দিনটো দুয়ো সময়ৰ সুকুণ্ডা নৰখাকৈ হাঁহি হাঁহি শ্রম কৰে। তথাপি সমগ্র নিশা সিহঁত দুয়োয়ে অবর্ণনীয় যন্ত্রণাত চট্‌ফটাই কটাবলগীয়াত পৰে। আৰু শেষত শান্তিৰ পথ বিচাৰি দুয়ো আশ্রয় লৈছেহি মাধৱৰ ওচৰত। কিন্তু সেই শান্তিৰ সতে তেওঁৰ যে কোনোদিন পৰিচয় হোৱা নাই। সেই শান্তিৰ আস্বাদৰ পৰা তেওঁ যে চিৰতৰে বঞ্চিত!

তেওঁ তেলৰ চাকিটো নুমাই দিলে। আৰু বাহিৰৰ পিনে ওলাই আহিবৰ কাৰণে সাজু হ'ল। ভগবানৰ নাম লৈ তেওঁ লাহে লাহে দুৱাৰমুখত থিয় দিলেহি। গোবিন্দই মাধৱৰ মনৰ কথা যেন বুজিব পাৰি এনেদৰে কৈ উঠিল—

: প্ৰভু, বৈকুণ্ঠ প্ৰয়াণত যে গুৰুজনাই কৈছিল—

'বিষয়ৰ দুখ জানি তথাপিতো একো প্ৰাণী
নেড়ে দুনাই তাকে ভুঞ্জি মৰে।
গলত বান্ধিয়া পাঘে কাটিবাক নেন্তে ছাগে
যেন নিৰ্লজ্জতা আতি কৰে॥

মাধৱে গোবিন্দৰ কথাষাৰৰ কোনো প্ৰত্যুত্তৰ নিদি নদীৰ পাৰৰ পিনে গৈ থাকিল।

দুপৰীয়া আহাৰৰ পিছত মাধৱে বিছনাত অকমাণ জিৰণি লবলৈ বুলি দীঘলদি পৰিল। চকু দুটা মুদাৰ লগে লগে তেওঁৰ মনৰ চকুত ভাঁহি উঠিল হীৰামণিৰ অপেক্ষমান মুখৰ ছবি। হঠাৎ পট্‌পৰিবৰ্তন হোৱাৰ দৰে তেওঁৰ দৃষ্টিত প্ৰতিভাত হ'ল এটা বহুত দীঘল ধূলি-ধূসৰিত বন্ধুৰ পথ। তেওঁৰ বহুদিনৰ আগৰ কথা এটা মনত পৰিল। গুৰুক অনুসৰণ কৰি তেওঁ সেই পথেদিয়েই গৈছিল বেহাৰলৈ। বাটত পাইছিল চম্পাৱতী নৈখন। দুস্তৰ খৰস্ৰোতা চম্পাৱতী। তাৰ পাৰতেই বটিয়ামাৰীত ৰাজবংশী সজ্জন শূদ্ৰা পাটগিৰিৰ ঘৰত তেওঁলোকে আতিথ্য গ্ৰহণ কৰিছিল। তাতো তেওঁলোকৰ আলপৈচান ধৰা গিৰিহঁতৰ ডেকা বন্ধোৱাজনৰ মুখত সকলো সময়তে তেওঁ দেখিছিল সেই অপেক্ষমান ছবি। তেওঁ বহুদিন ভাবি পোৱা নাছিল কিহৰ বাবে এই অপেক্ষমানতা। কিহৰ উত্তৰ পোৱাৰ আশাৰে তেওঁলোকে এনেদৰে মাধৱৰ মুখলৈ চায়। তেওঁ অনুভৱ কৰিলে যেন তেওঁৰ চাৰিওপিনে চিনাকি-আচিনাকি বহুত অপেক্ষমাণ মুখে তেওঁলৈ একেথৰে চাই আছে। আৰু তাৰ মাজত স্পষ্টভাৱেই চকুত পৰিল কিবা এটা অজানিত আশ্বাস লাভ কৰি হাঁহিমুখৰ হৈ পৰা হীৰামণি আৰু তুলসীৰ মুখ। তেওঁ ধহ্‌মহ্‌ কৰে বিছনাৰ পৰা উঠিল। গোবিন্দ ওচৰতে বৈ আছিল। মাধৱে হঠাৎ গোবিন্দক দেখি অপ্ৰস্তুত হ'ল। আৰু সহজ হবৰ চেষ্টা কৰি কলে—

: হৰিভকত, কোনোবা আহিছিল নেকি ?

: নাই অহা প্ৰভু।

গোবিন্দৰ কথা শুনি যেন হঠাৎ পাহৰি যোৱা কথা এটা মনত পৰিল এনেদৰে মাধৱে খন্তেকৰ কাৰণে নীৰৱে ৰ'ল। আৰু লাহে লাহে খুব গোপন কথা এটা উলিওৱাৰ দৰে গোবিন্দক কলে—

: হৰিভকত, তোমাক মই অবিশ্বাস কৰা নাই। কিন্তু হীৰামণিয়ে ভুল কৰা নাইতো ?

কথাষাৰ কৈয়েই মাধৱ হঠাৎ সতৰ্ক হৈ পৰাৰ দৰে গোবিন্দৰ উত্তৰৰ অপেক্ষা নকৰি বাহিৰলৈ ওলাই গ'ল। গোবিন্দই ভাবিলে কথাষাৰৰ উত্তৰ এতিয়া নিদিয়াটোৱেই সমিচীন হব। সেইবাবে একোকে নকৈ ভিতৰৰ বস্তুবোৰ ঠিক কৰাত লাগিল। বেলি পৰি আহিছে। সন্দিয়াৰ প্ৰসঙ্গৰো বেছি সময় নাই। আৰু হয়তো আজি ৰামচৰণ ঠাকুৰো অহাৰ কথা আছে। গোবিন্দ ব্যস্ত হৈ পৰিল।

॥ আঠ ॥

বাহিৰত চিঞৰ-বাখৰ শুনি মাধৱ ওলাই আহিল। দেখিলে কাবে বাবে শুঁড়েৰে বতিয়াল ফুলজোপা থপিওৱাত অতীষ্ঠ হৈ মাউতে হাতীটোক পাৰেমানে অকথ্য ভাষাৰে গালি পাৰিছিল। গোবিন্দ নির্লিপ্ত হৈ শুচবতে থিয় দি আছিল। মাধৱক দেখি মাউতজনে হাতীটোৰ পাচঠেং এখনত শিকলিৰে বান্ধি শুচবৰ শিমলু এজোপাত বান্ধি থৈ লৰালৰিকৈ চোতালতে দীঘল দি পৰিলহি। মাধৱ বিমূঢ় হৈ পৰিল। কিয়নো কিছুদিনৰ আগতে মাধৱৰ নদীৰ ঘাট হাতী নমাই নষ্ট কৰা বুলি গোবিন্দই কোৱাত গোবিন্দক এই মাউতেই এতিয়াৰ হাতীটোক পৰা অকথ্য ভাষাৰেই গালি পাৰি গৈছিল। মাধৱে তেওঁৰ মুখৰপিনে অবাক হৈ চাই থকাত মাউতজনে নিজেই নিজৰ কাহিনী ব্যক্ত কৰিলে।

সেইদিনা গোবিন্দক গালি পাৰি গাঁৱত সোমাই এৰাতিহে ভালেৰে গৈছিল। তাৰ পিচদিনাৰপৰাই তেওঁৰ হঠাৎ হাইজা হ'ল। ৰোগৰ নিৰাময় বিচাৰি ৰামদাস আতৈৰ শুচৰ চাপিল চুচৰি চুচৰি কোনোমতে। আতৈয়ে সুনিশ্চিত হৈ কৈছিল যে, মাউতে নিশ্চয় কোনোবা ভকত-মহন্তক কিবা জগৰ লগাই থৈছিল। তেওঁ গদগদ হৈ কলে, কিদৰে গুৰুৰ কৃপা গুণেহে এইবাৰলৈ ৰক্ষা পৰিল। তেওঁ যে সেইদিনাৰ সেই ঘটনাটোৰ কাৰণে কিদৰে অনুতাপত দগ্ধ হৈছে তেওঁৰ অন্তৰ্যামীয়েহে জানে। তেওঁ সক বাঢ়ৈহতীয়া কাপোৰখনত টোপোলাই অনা চাউল-মাটিমাহ আৰু গুড় মিঠৈখিনি কলাপাত

এখনত থৈ চাউলৰ দ'মটোৰ ওপৰত এপোন কড়ি দি আকৌ এবাৰ প্ৰণাম জনাই মাধৱ আৰু গোবিন্দক সমস্ত দায়দোষ মৰিষণ কৰিবলৈ খাটি হাতী মাউতে যেতিয়া বিদায় ললে তেতিয়া বেলি প্ৰায় মূৰৰ ওপৰ ছোওঁ ছোওঁ হৈছিল।

মাধৱদেৱৰ মন পুনৰ এক দুশ্চিন্তাত ভাৰাক্ৰান্ত হৈ পৰিল। হাতী-মাউতজনৰ অন্ধ সংস্কাৰাচ্ছন্ন মনটোৰ কথা ভাবি তেওঁৰ মনে মনে ভীষণ ভয় লাগিল। সাধাৰণৰ মনত কেতিয়া যে অকৃত্ৰিম চেতনাৰ উদয় হব! কেতিয়া যে উপলব্ধি কৰিব হৰিনামৰ প্ৰকৃত তাৎপৰ্য্য! অলৌকিকতাৰ অনুভৱে অন্ধ আনুগত্যৰ সৃষ্টি কৰে। প্ৰথমে অৱশ্যে তেনে এটা অনুভৱ একেবাৰেই যে প্ৰয়োজনীয় তেনে নহয়। আৰু অনিষ্টকৰো নহয়। কিন্তু এটা বিশেষ স্তৰত যদি ইয়াক বোধ কৰিব পৰা নহয়, তেন্তে ধৰ্মত অন্ধ গোড়ামি আৰু কুসংস্কাৰ সোমাই পৰাটো বোধ কৰিব পৰা নাযায়। আৰু তেনেদৰে ঘটিলে গুৰুজনাই যি আদৰ্শৰ বাবে জীৱনপাত কৰিলে সেই আদৰ্শ অচিৰে ভ্ৰষ্ট হৈ পৰিব।

নিমি-নৱ সিদ্ধত গুৰুৱে শুনোৱা সেই সতৰ্কবাণীলৈ বাৰে বাৰে মাধৱৰ মনত পৰিল।

স্বৰ্গসুখ আদি লোভ লগাই প্ৰথমত।
প্ৰবৰ্ত্তান্ত অজ্ঞানীক সকাম কৰ্মত॥
বাঢ়ে প্ৰীতি বেদৰ শুনিয়া ফলশ্ৰুতি।
পাছে সেহি কৰ্ম্মে তাৰ সাধিবে মুকুতি॥
যেন পিতৃ শিশুক লাড়ুৰ লোভ দিয়ে।
তাক পাইবো বুলি শিশু ঔষধকো পিয়ে॥
পাছে খণ্ড লাড়ুৱে গৰ্ভৰো ৰোগ হৰে।
সেহিমতে অজ্ঞানী বেদ শিক্ষা ধৰে॥

মাধৱ গভীৰ চিন্তাত নিমগ্ন হ'ল। বিমূঢ় হৈ গোবিন্দক সুধিলে—

কেনে বুজিলা হৰিভকত ?

কৰ্মৰ প্ৰাবল্য প্ৰভু! ভয় হয়, লাড়ুকে পৰমপদ বুলি ধৰি লয় কিজানি। কিন্তু প্ৰভু, মোৰ বোধেৰে চিন্তাৰ সকাম নাই। দোৰ্দণ্ডপ্ৰতাপী ৰজাঘৰীয়া হাতীমাউত এজনৰপৰা এই পোৱাই বহুত পোৱা।

ৰাজঘৰীয়া হাতীমাউত বৰ প্ৰতাপী চাগে ?

হাতীমাউত এনেয়ে প্ৰতাপী প্ৰভু। নাৱৰ নাৱৰীয়া, গাড়ীৰ গাৰোৱানক খং কৰিব পাৰি; নাওঁ নচলায়, বন্ধ কৰি থোৱা, গাড়ী নচলায়, ঘৰতে পেলাই ৰাখা। কিন্তু হাতীত এনেবোৰ নচলে প্ৰভু। হাতী জীৱন্ত প্ৰাণী। মুহূৰ্তে মুহূৰ্তে মাউত লাগিব। এপৰ মাউত নহলেও নচলে। গতিকে মাউতক ৰজাইও সৰু হৈ কথা কবলগীয়াত পৰে প্ৰভু।

মাধৱে গোবিন্দৰ কথা শুনি আমোদ পালে। গোবিন্দ আগৰ প্ৰসংগলৈ ঘূৰি আহি কলে—

প্ৰভু, বিহুত দেখাক দেখি পিঠা খাই খাই শিশুৰ হাগনি ৰোগ হোৱাৰ দৰে তেওঁৰ ৰোগ হৈছে। কিছু সময় লাগিব পাৰে, কিন্তু ৰোগমুক্ত হব যে ধুৰুপ।

কিন্তু মই যে ভয়মুক্ত হব পৰা নাই।

স্বাভাৱিক; চাৰিওপিনে বেদৰ পন্থ নষ্ট কৰি ফুৰা জ্ঞানীলোকৰ তো অভাৱ নাই। শিষ্যতকৈ গুৰুৰ সংখ্যা সৰহ হৈছে যেতিয়া ভয়ৰ কাৰণ নিশ্চয় থাকিব প্ৰভু।

মোৰ যজুৰ্বেদৰ সেই শ্লোকফাঁকিলৈ মনত পৰিছে। সেই যে বলি দিবলৈ অনা পশুটোক মন্ত্ৰ মাতি সান্ত্বনা দিয়া হয়—

যত্ৰ যান্তি সুকৃতো নাপি দুস্কৃত

স্তত্ৰ ত্বা দেৱঃ সৱিতা দধাতু

মৃত্যু বা অমংগল ঘটোৱাৰ অৰ্থে তোমাক হত্যা কৰা হোৱা নাই, হে পশু; তুমি এতিয়া সোঁ শৰীৰে দেৱতাগণৰ সান্নিধ্য লাভ

কৰিবা। আমি আশীৰ্বাদ কৰিছোঁ সবিতৃয়ে তোমাক এনে এক লোকপ্ৰাপ্তিৰে অনুগৃহীত কৰক, যি লোকত দুষ্কৃতসকলৰ প্ৰবেশাধিকাৰ নাই আৰু য'ত সুকৃত লোকৰ হে স্থান আছে।

কৰ্মকাণ্ডীসকলৰ প্ৰচাৰৰ মূল মন্ত্ৰ এয়ে প্ৰভু। অবিকল এনেদৰে সহজ-সৰল মানুহক তেওঁলোকে পথভ্ৰষ্ট কৰিছে। আমাৰো অৱশ্যে অন্তৰ্শুদ্ধিৰ আৱশ্যক নোহোৱা নহয়। আমাৰ মাজতো এনে কিছুমান—

গোবিন্দ থমকি ৰ'ল। ৰামচৰণ ঠাকুৰ যে ইতিমধ্যেই চোতালত উপস্থিত হৈছিলহি তেওঁৰ খবৰেই নাছিল। ৰামচৰণক দেখি মাধৱে প্ৰশান্ত হাঁহিৰে সম্ভাষণ জনালে। গোবিন্দ আগবাঢ়ি গ'ল। পীৰা-পানী যতনাই দিলে। গোবিন্দই কলে—

প্ৰভু, আজি ভালেই হ'ল। কালিৰপৰা অভুক্ত থকাৰ পাচত আজি ঠাকুৰৰ হাতে হাতীমাউতৰ সিধাটো কামত ভালদৰে লগা পৰা হব।

কালিৰপৰা অভুক্ত কিয় ?

ঠাকুৰ, দাৰিদ্ৰ্যৰ লক্ষণ কি জানানে ? সকলো সময়তে তেওঁলোকৰ কিবা নহয় কিবা এটা নাথাকে ? কেতিয়াবা মন আছে, ধন নাই, কেতিয়াবা ধন আছে, মন নাই। কিবা এটাৰ অভাৱ আছিল গুণেই খোৱা নহ'ল। কালিৰ হোৰ পিছে ঠাকুৰৰ কল্যাণত আজিয়েই তুলি লোৱা হব। ৰামচৰণে পেটে পেটে ভালেই পালে। ৰামচৰণে কেৱলীয়া জীৱন গ্ৰহণ কৰি মাধৱৰ লগতে থাকি চাউল কঠী সিজাই নিজেও খাই-খুৱাই মাধৱৰ গুৰুভাৰ ক্ৰমে লাঘৱ কৰাৰ কথা কৈছিল। কিন্তু ৰামচৰণে গৃহী হোৱাৰ সংকল্প গ্ৰহণ কৰাত মাধৱে নিশ্চয় মনে মনে আদৃত হৈছিল। ৰামচৰণে ভাবিলে, আজি মাধৱক বান্ধি খুওৱাৰ এই সুযোগ তেওঁ সহজে এৰি নিদিয়ে। ৰামচৰণে মুখ ফুটাই একো নকলে, মাথোন দ্ব্যৰ্থবোধক উত্তৰ এটা দিলে—

সেইবোৰ হৰচোন পিচতো। মই এটা বিশেষ কথাৰ কাৰণেহে আহিছিলোঁ।

কিঁ সকামত কোৱাচোন ভাগিন!

আসনত নবহি কঁকালত হাত দি থিয় হোৱা অৱস্থাৰেই ৰামচৰণে কলে—

হীৰামণিহঁতৰ কথাটোৰ বিষয়ে মোৰ হলে সন্দেহ নিৰসন নহ'ল।

কৈ যোৱা, ক'ত তোমাৰ সন্দেহ।

মামা, দ্ৰোণ গুৰুৱে একলব্যক অস্ত্ৰ শিক্ষা দিয়া নাছিল।

নাছিল; তাৰ কাৰণো আছিল। অস্ত্ৰ শিক্ষাৰ প্ৰয়োজন সাৰ্বজনিক নহয়। কিন্তু ধৰ্মৰ প্ৰয়োজন সাৰ্বজনিক। অস্ত্ৰৰ লক্ষ্য হ'ল ধ্বংস। আৰু ধৰ্মৰ লক্ষ্য হ'ল ৰক্ষা।

কিন্তু যিবোৰক ধৰ্ম দিলে ধৰ্মৰ লক্ষ্য ভ্ৰষ্ট হোৱাৰ আশংকা থাকে—

সেই হিচাবটো যুগে যুগে আমাৰ ভুল হৈ আহিছে। হৰিভকতে সিদিনা অলপতে একলব্য আৰু অৰ্জুনৰ কথা কওঁতে সেই সম্বন্ধে দিয়া ইংগিত তুমি নিশ্চয় পাহৰি যোৱা নাই।

সেইবোৰ শাস্ত্ৰসম্মত উক্তি নহয়। অশাস্ত্ৰীয় কথাত মূৰ ঘোলা কৰাৰ আহৰিও আমাৰ নাই।

কিন্তু ঠাকুৰ—কেৱলস্ শাস্ত্ৰম্ আশ্ৰিত্য ন কৰ্তব্যো বিনিৰ্ণয়। শাস্ত্ৰত নাথাকিলেই কথা অশাস্ত্ৰীয় নহয়; তেনেহলেতো গুৰুজনাৰ দ্বাদশ স্কন্ধৰ "শূদ্ৰ সব অনেক কৈৱৰ্ত আদি কৰি" এই পদটো শাস্ত্ৰ সম্মত নহয় বুলি বাদ দিব লাগিব। কিয়নো ভাগৱতৰ মূলত সকলো মানুহেই শূদ্ৰৰ দৰে অসাধু হব, কলিত শূদ্ৰৰহে প্ৰতিপত্তি বাঢ়িব এনে কথাহে আছে।

ভাগৱতৰ মূলত চোৱাৰ সৌভাগ্য আমাৰ এতিয়াও হোৱা নাই।

আমাৰ ইতিমধ্যে হৈছে ঠাকুৰ; কিন্তু শাস্ত্ৰ পঢ়া আৰু শাস্ত্ৰ মথা দুটা সুকীয়া কথা।

নলাগে ভক্তিত দেৱ দ্বিজ ঋষি হইবে।
নলাগে সস্কৃত শাস্ত্ৰ বিস্তৰ জানিবে॥

শাস্ত্ৰ ইমান জনাৰ প্ৰয়োজন নাই; নিজৰ বিবেচনা শক্তি প্ৰখৰ আৰু গভীৰ হলেই হ'ল।

কিন্তু হৰিভকত, ধৰ্মৰ লক্ষ্যভ্ৰষ্ট হোৱাৰ আশংকা ৰামচৰণে অনৰ্থক কৰা নাই।

যথাৰ্থভাৱেই কৰিছে প্ৰভু; কিন্তু আকৌ লক্ষ্যভ্ৰষ্ট হোৱাৰ আশংকা থকা দেখি ধৰ্মৰপৰা বঞ্চিত কৰাটো জানো আদৰ্শ-বিৰোধী নহব প্ৰভু?

তুমি ঠিকেই কৈছা হৰিভকত, জ্ঞানৰ আড়ষ্টতা নাথাকিলেহে ভক্তি সিজে।

পৰম জ্ঞানী বিচাৰি বিচাৰি ধৰ্ম দিবলৈ গলে আমাৰ ধৰ্মৰ অৱস্থা যে কি হবগৈ ভাবিবলগীয়া কথা।

গোবিন্দৰ প্ৰশ্নবাণলৈ কৰ্ণপাত নকৰি ৰামচৰণে কলে—

মামাই এওঁলোকক দীক্ষা দিয়াৰ আগতে ধৰ্মৰ ব্যভিচাৰ হোৱাৰ পথকেইটা চিন্তা কৰি চোৱা।

পথকেইটা আকৌ? পথ কেৱল এটাহে।

গোবিন্দৰ প্ৰগলভতা ৰামচৰণৰ অসহ্য হ'ল। ৰামচৰণে ধৈৰ্য্যেৰে কলে—

পথটো দেখুৱাই দিলে কৃতাৰ্থ হওঁ।

পথ অনুসৰণ কৰা নহয় বুলি আশ্বাস পালে দেখুৱাই দিব পৰা হব। মাধৱে কথা বিষম দেখি মাজত সোমাই পৰি কলে—

কোৱাচোন হৰিভকত, তোমাৰ মতে কি সেই পথ?

জ্ঞানান্ধতা প্ৰভু। অপূৰ্ণ জ্ঞানে মানুহক অহংভাব দিয়ে প্ৰভু। তেতিয়া মনৰ প্ৰাবল্য হয় প্ৰভু আৰু চিত লোপ পায়। ব্যভিচাৰৰ

একমাত্র পথ সেয়ে বাপ। তোমাৰো সেয়ে হৈছে বুলি সন্দেহ হৈছে বাপ।

• ৰামচৰণক ইমান পোনপটি আক্রমণ কৰাত মাধৱে প্রমাদ গণিলে। এইমাত্র ভীষণ কিবা এটা ঘটি যাব পাৰে বুলি মাধৱ মনে মনে সন্ত্রস্ত হ'ল। ৰামচৰণ কিন্তু মনে মনে থাকিল। কিবা এটা অন্তৰ্দ্বন্দ্বত বিমূঢ় হৈ পৰা যেন অনুমান হ'ল। গোবিন্দ এইবাৰ সহজ হ'ল আৰু কলে—

চোৱা বাপ। আন্তৰিক নিষ্ঠাই হ'ল ভক্তি। অপূর্ণ জ্ঞানীয়ে বুদ্ধিক প্রয়োগ কৰে। আৰু অজ্ঞানী আৰু পৰমজ্ঞানীয়ে প্রয়োগ কৰে চিত্তক। মন বুদ্ধি চিত্ত অহংকাৰ এই চাৰি বস্তুৰ ভেদ গুৰুজনাই অনাদিপাতনত থৈ দিছে। মনৰ প্রাবল্য ভীষণ বাপ—

"মনে পাপ পুণ্য স্বর্গ মনেসে নৰক
মনেসে কৰিছে ভেদ আপোন পৰক।
....
মনুষ্যৰ মনে মোক্ষ বন্ধৰ কাৰণ।"

মনৰ প্রাবল্য হ'ল অন্ধতা আৰু চিত্ত হ'ল অন্তর্দৃষ্টি।

মাধৱে গোবিন্দৰ কথা শুনি পৰম সন্তোষ লভিলে। গোবিন্দৰ পাণ্ডিত্যপূর্ণ ব্যাখ্যা শুনি পুলক অনুভৱ কৰিলে আৰু ৰামচৰণক লক্ষ্য কৰি কলে—

চোৱা ৰামচৰণ। তুমি মোৰ কেৱল আত্মীয়েই নহয় পৰম ভকতো। তোমাৰ আগততো মোৰ গোপনীয় একো নাই। মোৰ ওচৰলৈ কেৱল হীৰামণিয়েই নহয়, তুলসীও আহিছে।

তুলসী? তুলসী আকৌ কোন?

হীৰামণিৰ পত্নী তুলসী। উদ্ভিন্ন যৌৱনা। এখন সন্তানহীন সংসাৰৰ হৰিণী তুলসী। মোৰ ওচৰলৈ নিতৌ আহে। তাইও মোৰ ওচৰত বিচাৰিছে নামধর্মৰ দীক্ষা। আৰু বিচাৰিছে সেই নিঃসন্তান ঘৰখনৰ কাৰণে আশীর্বাদ। তুমি কোৱাচোন মই কি কৰিম?

তুমি প্ৰত্যাখ্যান কৰিবা। নাৰীক তুমি ধৰ্ম দিব নোৱাৰা। গুৰুৰ নিষেধ আছে। এই নিষেধ অমান্য কৰি যদি তুমি দিয়া তেন্তে গুৰুৰ অভিশাপে তোমাক ছুব।

মাধৱে হাঁহি হাঁহি কলে—

চোৱা ভাগিন, অভিশাপ প্ৰকাশ্যে, অপ্ৰকাশ্যে বহুবাৰ পালোঁ। আকৌ যদি কিবা নতুন অভিশাপ আছে আহক। এটা নতুন অভিজ্ঞতাই হব। পিছে মই সেইটো ভবা নাই। কিয়নো গুৰুদেৱে নাৰীক ধৰ্ম দিবলৈ কতো নিষেধ কৰা নাছিল।

ৰামচৰণে মোমায়েকৰ কথাষাৰ শুনি থতমত খালে। প্ৰতিবাদ জনাবলৈ যোৱাৰ আগতে খন্তেক চিন্তা কৰি ললে।

মই বুজিছোঁ, কিয় তোমাৰ সন্দেহ হৈছে ভাগিন, "আনীজনে কামিনীৰ সংগ এৰে" বুলি কোৱা কথাষাৰৰ উল্লেখ থকা কাৰণেই তুমি সন্দেহমুক্ত হব পৰা নাই।

মাধৱে সেইদিনা গোবিন্দই উল্লেখ কৰা যুক্তিসমূহকে ৰামচৰণৰ আগত দাঙি ধৰিলে। তেওঁ নিৰ্বাক মনোযোগেৰে শুনিলে আৰু মাধৱৰ কথাৰ শেষত সন্তৰ্পণে এটা হুমুনিয়াহ কাঢ়িলে। মাধৱে গোবিন্দৰ পিনে চালে আৰু ৰামচৰণক খন্তেক উপলব্ধিৰ কাৰণে অৱকাশ দিলে। তাৰ পিচত লাহে লাহে কৈ গ'ল—

মই তুলসী আৰু উৰ্বশীত একো ভেদ নেদেখোঁ। বহুদিন তাই মোৰ ইয়ালৈকে আহিছে; তাইক বহুদিনৰ বিভিন্ন মুহূৰ্তত ঘনিষ্ঠভাৱে পাইছোঁ। কিন্তু প্ৰতি মুহূৰ্ততে যেতিয়া মই তাইৰ সুন্দৰ মুখাবয়বলৈ চাওঁ, আবেশ মুদ্ৰিত অক্ষিপল্লবলৈ লক্ষ্য কৰোঁ, চাকিৰ ম্লান পোহৰতো স্পষ্ট হৈ উঠা সীমন্তৰেখাত দৃষ্টি পেলাওঁ, মোৰ অন্তৰ উৰ্বশীৰ স্মৃতিৰে আন্দোলি উঠে। তুলসী-উৰ্বশী মোৰ মানত একাকাৰ হৈ পৰে ৰামচৰণ।

সেয়া এক মনৰ দুৰ্বলতা, বা গোবিন্দই কোৱাৰ দৰে মনৰ প্ৰাবল্য।

আৰু সেইবাবেই তুলসী-হীৰামণিহঁতক দীক্ষা দিবলৈ কোৱা হৈছে ৰামদাস আতৈক। নিজে দিব খোজা নাই।

গোবিন্দই কথাবোৰ ইমান নিয়াৰিকৈ ভাবি থোৱা দেখি মাধৱ মনে মনে আশ্বস্ত হ'ল। গুৰুৰ এনে মনৰ প্ৰাবল্যই তেওঁৰ নতুন জন্ম দিছিল। আৰু হঠাৎ গোবিন্দৰ কথাষাৰ শুনি তেওঁ বিস্ময় বিস্ফোৰিত নেত্ৰে গোবিন্দৰ মুখলৈ চালে। গোবিন্দই কৈছিল—

গুৰুৰ এনে মনৰ প্ৰাবল্য আকৌ অস্থিৰ প্ৰাবল্য নহয়। গতিকে ই সৃষ্টি কৰে বাপ। যেনে আমাৰ প্ৰভুৰ মনৰ প্ৰাবল্যই তোমাৰ নতুন জন্ম দিলে।

ৰামচৰণ সঁচাকে এইবাৰ চমকিত হ'ল। গোবিন্দৰ অকাট্য যুক্তি শুনি তধা লাগি ৰ'ল। খন্তেক নীৰৱতাৰ পাচত ৰামচৰণ মাধৱৰ সমুখলৈ আহি সাষ্টাংগে প্ৰণিপাত কৰি কলে—

মোৰ অজ্ঞানতা ক্ষমা কৰা প্ৰভু, মই অনুতপ্ত।

মাধৱে ৰামচৰণৰ শিৰত হাত থৈ আশীৰ্বাদ দিলে। ৰামচৰণ আঁতৰি যোৱাৰ পাচতো বহুত পৰলৈকে মাধৱে সম্মোহিতজনৰ দৰে নিশ্চুপ হৈ আসনতে বহি থাকিল।

ৰ'দ চোকা হৈ আহিছিল। মাধৱৰ মূৰত হঠাৎ বৰ গৰম অনুভৱ কৰিলে। গোবিন্দ ৰামচৰণ ভিতৰত ব্যস্ত হৈ আছিল। মাধৱে চাৰিওপিনে চালে। আৰু বগিয়াল ফুলজোপাত দৃষ্টি পৰাত বৈ গ'ল আৰু উঠি লাহে লাহে তাৰ ছাঁত থিয় হ'ল। মনত পৰিল বহুদিনৰ আগতে গুৰুজনাই কোৱা কথা এষাৰ—

বুজিছা বঢ়াৰ পো, ৰঙা ৰং, প্ৰত্যাশাৰ প্ৰতীক, অশোক, জবা, কৃষ্ণচূড়া, শিমলু, পলাশ, এজাৰ, মদাৰ সকলোবে ফুল ৰঙা। কিন্তু বগিয়াল ফুলৰ কজলা পাতৰ সিৰে সিৰে প্ৰস্তুতিৰ যি মাদকতা আছে সেই মাদকতাৰ স্পৰ্শ আন কোনো ফুলতেই তুমি নোপোৱা।

মাধৱৰ হঠাতে তুলসীৰ স্বাস্থ্যোচ্ছল মুখখনলৈ মনত পৰিল। তেওঁ লৰালৰিকৈ ঘৰৰ ভিতৰ সোমাল আৰু অসমাপ্ত নামঘোষাখন

উলিয়াই ললে। কেইখাকিমান অনুবাদ কৰাৰ পাচতে তেওঁৰ পুনৰ মনোভংগ হ'ল। বাহিৰত কাৰোবাৰ সঁহাৰি পোৱা গ'ল। মাধৱ বিৰক্ত হৈ পৰিল। মানুহ তেওঁৰ ওচৰলৈ যি কোনো সাধাৰণ সমস্যাৰ কাৰণেও অহা কৰিছে। তেওঁ কিবা এষাৰ কৰ খুজিও নিৰস্ত হ'ল। গোবিন্দৰ কথা এষাৰ মনত পৰিল। শ্ৰীৰামাধৱ, গোবিন্দ তাঁতীৰ কথা লৈ খং কৰাত গোবিন্দই কৈছিল যে তেওঁৰ ওচৰলৈ আহিবৰ তেওঁলোকৰ অখণ্ড অধিকাৰ আছে। সেই অধিকাৰ তেওঁলোকে লাভ কৰিছে, তেওঁৰ প্ৰতি থকা অকুণ্ঠ শ্ৰদ্ধাৰ বিনিময়ত। কিন্তু তেওঁৰ ভয়ো হয়; সংগঠনৰ বাবে যি নব নব সৃষ্টিৰ প্ৰয়োজন তাৰ বাবে লাগে অৱকাশ; দেহ-মনৰ প্ৰচুৰ বিশ্ৰান্তি। মাধৱ তাৰ পৰা দিনে দিনে হৈ আহিছে বঞ্চিত। চিন্তাকুল হৈ মাধৱ উৎকৰ্ণ হৈ ৰ'ল।

কিন্তু আগন্তুক কৃষ্ণ খনিকৰৰ কথা যেতিয়া শুনিলে মাধৱ হাঁহিত ৰৰ নোৱৰা হৈ পৰিল। গোবিন্দ ওচৰত বৈ আছিল। তেওঁ সপ্ৰশ্ন দৃষ্টিৰে মাধৱৰ মুখলৈ চালে।

আমাৰ কৃষ্ণ খনিকৰে ৰাসক্ৰীড়াৰ পদ ভুলকৈ বুজিছে বোধকৰোঁ হৰিভকত। সেই যে, "সজল মেঘ মাধৱৰ কায়"। সেই সজল মেঘৰ কায়ৰ গৰাকী মাধৱক বিচাৰি ভূঞা গোবিন্দগিৰিৰ পুত্ৰ এই মাধৱৰে ওচৰ চাপিছেহি।

কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্তা পদ কমলৰ
দাসৰো দাস তান দাস ভৈলো আমি॥

আমাক উপহাস নকৰিবা প্ৰভু। এখন্তেক কাল আমাক দিলেই হব। গোবিন্দই' কথাষাৰ শুনি কৃষ্ণ খনিকৰৰ উপস্থিত বুদ্ধিৰ প্ৰশংসা কৰিলে। আজি বাদে কালিলৈ যুৱৰাজ অহাৰ কথা। ৰঙিয়াল ঘৰৰ মূল দুৱাৰৰ ওপৰত শ্ৰীৰামচন্দ্ৰৰ পট কটাৰ বাবে ভকতসকলে খনিকৰক ধৰিছে। খনিকৰে প্ৰতিশ্ৰুতিও দিলে; কিন্তু ৰামচন্দ্ৰৰ পট পায় ক'ত? ভাবি ভাবি নিৰুপায় হৈ সুধিলে

গোপাল আতাক। গোপাল আতাই কাণত ফুচ্‌ফুচাই দিলে এই মন্ত্ৰযাৰি। যে সকু আতা অৰ্থাৎ মাধৱদেৱৰ হুবহু পট আঁকি দিয়া, সৈয়ে শ্ৰীৰামচন্দ্ৰৰ পট হ'ব। তাকেই খনিকৰ আহিছে লৰবি মাধৱদেৱৰ ওচৰলৈ কৃপাপাত্ৰ হৈ।

গোবিন্দই ভক্তি গদগদ চিত্তে শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনা কৰাত লাগিল—

প্ৰসন্ন মুখ পংকজৰ জ্যোতি। কৌস্তুভ কণ্ঠে গলে গজমতি॥
মকৰ কুণ্ডলে উজ্জ্বল গণ্ড। প্ৰকাশে চাৰু চাৰি ভুজ-দণ্ড॥
কিৰীটি ৰত্ন কৰে কান্তি। উৰুস্থলে জ্বলে শ্ৰীবৎস পান্তি॥
শ্যামতনু তাতে পীত বসন। বিজুলী ৰঙ্গে যেন নৱ ঘন॥
কটি-তটে কাঞ্চী-ৰত্নৰ জ্বালা। আপাদ লম্বী গলে বনমালা॥

আৰু চোৱা হৰিভকত, সেই ৰূপ বিচাৰি তেওঁ আহিছে এই গৌৰতনু মাধৱৰ ওচৰলৈ।

ঠিকেই আহিছে প্ৰভু। অলংকাৰ, বসন-ভূষণ এনেবোৰ কথা প্ৰপঞ্চহে প্ৰভু। মূল ঠিকেই ধৰিছে।

মাধৱে দ্বিৰুক্তি নকৰি আগৰ ঠাইতে বহি থাকিল। কৃষ্ণ খনিকৰে বেছি সময় নললে। মাধৱে গম ধৰিব নোৱৰাকৈ কথাৰ লাচতে মাধৱৰ পট এচলা কাঠত লৈ গ'ল। খনিকৰে যাবলৈ উঠাত মাধৱৰ কৌতূহল হৈছিল নিজৰ পটখন এবাৰ চাই লোৱাৰ। কিন্তু অপৰিসীম সংকোচ বোধ কৰি একো নকলে।

ৰামচৰণ থাই-বৈ আবেলি যাবলৈ সাজু হ'ল। মাধৱৰ ওচৰলৈ গৈ প্ৰণাম জনাই কলে—

আমাৰ হয়তো আৰু বহুদিন অহা নহ'ব। খন্তেক তত্ত্বকথা লৈ যাব খোজোঁ।

মাধৱ গহীন হৈ পৰিল আৰু কোনো পাতনি নেমেলাকৈ কিবা এটা আবেশত চকু দুটা মুদি নীৰৱ-নিস্পন্দ হৈ থাকিল। সেই নীৰৱতাই সমগ্ৰ পৰিবেশটো বাঙ্ময় কৰি তুলিলে। কিবা এক অনিৰ্বচনীয় বাঙ্ময়তাই পৰিবেশটো ৰহস্যঘন কৰি পেলালে মুহূৰ্তৰ

ভিতৰতে। হঠাৎ গম্ভীৰ কণ্ঠত মাধৱৰ মুখেদি নিঃসৃত হ'ল ভাগৱতৰ সেই অমোঘ বাণী—

অহমেবাসমেবাগ্রে নান্যৎ যৎ সদসৎ পৰম্।

পশ্চাদহং যদেতচ্চ যোঽৱশিষ্যেৎ সোঽস্ম্যহম্॥

এই চৰাচৰ সৃষ্টিৰ পূৰ্বে ময়েই আছিলোঁ, স্থূল সূক্ষ্ম কাৰ্য্য-কাৰণাত্মক যিহকে দেখিছা সেইবোৰ তেতিয়া একোৱেই নাছিল। এতিয়া যি আছে আৰু ভৱিষ্যতে যি অৱশেষ থাকিব সেই সমস্ত ময়েই।

কিন্তু পৰম ব্ৰহ্ম স্বভাৱতে নিৰ্গুণ! ভাগৱতে সেই সন্দেহো ভঞ্জন কৰিছে—

নাৰায়ণে ভগবতি তদিদং বিশ্বমাহিতম্।

গৃহীত মায়োৰুগুণঃ সৰ্গাদাবগুণঃ স্বতঃ॥

পৰমব্ৰহ্মতে নিহিত এই জগত। তেওঁ স্বভাৱতে নিৰ্গুণ হলেও সৃষ্টিৰ প্ৰাৰম্ভতে মায়া উপাধি লৈ সগুণ হয়।

কিন্তু কেনেকৈ? তাৰ উত্তৰ দিছে সুন্দৰ উপমাৰে শ্বেতাশ্বতৰ উপনিষদে—

যস্তূৰ্ণনাভ ইব তন্তুভিঃ প্ৰধানজৈঃ

স্বভাৱতো দেৱ একঃ স্বমাবৃনোৎ।

মকৰাই নিজে জাল তৰি নিজকে আবৃত কৰাৰ দৰে অদ্বিতীয় পৰমব্ৰহ্মই প্ৰধানজ জালত নিজকে আবৃত কৰি থয়।

সেই পৰমব্ৰহ্মৰ তেজ কি? শক্তি কি? স্বৰূপ কি?

গীতাত সেই সন্দেহ নিৰসন কৰিবৰ প্ৰয়াস কৰা হৈছে এনেদৰে—

দিৱি সূৰ্য্যসহস্ৰসৎ ভৱেৎযুগপদুত্থিতা।

যদিভাঃ সদৃশী সাস্যাদ্ভাসস্তস্য মহাত্মনঃ॥

নভোমণ্ডলত যদি সহস্ৰ সহস্ৰ সূৰ্য্যৰ যুগপৎ উদয় হয়, সেই জ্যোতি হয়তো পৰম ব্ৰহ্মৰ কান্তিৰ সদৃশ হব পাৰে।

আকৌ কঠোপনিষদত কোৱা হৈছে—

ভয়াদস্যাগ্নিস্তপতি ভয়াৎ তপতি সূৰ্য্যঃ।
ভয়াৎ ইন্দ্ৰশ্চ বায়ুশ্চ মৃত্যুৰ্ধাবতি পঞ্চমঃ॥

যাৰ ভয়ত অগ্নিয়ে তাপ দিছে, সূৰ্য্যই দিছে পোহৰ, ইন্দ্ৰ, বায়ু আৰু মৃত্যুৱে যাৰ ভয়ত কম্পমান তেৱেঁই পৰমব্ৰহ্ম।

প্ৰভু, গুৰুজনাই কীৰ্তনতো কৈছে—

পলায় জগতৰ মৃত্যু যি প্ৰভুক ডৰে।
যাৰ ভয়ে চন্দ্ৰ সূৰ্য্য পবন সঞ্চৰে॥

তুমি ঠিকেই কৈছা ৰামচৰণ। কিন্তু ব্ৰহ্মৰ এই বিৰাট স্বৰূপক আমি উপলব্ধি কৰোঁ মায়াৰ যোগেদিহে। এই মায়া আকৌ কি?

অবস্তুক দেখাৱয় বস্তুক আৱৰি।
এহিসে মোহোৰ মায়া জানা নিষ্ঠা কৰি॥

মাধৱে কৈ গ'ল কিদৰে ভগৱতৰ আদৰ্শক আশ্ৰয় কৰি ভগৱতী ধৰ্মৰ ভেটি ৰচা হৈছে আৰু কিয় এই ভাগৱত শাস্ত্ৰক পুৰাণ সূৰ্য্য বুলি উল্লেখ কৰা হৈছে। এই ভাগৱতৰ বুকুতে কিদৰে অদ্বৈতবাদ আৰু সাংখ্যদৰ্শনৰ এক মধুৰ সমন্বয়সাধন কৰাৰ বাবে প্ৰয়াস কৰা হৈছে। একমাত্ৰ সৎ বস্তু পৰমব্ৰহ্ম হলেও আমাৰ চৌদিশে থকা—যত জীৱ জন্তু কীট-পতঙ্গ অগ নগ জগ তেৰী কায়া—এই লীলাৰ প্ৰকাশ বিভিন্ন অবস্তুবোৰৰো অস্তিত্ব স্বীকাৰ কৰি লোৱা হৈছে।

কিন্তু সাংখ্য পুৰুষৰ যি পৰিকল্পনা তাৰ লগত ভাগৱতী মতবাদৰ অনাদি পুৰুষৰ যি উপলব্ধি সেয়া একে নহয়। সেই অনাদি পুৰুষ হ'ল সবাতোকৈ উত্তম একমাত্ৰ সত্য। প্ৰকৃতি তেওঁতে লীন হয়—

তোমাৰ আমাৰ কিছু নাহি ভিন্না ভিন্ন।
মোত যাতো লীন যাহা এহি মাত্ৰ হীন॥

এতিয়া প্ৰশ্ন হ'ল ভাগৱত ধৰ্ম আচৰণৰ কি উপায়? গুৰুজনাই তাৰ সহজ পন্থা দি থৈ গৈছে এইদৰে—

হুয়া শৌচ কৰা নিতে মনক সংযম।
দিয়া দান সমস্তকে বুদ্ধি কৰা সম॥

পৰৰ ধৰ্মক নিহিংসিবা কদাচিত।
কৰিবা ভূতক দায়া সকৰুণ চিত্ত॥
হুইবা শান্ত চিত্ত সৰ্বজনত বৎসল।
এই ভাগৱত ধৰ্ম জানা মহাবল॥

এই যে সৰ্বজন, সমস্ত আৰু সৰ্বভূতত বৎসল হবলৈ, সমবুদ্ধি কৰিবলৈ, সকৰুণ চিত্ত হবলৈ কোৱা হৈছে, তাৰ একমাত্ৰ হেতু হ'ল এই সকলোবোৰ "তৈৰী কায়া", পৰমব্ৰহ্মৰ অংশস্বৰূপ; মাত্ৰ মায়াৰ আৱৰণৰ মাজেদি চাবলগীয়া হোৱাত ভিন্ন ভিন্ন ৰূপত দৃষ্ট হৈছে।

প্ৰপঞ্চ জগতৰ বুকুত বিচৰণ কৰা প্ৰাণী হিচাপে সকলোতে সমভাৱ হোৱাত যথেষ্ট কাঠিন্য পোৱা হব। গুৰুজনাই সেই বাস্তৱ উপলব্ধি কৰি তাৰো উপায় দিছে ভক্তি প্ৰদীপত—

সমস্তে ভূতত সমভাৱ হোৱা সখি॥
তাকো যেবে নপাৰা ঈশ্বৰ জ্ঞান ধৰা।
তাকো নপাৰাহা যেৱে যোগক আচৰা॥

যদি যোগ, জ্ঞান আদিও তোমাৰ আয়ত্ত নহয়, তেন্তে?

সমস্তে ধৰ্মক বিদূৰতে পৰিহৰি।
স্মৰিয়ো মোহোৰ নাম মহাযত্ন কৰি॥

কিয়নো—নিত্য নৈমিত্তিক, যত জাতি ধৰ্ম আশ্ৰমৰ যত কৰ্ম।
কৃষ্ণত অৰ্পিলে জানা সিও হোৱে মহা ভাগৱত ধৰ্ম॥

কথাবোৰ শুনি শুনি গোবিন্দ আৰু ৰামচৰণ তন্ময় হৈ পৰিছিল। মাধৱো তন্ময় হৈ গৈছিল এটা পৰম বাঞ্ছনীয় বিষয়ত ব্যাপৃত হবৰ সুযোগ লাভ কৰি। তেওঁ ব্যাখ্যা কৰি গ'ল কিদৰে কেৱল শ্ৰীমন্ত শংকৰেহে সমাজৰ ধৰ্ম প্ৰচেষ্টাক ইমান সহজে আচৰণীয় কৰি তুলিলে। ধৰ্মৰ নেতৃত্ব, ধৰ্মৰ অংশগ্ৰহণকাৰিতা ইয়াৰ আগতে আছিল সমাজৰ মধ্যমণিসকলৰ হাতত ন্যস্ত; বিশিষ্ট এক অংশৰ হাতত গচ্ছিত। শংকৰে সেই নিষিদ্ধ অমৃতৰ ভাণ্ড ভাঙি দিলে আৰু মাটিৰ মানুহৰ মাজলৈ অমৃত প্ৰবাহ বোৱাই আনিলে।

নৱবিধ ভক্তিৰ মাজত সেয়ে তেৰাই বাছি ললে শ্ৰৱণ কীৰ্তনক। দুটা সহজে পালনক্ষম পন্থাক।

কথা শেষ হোৱাৰ পাচত ৰামচৰণে ক্ষুব্ধ তৃপ্তিৰে মাধৱৰ পিনে চাই থাকিল। মনৰ সন্দেহ একো বিচাৰি নাপালে, কিন্তু হৃদয়ত কিছুমান অবিশ্লেষণীয় আসোঁৱাহ অনুভৱ কৰিলে।

মাধৱ অলৰ অচৰ হৈ বহি থাকিল। ৰামচৰণৰ প্ৰণামৰ উত্তৰতো কোনো প্ৰতিক্ৰিয়া দেখা নগ'ল। তেওঁ যোৱাৰ বহুত পৰৰ পাচত মাধৱে সন্তৰ্পণে গোবিন্দৰ ফালে চালে আৰু ৰামচৰণক নেদেখি হঠাৎ উদ্বিগ্ন হৈ পৰাৰ দৰে কলে—

বুজিছা হৰিভকত, তেহিনো দিবসা গতা। আগৰ সেই দিন নাই। ৰামচৰণৰ কাৰণে সঁচাকে দুখ লাগিছে। কেন উপনিষদত ইন্দ্ৰৰ আৰু ব্ৰহ্মাৰ সেই সাধুটো মনত পৰিছে। ইন্দ্ৰই অনায়াসে ব্ৰহ্মক লাভ কৰিছিল। অনায়াসে বুলি কলেও অত্যুক্তি হয়। দৰাচলতে ব্ৰহ্ম আহি নিজেই ধৰা দিছিল। গোবিন্দই মুগ্ধমনেৰে শুনি গ'ল মাধৱৰ শ্ৰুতিৰ কাহিনী। কিদৰে হৈমৱতী উমাই ইন্দ্ৰক অতিক্ৰম কৰিছিল আৰু কিদৰে ব্ৰহ্মাই ছদ্মবেশ ধৰি অগ্নি আৰু বায়ুৰ গৰ্ব খৰ্ব কৰিছিল। পৰিশেষত উমাৰ সাহায্যত ইন্দ্ৰই জানিব পৰিছিল ব্ৰহ্মৰ স্বৰূপ।

জনাৰ আকাংক্ষা মানুহৰ যুগে যুগে সৃষ্টি হৈছে। আৰু বৃহদাৰণ্যক উপনিষদে কবৰ দৰে—

য এতদ্ বিদুৰমৃতাস্তে ভবন্তি।
ইতৰে দুঃখমেবাপি যন্তি॥

যেয়ে জানিছে সেয়ে অমৰত্ব লাভ কৰিছে, আৰু আনবোৰে দুখতেই কাল কটাবলগীয়াত পৰিছে।

গোবিন্দয়ো সন্দেহ কৰিছে ৰামচৰণৰ সেই আকাংক্ষা পূৰ্ণ হব জানো কাহানিবা? ৰামচৰণ জ্ঞানী, কিন্তু পৰম জ্ঞানৰ পূৰ্ণতা প্ৰাপ্তি সুদূৰপৰাহত। তদুপৰি ৰামচৰণে যি পৰিবেশ বাছি

কৰে সেই পৰিবেশ পৰম জ্ঞানৰ অনুশীলনৰ কাৰণে অনুকূল নহয়।

গোবিন্দই বুজে, জ্ঞানী কাৰণে ৰামচৰণে বিচাৰে উপলব্ধি কৰিবলৈ; সাধাৰণ মানুহৰ দৰে অন্নভৰতে সন্তুষ্ট থাকিব নোখোজে। আৰু মাধৱৰ দুশ্চিন্তাৰ হেতুও হ'ল ঠিক এইটোৱেই।

গোবিন্দ আৰু মাধৱ দুয়ো এসময়ত নীৰৱ-নিশ্চল হৈ পৰিল। আবেলিৰ বেলিও ক্ৰমে নিস্তেজ নিষ্প্ৰভ হৈ আহিল। জাক জাক টিয়া-চৰাই কোঢ়াল কৰি আকাশ পথেদি বাহলৈ ঘূৰি আহিছিল। মাধৱে খোলা দুৱাৰেদি বাহিৰলৈ চাই পঠিয়ালে। ঘৰৰ ছাঁটোৱে বহুত দীঘল হৈ ৰঙিয়াল ফুল, চোতালৰ তুলসী আৰু সৰিয়হভৰাৰ ভালেখিনিলৈকে ঢাকি ধৰিছিল।

গাত্ৰোত্থান কৰি মাধৱে কলে—ব'লা, হৰিভকত, আজি বিলতে স্নান কৰি আহোঁ।

কথাষাৰ কোৱাৰ লগে লগে মাধৱে বিলৰ কাষৰ জাৰণিখনলৈ চাই পঠালে। দেখিলে উত্তেজিত হৈ এদল মানুহে লৰি-ঢাপলি জাৰণিখনৰপৰা ওলাই তেওঁলোকৰ পিনে পোনাই আহিব লাগিছে। মাধৱে গোবিন্দৰ পিনে চালে। ইতিমধ্যে গোবিন্দও ঘটনাটোৰ সবিশেষ অনুমান কৰিবৰ কাৰণে উৎকৰ্ণ হৈ ৰৈ আছিল। দুয়ো উদ্বেগেৰে মানুহৰ দলটো ওচৰ চপালৈ বাট চাই থাকিল।

॥ দ ॥

যুৱৰাজে ভকতসকলৰ আমন্ত্ৰণ গ্ৰহণ কৰিলে আৰু নিৰ্দিষ্ট দিনত তাঁতীকুছি পালেহি। নাওঁ যেতিয়া পুবৰ খট্‌খটি ঘাটত চাপেহি, বৰবিষ্ণু আতৈ প্ৰমুখ্যে জনদিয়েক ভকত অঞ্চলৰ ৰাইজসহ তাত উপস্থিত আছিল। পুৱাতে মথুৰাদাস নিজেই আহি ঘাটৰ পিৰিবোৰ চাই গৈছিলহি। অৱশ্যে যুৱৰাজ অহাৰ সময়ত তেওঁ এবাৰ নোৱাৰা কামত কীৰ্তনঘৰত ব্যস্ত থাকিবলগীয়া হোৱাত ঘাটলৈ আহিব নোৱাৰিলে। পুৱাৰে পৰা তেওঁ অকলেই এশজন হৈ মানুহবোৰৰ লগত লাগি আছে। শেষ সময়তহে আচলতে সৰুসুৰা খুঁতবোৰ ধৰা পৰে।

কীৰ্তনঘৰটোৰ মণিকূটৰ আওলাৰ খেৰবোৰ কাটি সমান কৰিবলৈ বাকী আছিল। ভীম যদুমণিৰ গাত ন্যস্ত আছিল কামটো। কিন্তু হুলস্থুলতে পাহৰি গ'ল। ইপিনে সুন্দৰা নটুৱাই ৰামচন্দ্ৰৰ পিঠিৰ তূণটোত কাঁড়কেইপাতমান আঁকি দিবলৈ পাহৰি গৈছিল। মাজৰ চটিত দিয়া ভাটৌ চৰাইটোৰ ঠোঁটত হেঙুল ৰং দিবলৈ থাকিয়েই গৈছিল। ভৰি-হাত ধোৱা আঁৰ-বেৰখন দিলেহে। তাত যে তক্তাখন দিব লাগে, ডেকাহঁতে মনেই নকৰিলে। মথুৰাদাসে পুৱাৰে পৰা সেইবোৰ তদ্বিৰ কৰাত ব্যস্ত হৈ পৰিল। যুৱৰাজ ৰহাৰ কাৰণে বঙিয়ালঘৰতে ঠিক কৰা হৈছিল। পিৰালিত উঠিবৰ কাৰণে আমকাঠৰ তক্তাৰ খট্‌খটি কৰি দিয়া হৈছিল কিন্তু তক্তাবোৰৰ আঁহঁবোৰ চাচি মিহি কৰি দিয়া হোৱা নাছিল। মথুৰাদাসে যদুমণিক

বেগা মাৰিবলৈ লগাই দি তামোলৰ পাতৰ বাঢ়নীৰে কীৰ্ত্তনঘৰৰ চোতাল সৰাত ব্যস্ত হৈ পৰিল। মথুৰাদাসৰ দুৰ্বলতা আছিল পৰিপাট্যৰ প্ৰতি। সেই যে কিছুমান মানুহ আছে, সকলো কাম নিয়াৰিকে নহলে মনত ভীষণ অশান্তি পায়; সেই কাৰণে নিজেই খাটি মৰে অথচ দলৰ আগত নাম কিনিবলৈকো লাজ পায়। সেই স্বভাৱৰে হ'ল মথুৰাদাস।

যুৱৰাজ অহাৰ সময়ত দেখৰ মানুহ ব্যস্ত হৈ পৰিছে তেওঁক অভ্যৰ্থনা জনোৱাত। মথুৰাদাসৰ যেন সেইপিনে খবৰেই নাছিল। তেওঁ মনপুতি লাগিছিল, কাম কৰা ডেকাইঁতে কামৰ জেগাতে পেলাই এৰি থৈ যোৱা জাবৰ-জোথৰবোৰ সাৰি পৰিষ্কাৰ কৰাত। যুৱৰাজে কীৰ্ত্তনঘৰৰ সঙ্গীয়াক বিচাৰি বৰবিষ্ণু আতৈক সোধাত তেওঁ যেতিয়া বাঢ়নী লৈ কাম কৰি থকা মথুৰদাসক দেখুৱালে ধীৰনাৰায়ণ হতবাক হ'ল। তেওঁ মথুৰাদাসক মতাই আনিলে সন্মুখলৈ আৰু সুধিলে—

: এনে হীন কৰ্ম তুমি কিয় কৰিবা? এই দাসালি কৰ্ম তোমাৰ শোভা নাপায়।

: এই কৰ্ম ভগবানৰ কৰ্মহে। এইয়াতো মোৰ নিত্যকৰ্ম।

মথুৰাদাসৰ কথাত প্ৰতিবাদ জনাবলৈ যুৱৰাজে কথা বিচাৰি নেপালে। বিশেষকৈ মথুৰাদাসৰ ব্যক্তিত্ব আৰু নিষ্ঠা দেখি তেওঁ মুগ্ধ হ'ল।

: হলেও এইয়া মোৰ ৰাজ্য। গুৰু মাধৱদেৱে আমাক কৰ দি এই সত্ৰ পাতিছে। তাত আমাৰো কৰ্ত্তব্য আছে। আমি তোমাক জানি-শুনি এই কাম কৰিবলৈ দিলে আমাৰ মহাপাপ লাগিব।

ৰজাৰ বিচাৰত পাপ-পুণ্যৰ অভিনৱ সংজ্ঞা শুনি মথুৰাদাসে পৰম কৌতুক অনুভৱ কৰিলে। মহাৰাজ নৰনাৰায়ণৰ নাতি বুলি তেওঁৰ প্ৰতি মথুৰাদাসৰ দুৰ্বলতাও কম নাছিল। মনে মনে ৰগৰ কৰাৰ উদ্দেশ্যেই সুধিলে—

: তেন্তে মহাৰাজে কি কৰিব খোজা?

: মই মানুহ পঠাই দিম। মোৰ মানুহ আছে।

: আমিওচোন মানুহ আৰু তোমাৰে মানুহ।

যুৱৰাজে হাঁহিমুখেৰে মথুৰাদাসৰ মুখলৈ চালে কিন্তু কোনো প্ৰত্যুত্তৰ নিদি মনে মনে থাকিল। মথুৰাদাসে লক্ষ্য কৰিলে, মুখৰ পটটো ককাকৰ দৰেই যদিও ককাকৰ সেই তেজ, সেই শক্তি, সেই ব্যক্তিত্ব আৰু সেই কৰ্তৃত্বৰ আভাস তাত নাই। তথাপি ধীৰনাৰায়ণক চাই চাই অদ্ভুত এক স্মৃতিকাতৰতা অনুভৱ কৰিলে মথুৰাদাসে। মহাৰাজ নৰনাৰায়ণৰ সতে আৰু কিবা এটা বিষয়ত যুৱৰাজৰ মিল থকা যেন অনুমান হ'ল তেওঁৰ; কিন্তু বহুত চিন্তা কৰিও উলিয়াব নোৱাৰিলে কিহত সেই মিল। অৱশেষে ৰাতি এটা সৰু ঘটনাই মথুৰাদাসৰ মনৰ খোকোজা দূৰ কৰিলে।

ৰাতি সিধা পাতি দিওঁতে প্ৰত্যাশা কৰা মতেই ৰাজকীয় মান ৰক্ষা কৰি জহা চাউল, ঘিউ, দধি আদিৰ ব্যৱস্থা কৰা হৈছিল। ধীৰনাৰায়ণে অৱশেষে সেইবোৰ ঘূৰাই দি খুজিলে আহু চাউল, মাটিমাহ আৰু শাক-পাচলি।

মথুৰাদাসে আবেগৰ আতিশয্যত যুৱৰাজক সাবট মাৰি ধৰিলে আৰু কলে—

: এইবাৰহে হৃদয়েৰে চিনি পালোঁ তুমি যে মহাৰাজ নৰনাৰায়ণৰ সুযোগ্য নাতি।

আগে নজানিলোঁ এবেসে জানিলোঁ
তেন্তে তুমি শ্ৰীৰাম।

কথাষাৰ কৈয়ে নিজৰ ৰগৰ উপভোগ কৰি নিজেই ডাঙৰকৈ হাঁহি দিলে আৰু নিজকে কোৱাৰ দৰে কলে—

: ৰঙিয়ালঘৰত ওখ পীৰাখন গুচাই কঠত বহোঁতেই বুজিব লাগিছিল মহাৰাজৰ নাতি বুলি।

যুৱৰাজ যোৱাৰ দুদিনৰ পাচতে লাচনি-পাচনি কৰা মানুহেৰে হেনো কীৰ্তনঘৰ ভৰাই দিয়া হৈছিল।

এই বাতৰিবোৰ মাধৱে শুনিছিল বলোৰাম আতৈৰ মুখে। বলোৰামে উল্লেখযোগ্য এটা কথাও বাদ নিদিয়াকৈ সেইদিনাৰ ঘটনাবোৰ আদিৰ পৰা অন্তলৈকে মাধৱৰ ওচৰত কৈছিলহি। আৰু এটা কৌতূহলোদ্দীপক বাতৰি বলোৰামে মাধৱক দিছিলহি। বাতৰিটো পোৱাৰ লগে লগে মাধৱে স্বস্তি অনুভৱ কৰিছিল মনত। তেওঁ কোৱামতেই মথুৰাদাসে দুদিন প্ৰসংগলৈ যোৱা নাছিল। দুদিনৰ দিনা ভকতৰ মাজত হুলস্থুলখন লাগি পৰিল। তেওঁৰ ঠাইত বৰবিষ্ণু আতৈক দেখি ভকতসকল আহি পিৰালিত আমন-জিমনকৈ বহি থকা মথুৰাদাসৰ ভৰিত সাষ্টাংগে প্ৰণিপাত কৰি দায়দোষ যি হৈছে তাৰবাবে দণ্ড দি ভকতকুলক ৰক্ষা কৰিবলৈ খাটিলে। সেইদিনা খোলাখুলিকৈ আটায়ে স্বীকাৰ কৰিলে গোপনে জুৱা খেলাৰ কথা।

মাধৱে কথাবোৰ শুনি পৰম প্ৰীত হ'ল আৰু মনে মনে থিৰাং কৰিলে কীৰ্তনঘৰতে কিছুকাল থাকি নাম-প্ৰসংগৰ অষ্টপ্ৰহৰ চলাকৈ এটা নিগাজি ব্যৱস্থা কৰাটো যুগুত হব। আৰু তেনে কিবা কৰিবলৈ গলে, এয়ে তাৰ উপযুক্ত সময়। ভকতসকলৰ মাজত এয়া নতুন এক আত্মবিশ্লেষণৰ মুহূৰ্ত আনি দিয়া হৈছে। আৰু কিবা এটা নিগাজিকৈ প্ৰবৰ্তন কৰিবলগীয়া থাকিলে এয়ে তাৰ বাবে উপযুক্ত সময়।

সুন্দৰী এৰি তাঁতীকুছিলৈ যোৱাৰ কথা ভাবোঁতেই মনত পৰিল সিদিনাৰ আবেলিৰ ঘটনাটো। লৰিচাপৰি অহা মানুহৰ দলটো যেতিয়া ডাঠ হাবি এডৰাৰ আঁৰত লুকাই পৰা দেখিছিল, মাধৱ সঁচাকে উদ্বিগ্ন হৈ পৰিছিল। তেতিয়া আছিল মুনি চুনি বেলি। গোবিন্দ গৈছিল বুঢ়ীলুইতৰ পাৰৰ পিনে। মাধৱে ভালদৰে মানুহবোৰৰ মুখ চিনি পোৱা নাছিল। এসময়ত অৱশেষে ডাঠ জংঘলখিনিৰ আঁৰৰ পৰা মানুহৰ দলটো ওলাই সৰিয়হডৰাৰ মাজত থ'ৰ পৰা একপদীটো আৰম্ভ হৈছে, তাত জুম বান্ধিলেহি। এনেতে গোবিন্দৰ স্নান-মন্ত্ৰ শুনা গ'ল। লাহে লাহে মানুহৰ জুমটোও

বিশৃঙ্খলভাৱে ওচৰ চাপি আহিল। মাধৱৰ উদ্বেগ লক্ষ্য কৰি গোবিন্দ এইবাৰ নিজেই আগবাঢ়ি গ'ল। গোবিন্দক আগবাঢ়ি যোৱা দেখি বোধকৰোঁ মানুহৰ জুমটোৰ পৰাও ফালৰি কাটি এজন মানুহ আগবাঢ়ি আহিল।

ৰামদাসৰ পৰা ঘটনাৰ সবিশেষ শুনি মাধৱ থিৰেৰে থাকিব নোৱাৰিলে। খণ্ডৰ আতিশয্যত মানুহৰ জুমটোৰ মাজত যাকে য'তে পায়, চকিয়াই গতিয়াই বাঘৰ আচাৰ্য্য আৰু তেওঁৰ শিষ্যক যাবলৈ বাট কৰি দিলে আৰু সমূহ ভকতৰ হৈ কৰযোৰে ক্ষমা প্ৰাৰ্থনা কৰিলে। আচাৰ্য্যই মাধৱৰ পিনে অগ্নিবৰ্ষী দৃষ্টি হানি আঁতৰি যি বাটে লৈ আহিছিল, সেই বাটেই শিষ্যক লৈ ঘূৰি গ'ল।

নিৰুপায় ক্ষোভত মাধৱৰ চকুযোৰ হঠাৎ সেমেকি উঠিল। কাৰো পিনে নোচোৱাকৈ ক্লান্ত অৱসন্ন খোজেৰে চোতালৰ তুলসী মঞ্চৰ ওচৰলৈ উভতি আহিল আৰু চকু দুটা মুদি কাষত পাৰি ৰখা আসনত বহি পৰিল। মাধৱৰ মূৰ্তি দেখি ভকতসকল ভয়ত ত্ৰস্তমান হ'ল। গোবিন্দও হতভম্ব হৈ পৰিল। কিছুপৰ নীৰৱতাৰ পাচত তেওঁ সুস্থিৰ হ'ল আৰু ভকতসকলক উদ্দেশ্য কৰি ভাগৱতী ধৰ্মৰ মূল আদৰ্শৰ বিষয়ে কলে। বিশ্বৰ সকলো মানুহৰ প্ৰতি সমভাৱ, পৰৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধা, এইবোৰেই বৈষ্ণৱৰ লক্ষণ বুলি তেওঁ বুজালে। আৰু ৰামদাস আতৈৰ সত্ৰত দীক্ষা গ্ৰহণৰ উদ্দেশ্যে অহা হীৰামণিহঁতক ঘূৰাই পঠাবলৈ যত্ন কৰি বাঘৰ আচাৰ্য্যই যে ভকতসকলে আটক কৰি আনি অপমান কৰিবলগীয়া গৰিহিত কৰ্ম কৰা নাই সেই কথাটো উপলব্ধি কৰাবলৈ যত্ন কৰিলে।

মাধৱে ইতিমধ্যে নিজকে সংযত কৰি লৈছিল। গোবিন্দৰ মৃদু তিৰস্কাৰত ভকতসকলে লাজতে তলমূৰ কৰি আছিল। মাধৱৰ মুখত ভগবানৰ নাম শুনি তেওঁলোকে মূৰ তুলি চালে। মাধৱে হাঁহিমুখে কলে যে তেওঁ ভকতসকলৰ আন্তৰিকতাত তুষ্ট হৈছে কিন্তু প্ৰকাশৰ অতিশয্যক তেওঁ মনে মনে ক্ষমা কৰিব পৰা নাই।

বাধৱ আচাৰ্য্য, হেজাৰ হলেও এগৰাকী ধৰ্ম প্ৰচাৰক, তদুপৰি ব্ৰাহ্মণ। মুখেৰে তৰ্কবাদ কৰা আৰু দেহ দুই সম্মানিত ব্যক্তি এগৰাকীক অপমান কৰাৰ মাজত স্বৰ্গ-মৰ্ত্য প্ৰভেদ।

সন্ধ্যা প্ৰসংগৰ পাচতো মাধৱৰ মনৰ পৰা সেই ঘটনাটোৰ প্ৰভাৱ অন্তৰ্হিত হোৱা নাছিল। গোবিন্দৰ লগত তেওঁ সেই বিষয়েই কথা পাতি আছিল বহু নিশালৈকে। শতপথ ব্ৰাহ্মণৰ মতে কিদৰে এই দেশক আৰ্য্য বিবৰ্জিত বুলি কোৱা হৈছিল। ইয়ালৈ ভাৰতীয় সনাতন সভ্যতাৰ পোহৰ সেই কালত অহা নাছিল। আৰু সেইবাবে ইয়াত ভাগৱতী ধৰ্ম প্ৰতিষ্ঠাৰ বাবে আৰু তাৰ প্ৰবৰ্তনৰ বাবে যি ব্যৱস্থা হাতত লোৱা হৈছে তাক ইয়াৰ মাটি-পানীৰ সতে খুজাকৈ লোৱাৰ ফলত এক অভিনব, অভূতপূৰ্ব মতবাদৰ সৃষ্টি হৈছে। আৰু সেই হেতু তাৰ সফলকৰণৰ ক্ষেত্ৰত বিভিন্ন প্ৰতিবন্ধক, অলেখ বাধা-বিঘিনিৰ যে সন্মুখীন হব লাগিব ই এটা স্বতঃসিদ্ধ কথা। তাৰ বাবে প্ৰতিজন প্ৰচাৰকে নিজক প্ৰস্তুত কৰি ৰাখিব লাগিব। তেওঁলোকে অনুক্ষণ সচেতন হব লাগিব এটা অৱশ্যম্ভাৱী সামাজিক লক্ষণৰ প্ৰতি। যেতিয়া বঞ্চিত নিপীড়িতসকলৰ পৰিত্ৰানৰ হেতু কোনো ব্যৱস্থা হাতত লোৱা হয়। নিপীড়ক সুবিধাভোগী দলে তাত বাধা প্ৰদান কৰিবই। ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত থকা এটা সুন্দৰ কাহিনী মাধৱে এই ছেগতে উল্লেখ কৰিলে।

গণপতি গণেশ আছিল আৰ্যেতৰ সমাজৰ কল্যাণকাৰী এক গণসেৱক। আৰ্য্য পৰশুৰামে গণেশৰ মতিগতি দেখি সহ্য কৰিব নোৱাৰি কুঠাৰেৰে মাৰি গণেশৰ দাঁত এটাকে ওফৰাই দিলে। পৰৱৰ্তী কালত ৰচিত ব্ৰহ্মাণ্ড পুৰাণে কলে যে ইচ্ছা কৰিলে গণেশে পৰশুৰামৰ কুঠাৰখনকে ওফৰাই পঠিয়াব পাৰিলেহেঁতেন। কিন্তু গণেশ-জনক সদাশিৱ প্ৰদত্ত কুঠাৰ বুলিহে গণেশে ইচ্ছা নকৰিলে। আৰু নীৰৱে পৰশুৰামৰ অত্যাচাৰ সহ্য কৰিলে।

পুৰাণৰ এই কাহিনীটোৰ তাৎপৰ্য্য দাঙি ধৰি মাধৱে কলে—

: চোৱা হৰিভকত, ইয়াৰ নিগূঢ় তাৎপৰ্য্য গুৰুজনাই কিদৰে আমাক উপলব্ধি কৰাইছিল। গণপতি গণেশৰ বাপেকৰ কুঠাৰ লৈ গণেশৰে দাঁত ভাঙিলে অথচ গণেশে তাক নীৰৱে সহ্য কৰিলে। সেই যে আমাৰ ফকৰা এষাৰ আছে—

তোমাৰ বাৰীৰে বাহগাঁজ, তাৰেই কৰিছোঁ খৰিচা
তোমাতে সলাই ধান দোণ নিওঁ কথাটো মন কৰিছা ?

: কাৰোবাৰ শ্ৰমসৃষ্ট সম্পদৰ বলত বৰমতাটো হয় কোনোবা এজন আৰু তাৰ উৎপীড়নকে বিনা প্ৰতিবাদে সহ্য কৰিবলগীয়া হয় সৃষ্টিকৰ্তাসকলে। এই যেনে খীৰা মাধৱ, গোবিন্দ তাঁতী, হীৰামণি, শাওনাইঁত। গতিকে আমাৰ কৰ্তব্য হব নিপীড়িতসকলক উদ্ধাৰ কৰা। আমাৰ ধৰ্ম মতবাদক গুৰুজনাই ইমান আয়াসহীনভাৱে আচৰণক্ষম কৰি তোলাৰ এইটোৱে প্ৰথম আৰু প্ৰধান কাৰণ। ইমান দিনে পিচত পৰি থকা সকলো আগবাঢ়ি আহি আনৰ সমান হব, এয়ে আছিল গুৰুজনাৰ পৰিকল্পনা।

: তেন্তে প্ৰভু, ভগৱন্ত প্ৰভুৱে ৰজাক ধৰ্ম দিছিল কিয় ?

: ৰজা মানে, মাত্ৰ হেৰম্বৰাজকহে দিছিল। আৰু সেইটো আছিল এটা পদ্ধতিগত কৌশল মাত্ৰ। যিদৰে চিলাৰায় মহিষীক দিছিল, ঠিক সেইদৰে। লক্ষ্যত দ্বিধা কোনোদিন নাছিল ; এইবোৰ আছিল তাক পৰিণত কৰাৰ একো একোটাইঁত প্ৰণালী।

গোবিন্দই এইবাৰহে বুজিলে কিয় যুৱৰাজ ধীৰনাৰায়ণে কীৰ্তন-ঘৰ দৰ্শন কৰাৰ প্ৰস্তাৱত মাধৱে প্ৰতিবাদ কৰাৰ কোনো হেতু বিচাৰি পোৱা নাছিল। মাধৱে নিৰ্বিবাদে প্ৰস্তাৱত সন্মতি জনোৱাৰ প্ৰকৃত অৰ্থটো এতিয়াহে গোবিন্দৰ হৃদয়ংগম হ'ল।

: যুৱৰাজ ধীৰনাৰায়ণৰ কথাটো আমাৰ এতিয়াহে হৃদয়ংগম হ'ল।

: শুনি মই সন্তোষ লাভ কৰিছোঁ। যুৱৰাজে যেতিয়া কীৰ্তনঘৰ দৰ্শন কৰিবহি, লগে লগে কীৰ্তনঘৰৰ চৌহদ ভৰি পৰিবহি এজন

ৰাজপুৰুষৰ ক্ষমতাধীন এখন দেশৰ সমগ্ৰ প্ৰজাৰ আগ্ৰহ-আকাংক্ষাৰে, তেওঁৰ কৰ্তৃত্বাধীন এখন সমাজৰ সমূহ জনসাধাৰণৰ আশা-উদ্দীপনাৰে। যুৱৰাজ হব তাত নিমিত্ত মাত্ৰ। আমাৰ লক্ষ্যই তেওঁক অতিক্ৰমি বহুত ভিতৰলৈ সোমাই পৰাৰ সুযোগ পাব।

গোবিন্দই মাধৱৰ প্ৰগাঢ় ব্যৱহাৰিক বিষয়বুদ্ধিত হতবাক হৈ মুখৰফালে চাই থাকিল। মাধৱে হাঁহি হাঁহি কলে—

: তোমাৰ হয়তো প্ৰত্যয়ে হোৱা নাই হৰিভকত। কিন্তু কি জানা, এটা ধৰ্ম মতবাদক সাধাৰণৰ ধাৰণাৰ অতীত উপলব্ধিৰ অতীত, সূক্ষ্মাতিসূক্ষ্ম যুক্তি-তৰ্কৰ ক্ষুৰধাৰ বিচাৰে পৰখ কৰিবলগীয়া এটা মতবাদত পৰিণত কৰিলে, সেই মতবাদত জনসাধাৰণৰ সহযোগ কামনা কৰাটো বাতুলতা মাত্ৰ হব। সেইবাবে গুৰুজনাই শ্ৰৱণ-কীৰ্তনৰ আধাৰত ভাগৱতী ধৰ্ম মতবাদৰ প্ৰৱৰ্তন কৰি গৈছে।

মাধৱৰ কথা হঠাৎ বন্ধ হ'ল। দুটা অশৰীৰিৰ দৰে কোনেও গম নোপোৱাকৈ থিততে হীৰামণি আৰু তুলসী কোনোবাপিনৰ পৰা ওলালহি। গধূলিৰ এন্ধাৰ তেতিয়া ভালদৰে ঘন হোৱা নাছিল। তুলসীৰ দেহত আছিল জীৰ্ণ, তিতা, মাজে মাজে বোকাৰ চিটিকণি পৰা কাপোৰ-কানি আৰু হীৰামণিৰ পৰিধানত আছিল শতছিন্ন কঁকালৰ পৰা কৰঙনো ঢাক নোখোৱা এডোখৰ কাপোৰ। মাধৱক আঁতৰৰ পৰাই প্ৰণাম জনালে আৰু গোবিন্দৰ লগত অলপ পৰ কথা পাতি ক্ৰমে ঘন হৈ অহা এন্ধাৰত দুয়ো অদৃশ্য হৈ পৰিল। মাধৱে প্ৰথমতে ভাবিছিল তেওঁলোক খন্তেক পাচতে পুনৰ আহি ওলাবহি বুলি। কিন্তু বহুত পৰ বাট চোৱাৰ পাচতো আহি নপৰাত তেওঁলোকৰ অহাৰ হেতু জানিবৰ বাবে মাধৱৰ অপৰিসীম কৌতূহল হ'ল। অথচ গোবিন্দক সুধিবলৈও ভাল নালাগিল।

সমগ্ৰ ৰাতি মাধৱৰ একোতে মন নবহিল। বিছনাত পৰি ছটফটাই থাকিল তৃতীয় প্ৰহৰলৈকে। পুৱতি নিশাৰ পিনে চিলমিলকৈ অলপ টোপনি আহিছিল, তাতো চকু দুটা মুদাৰ লগে

লগেই দেখিছিল আদি-অন্তহীন এক সুদীৰ্ঘ বন্ধুৰ পথ। তেওঁৰ পিনে মুখ কৰি সেই পথেদি আহি আছিল অপেক্ষমান মুখৰ এক অন্তহীন মিছিল। তাৰ চিনাকি-অচিনাকি অজস্ৰ মুখে অপেক্ষা কৰিছিল মাধৱৰ পৰা বৰ্ণনাতীত নিৰ্ভৰ পোৱাৰ আশাৰে। শাওনা, বলোৰাম, হাতীমাউত, গোবিন্দ তাঁতী আৰু বহুতো চিনাকি মুখ মাধৱৰ একেবাৰে ওচৰ চাপি আহিছিল আৰু এটা সময়ত সমগ্ৰ মুখৰ অৰণ্যক তল পেলাই উজলি উঠিছিল হীৰামণি আৰু তুলসীৰ নিৰ্ভৰৰ ভাৱসাৰে শান্ত উদ্বেগহীন দুখন মুখ।

লাহে লাহে তুলসীৰ মুখ ছানি পৰিছিল বিষণ্ণ ছায়া। চকু-পানী হৈ নামি আহিছিল তেওঁৰ দুচকুৰ পৰা ৰঙিয়াল ফুলৰ দৰে ৰঙা তেজৰ সোঁত। এসময়ত চকুযুৰি ৰঙিয়াল ফুলৰ পাত হৈ গ'ল। ভাবলেশহীন নিয়ঁৰত তিতি থকা কৰুণাৰ্দ্ৰ দুটা পাত যেন। হীৰামণিৰ মুখখনো কিবা এক অবিশ্লেষণীয় আশংকাত বিবৰ্ণ হৈ গ'ল। চকুত তীব্ৰ হৈ পৰিল বুজিব নোৱৰা অক্ষম জ্বালাৰ দহন।

মাধৱৰ হঠাৎ ভয় লাগি গ'ল। নিতান্ত নিঃসহায় অনুভৱ কৰি হীৰামণি আৰু তুলসীৰ মুখ দুখন দৃষ্টিৰ পৰা অন্তৰ্হিত কৰাৰ উদ্দেশ্যে চকু দুটা মুদি দিলে। লগে লগে সন্মুখত ভাঁহি উঠিল গুৰুজনাৰ প্ৰশান্ত হাঁহিৰে উচ্ছল মুখৰ আভা। মাধৱৰ সমস্ত দুৰ্বলতা নিমিষতে নোহোৱা হ'ল। দেহ-মনত অনুভৱ কৰিলে অপূৰ্ব এক উল্লাস। তেওঁ চিঞৰি চিঞৰি গাই উঠিল—

হৰি এ কৰুণা সিন্ধু, জীৱন বন্ধু
গতি মতি তুমি নাৰায়ণ।

লাহে লাহে যেতিয়া তেওঁ সজাগ হৈ উঠিল দূৰৰ বিলত শুনিলে ৰাজহাঁহ আৰু পানীহাঁহৰ কোঢ়াল। আকাশতো দুই এজাক হাঁহৰ মাত শুনি তেওঁ বুজিলে ৰাতিৰ এন্ধাৰ নিশ্চয় পাতলি আহিছে। বিছনাৰ পৰাই বেৰৰ অজস্ৰ ফাকেদি বাহিৰৰ কৰবাত কিবা দেখে

নেকি চাবলৈ চেষ্টা কৰিলে। কিন্তু এন্ধাৰত বাদে আৰু দুই এটা জোনাকী পৰুৱাত বাদে তেওঁ একোকে নেদেখিলে।

পূবৰ কাঠনিত পহৰ মাত তেওঁ ৰাতিৰ নিবিড়তাৰ মাজেদি স্পষ্টভাৱে শুনিছিল আৰু খন্তেক পাচতে ফেকুৱাৰ চিঞৰত পছুবোৰ নীৰৱ হৈ পৰাত তেওঁ জংঘলৰ শ্বাপদ সংকুল পৰিবেশত হঠাতে আহি পৰিব পৰা বিপদৰ কথা ভাবিবলৈ চেষ্টা কৰিলে। মাধৱৰ হঠাৎ অকলশৰীয়া অকলশৰীয়া ভাব হ'ল। গোবিন্দই সিটো কোঠাত সাৰে আছে নে নাই সঁহাৰি দিয়াৰ কথা চিন্তা কৰোঁতেই এন্ধাৰৰ নিজমতা দীৰ্ণ-বিদীৰ্ণ কৰি কুকুৰা চৰাই এজনীয়ে চিঞৰি উঠিল। লগে লগে হাঁহৰ বিমিশ্ৰ কোলাহল স্তব্ধ হ'ল আৰু মাধৱৰ মনৰ শংকাও দুৰীভূত হ'ল। দিনৰ অজস্ৰ মুখৰতাই আৱৰি ধৰা যেন অনুভৱ হ'ল।

: হৰিভকত, সাৰে আছানে

: হৈছে প্ৰভু, তোমাৰ ঘোষাৰ মনোমুগ্ধকৰ সুৰত সাৰ পাই উঠিছোঁ প্ৰভু।

: মোৰ সুৰ?

: হৈছে প্ৰভু, সেইবাবেই তো আকৌ শুনাৰ সৌভাগ্য হয় নেকি বুলি মনে মনে বৈ আছোঁ।

মাধৱে গভীৰ চিন্তাৰ পাচত সপোনৰ গোটেই কথাখিনি ভাবি পালে আৰু সংকোচতে গোবিন্দক সেই বিষয়ে আৰু কিবা উত্থাপন কৰাৰ সুবিধা নিদি কলে—

: তুমি এইমাত্ৰ ফেকুৱাৰ মাত শুনিছিলানে হৰিভকত?

: শুনিছোঁ প্ৰভু; ফেকুৱা জংঘল সমাজৰ সতৰ্ক প্ৰহৰী।

: দৰাচলতে পশুকুলৰহে।

: হৈছে প্ৰভু; পক্ষীকুলৰ হ'ল বালিঘোৰা। সেই যে মানুহ এটা ওচৰ চাপিলেই বাকবিবোৰত টি টি টি হত্ বুলি চিঞৰে প্ৰভু।

: মানুহৰ সমাজতো ফেকুৱা লাগে হৰিভকত।

: লাগে প্ৰভু, ফেকুৰা থকা হলে জানো বাৰুণী সুৰাই যদুকুল ধ্বংস কৰিব পাৰিলেহেঁতেন।

: ফেকুৰা আৰু কুকুৰাৰ মাজত প্ৰভেদটো তুমি বাৰু ধৰিব পাৰিছানে?

: ফেকুৰাই কোঢ়াল স্তব্ধ কৰে কল্যাণ কামনা কৰি, স্তব্ধতা সেই ক্ষেত্ৰত স্বতঃস্ফূৰ্ত। কুকুৰাই স্তব্ধ কাকো নকৰে; কুকুৰাৰ মাততহে স্তব্ধ হয়। তাৰ মাতত থাকে জিঘাংসাৰ তীব্ৰতা।

: ভয় দুয়োটাতে আছে; এটাত থাকে কল্যাণ কামনা আৰু আনটোত থাকে হত্যাৰ উল্লাস।

মাধৱৰ মনত অভ্যুদয় হ'ল সুদীৰ্ঘ স্মৃতিৰ সিংহাৱলোকন। অসম ৰজাৰ হাতীচিকাৰত হাতী খেদাবলৈ মানুহ বিচাৰি হৰি-শিঙা ৰবাৰ ওপৰত যিদিনা আদেশ আহিছিল সেই দিনা সাধাৰণ প্ৰজাৰ পানীত হাঁহ নচৰা অৱস্থা। ভয়ত তেওঁলোকে আশ্ৰয় লৈছিল জংঘলত, গছৰ ওপৰত আৰু নৈ-বিলৰ পানীত। কিয়নো হাতী চিকাৰলৈ যোৱা মানে হয় বনৰীয়া হাতীৰ, নহয় হাবিৰ বিষাক্ত সৰীসৃপ অথবা শ্বাপদ জন্তুৰ কবলত অথবা ৰাজ বিষয়াৰ হাতত নিজৰ জীৱনটো সপি দিয়া। মাধৱে নিজৰ জীৱনকো বিপন্ন কৰি সেই ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছিল যাৰ ফলত তেওঁৰ সহকৰ্মী শংকৰ জামাতা হৰিয়ে ৰজাৰ হাতত নিজৰ শিৰ দিবলগীয়াত পৰিছিল আৰু মাধৱ হৈছিল কঠোৰ হস্তে নিগৃহীত।

: পশু ফেকুৰাতকৈ মানুহ ফেকুৰাৰ সহস্ৰ গুণে অধিক বিপদ, হৰিভকত। গোবিন্দৰ ফালৰ পৰা অৱশ্যে কোনো সহাঁৰি অহা নাছিল। তেওঁ ইতিমধ্যে বিছনাৰ পৰা উঠি ওলাই গৈছিল। মাধৱে তেতিয়াহে নিজৰ বিলম্বৰ বিষয়ে সচেতন হ'ল। লৰালৰিকৈ গুৰুক স্মৰণ কৰি বিছনাৰ পৰা উঠিল আৰু গছৰ ঠাৰি এডাল কামুৰি কামুৰি খৰমৰ শব্দ কৰি বুঢ়ী লুইতৰ ঘাটৰ পিনে খোজ ললে।

মথুৰাদাস যে ইমান বোৱাৰীপুৱাতে ওলাবহি পাৰে মাধৱৰ

ধাৰণাই নাছিল। ৰামদাস আতৈক লৈ ওপালৈ যোৱাৰ কথা। ছোট আভাক মাত দি যোৱাৰ বাবে খন্তেক সোমাল। গোবিন্দই সাদৰ অভ্যৰ্থনা জনোৱাৰ পাচত মাধৱক প্ৰণাম কৰি তেওঁ যাবৰ বাবে খৰখেদা লগাই দিছিল। মাধৱে এই ছেগতে কলে—

: তুমিতো আছিলা বংগদেশী মতবাদৰ পোষক; এতিয়া হলা শৰণীয়া; পাচত শৰণীয়া হৈও তুমি যে শংকৰী মতবাদ প্ৰসাৰৰ বাবে যি কৰিলা তাৰ তুলনা নাই। শুনি সন্তোষ পাইছোঁ যে, জুৰাৰী ভকতসকলক দৰৱে কাম দিছে। পিছে গোপাল, এইবাৰ চকোৱা সাজি লোৱা; নহলে কাহানিবা নাৱেঁ কাণ্ডাৰীয়ে ডুবাব।

: প্ৰভু, দাস থাকে মানেহে চকোৱা; তাৰ পাচত দেখিবা ভণ্ডুৱাৰ ঘৰ যেন, এক মুখচে সোমাই ঢোৰা-কাউৰী আন মুখচে ওলাই যাব। চাই থাকা তোমালোকে। হয় অ' হয় বুলিবা।

মাধৱদেৱে কথাবোৰ শুনি শুনি ভাবিলে যে নিষ্ঠাৰ স্বৰূপ এনেকুৱাই। প্ৰেমৰ পাত্ৰৰ সম্ভাব্য অনিষ্ট চিন্তাৰে অন্তৰ আকুল হয়। গোপালৰো সেয়ে ঘটিছে। তেওঁৰ সুখ-দুখৰ ভাগ লবলৈ সম উপলব্ধিৰ আন এজন থকাহেঁতেনো কথা নাছিল। মাধৱে লাহেকৈ কলে—

: মই সুন্দৰী এৰি যাম বুলি ভাবিছোঁ।

: আমাৰ তাঁতীকুছিলৈকে অহাহেঁতেন পৰম কৃতাৰ্থ হম প্ৰভু!

: তোমাৰ বৃন্দাবনত মথুৰাদাস তুমি আছাই। আৰু এজন দাসৰ তাত প্ৰয়োজন আছে জানো?

: প্ৰভু, সেই কীৰ্তনঘৰ এতিয়া পখীহীন পিঞ্জৰাহে। পখীৰ কাৰণে কিমান সাধ্য-সাধনা কৰিছোঁ; আমাক কিয় বঞ্চিত কৰে প্ৰভু?

সম্ভাৱনাটো মাধৱৰ কাৰণে লোভনীয় হৈ পৰিল। তেওঁ গোবিন্দৰ পিনে সপ্ৰশ্ন দৃষ্টিৰে চালে।

: প্ৰভু, মোৰ কথা তুমি নাভাবিবা। ধৰিত্ৰীত আমাৰ দৰে লোকৰ আশ্ৰয় সৰ্বত্ৰ। নিজৰ ছাব মৰা একো নাই যেতিয়া আমাৰ

চিন্তাই বা কি? অভিমানাহত গোবিন্দৰ মুখলৈ চাই মাধৱ এইবাৰ দৃঢ় হ'ল।

: তুমি সুন্দৰী এৰি যাব নোৱাৰা হৰিভকত। নহলে ইয়াৰ ভাৰ কোনে লব?

: এই দণ্ড আকৌ কিয় প্ৰভু?

: তোমাক যে মই অপৰিসীম বিশ্বাস কৰোঁ! আৰু দণ্ডতেইতো ভকতৰ অগ্নিপৰীক্ষা, হৰিভকত।

: হৈছে প্ৰভু। তাতে আমাৰ পৰম সন্তোষ। কিন্তু অগ্নি-পৰীক্ষাত নিজেই দগ্ধ হৈ নাযাওঁতো? সঁচাকেই মোৰ ত্ৰাস হৈছে। আমি যে দুৰ্বা প্ৰভু।

: কিন্তু হৰিভকত; তুমিয়েতো এদিন কৈছিলা প্ৰভঞ্জনৰ ভয়ত তৃণ-কুটা হৈ থকাটো ভীৰুতা মাত্ৰ। তোমাৰ মতে মহীৰুহ হোৱাটোৱেই বাঞ্ছনীয়। ৰ'দৰ উত্তাপ, হিমবৃষ্টিৰ শীতলতাৰ পৰা অজস্ৰ সৃষ্টিক আশ্ৰয় দিব লাগিব। আৰু প্ৰভঞ্জনে যদি কেতিয়াবা আমাক ধ্বংস কৰে, আমি এনেদৰে ধ্বংস হ'ম যাতে সমগ্ৰ ধৰণী আলোড়িত হৈ পৰে। আজি আকৌ ওলোটা কথা কলাচোন?

: মহীৰুহ হ'লা তুমি। আমি দুৰ্বাই। তোমাৰ ছাঁত আমি দুৰ্বাৰ দৰে বিয়পি পৰিম। আমি যে নিৰন্তৰ বৰ্তিব লাগিব প্ৰভু।

গোবিন্দৰ গভীৰ জীৱনবোধৰ পৰিচয় পাই মাধৱে পৰম কৌতুকেৰে গোবিন্দৰ মুখলৈ চালে আৰু হাঁহি হাঁহি কলে—

: মই অতিশয় প্ৰীত হৈছোঁ, হৰিভকত। তুমি মোৰ পৰম সুহৃদ। মই তাঁতীকুছি, বাৰাদি, য'তেই নাথাকো কিয় মোৰ সত্তা তোমাৰ ওচৰতেই চিৰদিন থাকিব।

মথুৰাদাস ওলাই যোৱাৰ বহুপৰলৈ মাধৱ আৰু গোবিন্দৰ মাজত কোনো কথা-বতৰা হোৱা নাছিল। এক অভূতপূৰ্ব বাঙ্ময়তাই দুয়োকে মুখৰ কৰি তুলিছিল। মাধৱে ভাবিছিল, এবাৰ কীৰ্তনঘৰত থিতাপি লৈ বহিব পাৰিলে আৰু ভকতসকলক অষ্টপ্ৰহৰ কীৰ্তনত

ব্যস্ত ৰাখিব পাৰিলে দামোদৰদেৱক দেখি ৰৰসবাহ পাতিবলৈ মন কৰা সকলৰ মন ঘূৰাব পৰা যাব। তেতিয়া গুৰুজনাৰ অন্তিম ইচ্ছাও উলংঘা কৰা নহব। নামঘোষাৰ নতুন পদবোৰ তাত উলিয়াই দিয়াৰ লগে লগে আৰু মাজে মাজে যদি হীৰামণিৰ দ্বাৰা গোৱাই দিব পৰা হয়, ভকতে সাতবৈকুণ্ঠৰ পটো নিবিচাৰিব, নটুৱা নাচো নিবিচাৰিব।

গোবিন্দৰ চিন্তা ইপিনে মাধৱক লৈ। মাধৱৰো গুৰুজনাৰ স্বভাৱেই স্বভাৱ। নিজৰ ব্যক্তিগত সুবিধা-অসুবিধাৰ কথা মৰি গলেও মুখখুলি নকয়। কামত ব্যস্ত হৈ থাকোঁতে খোৱা-শোৱাৰ কথা হয়তো মনতেই নাথাকিব। কেতিয়াবা মনত কিবা আঘাত পালে মনৰ কথা খুলিও কাকো নকব, অথচ চিন্তা পাতলাবৰ বাবে কিবা এটা কৰিবলৈকো কোনো এজনে ভাবি নেপাব। ইয়াত গোবিন্দই যিদৰে ছাঁটোৰ দৰে লগে লগে লাগি আছিল, তাত কাৰ গৰজ পৰিছে ইমানখিনি কৰিবলৈ। গোবিন্দই এইক্ষেত্ৰত অন্ততঃ আন কাকো বিশ্বাস কৰিব নোৱাৰে। মাধৱে যেন ইমানপৰে গোবিন্দৰ মনৰ কথাখিনিকে শুনি আছিল এনেদৰে কলে—

: হৰিভকত, তুমি আকৌ দুই-তিনি দিনৰ পিছে পিছে তাঁতী-কুছিলৈ গৈ থাকিবা। সুন্দৰীৰ পৰা তাঁতীকুছিতো আৰু বেছি অন্তৰ নহয়। কথাষাৰ শুনাৰ লগে লগে গোবিন্দৰ মূৰৰ পৰা ডাঙৰ বোজা এটা খহি পৰা যেন লাগিল। মনে মনে গোবিন্দই অদ্ভুত সাহস অনুভৱ কৰিলে। কথাষাৰ ভাবি ভাল লাগিল যে তেওঁ সুন্দৰীদিয়াৰ এই অঞ্চলত স্বাধীনভাৱে কিবা এটা কৰিব পাৰিব; অথচ মাধৱৰ সংসৰ্গৰ পৰাও বঞ্চিত নহব। কথাষাৰ ভাবি তেওঁ ওপৰলৈ মূৰ কৰোঁতেই দেখিলে হীৰামণি প্ৰমুখ্যে কিছুমান মানুহ সবিয়হভৰাৰ মাজেদি তেওঁলোকৰ ফাললৈকে আহি আছে। গোবিন্দই পাহৰিয়ে গৈছিল আগদিনা হীৰামণিহঁতে দি যোৱা খবৰটোৰ কথা।

হীৰামণিহঁত আহি মাছ, চাউল, গুৰ, মাহ আদি সিধাৰ উপকৰণবোৰ ভাগে ভাগে থৈ দিওঁতে বেছি পৰ লগা নাছিল। তাৰ পাচত সেইবোৰ তুলসীৰ বেদীৰ ওচৰত সজাই থৈ দিয়াৰ পাচত বন্তি এগছি জ্বলাই যেতিয়া হীৰামণিয়ে মাধৱৰ চৰণত প্ৰণিপাত জনালে তেতিয়াও মাধৱে জনা নাছিল, কিহৰ কাৰণে এই আয়োজন। মাধৱৰ মাথোন অনুভৱ হৈছিল যেন হীৰামণিহঁতে তেওঁৰ ওচৰত থকাটো অহেতুকভাৱে দীঘলীয়া কৰিছে। তেওঁ মনে মনে বিৰক্ত হ'ল। অকণ অকলশৰে থাকিবৰ বাবে তেওঁৰ মনটোৱে সুযোগ বিচাৰি অস্থিৰ হৈ পৰিল। হীৰামণিহঁতে অৱশ্যে বিলম্ব নকৰিলে; দিনত তেওঁলোকৰ বহুত কাম। তেওঁলোকে সিধা আৰু বন্তীগছ দি ততাতৈয়াকৈ গুচি গ'ল।

এই অৱকাশতে মাধৱে গোবিন্দৰ পিনে চালে। গোবিন্দই কলে—

: হীৰামণি তুলসীৰ মতে 'য'তে থাকা তুমি সেয়ে তীৰ্থভূমি' প্ৰভু। তুলসী হেনো সন্তানসম্ভৱা। তেওঁলোকৰ বিশ্বাস, তোমাৰ আশীৰ্বাদ বিনে সেইটো সম্ভৱ নহ'লহেঁতেন।

: আৰু সেইবাবেই বোধকৰোঁ এই আয়োজন ?

: নহলে যে তেওঁলোকৰ জীৱনে শান্তি নাপাব।

: আৰু সেইবাবেই বোধকৰোঁ তুমি তেওঁলোকক এইবোৰ আনি কৃতজ্ঞতা জনাবলৈ দিছিলা ?

: প্ৰভু, মোক তুমি ভুল নুবুজিবা।

: হৰিভকত তোমাৰ কথা হয়তো ঠিকেই। কিন্তু হীৰামণিয়ে ভুল কৰা নাইতো ?

: হীৰামণিৰ বিশ্বাসততো কোনো ফাঁকি নাই। তোমাৰ আশীৰ্বাদ এদিন নহয় এদিন যে ফলিয়াবই সেইটো হীৰামণি তুলসী দুয়ো একান্তভাৱে বিশ্বাস কৰিছিল।

: সেয়া তেন্তে তেওঁলোকৰ একান্ত বিশ্বাসৰ ফলহে, মোৰ

আশীৰ্বাদৰ ফল নহয়। একান্ত বিশ্বাসৰ আন এটা অৰ্থ ভক্তি আৰু তুমিতো জানাই ১ম স্কন্ধত শুকদেৱে কৈছে—ভকতিবিহীন জ্ঞান কৰ্ম সবে ব্যৰ্থ। কহিলো স্বৰূপ বেদান্তৰো তত্ত্ব অৰ্থ॥ আৰু ভক্তিৰ পথ ললেই স্বয়ং ভগবান সহায় হয়হি; জ্ঞানৰ পথত নাহিকে সহায় কৰ্মৰ পথত ভয়। ভক্তিৰ পথত ঈশ্বৰ ৰক্ষক জানিবা বাক্য নিশ্চয়॥ এয়া হীৰামণি আৰু তুলসীৰ ভক্তিত তুষ্ট হৈ ভগবানে সহায় কৰিছে। তাত মোৰ বা তোমাৰ যশোলাভৰ কোনো হেতু নাই।

: কিন্তু প্ৰভু, জ্ঞান আৰু কৰ্মক বাদ দিলে জগতৰ অৱস্থা কি হব ভাবি চাইছানে নাই? হীৰামণিয়ে মাছ নামাৰিলে, বলোৱামে হাল নেবালে আৰু তুমি জ্ঞানহীন হোৱা হলে ৰাজ্যৰ কি গতি হ'লহেঁতেন বাৰু?

হীৰামণিৰ আচৰণত মাধৱ ক্ষুণ্ণ হোৱা বুলি জানি গোবিন্দই মাধৱক তত্ত্বকথাৰ বাদানুবাদত প্ৰবিষ্ট কৰাৰ চেষ্টা কৰিলে। মাধৱে গোবিন্দৰ এই প্ৰসঙ্গান্তৰ গমন সম্বন্ধে সচেতন নোহোৱাকৈ থকা নাছিল। কিন্তু ভক্তৰ মনত সন্দেহ ৰব পাৰে বুলি মাধৱে কৰ্ম সম্বন্ধে শাস্ত্ৰৰ উক্তি দাঙি ধৰি কলে যে, কৰ্ম হ'ল নিষ্ঠাহীন সংস্কাৰৰ পৰম্পৰাগত অনুস্মৃতিহে কৰ্তব্য নহয়।

গোবিন্দই কথাষাৰ শুনি তপৰাই মাত লগালে—

: কৰ্তব্য মানে জানো কৰণীয় কৰ্ম নহয় প্ৰভু?

: হয় হৰিভকত। কৰ্তব্যত এটা সামাজিক দিশ আছে; কিন্তু কৰ্মত নাই। কৰ্মত কৰণীয়তকৈও প্ৰাপনীয়ৰ ওপৰত বেছি গুৰুত্ব দিয়া হয়। সেইবাবে তাত হতাশা আৰু বিবোধৰ অংকুৰ লুকাই থাকে।

: কিন্তু প্ৰভু, শুকৱে জানো নিমি নৱসিদ্ধত কৈ যোৱা নাই—

পৰম অজ্ঞানী হয় যিটো তুষ্ট চিত্ত।
ইসব নকৰে কৰ্ম বেদৰ বিহিত॥

আকৌ ভক্তিপ্ৰদীপত এইটোও কোৱা আছে নহয়—

বেদৰ বিহিত কৰ্ম কৰিবাক ভকতৰ যোগ্য নুই।
যদি মোহ হুয়া কৰে কৰ্ম ভকতিত ভ্ৰষ্ট হুই॥

অৰ্থাৎ কৰ্ম মোহশূন্য হব লাগিব। ব্যক্তিগত স্বাৰ্থৰ তাত গোন্ধ থাকিব নালাগিব। তেনে কৰ্মকহে তেৰাই সাত্বিক কৰ্ম বুলি কৈছে। তাক তেৰাই ক'তো নিষেধ কৰা নাই। তাকে মই কৰ্তব্য বুলি অভিহিত কৰিছোঁ।

আৰু জ্ঞান প্ৰভু?

জ্ঞানৰ সতে ভক্তিৰ বিৰোধ নাই। জ্ঞানহীন ভক্তি সিমান অনিষ্টকাৰী নহয় যদি সদিচ্ছা সম্পন্ন দিকৃদৰ্শক থাকে। কিন্তু ভক্তিহীন জ্ঞান মাৰাত্মকভাবে অনৰ্থকাৰী। কংস, নহুষ, ৰাৱণ আছিল তেনে জ্ঞানৰ অধিকাৰী। ভস্মলোচনকো সেই শাৰীতে ৰাখিব পৰা।

মাধৱৰ মনত পৰিছিল গুৰুজনাৰ সাৱধানবাণীষাৰ। তেৰাই নিতউ কৈছিল, ভক্তিত গুৰুত্ব দিয়াৰ এক সুদূৰপ্ৰসাৰী উদ্দেশ্য আছে। ভাৰতৰ জনসাধাৰণৰ কথা উল্লেখ কৰি তেৰাই প্ৰায়ে কৈছিল যে ভগৱতী মতাদৰ্শ যাৰ কাৰণে, যাৰ অবিচ্ছেদ্য অনুস্যূতিয়ে ইয়াক এক অনিৰ্বাণ স্থায়িত্ব দিব পাৰিব, সেইসকলৰ কথা আগত ৰাখিহে কৰ্মপন্থা থিক কৰা যুগুত হব।

জ্ঞানৰ অনুশীলনেৰে জ্ঞান এইক্ষেত্ৰত সম্ভৱো নহয় আৰু নিৰাপদো নহয়। কাজেই গুৰুজনাই একাদশ স্কন্ধত কৈছে—

জ্ঞানে গতি কৰৈ বেদ লোৱা তাৰ পৰিচ্ছেদ
আছে জ্ঞান ভকতিৰ মাজে।
ভকতি কৰন্তে জানা আপুনি ওপজৈ জ্ঞান
যোগ চিন্তি মৰৈ মিছা কাজে॥

হৰিভকত, তোমাৰ সন্দেহ নিশ্চয় ভঞ্জন হৈছে। বলোৰামে কেৱল যদি নিজৰ কাৰণেই খেতি কৰে, হীৰামণিয়ে কেৱল যদি

নিজৰ কাৰণেই মাছ মাৰে আৰু আমিও যদি কেৱল নিজৰ সুখ-সমৃদ্ধিৰ কাৰণেই জ্ঞানৰ প্ৰয়োগ কৰোঁ—এবাৰ ভাবি চোৱাচোন দেশৰ কি গতি হ'ব!

মাধৱে গোবিন্দক ভক্তি আৰু জ্ঞানৰ যোগাযোগ কিদৰে ঘটে সেই সম্বন্ধে ব্যাখ্যা কৰি কলে যে, মানুহৰ ভক্তি যেতিয়া গভীৰ হয়, তেতিয়া তেওঁৰ মনত আপোনা আপুনি কিছুমান চেতনাৰ উদয় হয়। ভক্তি যিমানে গভীৰ হব সেই চেতনাও সিমানে দোষমুক্ত হব। সেই চেতনাৰ আন এটা নামেই হ'ল জ্ঞান। ভক্তি গভীৰ হলে স্বাভাৱিকতে মনৰ ভ্ৰান্ত ধাৰণাবোৰ দূৰীভূত হয়। তেওঁ আশা ৰাখিছে, গোবিন্দৰ সংসৰ্গ লাভ কৰি হীৰামণিও তেনে এগৰাকী প্ৰকৃত বৈষ্ণৱত পৰিণত হব।

গোবিন্দই মন্ত্ৰমুগ্ধৰ দৰে শুনি আছিল মাধৱৰ কথা। মাধৱে হঠাৎ নীৰৱ হৈ পৰাত তেওঁ মূৰ তুলি চালে আৰু দেখিলে মাধৱে এক দৃষ্টে ৰঙিয়াল ফুলজোপাৰ গুৰিলৈ চাই আছে। গোবিন্দই মাধৱৰ মন বুজি কলে—

প্ৰভু, তোমাৰ ৰঙিয়াল ফুলজোপাৰ কাৰণেই মাজে মাজে মন কেনেবা লাগিব। বৰ ভকুন হৈ উঠিছিল। কিন্তু আমিও তাক অযত্ন নকৰোঁ হলে।

মই সেই কথা ভবা নাই হৰিভকত? সেই সৰিয়হ ফুলবোৰৰ দৰে ইয়াৰো ফুল পাতবোৰ সৰি এদিন লঠঙা হৈ নপৰিব জানো? কিছুমান পূৰ্ণতাই যে সৰ্বনাশ মাতি আনে হৰিভকত!

গোবিন্দই কিবা এষাৰ কব খোজোতেই অদূৰত হৰিচৰণ ঠাকুৰক দেখি ছুয়ো আগবাঢ়ি গ'ল, মাধৱৰ মনে মনে শংকা হ'ল পাটবাউসীৰ আৰু বা কি ভয়াবহ খবৰ লৈ আহিছে সক ঠাকুৰে; কাৰোবাৰ পূৰ্ণতাই সৰ্বনাশ মাতি অনা আৰু হয়তো এক সাংঘাটিক খবৰ।

কৃষ্ণা প্ৰতিপদৰ প্ৰকাণ্ড জোনটো দূৰৰ অৰণ্যৰ বলয়ৰেখা পাৰহৈ উঠি আহিছিল। সমগ্ৰ আকাশ তৰাবে জকমকাই আছিল।

তলতো ম্লান জোনাকত জাক জাক জোনাকী পৰুৱাই এখন মায়াময় আকাশৰ সৃষ্টি কৰিছিল।

ওপৰেদি দুই-এটা মাত দি এজাক ৰাজহাঁহ ক'ৰবাৰপৰা ৰাতি-টোৰ কাৰণে আশ্ৰয় বিচাৰি বিললৈ উৰি আহিছিল। শীতৰ শেষৰ শেঁতা জোনাকত ৰাজহাঁহৰ পাখি আৰু মাতৰ শব্দই এক যাদুকৰী নিবিড়তা নমাই আনিছিল।

মাধৱে চোতালত নিমাত নিথৰ হৈ বহি থকা গোবিন্দৰ পিনে চালে; সন্তৰ্পণে চালে যদিও গোবিন্দই যেন এনে এক মুহূৰ্তৰ বাবেই বাট চাই আছিল তেনেদৰে সজাগ হৈ উঠিল।

মোৰ নিজকে আজি এক অশৰীৰী প্ৰেতাত্মা যেন বোধ হৈছে প্ৰভু!

প্ৰকৃততে আমাৰ আত্মাতো অশৰীৰীয়েই হৰিভকত। আমাৰ দেহটো প্ৰকাশৰ এক অৱলম্বন মাত্ৰ। আত্মা অবিনশ্বৰ। তাৰ জন্মও নাই মৃত্যুও নাই। দেহৰ সতে তাৰ সম্বন্ধ হ'ল—

বাসাং সি জীৰ্ণানি যথা বিহায়
নবানি গৃহ্লাতি নৰোহপৰানি।
তথা শৰীৰানি বিহায় জীৰ্ণা
ন্যন্যানি সংযাতি নবানি দেহী॥

কিন্তু দেহীক পুনৰ নতুন বাস দিয়াৰ কামনা নকৰোঁ প্ৰভু!

মাধৱ খন্তেকপৰ নিৰুত্তৰ হৈ ৰ'ল। জোনটো তেতিয়ামানে অৰণ্যৰ বলয়ৰেখা পাৰ হৈ আকাশখন জোনাকেৰে ঢৌৱাই পেলাইছিল। পথাৰৰ সিটোমূৰে জাবনিৰ কাষত এজনী বালিঘোঁৰা চৰায়ে হঠাৎ আতুৰ হৈ চিঞৰি দিছিল। মাধৱে মনে মনে অপৰিসীম ক্লান্তি বোধ কৰিলে আৰু পিৰালিৰ খুটাটোত ভালদৰে আঁউজি ললে।

এতিয়া সূৰ্য্যৰ অধিস্থান কি বাৰু হৰিভকত?

উত্তৰায়ন প্ৰভু!

অগ্নিৰ্জ্যোতিৰহঃ শুক্লঃ ষন্মাসা উত্তৰায়নম্।
তত্ৰ প্ৰয়াতা গচ্ছন্তি ব্ৰহ্মা ব্ৰহ্মবিদো জনাঃ॥

মই আশীৰ্বাদ কৰিছোঁ তোমাৰ যেন সেই পথে গতি হয়।

আজি কিন্তু শুক্লপক্ষ নহয় প্ৰভু!

মই জানো; কিন্তু শুক্লপক্ষতো এদিন আহিবই।

আশ্বাসষাৰ শুনোৱাৰ লগে লগে মাধৱৰ মনলৈ আহিল গুৰুৱে বহুদিনৰ আগতে কোৱা কথা এষাৰ। ৰাজবোষত পৰি অসম ৰাজ্য এৰি যেতিয়া দুয়ো আহি এই পাগুৰ-বৰ্জিত দেশখনত উঠিছিলহি মাধৱে চাৰিওপিনে অনুভৱ কৰিছিল হতাশা; এই অচিন অজান প্ৰান্তৰত সোমাই চৌদিশে দেখিছিল বিফলতাৰ এক ভয়াবহ ছাব। বহুদূৰ বাটকুৰি বাই বাই মাধৱ হৈ পৰিছিল ক্লান্ত নিৰুৎসাহ আৰু ভগ্নমনোৰথ। গুৰুৱে মাধৱৰ পিনে চাই মনৰ কথা উপলব্ধি কৰি উৎসাহ দিওঁতে প্ৰায়ে কৈছিল—

বাপাৰ পো, শুক্লপক্ষ সদায় যিদৰে নাথাকে, কৃষ্ণপক্ষ ও সেইদৰে চিৰদিন নাথাকে। আমাৰ এই দুখৰ নিশাৰ এদিন নহয় এদিন ওৰ পৰিবই; আৰু মোৰ বিশ্বাস, অচিৰেই ওৰ পৰিব।

মাধৱৰ যুক্তিনিষ্ঠমনেও কথাষাৰত আশ্বাসৰ হেতু বিচাৰি পাইছিল। জোনটোলৈ চাই তেওঁ গোবিন্দৰ পিনে চাই সুধিলে।

আজি কৃষ্ণ প্ৰতিপদ নহয় জানো?

হৈছে প্ৰভু!

আকাশখন আজিযে ইমান মুকলি হৈ পৰিছে? সাক্ষাৎ ভগৱানে যেন বিশ্বৰূপ ধৰি এইমাত্ৰ আকাশৰ কোনোবা ফাঁকেদি ভুমুকি মাৰিবহি এনে হেন বোধ হৈছে। যেন আকাশ কঁপাই এইমাত্ৰ ধ্বনিত হব গীতাৰ সেই অমোঘ বাণী—

মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্বমিদং প্ৰোতং সূত্ৰে মণিগনা ইব॥
ৰসোহমপ্সু কৌন্তেয়ঃ প্ৰভাস্মি শশিসূৰ্যয়োঃ।
প্ৰনবঃ সৰ্ববেদেষু শব্দঃ খে পৌৰুষং নৃষু॥

অৰ্থ বোধগম্য নহ'ল প্ৰভু এই দাসৰ।

অৰ্থাৎ হে অৰ্জুন, মোতকৈ শ্ৰেষ্ঠতৰ কাৰণ আৰু একো নাই। এই পৰিদৃশ্যমান বিশ্বব্ৰহ্মাণ্ডক ময়ে মালাৰ সূতাডালৰ দৰে অনুবিদ্ধ কৰি চালিত কৰিছোঁ; হে কুন্তীপুত্ৰ, পানীৰ ময়েই ৰস, চন্দ্ৰ-সূৰ্য্যৰ ময়েই দীপ্তি, সৰ্ববেদৰ প্ৰনৱধ্বনি, আকাশৰ প্ৰাণসঞ্চাৰী শব্দ আৰু মানুহৰ পুৰুষকাৰ।

আকাশৰ প্ৰাণসঞ্চাৰী শব্দ প্ৰভু? আজি এইমাত্ৰ ৰাজহাঁহৰ মাতকেইটা শুনি আকাশে বহুত কথাৰে হঠাৎ সজীৱ হৈ পৰা যেন লাগিছিল। কব নোৱাৰোঁ কিয়, হঠাৎ এনে ভাব হ'ল; এই আকাশ যেন মোৰ জন্ম-জন্মান্তৰৰ চিনাকি।

আকাশ যে সৰ্বব্যাপী; তোমাৰ দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে যে আকাশে ভুমুকি মাৰে। কিন্তু আকাশ ইমান সূক্ষ্ম যে তাক তুমি ধৰি ৰাখিব নোৱাৰা। যথা সৰ্বগতং সৌক্ষ্ম্যাদাকাশং নোপলিপ্যতে।

তেন্তেতো প্ৰভু আকাশ আত্মা অভিন্ন?

নিশ্চয় সৰ্বত্ৰাৱস্থিতো দেহে তথাত্মা নোপলিপ্যতে। আকাশ আৰু আত্মা সৰ্বত্ৰ বিদ্যমান, কিন্তু ইমান সূক্ষ্ম যে ক'তো লিপ্তহৈ নপৰে। যেনে এই জোনাক। চন্দ্ৰ সূৰ্য্যৰ দীপ্তিওতো স্বয়ং ভগৱান! মই যে এইমাত্ৰ কলোঁ তোমাক গীতাৰ সেই অমোঘ বাণীৰ কথা— প্ৰভাস্মি শশিসূৰ্যয়োঃ অৰ্থাৎ প্ৰভা অস্মি শশি সূৰ্যয়োঃ। সেই প্ৰভাও উপলিপ্ত নহয়। এই জোনাকৰ ঢলক, দূৰ অৰণ্যৰ বলয়ৰেখা, নতুবা মোৰ এই চোতালৰ স্নেহ-স্পৰ্শই আৱদ্ধ কৰি ৰাখিব নোৱাৰে; জোনাক তাৰ নিজৰ ইচ্ছানুসৰি গৈ থাকিব।

দেহীও তথৈবচ প্ৰভু; দেহৰ প্ৰেমে তাক ধৰি ৰাখিব নোৱাৰে।

তুমি ঠিক বুজিব পাৰিছা। আমাৰ সমাজৰ সমস্ত অশান্তিৰ মূল হেতু হ'ল এই পৰম সত্যৰ অনুধাবনৰ অভাৱ।

জোনাকৰ পোহৰত তুলসীজোপাৰ ছাটো বেদীত পৰি জ্বলি থকা চাকিটো অস্বাভাৱিকভাৱে উজ্জ্বল দেখা গৈছিল আৰু তাৰ পোহৰত ওচৰৰ বঢ়িয়াল ফুলজোপাৰ দুই-এটা ফুলৰ ম্লান ৰক্তিমা তেওঁৰ

চকুত পৰিছিল। মাধৱৰ মনত অনুভূত হৈছিল বিস্মৃত অজস্ৰ ৰাতিৰ ভয়াকুল এক নিসহায় নিবিড়তা। তেওঁ নিজকে ভয়ানক নিঃসংগ অনুভৱ কৰিলে। মনৰ গহনত অন্তৰাত্মাই আৰ্তনাদ কৰি উঠিল। হঠাৎ সমগ্ৰ সত্তাত তেওঁ এক অভুতপূৰ্ব আলোড়ন অনুভৱ কৰিলে। মনটো স্বাভাৱিক গতিলৈ ঘূৰাই অনাৰ চেষ্টাৰে তেওঁ গোবিন্দক সুধিলে, বিলৰ নীতি-নিয়ম ঠিকেই চলিছেনে হৰিভকত ?

হৈছে বাপ, তোমাৰ কথা তেওঁলোকৰ কাৰণে বেদবাক্য। উত্তৰ-কুলে তিৰোতা মানুহে গা ধোৱা দূৰৰ কথা, মাছ-পুঠি মাৰিবলৈকেও অহা নাই। পিছে প্ৰভুৱে বা শুনিছেনে নাই, কালি শ্ৰীৰাম আতাই বিলৰ পাৰত অদিষ্টা দেখি ভয় খালে। আজি হেনো জ্বৰ। গাৱঁত হুলস্থুল।

শ্ৰীৰাম আতাই ৰজ্জুকে সৰ্প যেন দেখা লোক। তেনে লোকৰ কাৰণে ভূত-প্ৰেত দেখাটো সাধাৰণ কথা।

গধূলি গা ধুবলৈ বিলৈ আহক প্ৰভু, ঘাটৰ ওচৰতে সেই যে জৰিগছজোপা আছে প্ৰভু, তাৰ গুৰিতে তিয়নিখন সলাই বিলত নামিছে, এনেতে সেই যে অকলশৰীয়া অজুৰ্নজোপা আছে, তাৰপৰা এদল যক্ষ নামি আহক।

যক্ষৰ চিনাকি হ'ল—কোটোৰা-কোটোৰ চুলি, বৰ বৰ চেপেটা নাক, সৰু সৰু মেকুৰীৰ যেন চকু, জ্বলে যেন জুইৰ ফিৰিঙতিহে···

তুমি সঁজাত যোৱা নাই প্ৰভু ?

গৈছোঁ, তাৰ পাচত আতাই নিৰুপায় হৈ ৰামনাম ল'লত, যক্ষৰ দলটো থিততে উৰঁলি গ'ল– নহয়নে হৰিভকত ?

তুমি সৰ্বজ্ঞ প্ৰভু।

তোমাৰ নিশ্চয় মনত আছে হৰিভকত, শ্ৰীৰাম আতাই এদিন গধূলি ঘৰলৈ যাওঁ বুলি মাজপথাৰৰপৰা ঘুৰি আহিছিল।

আছে; গোবিন্দৰ ভালদৰেই মনত আছে; কবৈ গছৰ মুঢ়া ছুটাকে বাঘ বহি থকা বুলি ভয়তে উভতি আহিল। গোবিন্দই

নিজেই তেওঁক আগবঢ়াই থবলৈ গৈছিল। গৈ গছৰ মুঢ়া দুটাৰ ওচৰ পোৱাৰ লগে লগে শ্ৰীৰাম আতা উত্তেজিত হৈ বৈ গ'ল আৰু ফুচফুচাই গোবিন্দক কলে—দেখা নাই অন্ধ, আগত সেই দুটা কি বৈ আছে ?

এইবাৰ গোবিন্দৰ ভয় খোৱাৰ পাল। গোবিন্দই সঁচাকে ভয় খালে ; কবতো নোৱাৰি ৰাতিৰ আন্ধাৰত কিহে ক'ত খাপ পাতি বৈ আছে। অবাক হৈ সন্মুখৰ পিনে চাই সন্তৰ্পনে আগবাঢ়িল। গোবিন্দৰ নিৰ্বুদ্ধিতাৰ বাবে শ্ৰীৰাম আতৈয়ে হাল ছাৰি দিলে আৰু অৱশ্যম্ভাৱী মুহূৰ্ত্তটোৰ অপেক্ষাত স্তব্ধহৈ বৈ থাকিল। গোবিন্দই যিমানে আগবাঢ়ি গৈছিল আতাৰ হৃৎস্পন্দন সিমানে ঘন হৈছিল। গোবিন্দই ইমান পৰে একোকে নেদেখি সতৰ্ক হোৱাৰ প্ৰয়োজনবোধ নকৰিলে আৰু আহি আহি গছৰ মুঢ়া এটাত বহি উত্তেজনাই শ্ৰান্ত কৰি তোলা স্নায়ুবোৰক শিথিল হোৱাৰ অৱকাশ দিলে ; শ্ৰীৰাম আতৈ হতবাক হৈ গ'ল গোবিন্দৰ সঁহাৰি শুনি। আৰু হঠাৎ আচল কথাটো মনত পৰাত লাজ তল পেলাবলৈ বুলি ডাঙৰকৈ হাঁহি দলে। মাধৱে তাৰ হেতু ব্যাখ্যা কৰি কলে এয়ে অ'বস্থা। অবিদ্যাই মানুহৰ মনত স্বাৰ্থচিন্তাৰ জন্ম দিয়ে। গভীৰ স্বাৰ্থ-প্ৰণোদিত চিন্তাই শ্ৰীৰামক মুঢ়া দুটাৰ অস্তিত্বকে পাহৰাই দিছিল। তেনে চিন্তাই এনেদৰেই প্ৰকৃত সত্যৰপৰা, জ্ঞানৰপৰা মানুহক বঞ্চিত কৰে।

শ্ৰীৰাম আতৈৰ কি স্বাৰ্থ চিন্তা আছিল প্ৰভু ?

কিয়, নিজৰ নিৰাপত্তাৰ কাৰণে অতি সচেতনতাই তেওঁক এনেদৰে মোহান্ধ কৰিছিল। তোমাৰ কোছমাৰণৰ সময়ৰ সেই নাৱৰ ঘটনাটো মনত আছেনে ?

আছে প্ৰভু, নিৰাশ্ৰয় নিসহায় ভকত কেইজনক নাৱত জেগা কৰি দিবলৈ বুলি তুমি যে নাৱত বহি থকা ভকতসকলৰ জপাবোৰ নদীত পেলাই দিছিলা।

আমাৰ ভকতসকল দৰাচলতে হব লাগিছিল মোহমুক্ত মায়াশূন্য।

কিন্তু সেইদিনা দেখিলানে, কোহ মাৰণত পৰিত্ৰান বিচাৰি মানুহে সাবিবলৈ থৰকাচুটি হেকৱাইছে; ভকতে কিন্তু অপাৰ মোহ পৰিহাৰ কৰিব পৰা নাই। গুৰুজনাই কৈয়ে থৈছে—

আক ব্যৰ্থ কৰা বিষয় ভোলে।
মাণিকক বিকা কাচৰ মোলে ॥

প্ৰভু, বৈকুণ্ঠ প্ৰয়াণত যে আছে—

গলত বান্ধিয়া পাঘে
কাটিবাক নেন্তে ছাগে
যেন নিৰ্লজ্জতা আতি কৰে।

ইপিনে কালে বলি দিবলৈ লৈ গৈছে ডিঙিত ৰচি লগাই। সি আকৌ বেপৰোৱা হৈ কৰে নিৰ্লজ্জতা।

আৰু এটা কথা লক্ষ্য কৰিছানে নাই? মানে, আনে মৰে মৰক, মোৰ পেটটো ভৰক। আনে মৰকে বা তৰকে মোৰ ভবাৰ অৱকাশ নাই, মোৰ কেৱল চিন্তা হৈছে কেনেকৈ মোৰ অপাটো বচাব পাৰোঁ।

ইয়াকে ভক্তি বিমুখতা বুলি কোৱা নাছিলা জানো তুমি? গোবিন্দৰ উপলব্ধিৰ এনে গভীৰতা থকা শুনেই মাধৱে স্নেহ কৰে। প্ৰকৃততে ভক্তিৰ আন এটা নাম হ'ল নিষ্ঠা। নিষ্ঠা হ'ল মোহহীন কৰ্ম। মোহযুক্ত হলে কৰ্ম পৰিণত হয় স্বাৰ্থান্বেষণত আৰু মোহমুক্ত কৰ্মৰ আন এটা নামেই হ'ল ভক্তি।

তত্ত্বকথা পাতি পাতি এসময়ত দুয়ো নীৰৱ হৈ পৰিছিল। জোনটো আহি সন্মুখৰ শিমলুজোপাৰ ওপৰ পাইছিলহি। অ'ত ত'ত গছৰ ছাঁবোৰে শেঁতা জোনাকৰ বুকুত সৃষ্টি কৰিছিল এক অপূৰ্ব জীৱন্ময়তাৰ। ছাঁবোৰে ক্ষণে ক্ষণে ৰূপ সলাই জোনাকৰে গতিশীলতাক যেন বাৰে বাৰে প্ৰতিপন্ন কৰিছিল। মাধৱৰ মুখখনো ক্ৰমে চালৰ আওলাৰ ছাঁই আবৰি আনিছিল।

তেওঁৰ মনত পৰিছিল বেদৰ সেই কাহিনীটোলৈ। ৰজা হৰিশ্চন্দ্ৰই পুত্ৰৰে যজ্ঞ কৰিব বুলি বৰুণক প্ৰতিশ্ৰুতি দি শেষত

প্ৰতিশ্ৰুতি ভংগ কৰা; আৰু তাৰ প্ৰতিফলস্বৰূপে পেট উখহি ভিম্বাকাৰ হৈ পৰা কথাটো মনত পৰাৰ লগে লগে তেওঁ শিমলুৰ লঠঙা ডালবোৰৰ মাজেদি জোনটোলৈ চাই মনে মনে বাম্ময় হৈ পৰিছিল।

হৰিশ্চন্দ্ৰ পুত্ৰ ৰোহিতাশ্বই বাপেকৰ ৰোগৰ উপশান্তি বিচাৰি দেৱতাপ্ৰধানসকলৰ ওচৰ চপাত তেওঁক উপদেশ দিছে "চৰৈৱতি চৰৈৱতি" বুলি। 'গতিকৰা, গতিকৰি থাকা' এয়ে তাৰ মূল মন্ত্ৰ। সমস্ত ৰোগ উপশমৰ একমাত্ৰ উপায়। দেৱতাপ্ৰধানে কলে—সূৰ্য্যৰ যে ইমান শক্তি তাৰ একমাত্ৰ কাৰণ এই অবিৰত গতিশীলতা। সমগ্ৰ জ্যোতিৰ জীৱন হ'ল তাৰ গতিশীলতা।

মাধৱে গোবিন্দৰ পিঠি ঢাক খাই পৰা জোনাকত চিক্‌মিকাই উঠা ক'লা দীঘল চুলিটাৰলৈ চালে। মাধৱে নোসোধো বুলিও হঠাৎ সুধি পেলালে: গোবিন্দ, তুলসীচোন বহুদিন অহা নাই।

হীৰামণিও আজিকালি পাতলাই দিছে প্ৰভু। সংসাৰৰ ঘোৰ আৱৰ্ত্তত নিমজ্জমান প্ৰভু। হবই, স্বাভাৱিক। উৰেষা বৰ্ণনত যে গুৰুজনাই কৈছে প্ৰভু,—

জলযন্ত্ৰ চক্ৰে জৰীবদ্ধ হুয়া
খণ্ড ঘট যেন মতে।
ক'তো উৰ্দ্ধগতি কতো অধ যাই
কতোহো থাকে মধ্যতে॥
কৰ্মে বদ্ধ হুয়া সংসাৰ-চক্ৰত
সেহিমতে ভগৱন্ত।
ভ্ৰমো চিৰকালে কদাচিতো মঞি
দুঃখৰ নেদেখো অন্ত॥

সেই অৱস্থা হৈছে হীৰামণি তুলসীহঁতৰ।

পিচে সেয়া একো অবাঞ্ছনীয় কথা নহয়। জগতত এনেবোৰ লোকক লৈয়ে আমাৰ আদৰ্শ প্ৰচাৰ কৰিব লাগিব। আটায়ে সংসাৰ

বিৰাগী ভকত হব লাগিলে দেখোন সৃষ্টিয়ে নবব হাবভকত। এবা, গোবিন্দই হয়তো নিজৰ কথাকে চিন্তা কৰিলে। তেওঁৰ পিতৃ যদি সংসাৰবিৰাগী সন্ন্যাসী হ'লহেঁতেন, তেওঁতো আজি এনেদৰে এক মহান ব্যক্তিৰ সংসৰ্গ লাভ কৰিব নোৱাৰিলেহেঁতেন। এই বিনন্দীয়া সৃষ্টিৰ কত অমূল্য অভিজ্ঞতাৰপৰা তেওঁ বঞ্চিত হ'লহেঁতেন। গোবিন্দৰ নিজৰ কথাই মনত পৰিল বাৰে বাৰে। পিতাকক দেখা তেওঁৰ মনতে নপৰে। তেওঁ ডাঙৰ দীঘল হৈছিল মাকৰ আশ্ৰয়ত। আশ্ৰয় মানে? মাকেই আছিল ছিন্নমূল এটি প্ৰাণী। তেওঁৰ আকৌ আশ্ৰয়! লোকৰ ঘৰে ঘৰে দিনৰ দিনটো কাম কৰে আৰু যতে ৰাতি ত'তে কাতিৰ দৰে কোনোবা গৃহস্থৰ ঢেঁকীশালত গোবিন্দক বুকুত লৈ ধানখেৰৰ বিছনা কৰি ৰাতিটোৰ কাৰণে শুই পৰে। গোবিন্দই কেতিয়াবা মনে মনে বহি কিমানৰ ঘৰত যে তেনেদৰে আশ্ৰয় ললে হিচাপ কৰি চাবলৈ যত্ন কৰে; কিন্তু কোনোদিন একেলগে আটাইৰে কথা মনত নপৰে।

গোবিন্দৰ কথা এটা মনত পৰিলে এতিয়া ভাল লাগে; তেওঁ লাহে লাহে ডাঙৰ হৈ মাকক যেতিয়া আশ্ৰয় দিব পৰাৰ বয়স হ'ল, তেতিয়া আৰু তেওঁলোকক আনে আশ্ৰয় দিবলৈ টান পোৱা হ'ল। সেয়ে এদিন গৃহহীন, আশ্ৰয়হীন হৈ মাকক লগত লৈ বাউসীত মাধৱৰ কাৰ চাপিছিলহি। মাধৱে মাকক গোপাল আতাৰ ঘৰত থ'লে; আৰু সেইদিন ধৰি মাধৱ আৰু গোবিন্দ দুয়োটা ছিন্নমূলৰ সংযোগ ঘটিল! সেই ঘটনাবোৰ গোবিন্দৰ বহুদিনৰ পুৰণি ঘটনা যেন লাগে।

মাধৱে অৱশ্যে চিন্তা কৰিছিল হীৰামণি তুলসীহঁতৰ দৰে মানুহবোৰৰ কথা। গোবিন্দক উচ্ছাসতে কলেও তেওঁ ভুল কোৱা নাই যে, ধৰ্মক কালজয়ী কৰি জীয়াই ৰাখিব এনেবোৰ মানুহেই। পুৰুষ পৰম্পৰাৰ সৃষ্টি নহলে ধৰ্মৰ আদৰ্শৰ গতি স্তব্ধ হৈ যাব। গতি স্তব্ধ হলে ধৰ্ম এক ৰূপকথাৰ সাৰাংশত পৰিণত হব।

মাধৱ কেতিয়া তন্দ্ৰামগ্ন হৈ পৰিছিল খেয়ালেই নাছিল। সন্মুখত দেখিছিল এক সুদীৰ্ঘ বন্ধুৰ পথ। আৰু অন্তহীন মুখৰ মিছিল। পথৰ দুয়োপাৰে দেখিছিল সীমাহীন বিস্তীৰ্ণ প্ৰান্তৰ। তেওঁ গৈ গৈ কিছুদূৰত দেখিলে গুৰুজনাক, অৱলীলাক্ৰমে সমুখেদি বৈ যোৱা এখন গভীৰ নৈৰ সাঁকোৰেদি পাৰ হৈ যোৱা। মাধৱো আহি সাঁকোৰ এমূৰে থিয় হ'ল। তলৰ গভীৰত দেখিলে খৰস্ৰোতা নামহীন নদীৰ কজলা পানী। গৈ গৈ এসময়ত সাঁকোৰ ধৰণী ছিগি তেওঁ পৰি গ'ল, তললৈ, বহুত তললৈ, অতল তললৈ। মাধৱে চক খাই সাৰ পাই উঠিল। আৰু অলপ হোৱাহেঁতেন পিৰালিৰপৰা বাগৰি পৰিলহেঁতেন হয়তো। আঁউজি থকা খুটাটোৰপৰা হাতৰ বন্ধোন স্খলকি পৰিছিল সেই মুহূৰ্ত্তত।

মাধৱে সচেতন হৈ গোবিন্দ বহি থকাৰ পিনে চালে; তাত নেদেখি তেওঁ মাতিলে: হৰিভকত!

গৈছোঁ প্ৰভু; হীৰামণি আৰু তুলসী আহিছে প্ৰভু। কালিলৈ তোমাৰ তাঁতীকুছিলৈ যোৱাৰ কথা। কাজেই মাত লগাবলৈ আহিছে দুয়ো।

মাধৱে একোকে নকলে। সুন্দৰী এৰি তাঁতীকুছিলৈ যোৱাৰ বাবে সিদ্ধান্ত যে লোৱা হৈছে, তেওঁ ইমান পৰে পাহৰিয়ে আছিল। মনত পৰি মনৰ কোনোবাখিনিত বেথা অনুভৱ কৰা যেন লাগিল। খন্তেক নীৰৱে থকাৰ পাচত মাধৱে সহজ হবৰ চেষ্টা কৰি কলে—

সেইবাবেই ইমান ৰাতি আহিব লাগেনে? আৰু ময়োতো ক'ৰবাৰ দেশান্তৰলৈ যোৱা নাই। ডেৰ ক্ৰোশ পথ মাত্ৰ।

আমাৰ দৰে লোকৰ বাবে সেয়ে পৃথিবীৰ সিটো মূৰ প্ৰভু! আৰু নৰমনিচৰ দেহাৰেবা কি ঠিকনা আছে, কচুপাতৰ পানীহে; তাতে তুলসীৰ গাও সিমান বাৰু নহয়। কোনে জানে কণা বিধাতাই বা কপালত—

মনে মনে থাকা হীৰামণি ; তেনে আপদীয়া কথা ভুলতো উচ্চাৰণ নকৰিবা। ভগৱানে তুলসীক আয়ুষ্মতী কৰক।

কথাষাৰ কোৱাৰ লগে লগে মাধৱে বুজিব নোৱাৰা কাৰণত তুলসীয়ে চোতালতে আঁঠু লৈ পৰি থাকিল। জোনাকৰ শেঁতা পোহৰত তেওঁৰ দেহ তুলি তুলি উঠা দেখি মাধৱ থিয় হ'ল আৰু ওচৰ চাপি আহিল। তুলসীৰ উচুপনিৰ শব্দ শুনি তেওঁ হতভম্ব হৈ বৈ গ'ল। হীৰামণিয়ে তুলসীক দাঙি তুলিলে ; তেওঁৰ দুগালেদি বৈ যোৱা ধাৰাসাৰ চকুৰ লোতক জোনাকত জিলিকি উঠিল। মাধৱৰ কণ্ঠ ৰুদ্ধ হৈ যোৱা যেন লাগিল ; কাষ চাপি তুলসীৰ মূৰত হাত থৈ স্নেহ-বিগলিত কণ্ঠে কলে—

মা, মই আকৌ আহিম। তাঁতীকুছিতো সোৱা নিচেই ওচৰ ; মাজে মাজে মই আহি থাকিম ; আৰু হৰিভকততো ইয়াতেই থাকিব। তোমাৰ কল্যাণ কৰক পৰমেশ্বৰে।

মাধৱৰো কণ্ঠ ৰুদ্ধ হৈ আহিছিল ; তুলসীয়ে এইবাৰ ফেকুৰি ফেকুৰি কান্দিছিল। মাধৱে বিমূঢ়ৰ দৰে নিথৰ হৈ ৰ'ল। হীৰামণিয়ে ব্যথাজড়িত কণ্ঠেৰে তুলসীক প্ৰবোধ দিবলৈ চেষ্টা কৰিলে—

নেকান্দিবি অ' ; আজি তোক ভগৱানে মূৰত হাত থৈ আশীৰ্বাদ দিছে ; সেই আশীৰ্বাদ অথলে নাযায় বুজিছ।

সেইদিনা নামঘোষাত কাৰো মন নবহিল। অলপ পৰৰ পাচতে মাধৱ আৰু গোবিন্দৰ ওচৰত বিদায় লৈ হীৰামণিহঁত গুচি গৈছিল। শেষত লৈ যোৱা আশ্বাসষাৰে মাধৱক চঞ্চল কৰি তুলিছিল। জন্ম-যন্ত্ৰণা এক দুৰাৰোগ্য মাৰাত্মক ব্যাধিৰ দৰে। সাধাৰণ লোকৰ বাবে জন্ম-যন্ত্ৰণা মৃত্যুৰ এক নিশ্চিত লক্ষণ। তথাপি তেওঁৰ আশীৰ্বাদষাৰকে সাৰোগত কৰি লৈ যোৱা তুলসীৰ কথা ভাবি তেওঁৰ নিজৰে অপৰাধবোধ হৈছিল। তেওঁলোকৰ বিশ্বাসৰ সুযোগ লৈ দুয়োকে প্ৰবঞ্চনা কৰা যেন লাগিল।

এওঁলোকে মোক কিয় ইমান জগৰীয়া কৰে বাৰু ?

হীৰামণিহঁতে প্ৰভু ?

এৰা, মোৰ আশীৰ্বাদকে যে দেৱতাৰ অমোঘ আশীৰ্বাদৰ দৰে লৈ গ'ল হুয়ো ?

সেয়া সাধাৰণ লোকৰ এক স্বাভাৱিক লক্ষণ প্ৰভু। নহলে যে তুমি অনন্যসাধাৰণ হৈ নাথাকিবা।

মইতো অনন্য সাধাৰণ হৈ থাকিবলৈ বিচৰা নাই।

কোনেও বিচাৰি অনন্যসাধাৰণ নহয়, আৰু নিবিচাৰিলেও মানুহে সেইজনকে অনন্যসাধাৰণ বুলি গণ্য কৰে। তুমি বেয়া পালেও গণনা কৰিলেও তেওঁলোক তোমাৰ ওচৰলৈ আহিবই।

কিয় ?

বহুত কিবাকিবি বিচাৰি; যিদৰে হীৰামণি আহিছে, তুলসী আহিছে, মই আহিছিলোঁ, বলোৰাম, গোপালহঁত আহিছিল। আৰু যিদৰে তুমি গুৰুজনাৰ ওচৰলৈ আহিছিলা ?

মইতো কোনো সম্পদ বিচাৰি যোৱা নাছিলোঁ ?

সম্পদ ? তুমি পৰমপদ বিচাৰি আহিছিলা ? সম্পদ তুচ্ছ জ্ঞান কৰি তাতোকৈ সহস্ৰগুণে মূল্যবান পৰম্পদ বিচাৰি আহিছিলা।

হীৰামণি-তুলসীহঁতেতো আৰু পৰম্পদ বিচাৰি অহা নাই ?

নিশ্চয় আহিছে প্ৰভু; তেওঁলোকৰ কাৰণে যিটো পৰম্পদ সেয়া হয়তো তোমাৰ কাৰণে লোষ্ট্ৰবৎ হবও পাৰে। তেওঁলোকে হয়তো তোমাৰ শুভাশীষৰ স্নেহৰ মাজত বিচাৰি পাব খোজে জীৱনৰ নিৰাপত্তা। তুমি আশীৰ্বাদ দিলে তেওঁলোকে লাভ কৰে পৰম আশ্বাস; সেয়াই তেওঁলোকৰ কাৰণে পৰম প্ৰাপ্তি।

কিন্তু জীৱনৰ নিৰাপত্তা যে অনিশ্চিত এক বিষয়।

বিষয়তো প্ৰতিটোৱেই অনিশ্চিত প্ৰভু; কিন্তু তাৰ প্ৰতি পোষণ কৰা প্ৰগাঢ় আস্থাইতো তাৰ সাৰবেত্তাৰ মূল প্ৰভু।

মাধৱ চিন্তিত হৈ ক'ল। মৃত্যু যে ক'ত কিদৰে আছে, কত অজস্ৰ তাৰ ছলনাজাল! ভাবি চালে জীয়াই থকাটোহে জীৱনৰ আটাইতকৈ

আচৰিত ঘটনা যেন লাগে। মৃত্যুৱে কতদিন বিকটৰূপ ধৰি তেওঁৰ গাৰ কাষেদি পাৰ হৈ গৈছে। হৰিজোঁৱাইৰ শিৰচ্ছেদৰ দিনা এক মুহূৰ্তৰ আগলৈ কিমান জীৱন্ত এটা প্ৰাণ, হঠাৎ শেষ হৈ গ'ল। সুন্দৰ সুঠাম বলীষ্ঠ দেহৰ অধিকাৰী চকাচিন্দা পুৰুষ হৰিজোঁৱাই। এক মুহূৰ্তৰ আগলৈ গাত অকণ ধূলি-মাকতি পৰিলেই জিকাৰ খাই উঠা মানুহ, মৃত্যুৱে নিমিষতে পৰিণত কৰিছিল এক নিৰ্জীৱ নিৰ্বিকাৰ মাংসপিণ্ডত।

তাৰ পাচত দক্ষিণ কুলৰ চফল ডেকা কৃষ্ণহৰি কীৰ্ত্তনঘৰত কাম কৰি হঠাৎ তেজে বমি কৰি মৰি থাকিল। কিমান যে আছিল তেওঁৰ আশা; কীৰ্ত্তনঘৰৰ একাষে ভঁৰালৰ এধাঁতিত তেওঁ নিজেই এটা ঘৰ সাজি দিব। য'ত দিনৰ চৈধ্য প্ৰসংগৰ পাচত ভাগবৎ পাঠ হব নিতউ। ক'ৰবাৰপৰা খুজি বাঁহকেইডালমান আনি কীৰ্ত্তনঘৰৰ পানীপোতাত থৈ দিছিল আছুতীয়াকৈ, কিন্তু য'ৰ বাঁহ ত'তেই পৰি ৰ'ল; আশা-আকাংক্ষাও অপূৰ্ণ হৈয়ে ৰ'ল। চফল পাছৱাল ডেকা কৃষ্ণহৰিয়ে গমেই নাপালে মৃত্যুৱে যে পিচপিনেই খাপ লৈ আছিল।

প্ৰভু গীতাত যে আছে, বাসাংসি জীৰ্ণাণি যথা বিহায় নবানি গৃহ্ণাতি নৰোহপৰাণি, আত্মাৰ খেয়াল খুচি আত্মাইহে জানে প্ৰভু। কাজেই যাৰ কথা জনাৰ উপায় নাই অথচ জনাৰ কৌতূহল দুৰ্বাৰ তেনেস্থলত হয় মনক সংযত কৰি লোভ সামৰিব লাগিব, নহয় যাক আমি সৰ্বজ্ঞ বুলি ভাবোঁ তেওঁৰ আশ্বাস পোৱাৰ যত্ন কৰিব লাগিব। তুমি যেনিবা লোভ সামৰিছা আৰু হীৰামণিহঁতে নিৰুপায় হৈ তোমাৰ ওচৰ চাপিছে।

মাধৱে বিছনাত পৰি পৰি গোবিন্দৰ কথাবাৰকে চিন্তা কৰি আছিল। মৃত্যু-ভয় জয় কৰা জন প্ৰকৃততে জিতেন্দ্ৰিয়। তেওঁ জানো সঁচাকে জিতেন্দ্ৰিয়? তেওঁ নিজৰ জীৱনৰ বহুতো দুৰ্বল মুহূৰ্তৰ কথা মনত পেলাবলৈ যত্ন কৰিলে। কচু সিজোৱা খাই মাকৰ শীৰ্ণ মুখত দেখা ক্ষণিক তৃপ্তিৰ সেই করুণ আভাস, বাপেকৰ

চিতাৰ কাষত থিয় হৈ ককায়েক দামোদৰে টোকা অবাধ চকুপানীৰ সেই নিদাৰুণ দৃশ্য, বণ্ডিয়াল ফুলৰ মালা গাঁথি নিতউ তেওঁৰ কাৰণে বাট চাই থকা ৰুক্মিণীজনীৰ চকুযুৰিত দেখা পোৱা অযুত প্ৰশ্নৰ চাঞ্চল্য আৰু অন্তৰ উজাৰি দিয়া হীৰামণি-তুলসীৰ স্নেহ শ্ৰদ্ধাৰে উপচি পৰা কৰনি।

এই অভিজ্ঞতাবোৰে তেওঁক খন্তেকৰ কাৰণে হলেও অস্থিৰ কৰি তুলিছিল ; ইচ্ছা নকৰা সত্বেও তুলসীৰ মূৰত হাত থৈ তেওঁ এইমাত্ৰ আশীৰ্বাদ দিছিল। এয়াতো জিতেন্দ্ৰিয়ৰ লক্ষণ নহয়। তেওঁৰ মন অশান্ত হৈ পৰিল। বিছনাতে তেওঁ পদ্মাসনত বহি ললে আৰু চকু দুটা মুদি আন্ধাৰত গুৰুজনাৰ পাদপদ্মৰ কথা ভাবিবলৈ যত্ন কৰিলে। লাহে লাহে মন তেওঁৰ নিবিষ্ট হৈ পৰিল বহু বছৰৰ আগতে বাৰাদিলৈ আহোঁতে নাৱত ঘটা সৰু এটা ঘটনাক কেন্দ্ৰ কৰি। নাৱৰ তলীত অলপ বালি পৰিছিল। গুৰুজনাই বাৰাদিত নাৱৰপৰা নামোতে বালিত খোজৰ চিন পৰিছিল। সেই খোজবোৰ বচাই নামোতে মাধৱৰ যথেষ্ট কষ্ট হৈছিল আৰু শেষৰ ভকতজনে দুয়োটা খোজকে বচাবলগীয়া হোৱাত নাৱৰ সিমূৰেদি পানীতে নামি পৰিছিল। গুৰুজনাই পৰম সন্তুষ্টিৰে ভকতজনৰ সেই কষ্টকৰ দৃশ্য উপভোগ কৰিছিল। গুৰুজনাই খন্তেক পাচতে কৈছিল—

চোৱা বঢ়াৰপো, পাদপদ্ম কিয় কয় বাৰু? পদ্ম হ'ল পঙ্কজ নীচতকৈও নীচ। অথচ পদ্ম হ'ল আলোকৰ আমন্ত্ৰক। আলোক হ'ল আকৌ গতিৰ স্বৰূপ। কাজেই পাদপদ্ম। গতিৰ অঙ্গ পাদ থাকে অধোস্থানত তথাপি সি শ্ৰেষ্ঠ কিয়নো গতিৰ সি নিয়ামক।

ধাৰাসাৰ বৰষুণৰ শব্দত মাধৱৰ সংজ্ঞা ঘূৰি আহিল। পৰিচ্ছন্ন মন লৈ তেওঁ শুই পৰিল আৰু মুহূৰ্ত্ততে গভীৰ টোপনিত অচেতন হৈ পৰিল।

মাধৱে শেষত নাৰায়ণৰ কথাতে মান্তি হ'ল। বড়িয়ালঘৰত নটুৱা নাচ পতা কথাটোত মাধৱৰ আন্তৰিক সমৰ্থন নাথাকিলেও ভকতবৃন্দৰ আৰু বিশেষকৈ নাৰায়ণ আতাৰ কাৰণেই মাধৱে মত দিলে। গুৰুজনাৰ অন্তিম ইচ্ছাৰ কথা কোৱা সত্বেও দামোদৰদেৱৰ সত্ৰত ধুম্‌ধামেৰে বৰসবাহ পতা দেখি আৰু তাত ভকতৰ সমাগম দেখি নাৰায়ণ আতাও প্ৰলুব্ধ হ'ল আৰু তেৱেঁই যুক্তি দৰ্শালে যে, সময়, পৰিবেশৰ পৰিবৰ্তন হলে সমাজৰ প্ৰক্ৰিয়া নিৰ্ণয় কৰোঁতে পৰিবৰ্তনবোৰ গণ্য নকৰাকৈ পুৰণি পৰিবেশত নিৰ্ণিত কিছুমান প্ৰণালীকে, কিছুমান পূৰ্বাবদ্ধ ৰীতিকে যদি মানি চলা হয় তেন্তে উদ্দেশ্য ব্যৰ্থ হোৱাৰ আশংকা ঘনীভূত হৈ পৰে।

চৈধ্য প্ৰসংগৰ পাচত ৰাতি সেই মুহূৰ্তত মাধৱৰ তৰ্কবাদ কৰিবৰ মন নগ'ল। তেওঁ জানে নাৰায়ণে যুক্তিযুক্ত কথাকে কৈছে। কিন্তু পৰিবেশ যে বদলি হোৱা নাই। সেই কথা নাৰায়ণ ঠাকুৰে হয়তো ধাৰণাই কৰিব পৰা নাই। মানুহবোৰ বদলি হলেই, কিছুমান জংঘল কাটি পৰিষ্কাৰ কৰি অ'ত ত'ত কেইটামান অনুষ্ঠান পাতিলেই পৰিবেশ বদলি নহয়। পৰিবেশ বদলি কৰে মানুহৰ মনে, অন্তৰৰ চেতনাই। বাহিৰৰ পৰিবৰ্তনবোৰে নহয়। এতিয়াও ইয়াত পৰদ্ৰব্যলোলুপ সৰ্বশক্তিমান ৰজা আছে, ৰজাক উত্তম দ্ৰব্যৰ খবৰ দিবলৈ বনগঞাগিৰি, ৰীৰাই চৌধুৰীৰ দৰে লুভীয়া তোষামোদকাৰীৰ দল আছে, ব্ৰাহ্মণবিদ্বেষী আৰু বৈষ্ণৱবিদ্বেষী পণ্ডিত নামধাৰী ব্যক্তি আছে

আৰু আছে যুগ যুগ ধৰি প্ৰবঞ্চিত হৈও চেতনা নোহোৱা হীৰামণিহঁতৰ দল। মানুহ হয়তো বদলিছে, শাওনা-শান্তাইঁতৰ ঠাইত আহিছে হীৰামণিহঁত। বিশ্বসিংহৰ ঠাইত আহিছে কোনোৱা ৰঘুদেৱ বা লক্ষ্মীনাৰায়ণ, বিষ্ণু আতৈৰ ঠাইত আহিছে কোনোবা যদুমণি আতৈ; কিন্তু পৰিবেশ একেই আছে। সেই বিদ্বেষ, সেই শোষণ, সেই প্ৰবঞ্চণা আজিও বিদ্যমান।

মাধৱে নিজৰ বহাত অকলশৰে বহি গোটেই ৰাতিটো এই কথাবোৰকে চিন্তা কৰিলে আৰু অৱশেষত নটুৱা নাচৰ দিন অহা পূৰ্ণিমাতে থিৰাং কৰিলে। মাধৱৰ সুদূৰপ্ৰসাৰী এটা উদ্দেশ্যও আছিল; অৱশ্যে সেই কথা ঘুণাক্ষৰেও কাকো জানিবলৈ নিদিলে।

দুৱাৰৰ ফাঁকেৰে তেওঁ অদূৰত দেখিলে কীৰ্তনঘৰৰ অক্ষয়বন্তী-গছ। যেন বহু শতাব্দীৰ পুঞ্জীভূত এন্ধাৰৰ বিৰুদ্ধে নিৰবচ্ছিন্ন সংগ্ৰামৰ এক প্ৰতীক। আজি কিছুদিনৰ আগতে তেওঁ নিজেই জ্বলাইছিল এই বন্তীগছ আৰু ভকত-অভকত সহস্ৰজনৰ কামনালৈ শ্ৰদ্ধা জনাই তাৰ নাম দিছিল অক্ষয় বন্তি। মানুহৰ অক্ষয় সংগ্ৰামৰ যেন এক সতৰ্ক প্ৰহৰী।

মাধৱৰ মন পিছুৱাই গৈছিল বহু বছৰৰ আগলৈ। তেতিয়া তাঁতী-কুছিত কীৰ্তনঘৰ হোৱাৰ কথা কোনেও কল্পনাই কৰা নাছিল। গুৰুজনাই ৰজা নৰনাৰায়ণক বৃন্দাবনীয়া বস্ত্ৰ বৈ দিয়াৰ দায়িত্ব লৈ আহিছিল এই তাঁতীকুছিলৈ। গোপালক মুখ্য তাঁতী পাতি মুৰাৰী তাঁতী প্ৰমুখ্যে আটাইকে দিছিল সেই বস্ত্ৰ প্ৰস্তুতিৰ ভাৰ। মুৰাৰী আছিল, শ্ৰীৰাম আছিল, গোবিন্দ আছিল, আৰু আছিল নিনাও শতেক তাঁতী। গুৰুজনাই নিতউ আহিছিল পাটবাউসীৰপৰা তাঁতীকুছিলৈ কামৰ অগ্ৰগতিৰ বুজ লবলৈ। তেৰাৰ প্ৰতিভা কেৱল অধ্যাত্মিক দিশতে যে আছিল এনে নহয়; এজন ব্যক্তিক স্বয়ংসম্পূৰ্ণ কৰি তুলিবলৈ যিমান দিশৰ অভিজ্ঞতাৰ প্ৰয়োজন গুৰুজনাৰ সেই

সমস্ত দিশতে আছিল চৰম বুৎপত্তি। তাঁতীকুছিতো তাঁতৰ কাম চায়ে ক্ষান্ত থকা নাছিল, নিজেও হাতে-কামে লাগি গৈছিল।

এদিন গুৰুজনাৰ গা ভাল নাছিল আৰু স্বাভাৱিকতে তেৰাৰ কামৰ দায়িত্ব পৰিছিল মাধৱৰ ওপৰত। মাধৱেও কাপোৰ বৰে তাঁতত বহি গোটেই আবেলিটো। গুৰুজনাই পাচদিনাখন মাধৱৰ অংশটো চাই বেছি দেখিলে। মাধৱক পিঠিত চপৰিয়াই আদৰ কৰি নাম দিলে বঢ়াৰ পো। অৰ্থাৎ আনতকৈ সকলো কথাতে বঢ়া গুণৰ অধিকাৰী তেৰাৰ প্ৰিয়শিষ্য মাধৱ। তেৰাই হয়তো জানিছিল, বৃন্দাবনীয়া কাপোৰ য'ত বোৱা হ'ল, সেই তাঁতীকুছিতে গোপাল তাঁতীয়ে মথুৰাদাস নাম লৈ এদিন বৃন্দাবন পাতিব। কিন্তু তেৰাই হয়তো ভবাই নাছিল যে, বঢ়াৰ পোৱে তাতে গুৰুবাক্য উলংঘা কৰি এদিন ধৰ্মকো টুটাব। কথাষাৰ ভবাৰ লগে লগে তেওঁৰ মন ব্যথিত হৈ পৰিল। নিৰুপায় ক্ষোভত অন্তৰ জ্বলি যোৱা যেন লাগিল। পুৱা প্ৰসংগৰ মাজতে মথুৰাদাস আহিও সেইকথাকে উলিওৱাত মাধৱ বিৰক্ত হ'ল; কিন্তু তেওঁ হয়তো ভকতসকলৰ আগ্ৰহক নেওচা দিবলৈ ভয় কৰি মনে মনে ৰাতি নটুৱা নাচ-পতাকে স্থিৰ কৰিছিল। কিয়নো মাধৱৰ সন্মতি অসন্মতিলৈ অপেক্ষা নকৰি তেওঁ মাথোন কৈছিল—

বৰসবাহ পাতিবলৈতো সকলোৱেই মত দিলে, পিছে আচল কামৰ বেলিকাহে। শেষত গৈ হয়তো প্ৰভুৰ আৰু আমাৰ মূৰতহে পৰিব সমস্ত লেঠা।

কথাষাৰ শুনি মাধৱৰ মন ভাৰাক্ৰান্ত হৈ পৰিছিল স্মৃতি-কাতৰতাৰে। গুৰুজনা যেতিয়া আছিল, ভাবিবৰ প্ৰয়োজনেই নাছিল কাৰো; কুমাৰৰ মাটি কোনে আনিলে কাজলীমুখৰপৰা, কৰ কঠালগছ কাটি কোনে সাজিলে কঠালসাৰৰ খোল, কোনে শিকালে কেঁতাই খাক খোলৰ অপূৰ্ব বাদন, কোনে সজালে কাঠৰ মুখাৰে দানৱ দৈত্য বাজক, কোনে বা আঁকিলে চিহ্নযাত্ৰাৰ অনিন্দ্য চিত্ৰপট।

তেনেবোৰ কথাত মুৰ ঘমাবলৈ কাৰো আৱশ্যক হোৱা নাছিল। অথচ সময় মুৰকত দেখা যাব, প্ৰতিটো পদ বস্তু ঠিকঠাক হৈ আছে।

মাধৱৰ মনে মনে ভয় হ'ল। পাৰিবতো চম্ভালিব ইমান গধুৰ এটা দায়িত্ব? গুৰুজনা আছিল সৰ্বগুণাকৰ। ক্ষুদ্ৰ মাধৱে সেই মহান প্ৰতিভাৰ কণামাত্ৰৰো অধিকাৰী হোৱা হলেও কিবা এটা কৰিব পৰা গ'লহেঁতেন।

মথুৰাদাসৰ কথা শুনি তেওঁৰ হাঁহি উঠিছিল। বলোৰামে হেনো ভালেই বজায়; মুৰাৰী তাঁতিৰ বৰপুত্ৰ হৰাই আৰু বৰবিষ্ণু আতৈৰ কনিষ্ঠপুত্ৰ জয়হৰিৰ নাচৰ তাল-মান হেনো নিখুঁত। আৰু গোপাল আৰু শ্ৰীৰামৰ সুৰ সঞ্চাৰো হেনো মনমুগ্ধকৰ। ক'ত কৈঁতাই খা আৰু ক'ত বলোৰাম! ক'ত ৰামৰাম গুৰু আৰু ক'ত জয়হৰি······ হৰাইহঁত! আৰু সুৰ সঞ্চাৰ? অৱশ্যে হীৰামণি যদি আছে কথা বেলেগ।

মাধৱে যিমানেই মনক প্ৰবোধ দি এই আয়োজনৰ লগত নিজকে সংশ্লিষ্ট কৰিব খুজিছিল সিমানে অনুভৱ কৰিছিল এক অনমনীয় অনীহা। তেওঁৰ অন্তৰাত্মাই বাৰে বাৰে তেওঁক যেন সতৰ্ক কৰি দিছিল যে ঈশ্বৰৰ স্থানত আৰম্ভ হোৱা এই উদুলি মুদুলি ভালৰ লক্ষণ নহয়। তথাপি তেওঁ যন্ত্ৰচালিতৰ দৰে নিয়োজিত কৰ্তব্য কৰি গৈছিল।

সেই পূৰ্ণিমাৰ দিনা গধূলিৰেপৰা জোনটোৱেও যেন সেই পৰম মুহূৰ্তটোৰ বাবেই বাট চাই আছিল। অদ্ভুতভাৱে সিদিনা কুঁৱলীৰ পৰিমাণো আছিল কম। আঘোণৰ পূৰ্ণিমাৰ আকাশৰ দৰেই বিশাল বিস্তৃতিৰে আকাশখনো যেন বভিয়াল ঘৰৰ ওপৰলৈ নামি আহিছিল। পাতল কুঁৱলীৰ আৱৰণ ঠেলি জোনটো স্পষ্ট হৈ ওলাই আহিছিল তাৰ উন্মুক্ত প্ৰাংগণলৈ।

অঞ্চলৰ মানুহ ভাগি আহিছিল কীৰ্তনঘৰলৈ; বভিয়াল ঘৰ নধৰা হৈছিল দৰ্শনপিয়াসী মানুহৰ ভীৰত। কীৰ্তনঘৰ আৰু বভিয়ালঘৰৰ

অংগনে অংগনে বিৰ দি বাট নোপোৱা হৈ পৰিছিল ভক্তৰ সমাগমত। ৰভিয়াল ঘৰৰ ভিতৰত বহি মাধৱে নিজেই পৰিচালনা কৰিছিল সমস্ত দিশ। অজস্ৰ শ্ৰোতাই মুগ্ধ হৈ শুনিছিল গোবিন্দৰ কণ্ঠস্বৰ, মাধৱৰ উদাত্ত আবৃত্তি। অবাক সতৃষ্ণ নয়নে উপভোগ কৰিছিল বলোৰামৰ অপূৰ্ব বাদন আৰু গোপনাৰীৰ লয়লাস নৃত্যভংগিমা। মানুহে গমেই নাপালে কেতিয়া শীতৰ সেই সুদীৰ্ঘ ৰাতিৰ অৱসান ঘটিল; যেতিয়া অৰুণে ভুমুকি মাৰিলে, যেতিয়া ৰাতিৰ ম্লান পোহৰত মায়াজাল বিস্তাৰ কৰা পৰিবেশটোৱে সূৰ্য্যৰ প্ৰখৰ তেজত প্ৰকৃত স্বৰূপত ধৰা দিলে তেতিয়াহে দৰ্শকৰ তন্ময়তাৰ ওৰ পৰিল। ঠিক সেই মুহূৰ্ত্ততে গীত-নাটৰো সামৰণি পৰিল।

চৌদিশ মুখৰিত কৰি হাজাৰ হাজাৰ দৰ্শকে হৰিধ্বনি দি ঘৰাঘৰি খোজ ললে; আৰু কিছু সময়ৰ ভিতৰতে কীৰ্তনঘৰৰ চৌহদ এখন মৰিশালিৰ দৰে নিদাৰুণ নিস্তব্ধতাত বুৰ গ'ল। সেই সময়তে মাধৱৰ মনত পৰিছিল হীৰামণিহঁতৰ কথা। গোবিন্দই খটখটিৰ ঘাটত গা-পা ধুই মাধৱৰ বহাত সোমাইছি লহি। গোবিন্দক সোধাত গোবিন্দয়ো কব নোৱাৰিলে। হয়তো তুলসী অসুস্থ হৈ পৰিব পাৰে আৰু হয়তো? মাধৱে পিচৰ এই সম্ভাৱনাটোতহে বেছি চিন্তিত হৈ পৰিছিল। হীৰামণি কৈৱৰ্ত্ত, তাতে তুলসী হ'ল নাৰী। হয়তো হীৰামণিয়ে নহাটোকে সকলোৰে কাৰণে মংগলজনক বুলি ভাবিলে।

মাধৱ হঠাৎ নিৰুৎসাহ হৈ পৰিল। যাৰ কাৰণে গুৰুজনাই জীৱনৰ সমস্ত সুখভোগ পৰিহাৰ কৰি এক মহান আদৰ্শৰ প্ৰবৰ্ত্তন কৰিলে, যাৰ কল্যাণ কামনা কৰি তেওঁ নিজেই পিতৃভূমি, পৰিয়াল-পৰিজন সকলো ত্যাগ কৰি, গৃহহীন, আশ্ৰয়হীন হৈ জীৱনৰ সমস্ত সুখ জলাঞ্জলি দিলে, তেওঁলোকেই যদি ৰভিয়ালঘৰৰ ৰঙত, আদৰ্শসেৱীৰ সমাৰোহত অংশ গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰে, তেন্তে তেওঁৰ সমগ্ৰ সাধনা বিফল হোৱা বুলি কবই লাগিব। মাধৱৰ জীৱদশাতে

যদি এই অৱস্থা হয়, আৰু মাধৱৰ অবৰ্তমানত যে কি হব ভাবিলেই ভয় লাগি যায়।

হীৰামণি বাৰু কিয় নাহিল হৰিভকত ?

দেহৰ অসুবিধা, মনৰ অসুবিধা, নানান অসুবিধা থাকিব পাৰে, প্ৰভু।

এবাৰ ইয়ালৈ লৈ আহিব পৰা হলে।

আনিব পৰাহেঁতেনতো ভালেই আছিল। কিন্তু মাতিলেও হীৰামণি জানো আহিব ? গোবিন্দই আশ্বাস দিয়া সত্বেও মাধৱ আশ্বস্ত হব নোৱাৰিলে। মনৰ কোনোবাখিনিত খোকোজা লাগি থাকিল।

মাধৱ বাহিৰলৈ ওলাই আহিছিল। পুৱাৰ বাঙলি ৰ'দৰ চেৰেঙাবোৰ জংঘলবোৰৰ ফাঁকেদি সোমাই আহি পৌৰাণিক আখ্যানৰ ৰণথলী এখনৰ দৰে দেখা কৰিছিল কীৰ্তনঘৰৰ প্ৰাংগণ। কাণত বাজি আছিল ৰাতিৰ খোল আৰু খুটিতালৰ শব্দ ; গোবিন্দৰ সংগীত ৰাগিনীৰ অৱশেষ। মাধৱে চাৰিওপিনে চালে ; অদ্ভুত ৰিক্ততাই তেওঁৰ চাৰিওদিশে হাঁহাকাৰ কৰি উঠা যেন অনুভৱ হ'ল।

ভকতসকল তেতিয়া নিশ্চয় নিজা নিজা বহাত ৰাতিৰ ভাগৰ মাৰিছিল। কেৱল মথুৰাদাসেহে কীৰ্তনঘৰ আৰু ৰঙিয়াল ঘৰৰ প্ৰাংগণ পৰিষ্কাৰ কৰাত ব্যস্ত হৈ আছিল। মাধৱ সন্তৰ্পণে কীৰ্তন-ঘৰত সোমাল আৰু গুৰু আসনৰ ওচৰত এখন কঠ পাৰি বহি ললে। আসনত মূৰ দোঁৱায়েই তেওঁৰ মনত এক ভীষণ অপৰাধবোধ হ'ল। নিজকে অত্যন্ত নিঃসহায় যেন লাগিল। বাধা নেমানি চুচকুৰেদি সৰ্‌সৰ্‌ কৰে লোতক বৈ পৰিল মাধৱৰ।

অপৰাধ বিনাশন তযুনামে নাৰায়ণ, প্ৰভু, এই অধমৰ দোষ ক্ষমা কৰা কৃপাৰ সাগৰ স্বামী।

গম নোপোৱাকৈয়ে মাধৱৰ বুকুভেদি এক দীৰ্ঘশ্বাস ওলাই আহিল। হঠাৎ কাৰোবাৰ খলক লগোৱা হাঁহি শুনি কান্ধৰ মুখমছাৰে মুখখন মচি লৈ ঘূৰি চালে। দেখিলে চোতালত সুবানন্দ চৰ্দাৰ আৰু এদল চিপাহী।

মাধৱৰ হঠাতে হৃৎস্পন্দন বন্ধ হৈ যোৱা যেন লাগিল ; আৰু বা কি অকল্যাণৰ আগজাননী লৈ আহিছে সুবানন্দ চৰ্দাৰে; হয়তো কাবোবাৰ যুৱতী বিধৱা বোৱাৰী, অথবা ৰজাৰ কিবা জৰুৰী ফৰমান। মাধৱ লাহে লাহে ওলাই আহিল। দেখিলে চিপাহীবোৰে ভকতৰ বহাবোৰ লাঠিৰে কোবাই আধানাঙ্গি কৰিছে। হাতৰ আগত যিহকে পাইছে, ঘটি, লোটা, কেৰাহী ভাণ্ডি খান্তাং কৰিছে। ভকতে মাৰৰ ভয়ত নিশ্চয় জংঘলত আশ্রয় লৈছে। মাধৱ বাহিৰত থিয় হ'লহি। সুবানন্দ চৰ্দাৰ মাধৱৰ ওচৰলৈ আহিল। কুশলবাৰ্তা বিনিময়ৰ পাচত সুধিলে—বাপ, কালি হেনো ইয়াত নটুৱা নাচ হৈ গ'ল ?

তুমি ঠিকেই শুনিছা।

আমিও অলপ উপভোগ কৰিবৰ মনে অহা হ'ল।

তোমাক নিৰাশ কৰা নহয়, পিচে চিপাহীসকলে ভকতৰ বহাত কি কৰিছে। অনৰ্থক অত্যাচাৰ নহয় জানো ?

অত্যাচাৰ বুলি নকবা বাপ, অবিচাৰ কৰা হব। সিহঁত মেচ কছাৰী। এনে পবিত্র স্থানত প্রবেশাধিকাৰ পোৱাৰ সৌভাগ্য সিহঁতৰ বংশত হয়তো কাৰো ঘটাই নাছিল। আজি যি অধিকাৰ লাভ কৰিলে তাক অলপ জোৰেৰে সাব্যস্ত কৰিব খুজিছে মাত্র।

মাধৱে সুবানন্দৰ কথাষাৰ শুনি ঈষৎ হাঁহিৰে কলে—

চৰ্দাৰ তেওঁলোকক মাতি আনা ; আমি কীৰ্তনঘৰতে বহি নাচৰ ব্যৱস্থা কৰোঁ—

কীৰ্তনঘৰৰ ভিতৰলৈ ?

নহলে কি চালত উঠিবলৈ কমনে ?

সুবানন্দ চৰ্দাৰ নিজেই খন্তেক হতভম্ব হৈ ৰ'ল। আৰু পাচত চিঞৰি চিঞৰি চিপাহী কেইজনক থুপ খুৱালে আৰু কীৰ্তনঘৰৰ ভিতৰলৈ সুমুৱাই লৈ গ'ল।

নৃত্য-গীতৰ ব্যৱস্থা কৰাৰ লগে লগে সুবানন্দ চৰ্দাৰ সতৰ্ক হৈ পৰিল। অলপ সন্দেহো কৰিলে নৃত্যগীতৰ মহৰাত ব্যস্ত ৰাখি

আচল পখী হয়তো ক'ৰবালৈ উৰি যাব পাৰে। তদুপৰি সন্মুখত গাভৰু ছোৱালীয়ে নাচিব, চিপাহী কেইটাই অসতৰ্ক মুহূৰ্তত ক'ৰবাত কিবা এটা কৰি পেলাব মাধৱদেৱৰ দৰে পুৰুষৰ সাক্ষাততে, সেইটো সুৰানন্দৰ বাবে হ'ব অমাৰ্জনীয় অপৰাধ। তাকে চিন্তা কৰি সুৰানন্দই মাধৱক লৈ গ'ল মুৰাৰী তাঁতীৰ বহালৈ। তাতে দুৱাৰ বন্ধ কৰি থৈ আহিল কিছুসময়ৰ কাৰণে।

মাধৱৰ তেতিয়াহে চেতনা হ'ল যে তেওঁ কিবা ৰাজদ্ৰোহ আচৰিলে।

মাধৱে আমোদ পালে। মনত পৰিল আহোম ৰাজৰ হাতী চিকাৰত মানুহ নিবলৈ অহা সেই দিনটোৰ কথা। সিদিনাৰ আৰু আজিৰ ঘটনাৰ মাজত অৱশ্যে আকাশ পাতাল প্ৰভেদ। সিদিনাৰ সেই ঘটনাটো আছিল জনতাৰ কল্যাণৰ স্বাৰ্থত আৰু গুৰুৰ জীৱন ৰক্ষাৰ হকে। সেই মুহূৰ্তটো আছিল আত্মোৎসৰ্গৰ এক পৰমক্ষণ। আজিৰ এয়া আকৌ ঘটিছে গুৰুৰ আদেশ উলংঘা কৰি, জনতাৰ ক্ষণিক আনন্দৰ কাৰণে, তৰল জনপ্ৰিয়তাৰ লোভত। সিদিনা মাধৱ অকলশৰীয়া নাছিল। আৰু আজি, তেওঁ একেবাৰেই অকলশৰীয়া। ৰজাৰ নিগ্ৰহলৈ তেওঁৰ দুশ্চিন্তা নাই। ৰজাৰ অনুগ্ৰহ বা নিগ্ৰহ একেই কথা তেওঁৰ মানত।

সেইযে ৰাজপুত্ৰ আৰু ছাগলীৰ সাধুটো। ৰজা আছিল অপুত্ৰক। বৰুণক তপস্যা কৰি পুত্ৰ লাভ হ'ল। কৃতজ্ঞ ৰজাই বৰুণ দেৱতালৈ সৈ থলে এটা পঠা ছাগলী। পুত্ৰ ডাঙৰ হ'ল। স্বভাৱত সুলক্ষণ ফুটি উঠিল। দয়ালু ধাৰ্মিক বুলি ৰাজপুত্ৰৰ প্ৰশংসাত প্ৰজাসাধাৰণ শতমুখ হৈ পৰিল।

এদিন শুভ দিন-বাৰ চাই বৰুণ দেৱতাৰ পূজাৰ আয়োজন কৰা হ'ল। বলি দিবৰ বাবে অনা হ'ল সোণবৰণীয়া নিপোটল এটা পঠা ছাগলী। সেইকালৰ প্ৰথামতে ঘাতক আহি বেদীৰ আগত পঠাটোৰ মুখত সোপাদি ধৰি ডিঙিটো মুচৰিবলৈ বুলি পাক দিব

খোজোতেই ৰাজপুত্ৰই থৰ-থৰ মাৰ-মাৰ কাণ্ড লগাই দিলে। সকলোৱে হতবাক হৈ ৰাজপুত্ৰৰ পিনে চোৱাত তেওঁ নীৰৱে খাপৰপৰা তৰোৱালখন উলিয়াই ঘাতকৰ পিনে দলি মাৰি দিলে। আৰু কলে যে, প্ৰাণীৰ ওপৰত এনে নিষ্ঠুৰতা তেওঁ সহ্য কৰিব নোৱাৰে। তেওঁ ডিণ্ডিত এঘাপ দি ছাগলীটোক বলি দিবলৈ নিৰ্দেশ দিলে।

মাধৱৰো সেয়ে অৱস্থা। বলি দিয়া ছাগলীটোক তুমি ডিঙি মুচৰিয়েই মাৰা নে একেঘাপে ডিঙিটো দুডোখৰ কৰি মাৰা ছাগলীটোৰ কাৰণে সেয়া একেই কথা। মাধৱকো ৰজাই বন্দীয়ে কৰক বা বিষয়বাবেই দিয়ক তেওঁৰ মানত সেয়া একেই কথা। ৰজাঘৰৰ বিষয় বাব যে বন্দীত্বৰে নামান্তৰ।

সেইবাবেই সুৰানন্দ চৰ্দাৰে যেতিয়া দুৱাৰৰ বান্ধ মুকলি কৰি সোমাই আহিল মাধৱ নিৰ্বিকাৰ হৈয়ে বহি থাকিল। কিন্তু চৰ্দাৰে যেতিয়া মাধৱৰ সম্মুখত আঁঠুলৈ ক্ষমা ভিক্ষা কৰিলে তেওঁৰ বিস্ময়ৰ সীমা নাইকীয়া হ'ল। অবাক হৈ সুৰানন্দৰ পিনে চাই ৰ'ল আৰু সুৰানন্দই তলমূৰ কৰি কৈফিয়ৎ প্ৰদৰ্শন কৰাৰ দৰে কৈ গ'ল কেনেদৰে কি হ'ল সমস্ত কাহিনী।

মাধৱে অৱশ্যে আগতেই সন্দেহ কৰিছিল কোনোবা টুটকীয়াই কিবা লগোৱা বুলি। কিন্তু তেওঁ ভাবিব পৰা নাছিল যে, ৰাঘৱৰ সহচৰ অসুৰাৰি ভট্টাচাৰ্য্যই এনে হীন অপবাদেৰে ৰজাত খল দিব। সুৰানন্দ চৰ্দাৰে নিজ হাতে নাচনীক পৰখ কৰি চালে, কিন্তু নাচনীবোৰতো অসুৰাৰিয়ে কোৱাৰ দৰে যুৱতী ছোৱালী নহয়। সিহঁতবোৰ ডেকাল'ৰাহে। ছোৱালীৰ পোছাক পিন্ধি নাচিছে। বণ্ডিয়ালঘৰৰ কৰা মাৰলি কাটি বখলিয়াইও চালে সুৰানন্দ চৰ্দাৰে। কিন্তু ক'তা? কতোচোন হীৰা-মাণিক পোৱা নগ'ল? তাত আছিল কেৱল বালিচন্দাৰ পাত আৰু হেঙুল হাইতাল ৰঙৰ অপূৰ্ব সমাবেশ। ইমান নিৰীহ পবিত্ৰ অনুষ্ঠান এটা সমন্ধে এনে জঘন্য

অপবাদ যে মানুহে দিব পাৰে, চৰ্দাৰে হেনো কল্পনাই কৰিব পৰা নাছিল।

নিজৰ গোস্তাখিৰ বাবে চৰ্দাৰে মাধৱৰ ওচৰত মাফ খুজিলে। মাধৱে প্ৰশান্ত হাঁহি মাৰি চৰ্দাৰক তুলি ধৰি কলে—তোমাৰতো ভাই গোস্তাখি একো হোৱা নাই। তুমি নিষ্ঠাৰে ৰাজআজ্ঞা পালন কৰিবলৈ যত্ন কৰিছা মাত্ৰ। আৰু সেয়াতো তোমাৰ কৰ্তব্য।

মাধৱৰ আশ্বাস বাণী শুনি চৰ্দাৰৰ চকুহাল সেমেকি উঠিল। দুৰ্দান্ত প্ৰতাপী চৰ্দাৰৰো নিজকে নিঃকিন নিশকতীয়া যেন বোধ হ'ল। তেওঁ বিমূঢ়ৰ দৰে থিয় হৈ থকা দেখি মাধৱেই কলে—বলা এতিয়া, তোমাৰ কৰ্তব্য কৰা।

চৰ্দাৰে হঠাৎ সম্বিত ঘূৰাই পোৱাৰ দৰে কলে—প্ৰভু, অভিশাপ নিদিবা; ৰজাৰ আদেশ তোমাক বন্দী কৰি লৈ যোৱাৰ। কিন্তু তোমাক বন্দী কৰি মোৰ ইহকাল পৰকাল মহাপাপত লিপ্ত কৰি লব নোখোজোঁ। প্ৰভু, আমাৰ প্ৰাৰ্থনা, যেন তুমি স্বেচ্ছায় আমাৰ লগে লগে আহাঁ। মাধৱ ওলাই যোৱাৰ পাচত কীৰ্তনঘৰৰ প্ৰাংগণলৈ ভকতসকল ওচৰৰ জংঘলৰ পৰা ওলাই আহিল। প্ৰত্যেকৰে চকুৱে মুখে আছিল চেপা উত্তেজনা, নিঃসহায় নিসহায় ভাব; প্ৰলয় দুৰ্যোগত বাচি যোৱা হৃতসৰ্বস্বজনৰ দৰে। বহাবোৰৰ সম্মুখত লামলাকটুবোৰ ভাগি-ছিগি পৰি আছিল। চিপাহীৰ অত্যাচাৰত বেৰৰ মাটিবোৰ খহি বহাবোৰৰ জৰাজীৰ্ণ অৱস্থা প্ৰকট হৈ পৰিছিল।

মাধৱদেৱ ওলাই যোৱাৰ বহুত পাচতহে মথুৰাদাস ক'ৰবাৰপৰা আহি ওলালহি। কীৰ্তনঘৰৰ চৌহদ পৰিষ্কাৰ কৰি তেওঁ কিবা এটা কাৰণত পোৰাৰ ভিটাৰ পিনে গৈছিল। বাটত কোনোফালে চিপাহী অহা তেওঁৰ চকুত পৰা নাছিল। তেওঁ যেতিয়া কীৰ্তনঘৰৰ প্ৰাঙ্গণ পালেহি ভকতৰ মাজত বিননিৰ ৰোল উঠিছিল। ঘটনাৰ সবিশেষ জনাৰ লগে লগে মথুৰাদাস স্তম্ভিত হৈ পৰিল। মূৰ ঘূৰি পৰি যাব ধৰিছিল। কোনোমতে কীৰ্তনঘৰৰ পিৰালিত উঠি

বেৰত ধৰি ধৰি ঢলং পলংকৈ ভিতৰত সোমাল আৰু গুৰু আসনৰ ওচৰতে চকুহুটা মুদি নিথৰ নিশ্চল হৈ বহি থাকিল। ভকতসকলে দলনিত মেলি দিয়া পোনাৰ দৰে বিমূঢ় বিভ্ৰান্ত হৈ নিজৰ নিজৰ বিধ্বস্ত পজাবোৰতে সোমাই থাকিল।

হুদিন নে তিনিদিনৰ পাচত মাধৱ ঘুৰি আহিছিল। ৰজাৰ কথা হ'ল, সঁচাই হওক, মিছাই হওক, অভিযোগ এটা ওলাল যেতিয়া, কেৱল ৰাজ্যৰ স্বাৰ্থতে নহয়, মাধৱৰ নিজৰ সম্ভ্ৰমৰ স্বাৰ্থতো এই ৰাজ্যৰপৰা আঁতৰি যোৱাটো উচিত হব। গতিকে মাধৱক দিয়া হ'ল নিৰ্বাসন দণ্ড। হাজোলৈ।

ইমান গুৰু ৰাজদণ্ডৰ হেঁচাতো মাধৱৰ মনৰ উৎসাহ অৱদমিত হোৱা নাছিল। তেওঁ প্ৰশান্ত মনেৰে ঘুৰি আহিছিল ; তাঁতীকুছিলৈ নহয়, সুন্দৰীলৈ। কি কাৰণত জানো তাঁতীকুছিলৈ যাবৰ মন নগ'ল অথচ সুন্দৰীলৈ আহিবৰ আগ্ৰহ হ'ল মাধৱে নিজেই ভাবি নাপালে। গোবিন্দই মাধৱক দূৰতে দেখি উদগ্ৰীৱ হৈ ৰৈ আছিল। ভৰি-হাত ধুবলৈ যতনাই দি আলেগে আলেগে মাধৱৰ মুখলৈ লক্ষ্য কৰিছিল। কিন্তু কোনো অস্বাভাৱিক প্ৰতিক্ৰিয়া তেওঁৰ চকুত নপৰিল। অৱশ্যে আহি থাকোঁতে বাটত মাধৱৰ খোজত ওলাই পৰিছিল অপৰিসীম। ক্লান্তিৰ আভাস। গোবিন্দই তাক স্বাভাৱিক বুলিয়েই ধৰি লৈছিল। খন্তেক বিশ্ৰাম লোৱাৰ পাচত গোবিন্দই ইমান পৰে দিবলৈ বুলি সুবিধা বিচাৰি ব্যগ্ৰতাৰে ৰৈ থকা খবৰটো দিলে। খবৰটো শুনি মাধৱে বিস্ফাৰিত নেত্ৰে গোবিন্দৰ মুখলৈ চাই থাকিল।

বিশ্বাস হোৱা নাই, প্ৰভু ?

নাই হোৱা হৰিভকত। তোমাৰ হয়তো ভুল হৈছে।

ভুল মোৰ হোৱা নাই প্ৰভু ; মই নিজ চকুৰে পৰহি দেখি আহিছোঁ, আমাৰ সাক্ষাততে 'যত অনৰ্থৰ মূল শেষ হৈ যক' বুলি যদুমণি আৰু বনগঞাগিৰিয়ে ৰণ্ডিয়াল ঘৰটোত জুই লগাই দিছে।

মাধৱৰ আগত গোবিন্দই দাঙি ধৰিলে তাৰ বিস্তৃত বিৱৰণ।

মাধৱ যোৱাৰ দিন ধৰি চাৰিওপিনৰপৰা আবেলি ভকত-অভকত অঞ্চলৰ গঞ্জাবাইজ আহে কীৰ্তনঘৰলৈ। মথুৰাদাসতো, ঘটনাৰ দিনা যি কীৰ্তনঘৰত সোমাল কাৰো সতে কথাও নকয়, ওলায়ো নাহে কীৰ্তন ঘৰৰপৰা। অষ্টপ্ৰহৰ সেই গুৰু আসনৰ কাষতে চকু দুটা মুদি বহি থাকে। চকু দুটা মুদেহে কিন্তু চকুপানীক বাধা দিব পাৰে কেনেকৈ? বাইজ আহি নীৰৱে কীৰ্তনঘৰৰ চোতালতে ইফাল-সিফাল কৰি থাকে উদ্দেশ্যবিহীনভাৱে একেবাৰে মুখ এন্ধাৰ লগাইলৈকে। তাৰ পাচত লাহে লাহে দিহাদিহি গুচি যায়। গোবিন্দই খবৰটো পালে এদিন পাচত। আবেলি গৈ দেখে কীৰ্তনঘৰৰ চোতালত অ'ত ত'ত মানুহবোৰ নীৰৱে থিয় হৈ, বহি তলমূৰ কৰি বৈ আছে। এনেতে হঠাৎ বনগঞ্জাগিৰি আৰু যদুমণি ক'ৰবাৰপৰা ওলালহি। বোধকৰোঁ তেওঁলোকে বিচাৰিছিল মথুৰাদাসক। নেপাই ইফালে-সিফালে চাওঁতেই চকুত পৰিল হৰিচৰণ ঠাকুৰ। বনগঞ্জাগিৰি কাঁড়পাতৰ দৰে গৈ ওচৰত থিয় হৈ সুধিলে—

চোৱা হৰিচৰণ, তুমি শংকৰৰ পুত্ৰ; বংশৰ একমাত্ৰ প্ৰাপ্তবয়স্ক উত্তৰাধিকাৰী। কিন্তু তুমি ভকতসকলক এবাৰ বুজাবৰ চেষ্টা কৰিছিলা নে যে ধৰ্মৰ নামত এনে ধৰণৰ ঘমঘণ্ট শংকৰৰ অভিপ্ৰেত নাছিল?

আৰু তুমি? তুমিতো শংকৰৰ যোগ্য ভ্ৰাতৃ বুলি দাবী কৰা।

মোৰ কথাত জানো কোনোবাই মূল্য দিয়া? নিষ্পাপ ৰমানন্দপত্নী সিন্ধুমতীক সুৰানন্দ চৰ্দাৰে অপহৰণ কৰি নিয়াৰ গুৰিতে তোমালোকে সন্দেহ কৰিছিলা মোকেই। মই বাৰে বাৰে কৈছিলোঁ তেনে কৰ্ম মোৰ দ্বাৰা হোৱা নাছিল বুলি; তোমালোকে কোনেওতো মোক বিশ্বাস নকৰিলা? লাহে লাহে তোমালোকে লগ লাগি মোক পৰিণত কৰিলা এক খল-নায়কত। আৰু মোৰ কথাত তোমালোকে গুৰুত্ব দিবা?

তাৰ পাচত দদায়েক ভতিজাকৰ তুমুল কাণ্ড। শেষত মথুৰাদাসো ওলাই আহিবলৈ বাধ্য হৈছিল। প্ৰবীণ ভকত জনদিয়েকে মধ্যস্থতা কৰি দুয়োকো দুইপিনে আঁতৰাই পঠালে শেষত। হৰিচৰণ অধোমুখে ঘৰৰ পিনে খোজ লৈছিল। বনগঞাগিৰি কিন্তু গ'ল ৰভিয়াল ঘৰলৈ। আৰু খন্তেক পিচতে দাও-দাও কৰে জ্বলি উঠিছিল ৰভিয়াল ঘৰ। যদুমণি আৰু বনগঞাগিৰিয়ে দুখন দা লৈ একালৰ পৰা অগ্নিত জাপি দি গৈছিল হঠাতে অগ্নিয়ে পৰশিব নোৱাৰা খুটা-খাটলি যিহকে সমুখত পাইছিল তাকে। দুয়োৰে চকুত চকুপানীৰ বাধা নমনা ধাৰ। যেন মাকৰ ওচৰত জেউৰ ধৰি ব্যৰ্থকাম হোৱা দুটা দুৰন্ত শিশুহে। যেন ব্যৰ্থতাৰ আক্ৰোশত হাতত যিহকে পায় তাকে ভাঙি-ছিঙি শেষ কৰিব।

এইবাৰ তোমাৰ জিত প্ৰভু। তুমি তাত সেইদিনা থকাহেঁতেন? মাধৱ তাত থকাহেঁতেন কি হ'লহেঁতেন বাৰু? নে বনগঞাগিৰিয়ে ৰভিয়াল ঘৰটো জ্বলাই নিদিলেহেঁতেন? নে চকুপানী নুটুকিলে-হেঁতেন? মাধৱক নীৰৱ হৈ থকা দেখি গোবিন্দই সাহস পাই কলে— বনগঞাগিৰিৰ এয়া এক নতুন চক্ৰান্তও হব পাৰে।

মাধৱ এইবাৰ বিৰক্ত হ'ল। আগৰ কথাৰ সূত্ৰ ধৰি কলে—চোৱা হৰিভকত, এয়া হাৰ-জিতৰ প্ৰশ্ন নহয়। এয়া হ'ল উপলব্ধিৰ প্ৰশ্ন। আৰু বনগঞাগিৰিয়ে যদি উপলব্ধি কৰিছে সেয়া যদি জয়, তেন্তে সেই জয় তেওঁৰ একান্ত নিজস্ব। তেওঁক আমি কোনেও জয় কৰা নাই, তেওঁ নিজেই মনৰ প্ৰাবল্যক জয় কৰিছে।

আৰু চক্ৰান্ত? গোবিন্দৰ সন্দেহ বৰ নিষ্ঠুৰ যেন লাগিল মাধৱৰ মনত। মাধৱে অৱশ্যে গোবিন্দক সতৰ্ক কৰি দিলে প্ৰকাৰান্তৰে।

বুজিছা হৰিভকত, সন্দেহভাজন ব্যক্তিতকৈ সন্দেহকৰ্তাৰ দায়িত্ব বৰ বেছি। সন্দেহকৰ্তাজনেহে সন্দেহভাজনৰ অনিষ্টকাৰকতাক সমাজৰ সম্মুখত দাঙি ধৰে।

মাধৱ কিছুপৰ নীৰৱে থাকিল। গোবিন্দক নিজৰ অবিচাৰ উপলব্ধি কৰাৰ অৱকাশ দিলে। আৰু তাৰ পাচত নির্বিকাৰভাৱে কথাৰ কথা এষাৰ কোৱাৰ দৰে কলে—হৰিভকত, তুমি উপলব্ধিৰ পৰিপক্কতা লাভ কৰিছা। তোমাৰ স্বাধীনভাৱে কাম আৰম্ভ কৰাৰ সময়।

সেয়া ভগৱন্ত প্রভুৰ কৃপা আৰু তোমাৰ অনুগ্রহ।

হৰিচৰণ, ৰামচৰণ, মথুৰাদাস আৰু বনগঞাগিৰিক লৈয়ে মোৰ যত চিন্তা। তুমি সেই দিশে লক্ষ্য ৰাখিব লাগিব। সমকক্ষজনৰ পিনে দৃষ্টি সমকক্ষই ৰখাতকৈ তেওঁলোকৰ পৰিসৰৰ বাহিৰৰপৰা দৃষ্টি ৰখাৰ বেছি সুবিধা আৰু তাত বেছি সফলতা লাভ কৰিব পৰা যায়।

কিন্তু আজি কিয় এইবোৰ কথাৰ অৱতাৰণা? তোমাৰ বর্তমানত এই ক্ষুদ্র গোবিন্দই এনে ভাৰ লোৱাৰ প্রয়োজন?

মোৰ বর্তমান মানে? মইতো দুদিন পাচতে এই দেশ এৰি গুচি যাব লাগিব। মই যে নির্বাসিত।

কথাষাৰ শুনাৰ লগে লগে গোবিন্দ বজ্রাহতৰ দৰে হ'ল। অন্তৰাত্মাই তেওঁৰ হাঁহাকাৰ কৰি উঠিল। শেষত কপালত এয়াও লেখা আছিল! যিজনা পুৰুষে দেশৰ প্রজাসাধাৰণৰ আধ্যাত্মিক মুক্তিৰ বাবে নিজৰ পিতৃভূমি, ঘৰ, পৰিয়াল-পৰিজন, সুখ-স্বাচ্ছন্দ্য সকলো পৰিত্যাগ কৰি চৰম কষ্ট বৰণ কৰি ললে; দাৰিদ্র্যক দাৰিদ্র্য নুবুলি, অপমান-গঞ্জনালৈ ভ্রুক্ষেপ নকৰি সাধাৰণ মানুহৰ কল্যাণৰ বাবে অহোপুৰুষার্থ কৰিলে তেওঁৰ কাৰণে দেশৰ ৰজাই চমৎকাৰ বিচাৰকে কৰিছে!

ভগৱান, কৃপাৰ সাগৰ, দীন দয়াশীল স্বামী, সমস্ত দেখি আছা প্রভু! গোবিন্দৰ দীর্ঘশ্বাস শুনি মাধৱে ঘুৰি চাই হাঁহি হাঁহি কলে— চোৱা হৰিভকত, এয়া মনৰ দুর্বলতা প্রকাশৰ সময় নহয়।

গোবিন্দয়ো বুজে সেই কথা। মাধৱ নির্বাসিত অথচ গোবিন্দই

মনৰ দুখত নিষ্ক্রিয় হৈ হাত সাৱটি বহি থাকিব, সেইটো গোবিন্দই হৰলৈ নিশ্চয় নিদিয়ে। কিন্তু ধৈৰ্য্যৰো এটা সীমা আছে আৰু গোবিন্দও তেজ-মঙহৰ মানুহহে তেও। গোবিন্দই উথলি অহা চকুপানী কষ্টেৰে সম্বৰণ কৰি কিবা এটা কামৰ অজুহাত উলিয়াই নদীৰ পাৰৰ পিনে কঁহুৱানিডবাৰ মাজৰ লুঙলুঙীয়া বাটটোত সোমাই পৰিল।

মাধৱে পিৰালিত ভালদৰে বহি লৈ চাৰিওপিনে চালে। শিমলু-জোপাত দুই-এদিনতে কোমলপাত ওলাব চাগে, সম্মুখৰ পথাৰখনো তেতিয়া ধানৰ গঁজালিৰে সেউজীয়া হৈ পৰিব। জেঠ আহাৰত ধানবোৰ যেতিয়া পকিবৰ হব তেতিয়া টিয়া চৰাইৰ জাকবোৰে দূৰৰ জাৰণিখনলৈ যোৱাটো এৰি দিব। তেতিয়া সিহঁতে এই শিমলুজোপাত, ওচৰৰ জাৰণিখনত পৰি মাজে মাজে কোঢ়ালত কাৰো মাত কতো মুগুনা কৰিব। শাওন-ভাদত সন্মুখৰ পথাৰখন যেতিয়া পানীৰে উপচি পৰিব তেতিয়া কুকুৰাজনীও এই শিমলুজোপালৈকে আহিব। ৰঙিয়াল ফুলজোপাৰ পাত বৰষুণত ভৰ কজলা হৈ পৰিব আৰু ফুলবোৰৰ ৰঙো বলিকটা ছাগলীৰ তেজৰ দৰে টিক্‌টিক্ কৰে ৰঙা হৈ পৰিব।

নিতউ পুৱতি নিশাতে ৰাঙিয়ালজোপাৰ ওপৰত আকাশী ভোমোৰাৰ গুঞ্জনে গোটেই পৰিবেশটোকে তাহানিৰ ঋষিৰ আশ্ৰম যেন কৰি তুলিব। বাৰিষা পথাৰত বনৰীয়া হাঁহৰ কোঢ়াল স্তব্ধ কৰা কুকুৰাৰ মাত। তাৰ খন্তেক পাচতে ৰাতিপুৱাৰ ৰঙা বেলিটোৱে লুকাভাকু খেলি পূবৰ কাঠনিৰ দিকবলয় ভেদ কৰি ওলাই আহিব। তাৰ লগে লগে ৰ'দৰ ৰঙা চেৰেঙা এটা প্ৰথম পুৱাতে তুলসীজোপাৰ বেদীৰ কাষতে লুটি খাই পৰিবহি। ৰঙা ৰ'দ ফালি ফালি তেতিয়া চৰাইৰ জাকবোৰ আকাশেদি পাৰ হৈ যাব।

আকৌ ৰাতি জোনাটো যেতিয়া আহি শিমলুজোপাৰ ওপৰ পাৰহি, তুলসীজোপাৰ ছাঁটো বেদীৰ ওপৰতে থুপ খাই পৰিবহি।

চাকিৰ পোহৰ তেতিয়া উজ্জ্বল হৈ উঠিব আৰু তাৰ পোহৰত দুই-এটা ৰঙিয়াল ফুলে পাতৰ আৱৰণ ঠেলি ম্লান হাঁহিৰে যেন জুমি জুমি চাব।

মাধৱে চকু দুটা মুদি সেই দৃশ্যবোৰ এটা এটাকৈ উপভোগ কৰিলে। আৰু দুটাদিনৰ পাচত মাধৱৰ কাৰণে সেইবোৰ হৈ পৰিব একেবাৰেই অপৰিচিত। আকাশৰ পৰিচিত সেই শব্দবোৰ, ছাঁয়া-পোহৰৰ সেই লুকাভাকু খেলা মাধৱৰ সামীপ্যৰপৰা ভতালিকে অন্তৰ্হিত হব আৰু জীৱনত হয়তো কোনোদিন তাৰে সতে দেখাদেখি নহব।

বুকুখন গধুৰ গধুৰ যেন লাগিছিল মাধৱৰ ; ইতিমধ্যে হাবিৰ জুইৰ দৰে বিয়পি পৰা মাধৱৰ প্ৰত্যাৱৰ্তনৰ বাতৰিয়ে অগণন লোকক আকৰ্ষণ কৰিছিল সুন্দৰীৰ সেই সৰু পঁজাঘৰটোলৈ। মানুহবোৰ অহা দেখি মাধৱৰ বেয়া নালাগিল। আবেলিলৈ লোকে লোকাৰণ্য হৈ পৰিছিল গোবিন্দৰ চোতাল আৰু সন্মুখৰ পথাৰৰ শস্যহীন অংশবোৰ। মানুহৰ জুমবোৰেও নীৰৱে অধোমুখে কিছুপৰ বৈ প্ৰণিপাত জনাই গুচি গৈছিল। মাধৱে কাৰো সতে এষাৰো কথা পতা নাছিল। যেন সম্ৰাটৰ মৃতদেহৰ ওচৰত সন্মান জনাই আনৰ কাৰণে ঠাই কৰি দি আঁতৰি যোৱা ৰাজভক্ত প্ৰজাৰ সমদলহে তেনেদৰে মানুহবোৰে মাধৱৰ ওচৰ পায়েই হঠাৎ নীৰৱ হৈ অৱশেষত নীৰৱে গুচি গৈছিল। মাধৱে অৱশ্যে সেই দৃশ্যৰ সৰৱতা মনে মনে উপভোগ কৰি পুলক অনুভৱ কৰিছিল।

ৰাতি বিছনাত পৰি মাধৱ উৎকৰ্ণ হৈ আছিল নিতউ আকাশেদি পাৰ হৈ যোৱা বনহংসীজাকৰ শিশুৰ কলকণ্ঠৰ দৰে মাতবোৰ শুনাৰ আশাৰে। মনে মনে চঞ্চল হৈ পৰিছিল দুদিন পিচৰ আসন্ন সেই চৰম মুহূৰ্ত্তটোৰ কথা ভাবি।

পাচদিনা প্ৰত্যুষতে হীৰামণিৰ অপূৰ্ব কণ্ঠস্বৰ শুনি মাধৱ সজাগ হৈ উঠিছিল। ৰাতিপুৱা বেলি উঠাৰ আগতেই পঠাই দিছিল গোবিন্দক হীৰামণিহঁতক মতাই আনিবলৈ। তেওঁলোক অৱশ্যে কোনো নাহিল,

গোবিন্দ উভতি আহিছিল ক্রোধ আৰু অভিমানত জৰ্জৰিত হৈ। হীৰামণিয়ে আহিবলৈ অমান্তি হোৱা খবৰটো দিয়াৰ ভয়তে গোবিন্দই এবাই ফুৰিলে মাধৱক। হীৰামণি অৱশ্যে নহাকৈ থকা নাছিল। আহিছিল সেই সাত গধূলি। আহিয়েই প্ৰণিপাত জনাই চোতালতে বহি ললে আৰু কাৰণ দৰ্শোৱাৰ দৰে কৈ গ'ল—বৰণী চাবলৈ আহিছিলোঁ প্ৰভু! তুমিও একেবাৰেই এই দেশ এৰি যাবা বুলি বাপৰ মুখে শুনিলোঁ। বোলো এবাৰ মাতকে লগাই যাওঁ।

মই তোমাক যোৱাৰ আগে আগে নেদেখিম বুলিয়ে ভাবিছিলোঁ। তুলসী কেনে আছে বাৰু?

তাইৰ গা ভাল নহয়। আৰু প্ৰভু, আমাক দেখাই বা কি নেদেখাই বা কি?

হীৰামণিৰ বেপৰোৱা কথাবাৰ শুনি গোবিন্দৰ অসহ্য হ'ল।

হীৰামণি, তুমি বাৰু অকৃতজ্ঞ নৰাধম নোহোৱানে?

বাপ, অকৃতজ্ঞটো কি গুণ নাজানো; কিন্তু নৰাধম হলে হয়। তুমি ঠিকেই কৈছা। নৰাধম বাবেইতো আজি আমি দুখ কৰা নাই। ৰজাৰ আনন্দৰ দিনত ৰাজ্যৰ দূৰণিবটীয়া গাৱঁৰ আনন্দানুষ্ঠানত যোগ দিবলৈ দেখাক দেখি যে আহে নিৰ্বোধ প্ৰজাৰ সমদল; ইমান নিৰ্বোধ যে, সিহঁতে নাজানেই সেয়া শোকৰ নে আনন্দৰ দিন। প্ৰভু মোৰো সেই অৱস্থা। বাপেই ঠিকেই কৈছে, আমি নৰাধমেই হয়।

হীৰামণি গুচি যোৱাৰ পাচত মাধৱৰ মনত উদয় হ'ল তেওঁৰ মনৰ অন্তৰতম প্ৰকোষ্ঠত পুঞ্জীভূত হৈ থকা বেদনাখিনিৰ কথা। যি কথা তেওঁলোকে মুখখুলি কৰলৈ মাধৱ-গোবিন্দৰ দৰে মানুহক নিৰ্ভৰেৰে গ্ৰহণ কৰিব নোৱাৰে। তেওঁলোকে সন্দেহ কৰে হয়তো তেওঁলোকৰ বেদনাৰ কথা মাধৱ-গোবিন্দৰ দৰে মানুহে উপলব্ধিকে কৰিব নোৱাৰিব। মাধৱে অন্তৰেৰে অনুভৱ কৰাৰ চেষ্টা কৰিলে হীৰামণিৰ আপাত নিৰ্লিপ্ততাৰ অন্তৰালত থকা প্ৰচ্ছন্ন ব্যথাৰ কথা।

নিশা বহুপৰলৈকে তেওঁৰ টোপনি অহা নাছিল। হীৰামণিৰ কথাখিনিয়ে বাৰে বাৰে তেওঁক বিব্রত কৰি তুলিছিল। পুৱঁতি নিশা হীৰামণিৰ কণ্ঠত ভাঁহি আহিছিল কৰুণ কাকুতিভৰা এটা মাধৱৰ ৰচিত পদ—

মোক কৃপা কৰা হৰি এ
দান্তে ধৰোঁ তৃণ, মাথে ধৰোঁ তৃণ।

মাধৱে বিছনাৰপৰাই ভগৱানলৈ প্রার্থনা জনালে যাতে হীৰামণিহঁতৰ সর্বতোভাৱে কল্যাণ হয়। সংসাৰ যেন সুখৰ হয়।

আগদিনাৰ হীৰামণিৰ কথাবোৰ মনত পৰাত ওচৰতে শুই থকা গোবিন্দক লক্ষ্য কৰি কলে—হৰিভকত, মই যদি হীৰামণিহঁতৰ দৰে নিজৰ মনৰ কথা পোনপটীয়াকৈ কব পাৰিলোঁহেঁতেন ?

তেন্তে তুমি ধর্মাচার্য নহলাহেঁতেন।

কিয় ?

স্পষ্টবাদিতা সচেতন মানুহৰ লক্ষণ নহয় ; আৰু ই ব্যক্তিৰ প্রভাব খর্ব কৰে। পুৰাণৰ সেই কাহিনীটো তোমাৰ নিশ্চয় মনত আছে, প্রভু ?

সেই গুৰু শিষ্যৰ কাহিনীটো নে ?

হয়, সেই যে স্পষ্টবাদী শিষ্যক উপদেশ দিছিল, স্পষ্টবাদিতা এটা অনিষ্টকাৰী চৰিত্র বুলি। সেই চৰিত্রৰ অধিকাৰী হলে মানুহে সমাজত তিষ্ঠিব নোৱাৰে বুলি।

তাৰ পাচত সেই কথা প্রতিপন্ন কৰিবলৈ যে গুৰুৱে শিষ্যক অৰণ্যলৈ লৈ গৈছিল আৰু তাত কি দেখিছা বুলি সোধাত শিষ্যই যে কৈছিল কিছুমান গছ কাটি বগৰাই থোৱা আৰু কিছুমান গছ থিয়হৈ থকা দেখিছোঁ বুলি !

সেই কাহিনী মাধৱে জানে। গুৰুৱে সুধিছিল শিষ্যক কটা গছবোৰ আৰু থিয়হৈ থকা গছবোৰৰ মাজত প্রভেদ কি বুলি। শিষ্যই কৈছিল কটা গছবোৰ ঋজু, সৰল আৰু থিয় হৈ থকাবোৰ আছিল ন্যুব্জ কুব্জ।

গোবিন্দই কাহিনীটো শেষ কৰাৰ পাচত মাধৱে সশব্দে হাঁহি কলে—

শিশুই কিদৰে বুজিলে মই নাজানো। মই হলে বুজিছোঁ, যিমানে ঋজু, সৰল হবা সিমানে দেশৰ দহৰ কল্যাণত তোমালৈ আহ্বান আহিব, যিমানে কুজ কুটিল হবা সিমানে জন্ম লৈ নিজৰ কাৰণে থিয় হৈ থকাটোৱেই সাৰ হব।

মাধৱৰ অভুতপূৰ্ব ব্যাখ্যা শুনি গোবিন্দ পুলকিত হ'ল। সেই কাহিনীৰ তাৎপৰ্য্য যে এনে হব পাৰে গোবিন্দৰ সেয়ে প্ৰথম অভিজ্ঞতা হ'ল। মাধৱে গোবিন্দক বুজাবলৈ চেষ্টা কৰিলে কিদৰে হীৰামণিহঁতৰ দৰে মানুহবোৰৰ সততা সংশয়িত, ন্যায়বোধ নিৰাশ্ৰিত।

ৰাতিপুৱা নদীৰ পাৰত, চোতাল সৰাৰ পৰত গোবিন্দই মাধৱৰ কথাবোৰ চিন্তা কৰিলে। আৰু এসময়ত হীৰামণিৰ প্ৰতি সহানুভূতিত মন উপচি পৰিল। তেওঁ পথাৰৰ দাঁতিত থিয় হৈ বিলৰ পিনে চাই পঠিয়ালে। পাৰৰ ওখ জৰিগছজোপাত কুৰুৱাজনীয়ে আকাশলৈ চাই চাই চিঞৰত গগন ফালিছিল। বিলত চৰি ফুৰি কুৰুৱাৰ মাতত হঠাৎ চকখাই উঠা এযোৰ বনৰীয়া হাঁহৰ লগত হীৰামণি আৰু তুলসীক তুলনা কৰিবলৈ মন গৈছিল গোবিন্দৰ।

কাৰোবাৰ মাত শুনি পিচফালে ঘুৰি চাই দেখিলে ৰামচৰণ আৰু মথুৰাদাসক। ইমান পুৱাতে দুয়োকে দেখি গোবিন্দ অকণ আচৰিতো হ'ল। মাধৱক সাষ্টাংগে প্ৰণিপাত কৰি মথুৰাদাসে বাষ্পৰুদ্ধ কণ্ঠেৰে কলে—যিখন দেশৰ মংগলৰ বাবে তুমি ইমানখিনি কৰিলা, সেইখন দেশৰে ৰজাই তোমাক দিলে আকৌ নিৰ্বাসন দণ্ড। কি ভাবি যে কি কৰাইছা ভগৱান, তুমিহে জানা।

গোপাল, আদৰ্শৰ সংগ্ৰামত সেয়েতো মজা। যাৰ বাবে তুমি অহোপুৰুষাৰ্থ কৰিবা, সিহঁতেই তোমাক নিৰ্দ্বিধায় চৰম বিপদৰ মুখলৈ ঠেলি দিব। আৰু যিমানে সেই সংকটত তুমি উত্তীৰ্ণ হবা, সিমানে তুমি সিহঁতৰ আস্থাভাজন হবা।

মথুৰাদাস আৰু ৰামচৰণৰ চকুত চকুপানী দেখি মাধৱে হাঁহি হাঁহি কলে—তোমালোক সঁচাকৈ বৰ দুৰ্বল। মইতো নিৰ্বাসিত হৈ নিগৃহীত হোৱা নাই। বৰঞ্চ ৰজা ৰঘুদেৱে এই দণ্ডাজ্ঞাৰে মোক কৃতাৰ্থ কৰিছে। মইতো এক জন্ম যাযাবৰ। আকৌ এখন নতুন দেশলৈ যাম। নতুন পাষাণত প্ৰাণৰ সঞ্চাৰ কৰিম। তোমালোকে ক'ত মোক শুভেচ্ছা জনাবা, চকুপানী টুকি দিছা আকৌ বিধিপথালি।

প্ৰভু, মনেযে নসহে। জীৱনৰ অৰ্ধেক কাল কটনা কাটি—পিঞ্জৰাটো সাজি উলিয়াইছিলোঁ। কিন্তু এতিয়াচোন পখীহীন পিঞ্জৰা-টোকে আগত লৈ নিতউ আশা পালি বাট চাই থাকিব লাগিব।

মাধৱ এইবাৰ দৃঢ় হ'ল। কঠোৰভাৱে কলে—চোৱা গোপাল, তুমি তাঁতী, কপাহ গছৰপৰা কাপোৰখনলৈ সকলো স্তৰৰ সতে তোমাৰ চিনাকি। তুমি সৃষ্টিকৰা কপাহগছৰপৰা কাপোৰ। অথচ মাজৰ প্ৰতিটো স্তৰেই সৃষ্টিৰ স্তৰ নহবও পাৰে। সংগ্ৰামতো প্ৰতিটো স্তৰতে যে অগ্ৰগতি লাভ কৰিবই লাগিব এনে কোনো কথা নাই; বৰঞ্চ শেষ জয়ৰ কাৰণে মাজে মাজে পশ্চাৎগতিৰো প্ৰয়োজন হৈ পৰে। এই ধৰি লোৱা, মোৰ এই নিৰ্বাসনো তেনে।

মাধৱে কৈ গ'ল, এটা পশ্চাৎগতিকে পৰাজয় বুলি মানি লৈ মূৰে-কপালে হাত দি বহি থাকিলে জয় সুদূৰপৰাহত হৈ পৰিব। মথুৰাদাসহঁতক আৰু কিছুমান দিহা-পৰামৰ্শ দি মাধৱে একৰকম জোৰ কৰিয়েই খেদাই পঠালে। ভকতৰাম আলধৰাও আহি কান্দি কাটি এটা দৃশ্যৰ অৱতাৰণা কৰিলেহি। মাধৱে উপায়হীন হৈ তেওঁকো একৰকম দাবি ধমকি দিয়েই পঠালে।

শেষত মাধৱে যাবলৈ সাজু হ'ল। ঘাটত ৰজাৰ মানুহ বৈ আছে নেকি গোবিন্দক চাই আহিবলৈ কলে। সেই মুহূৰ্তত ঘৰখনত তেওঁ একেবাৰে অকলশৰীয়া হৈ পৰিল। তেওঁ লাহে লাহে বাৰীয়াল ফুলজোপাৰ ওচৰ চাপি গ'ল আৰু একেবাৰে কাষত থিয় হৈ ফুল পাতবোৰৰ ওপৰেদি আলফুলে দুয়োখন হাত বুলাই দি আদৰ

কৰিলে। মাধৱ হঠাৎ অস্থিৰ হৈ পৰিল আৰু মনৰ দুৰ্বলতাবোৰ আঁতৰাই পঠাবৰ বাবে উচাৎ মাৰি ঘূৰি ঘৰৰ পিৰালিৰপৰা টোপোলাটো আৰু লাখুটিডাল হাতত লৈ কাৰোপিনে নোচোৱাকৈ খোজ ললে।

ঠিক সেই মুহূৰ্ত্ততে সন্মুখত থিয় হ'লহি বনগঞাগিৰি। মাধৱে তেওঁৰ মুখলৈ চালে। উথলি উঠা বিষণ্ণতাক জোৰেৰে চেপি ৰাখি হাঁহিবৰ বাবে কষ্ট কৰা মুখত মাধৱে দেখিলে অনুপম সৌহাৰ্দ্যৰ চিন। তেওঁ কলে—মোৰ জবাব দি নোলোৱাকৈ তোমাৰ মুক্তি ক'ত, বাপ? মাধৱ বিৰক্ত হোৱা নাছিল, বৰঞ্চ পুলক অনুভৱ কৰিছিল। ভাব গোপনে ৰাখি গহীন হৈ কলে—যাত্ৰাত অকল্যাণ মাতি আনা কিয়, ৰাম?

এয়তো যাত্ৰা নহয় যে তাত কল্যাণ অকল্যাণৰ প্ৰশ্ন থাকিব? যাত্ৰা লোকে কৰে নিজৰ খুচীত। আৰু তুমি আজি ৰাজদণ্ডত দণ্ডিত হৈ ঘৰৰ পৰা যাবলৈ ওলাইছা।

মই যে নিজৰ খুচীত ওলোৱা নাই, কোনে কলে তোমাক?

তাকো কোনোবাই কব লাগেনে? তোমাৰ তেন্তে আলধৰা ভকতৰাম ক'ত?

তেওঁক মই ইচ্ছা কৰিয়ে লোৱা নাই।

আৰু তোমাৰ সুহৃদোপম গোবিন্দ? যাক তুমি স্নেহতে হৰিভকত বুলি মাতা?

তেওঁকো ময়ে বিৰত কৰিছোঁ।

চোৱা মাধৱ, তুমি আনৰ আগত ফাঁকি দি সাৰিব পাৰা, কিন্তু এই বনগঞাগিৰিৰ আগত নোৱাৰা।

কিয়?

মইযে তোমাৰ পৰম শত্ৰু। তোমাক চৰম আঘাত হানিবৰ বাবে মইযে তোমাৰ আট-ঘাট সকলোবোৰ বপ্ত কৰিছোঁ।

কিন্তু মইতো তোমাক শত্ৰু বুলি নাভাবোঁ?

এইবাৰ তুমি নিজকে ফাকি দিলা। তুমিতো পাহৰি যোৱা নাই এই, বনগঞাগিৰিয়েই যে ষড়যন্ত্র কৰি বিধবা নবৌ আৰু বিধবা নিষ্পাপ বোৱাৰীজনীৰ আশ্রয় হিচাপে পাটবাউসীত থাকিবলৈ তোমাক খাটিছিল আৰু শেষত তোমাৰ বিৰুদ্ধেই জঘন্য অপপ্রচাৰ কৰিছিল!

পাহৰি মই যোৱা নাই হয়তো, কিন্তু আজি তাৰ পুনৰালোচনাৰ প্রয়োজন আছে বুলিও মই নাভাবোঁ।

প্রয়োজন আছে; তুমি বাৰু কোৱাচোন মাধৱ, পাটবাউসীৰ শ্রীমন্তশংকৰ বোলা এজন মানুহ জানো সেইখন ঘৰত নাছিল? সেই মানুহজনে জানো নিজৰ সমস্ত বিষয় সম্পত্তি ত্যাগ কৰি, জীৱনৰ সকলো সুখ বিসর্জন দি তোমালোকৰ কাৰণে একো কৰা নাছিল!

মাধৱ নিৰুত্তৰ হৈ মনে মনে ৰ'ল। তেওঁ বনগঞাৰ কথাবোৰৰ অর্থ বুজাত টান পাইছিল। তেওঁ হাতৰ টোপোলাটো কান্ধত সুমাই ললে আৰু লাখুটিডাল সোঁহাতে লৈ আকৌ খোজ পেলাবলৈ সাজু হ'ল। বনগঞাগিৰি কিন্তু নেৰানেপেৰাকৈ লাগি ৰ'ল। তেওঁ যেন আজি এই মুহূর্তে কিবা এটা হেস্ত-নেস্ত কৰি যাবলৈ বদ্ধপৰিকৰ।

তেন্তে তুমি উত্তৰ নিদিয়া?

উত্তৰ তো তুমিয়ে দিছা!

তেনেহলে বাৰু সেই শংকৰৰ বিধবা পত্নী আৰু বোৱাৰীক লৈ যেতিয়া কোনোবাই জঘন্য অপবাদ ৰটে তেতিয়া তোমাৰ জানো একো কৰিবলগীয়া নাছিল?

আছিল আৰু মই কৰিছিলোঁও।

ভীৰুৰ দৰে পলাই আহিছিলাতো?

নির্লিপ্তভাবে মাধৱে উত্তৰ দিলে—যদি ইমানেই জানিছা তেন্তে অনর্থক মোৰ যাত্রাত বিঘিপথালি কিয়?

চোৱা মাধৱ, মই আজিও আচৰিত হৈ ভাবোঁ, তুমি সেইদিনা

প্ৰতিবাদ নকৰিলা কিয়? যিজনা পুৰুষে তোমাক নবজন্ম দিলে; যাৰ পদধূলিৰে কত সহস্ৰ তাপিত পীড়িতৰ জীৱন ধন্য হ'ল; যাৰ কণমাত্ৰ অনুগ্ৰহ বিচাৰি কত দূৰ-দূৰণিৰপৰা নিতউ হেজাৰ হেজাৰ মানুহে বাউসী তোলপাৰ লগাইছিল, সেইজনা পুৰুষৰ বিধবা পত্নী আৰু বিধবা অসূৰ্য্যম্পশ্যা বোৱাৰীক লৈ ইমানবোৰ দুৰ্ঘটনা হ'ল, তাৰ বাবে তুমি এষাৰো প্ৰতিবাদ উচ্চাৰণ নকৰিলা কিয়?

কাৰণ লাভ নাছিল।

কিয়নো, সেই ষড়যন্ত্ৰৰ নায়ক আছিল সেইজনা পুৰুষৰে ভ্ৰাতৃ বনগঞাগিৰি? এইতো? কোৱা, হয় নে নহয়? তুমি আজি মোক তিৰস্কাৰ নকৰাকৈ, নিন্দা নকৰাকৈ সাৰি যাব নোৱাৰা। তুমি আজি মোক গঞ্জনা দি যাবই লাগিব।

কথা-বতৰা শুনি গোবিন্দ ওচৰতে নীৰৱে বৈ আছিল। চকুৰ পানী মচি মাধৱৰ ওচৰ চাপি আহিল আৰু কান্ধৰ পৰা টোপোলাটো নমাই ললে। মাধৱৰ মুখলৈ তেওঁ চাব পৰা নাছিল। কিন্তু বনগঞাগিৰিৰ কথাবোৰো তেওঁৰ ভাল লগা নাছিল। কাজেই তেওঁ বনগঞাগিৰিৰ পিনে চাই লাহেকৈ কলে—বাপ, প্ৰভুক বাধা নিদিবা।

তুমি মনে মনে থাকা গোবিন্দ। তুমিতো জানা, মই মাধৱৰ কি সাংঘাটিক অনিষ্ট সাধন কৰিছিলোঁ। ৰমানন্দৰ মৃত্যুৰ পাচত ককাইদেউৰ ঘৰখনত অকমানি নাতিটো আৰু বিধবা কোমলবয়সীয়া সিন্ধুমতীক লৈ নিঃসহায় অৱস্থাত নবৌৱে যেতিয়া মোৰ ওচৰত উপায় বিচাৰি গৈছিল—

বনগঞাগিৰিয়ে এফালৰপৰা কৈ গ'ল সেই হীন ষড়যন্ত্ৰৰ কাহিনী। সহজ-সৰল আপোনভোলা মাধৱক পৰোপকাৰৰ প্ৰলোভন দেখুৱাই কিদৰে লাহে লাহে অচিন ফান্দত সুমাই দিছিল। বনগঞাগিৰিৰ একমাত্ৰ উদ্দেশ্য আছিল মাধৱৰ ওপৰত প্ৰতিশোধ লোৱা। তেওঁ মনে মনে বিশ্বাস কৰিছিল শংকৰৰ যোগ্য ভ্ৰাতৃ হিচাপে শংকৰৰ উত্তৰাধিকাৰিত্বৰ সুযোগৰপৰা বঞ্চিত কৰি তেওঁৰ প্ৰতি ঘোৰ অন্যায়

কৰা হৈছিল। আৰু সেই বঞ্চনাৰ কাৰণে দোষী সাব্যস্ত কৰিছিল মাধৱক। কিন্তু কোনো এজনেওতো তেওঁক বিশ্বাস নকৰিলে। কোনো এজনেও নকলে যে, বনগঞাগিৰিক বঞ্চিত কৰা হৈছে?

বিশ্বাস হয়তো নকৰিলে, কিন্তু প্ৰতিবাদো নকৰিলে? আৰু সেই হেতুকেই বগৰীবাৰীৰ বীৰাই চৌধুৰীয়ে সাহস কৰিছিল কমললোচন ঠাকুৰৰ বিধবা পত্নীৰ পাণিপ্ৰাৰ্থী হবলৈ আৰু ৰঘুদেৱ ৰায়ে সাহস কৰিছিল ভগৱন্ত প্ৰভুৰ বিধবা বোৱাৰীক কুৎসিৎ উদ্দেশ্যেৰে পোহনীয়া জন্তুৰ দৰে ধৰাই নিবলৈ।

আৰু হৰিভকত, গুৰুজনাৰ অন্তিম ইচ্ছাক ভৰিৰে মোহাৰি নটুৱা নাচ পাতি আমোদ কৰিবলৈ।

মাধৱৰ কথা শুনি বনগঞাগিৰিয়ে খন্তেক নীৰৱে থাকি কিবা এটা চিন্তা কৰিলে। গোবিন্দ এইবাৰ সুস্থিৰ হ'ল আৰু মাধৱৰ মুখলৈ চালে। মাধৱে স্নিগ্ধ হাঁহিৰে গোবিন্দক বনগঞাগিৰিৰ বাবে আসন যতনাবলৈ কলে আৰু নিজেও লাহে লাহে চোতালৰ পিনে ঘুৰি আহিল।

প্ৰভুৰ জানো বিলম্ব নহব?

বিলম্ব? মোৰ যে আজি অফুৰন্ত অৱসৰ। দায়িত্ব, কৰ্তব্য এনেবোৰ সমস্যাৰপৰা এক সুদীৰ্ঘ বিৰতি লাভ কৰিছোঁ আজি এই মুহূৰ্ত্তত। চিন্তিত হৈ পৰা বনগঞাগিৰিৰ মুখলৈ চাই মাধৱে হাঁহি হাঁহি কলে—

কোৱা ৰাম, তুমিযে নীৰৱ হৈ গ'লা? তোমাৰতো আজি বহু কথা কবলগীয়া আছিল বুলি কৈছিলা?

কলে জানো বিশ্বাস কৰিবা?

কৰিম; কিয়নো আজি আৰু প্ৰবঞ্চিত হোৱাৰ ভয় নাই। একেবাৰে ৰাজ ৰক্ষণাবেক্ষণ লাভ কৰিছোঁ।

চোৱা মাধৱ, সৌভাগ্য তুলনামূলক। সৌভাগ্যৰ প্ৰতি এসময়ত মোৰো মোহ আছিল, কিন্তু তোমাৰ ভাত তাৰ স্বৰূপ দেখি দেখি

মোৰ মোহভংগ হৈছে। এই খৰি লোৱা তোৱোচা নদীৰ সেই দুৰ্ঘটনাটো—

মাধৱৰ স্পষ্টকৈ মনত পৰিছিল সেই দুৰ্ঘটনাটোৰ কথা। ব্ৰাহ্মণ-পণ্ডিতৰ সতে বাদত জিনি ৰাজ-পাৰিতোষিক লাভ কৰি শংকৰ উভতি আহিছিল নিজৰ কুটীৰলৈ। অগণন মানুহে ওৰে বাটে জয়ধ্বনি দি আহিছিল 'জয় শ্ৰীমন্ত শংকৰৰ জয়' বুলি। আহি আহি তোৱোচা নদীৰ দলঙত হৈছিল সেই দুৰ্ঘটনাটো। মানুহৰ ভাৰ সহ্য কৰিব নোৱাৰি দলং ভাগি পৰিল। মাত্ৰ এজনত বাদে তললৈ পৰা কোনো এজনো বাচি থকা নাছিল। বাচি থকাজনক আটায়ে কৈছিল সৌভাগ্যবান বুলি ; সোঁহাত সোঁ-ভৰিটো ভাগিছে, কিন্তু মানুহজন যে বাচিল, ভগৱানৰ অপাৰ কৰুণা। হাত-ভৰি নোহোৱা জঠৰ জীৱন্মৃত এটা মানুহ, সি হেনো আকৌ সৌভাগ্যবান! কি যে উপচি পৰা সৌভাগ্য 'তাৰ সি নিশ্চয় মৰ্মে মৰ্মে সমগ্ৰ জীৱন জুৰি উপভোগ কৰিছে! কিন্তু তাৰ লগত আজিৰ এই প্ৰসংগৰ কি সম্বন্ধ!

মাধৱৰ সপ্ৰশ্ন দৃষ্টিৰ উত্তৰত বনগঞাগিৰিয়ে স্বীকাৰোক্তিৰ দৰে কলে—সৌভাগ্য সময় সাপেক্ষ ; এসময়ত ধৰ্মাচাৰ্যৰ পদ নেপাই ভাবিছিলোঁ। শংকৰে মোক বঞ্চনা কৰিলে ; এতিয়াহে উপলব্ধি কৰিছোঁ, সেয়া বঞ্চনা নাছিল, আছিল বৰ। সেই বৰ লাভ নকৰা হলে মইও হয়তো হাত-ভৰি ভাঙি জীয়াই থকা মানুহটোৰ দৰেই সৌভাগ্য ভোগ কৰিব লগীয়াত পৰিলোঁহেঁতেন, আজি তুমি যিদৰে ভোগ কৰিবলগীয়া হৈছা।

সেয়া তেন্তে উপলব্ধিৰ প্ৰশ্ন।

হয়তো উপলব্ধিক সময়েই পৰিপক্ক কৰে।

নিশ্চয়।

কিন্তু মই ৰটনা কৰা অপবাদৰ ক্ষেত্ৰতো সময়লৈ বাট চোৱাৰ প্ৰশ্ন নাছিল। কিয়নো তাত জড়িত আছিল এটা নিষ্পাপ শিশুৰ সমগ্ৰ ভৱিষ্যত, এটা প্ৰসিদ্ধ পৰিয়ালৰ ঐতিহ্য আৰু এক

চিৰস্মৰণীয় মহাপুৰুষৰ সমগ্ৰ জীৱন সাধনাৰে গঢ়ি তোলা আদৰ্শ পৰম্পৰা।

ধনগঞাগিৰিৰ ব্যক্তিগত আক্ৰোশ নিশ্চয় সেইবোৰতকৈ মূল্যবান নাছিল। তথাপি তোমালোকে নীৰৱ দৰ্শকৰ দৰে সকলো সহ্য কৰি-আছিলা কিয় ?

তাৰ উত্তৰ আমাৰ ওচৰত নাই।

তোমালোকে তেনেদৰে কৰা বুলি মই আগতেই জানো। সকলো অন্যায় নিৰ্ব্বিবাদে সহ্য কৰিব পৰা গুণেই হয়তো তুমি আজি ধৰ্মাচাৰ্য আৰু গোবিন্দ হৰিভকত। বিপত্তি কাতৰতাই তোমালোকক প্ৰতিবাদ কৰাৰ পৰা নিৰস্ত কৰে।

বনগঞাগিৰিয়ে মাধৱক মনত পেলাই দিলে বলোৰামৰ কথা ; যি বলোৰামক কত ছন্দ-প্ৰৱন্ধ কৰি মাধৱে মোকোলাই আনিছিল তপাৰ চৌধাৰীঘৰৰ পৰা। প্ৰথমে মাধৱক তেওঁ বিশ্বাসেই কৰা নাছিল। শেষত যেনিবা আহিল। গণককুছিত খেতিৰ মাটি দি নিজাপীকৈ গৃহস্থী কৰাৰ সুবিধা কৰি দিলে। কিন্তু মাত্ৰ দুই নে তিনিটা বছৰহে। তাৰ পাচত 'পুনৰ মুষিক ভব'। আকৌ আন এঘৰত বন্ধুৱা। আচৰিত মানুহৰ মন! উপলব্ধিৰ গভীৰতাৰে মাধৱে মন্তব্য কৰিলে—দুৰ্বোধ্য মানুহৰ মন।

আৰু সেই দুৰ্বোধ্য মনৰ বেহাত নামিছা তোমালোক। এই পথ বিপত্তিপ্ৰৱণতাৰে সংকুল। কাতৰতাই সেইবাবে তোমালোকক শোভা নাপায়।

মাধৱৰ বাবে এই উপলব্ধি একো নতুন নহয়। তথাপি তেওঁ নতুন কথা শুনাৰ দৰে উদ্‌গ্ৰীৱ হৈ বনগঞাগিৰিৰ কথা শুনিছিল ; কিয়নো তেওঁৰ কথাত আছিল মাধৱৰ প্ৰতি গভীৰ সহানুভূতিৰ আভাস। ক্ৰমে তেওঁৰ কথাবোৰ মাধৱৰ কাণত নিৰৰ্থক শব্দত পৰিণত হৈ ধৰা দিছিল আৰু মাধৱৰ দৃষ্টিত প্ৰতিভাত হৈ পৰিছিল এটা দৃশ্য। ঠিক হুবহু গোবিন্দই বৰ্ণনা কৰা মতে মনৰ চকুত ভাঁহি

উঠিছিল ক্ৰন্দিত বনগঞাগিৰি আৰু যত্নমণিৰ মুখ। উন্মাদনাত চকুপানী টুকি টুকি যত্নমণি আৰু বনগঞাগিৰিয়ে ৰঙিয়াল ঘৰটোত জুই লগাই দিছিল। ভুলতো যেন তাৰ কণামাত্ৰও অৱশেষ নাথাকে, ছয়ো এফালৰপৰা কাটি-ছিঙি খান্তাং কৰি জুইত পেলাই দিছিল তাৰ ফুলচতি, হেঙুল-হাইতালৰ স্পৰ্শত জীৱন্ত যেন লগা কাঠৰ ময়ূৰ-ভাটৌ আদি। ইমান কষ্টেৰে নিজ হাতে গঢ়িতোলা এটা সৃষ্টিৰ নিদাৰুণ ধ্বংসলীলাৰ সম্মুখত থিয় হৈও ভকতসকলৰ এজনৰো এবাৰ প্ৰতিবাদ জনাবৰ সাহস নহ'ল। নিৰ্বাক-নিস্পন্দ হৈ তেওঁলোকে সেই ধ্বংসযজ্ঞ চাই থাকিল।

মাধৱৰ লক্ষ্য আছিল ঠিক তেনে এটা পৰিণতি। য'ত সংশ্লিষ্ট আটায়ে নিজৰ ভুল উপলব্ধি কৰিব আৰু কৰিব উদ্দাম প্ৰচণ্ড এটা পৰিবেশৰ মাজত। তেতিয়া হলে তাৰ উপলব্ধিও হব গাঢ় আৰু দীৰ্ঘম্যাদী। মাধৱে কথাখিনি চিন্তা কৰাৰ পাচত বনগঞাগিৰিৰ মুখলৈ চালে। তেওঁৰ চকুৱে-মুখে অন্তৰৰ গভীৰ ব্যথাই ধৰা দিছিল। মাধৱৰ মন সংশয়মুক্ত হ'ল আৰু আগত যাত্ৰাৰ বাবে সক্ষম হৈ পৰিল। এই দেশ এৰি যোৱাৰ আগতে তেওঁৰ মনত অজস্ৰ সন্দেহৰ জন্ম হৈছিল। তেওঁৰ অবিহনে প্ৰচাৰৰ গতি অব্যাহত ৰখা দূৰৰ কথা, যিখিনি আছিল সেইখিনি ৰক্ষা কৰাৰ বাবেই ঘোৰ চিন্তা হৈছিল মনত। এইবাৰ তেওঁৰ বুকুৰ পৰা এটা গধুৰ বোজা পিছলি পৰা যেন লাগিল; তেওঁ নিশ্চিন্ত হ'ল।

ৰাম, মই এইবাৰ নিঃশংক, নিৰ্ভয় হলোঁ।

কিয়নো বনগঞাগিৰিৰ সুমতি হ'ল। এইতো?

তেওঁৰ সক্ৰিয় সহায় সম্বন্ধে নিশ্চিত হলোঁ।

কিন্তু বাপ, মইতো ইমান শক্তিমান নহওঁ যে তুমি মোৰ ওপৰত ইমান নিৰ্ভৰ কৰিবা, অথবা মোৰ প্ৰতিবোধক ইমান ভয় কৰিবা।

প্ৰতিবোধক সামান্য বুলি অৱজ্ঞা কৰাটো মূৰ্খামি; মই অৱশ্যে সেইটো কব খোজা নাই, তোমাৰ ওপৰত নিৰ্ভৰ কৰিব পৰাটোৱেই

মোৰ স্বস্তিৰ একমাত্ৰ কাৰণ। তেন্তে মই এতিয়া আহোঁহে। ঘাটত নিশ্চয় চৰ্দাৰৰ মানুহ বৈ আছেহি।

গোবিন্দৰ হাতৰপৰা একৰকম কাঢ়িয়েই টোপোলাটো কান্ধত সুমাই ললে। আৰু লাখুটিডাল হাতত লৈ চোতালত থিয় হ'ল। পূবৰ পিনে নিতউ টিয়াচৰাইৰ জাকবোৰ হেৰাই পৰা অৰণ্যখনলৈ চালে আৰু ক্ৰমে দৃষ্টি বুলাই লৈ আহিল ওচৰৰ বিলখনৰ পাৰত ডালত বহি নিতউ পুৱাতে আকাশ মুখৰ কৰি কুকুৰাজনীয়ে চিঞৰা সেই ওখ গছজোপালৈ ; তাৰ পিচত বৰতাৰ জাবনি ; য'ৰ বুকুফালি ওলাই আহিছে অঞ্চলৰ গঞা ৰাইজৰ যাতায়তৰ একমাত্ৰ পথ ; যিপিনেদি ৰাতি ৰাতি হীৰামণি আৰু তুলসী আহিছিল তেওঁৰ ওচৰলৈ পৰমপদৰ সন্ধানত। শেষত মাধৱৰ দৃষ্টি নিবদ্ধ হ'ল চোতালৰ আগৰ ৰঙিয়াল ফুলজোপাত। তেওঁ ফুলজোপাৰ কাষলৈ আহিল আৰু পাতবোৰ হাতেৰে গুচাই গুচাই ফুলবোৰ চালে। আৰু গোবিন্দক কলে যে, এইবাৰ বৰষুণৰ আগে আগে গুৰিত চাৰিওপিনে অকণ অকণকৈ মাটি দিলে ভাল হব।

মাধৱে মনে মনে ভাবিছিল হয়তো ; কিন্তু কথাবোৰ স্বগতোক্তিৰ দৰে ওলাই পৰিল—

সম্প্ৰতি হাজোলৈ নিৰ্বাসন ; ভৱিষ্যতে হয়তো আৰু ক'ৰবালৈ হব। য'তেই নহ'ক, তাতো যদি এখন জাৰনি, এখন বিল থাকিল-হেঁতেন! নিতউ পুৱাতে টিয়া চৰাই, কুকুৰাৰ কোঢ়াল ; ৰাতি জোনাকত বনৰীয়া হাঁহে আকাশত শব্দ কৰি উৰি যোৱা মায়াময় পৰিবেশ—এইবোৰকে লৈ থাকিব পাৰিলোঁহেঁতেন। চোতালত কই ললোঁহেঁতেন এজোপা ৰঙিয়াল ফুল।

তাৰ তলত বহি বহি মাধৱে ৰচিলেহেঁতেন অলেখ অজস্ৰ পদ পয়াৰ। কিন্তু তাত সুৰেৰে জীৱন দিবলৈ হীৰামণি আৰু তুলসীৰ ভুৱন জিনা অপূৰ্ব কণ্ঠ জানো পালেহেঁতেন ক'ৰবাত!

এইবাৰ কিন্তু সঁচাকে বিলম্ব হ'ল বাপ! বনগঞাগিৰিৰ সঁহাৰিত মাধৱ জিকাৰ খাই উঠিল।

হাজো বহুত দূৰ বাপ; সৌৱা চৰাইৰ জাকবোৰ উভতিবৰ হলেই। চকা পাটত বহিবলৈ আৰু বেছি পৰ নাই।

হাজো তো আজি এনেও নেপায়। বাউসীৰ পিনেদি গৈ বুঢ়ী লুইতৰ মুখেদি একেবাৰে লুইতত নমালৈকে ভটিয়নি সোঁত যেতিয়া গধূলিৰ লগে লগেই পোৱা হব। তাৰ পিচত লুইতেদি উজাব লাগিব। বজাৰ মানুহ লুইত পোৱাই দিয়াৰ পাচতেই খালাচ। তাৰ পাচত মাধৱৰ নিজা ব্যৱস্থা। বনগঞাগিৰিয়ে দেখুৱা চৰাইৰ জাকটোলৈ মাধৱে চালে; সিহঁতো বিলৰ দক্ষিণৰ জাৰনিখনৰপৰা বাউসীৰ পিনেই গৈছে, বোধকৰোঁ লুইতৰ চৰত ৰাতিটোৰ আশ্রয়ৰ বাবে। আজি বজাৰ মানুহে এৰি অহাৰ পাচত তেওঁ হয়তো চৰাইবোৰৰ দৰেই কোনোবা এটা অজান চৰত আশ্রয় লব লাগিব। আৰু আশাৰে বাট চাই থাকিব লাগিব সাধুকথাৰ সেই সাউদৰ পুতেকৰ দৰে। নদীত নাও ডুবি নিৰাশ্রয় নিৰালম্ব হৈ অকলশৰে অচিন অজান দ্বীপত সাউদৰ পুতেক বৈ আছিল, দিনৰ পাচত দিন, মাহৰ পাচত মাহ, বছৰৰ পাচত বছৰ—কোনোবা সদাশয় সাউদৰ নাওঁৰ অপেক্ষাত।

বুজিছা ৰাম, হৰিভকত, নটুৱা নাচ পাতি ভালেই হ'ল।

কিন্তু প্ৰভু, গুৰুজনাই নটুৱা নাচ পাতিবলৈ নিদিয়াত নিশ্চয় কিবা অৰ্থ আছিল?

নিশ্চয় আছিল। ধৰ্মানুষ্ঠানত চাঞ্চল্য, সমাৰোহ, আড়ম্বৰৰ জোলুস এনেবোৰ কথাই আধ্যাত্মিক চেতনাৰ উৎসক ধ্বংস কৰি দিয়ে। সেই উৎস হ'ল সাহচৰ্য্যৰ নিবিড়তা। সেইবাবেই গুৰুজনাই নিষেধ কৰিছিল।

আমিতো সেই অৰ্থ শেষ কৰি দিলোঁ, বাপ!

নাই দিয়া; বিচাৰি পোৱা নাছিলোঁ, এইবাৰ যেনিবা বিচাৰি পালোঁ।

কিন্তু চৰম মূল্য দি।

চৰম অৰ্থ চৰম মূল্য দিয়েই লাভ কৰিব লাগিব। মোৰ জীৱনতে চোৱাচোন, ক'ত সেই বগুকা, ক'ত সেই ফুলবাৰীৰ সন্টৰা কাজীৰ ঘৰ। ক'ত সেই বেহাৰ আৰু ক'ত সেই আলিপুখুৰী-মালচা-তপা-বাৰাদি আৰু ঘাঘৰ মাজিৰ ঘৰ। বটিয়ামাৰীৰ শূদ্ৰা পাটগিৰি, শালকোছাৰ জামাল কছাৰী আৰু দক্ষিণকুলৰ বৰবিষ্ণু আতৈৰ টোল। এই বিশাল লুইতখনকে কতবাৰ পাৰ হলোঁ, কত আশাৰে কতজনৰ ওচৰ চাপিলোঁ, কতৰ গঞ্জনা খালোঁ, কতৰ পালোঁ আকৌ সহৃদয়তা। ক'ৰবাত অনাহাৰে—অনিদ্ৰাই ক্ষুধাৰ জ্বালাত ৰব নোৱাৰি জীৱনটোকে অৰ্থহীন বুলি ভাবি আহিছোঁ, কৰবাত আকৌ কাৰোবাৰ অকণ সাদৰী মাত পায়ে ভাবিছোঁ জীৱনটোযে কি মধুৰ, কি মহাৰ্ঘ !

ইমানখিনিৰ পাচতো আজি যদি মই বহি বহি হিচাপ কৰোঁ, মই দেখিম, মোৰ ভাণ্ডাৰ একেবাৰে বিক্ত। হয়তো যি বিচাৰিছিলোঁ তাক নাপালোঁৱেই আৰু যি সামান্য পালোঁ, নোপোৱাৰ বিশাল বিক্ততাত সেয়া নিশ্চিহ্ন হৈ পৰিল।

এইবাৰ যে হিচাব-নিকাচ হৈ গ'ল বাপ। ভক্তৰ ইচ্ছাৰ প্ৰতি সঁহাৰি জনাই, অগণন প্ৰজাৰ মনোৰঞ্জনৰ কাৰণে পাতিলা নটুৱা নাচ, তাৰ পুৰস্কাৰ পালা ৰাজনিগ্ৰহ। হ'লা নিৰ্বাসিত।

নিৰ্বাসিত হওঁতে হয়, কিন্তু নিগৃহীত বুলি মই ভবা নাই। গৃহস্থই যেনিবা খঙতে নোচোৱাকৈ স্বৰ্ণমুদ্ৰা এটাকে মাৰি পঠালে ভিখাৰীলৈ। মইতো জন্ম যাযাবৰ। হাজোলৈ নিৰ্বাসন মোৰ কাৰণে ভাতৰ লগত পানী খোৱা কথা। কোনে জানে ভগৱানে হয়তো নতুন হিচাপৰে ব্যৱস্থা কৰিছে তলে তলে। নতুন ক্ষেত্ৰলৈ মই নতুন মানুহ যাম, হয়তো পুৰণি হিচাপৰ অংক মচি ধুই নতুন হিচাপৰ ফলি হাতত তুলি দিবলৈ তেওঁ বাট চাই আছে।

মাধৱৰ মনত এক অদ্ভুত অনুভূতিৰ উদয় হ'ল। মনে মনে ভাবিলে, গুৰুজনাই ঠিকেই কৈছিল, সকলো স্থানেই, সকলো পৰিবেশেই অভিন্ন। ভিন্ন মাত্ৰ মানুহৰ মন। অনাদি পাতনত

কোৱা সেই যে মনৰ স্বৰূপ। তেন্তে উপায়! উপায় তো মাধৱে নিজেই দিছে—

হৃদিস্থিত হয়া তুমি যেন কৰাবাহা স্বামী
হৃষীকেশ কৰিবো তেনয়।

বুঢ়ী লুইতৰ পাৰ মাধৱৰ সুললিত কণ্ঠৰ আঘাতত নিনাদিত হৈ উঠিছিল। নাওখন নিশ্চিহ্ন হৈ পৰালৈকে, মাধৱৰ কণ্ঠস্বৰ শুনা হোৱালৈকে, গোবিন্দ আৰু বনগঞাগিৰি স্তব্ধ হৈ নদীৰ পাৰত বৈ আছিল। নদীৰ সিপাৰৰ জাবনিখনলৈ বাতিটোৰ আশ্ৰয়ৰ কাৰণে উভতি অহা টিয়া চৰাইজাকৰ কোঢ়ালতহে দুয়ো চক খাই চাৰিওপিনে চালে। চকুৰ পানীৰে দুয়োৰে তেতিয়া বাট নেদেখা অৱস্থা।